দিশপুৰ মহাবিদ্যালয়

আলোচনী

দিশপুৰিয়ান

Dispurian

অষ্টবিংশতিতম্ সংখ্যা, ২০২৩-২৪ বর্ষ

বর্ণালী বৰা
তত্ত্বাৱধায়ক

ধ্রুৱ জ্যোতি বর্মন
সম্পাদক

মহাবিদ্যালয়ৰ সংগীত

কথাঃ ড° বিৰিঞ্চি কুমাৰ মেধি (১৯৫০-২০২৩)

সুৰ ঃ তৰালি শর্মা

দিশপুৰ মহাবিদ্যালয়
অলেখ প্রাণত তোলা ছন্দ
অমল অংশুমালা
নীৰৱে বিলাই
আমাক কৰিলা তুমি ধন্য।।

হেজাৰজনেৰে হ'ল
মুখৰ প্রাংগণ
উদাৰ চিত্তে কৰা
জ্ঞান বিকিৰণ
প্রজ্ঞা নিষ্ঠা প্রীতি
তোমাৰেই দান
সফল কৰিলা কত স্বপ্ন।।

শিথিল বক্ষ জুৰি
তুলিলা স্পন্দন
মুক্ত দীপ্ত কৰা
ছায়াঘন মন
অতুল বিভৱ যাচি
শতেকজনক
আমাক কৰিলা মনোমুগ্ধ।।

মহাবিদ্যালয় সংগীত ঃ দিশপুৰ মহাবিদ্যালয়ৰ সংগীতটি ৰচনা কৰে — গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃত্য-নৃতত্ত্ব বিভাগৰ প্রাক্তন অধ্যাপক তথা বিশিষ্ট সাহিত্যিক, গীতিকাৰ ড° বিৰিঞ্চি কুমাৰ মেধিয়ে (১৯৫০-২০২৩)। ড° মেধিয়ে অসমীয়া সাহিত্য জগতলৈ বৰঙণি আগবঢ়োৱাৰ লগতে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, কে.চি. দাস কমার্চ কলেজ, জে.বি. আইন মহাবিদ্যালয়, দুধনৈ কলেজ, পুঠিমাৰী মহাবিদ্যালয়, বেজেৰা আঞ্চলিক মহাবিদ্যালয়, অসম কিক বক্সিং সংস্থা, গুৱাহাটী ক্রীড়া সন্থা আৰু অনেক অনুষ্ঠান-প্রতিষ্ঠানৰ বাবে শীর্ষ সংগীত ৰচনা কৰি অসমৰ সংগীতৰ ক্ষেত্রখনলৈ অনবদ্য অৰিহণা যোগাইছে। মহাবিদ্যালয়ৰ সংগীতটিত সুৰ আৰোপ কৰে ৰাষ্ট্রীয় বঁটা প্রাপক বিশিষ্ট কণ্ঠ শিল্পী শ্রীমতী তৰালি শর্মাই।

২০২২ চনৰ এপ্রিল মাহত গীতটি গুৱাহাটী জু-ৰোডস্থিত ষ্টুডিঅ' ড্রিমচ্ত বাণীবদ্ধ কৰা হয়। গীতটিত কণ্ঠদান কৰে মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্র-ছাত্রীসকল ক্রমে — অনির্বান বর্মন, ঋতুপর্ণ আবাং, হীৰকজ্যোতি কলিতা, মৰমী দেৱী, সীমাশ্রী শর্মা, নিশিপ্রিয়া কোঁৰৰ, সেৱাশ্রী বৈশ্য আৰু নিবেদিতা মেধি। সামগ্রীক ব্যৱস্থাপনা কৰে — ড° সঞ্জীৱ কুমাৰ শর্মা (মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ, দিশপুৰ মহাবিদ্যালয়) আৰু জিণ্টু বৰদলৈ (ষ্টুডিঅ' ড্রিমচ্)।

২০২২ চনৰ মে' মাহৰ ৭ তাৰিখে মহাবিদ্যালয়ে আয়োজন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সভাত মহাবিদ্যালয়ৰ সংগীতটি পোন প্রথমবাৰৰ বাবে পৰিৱেশন কৰা হয়। এই সভাত উপস্থিত আছিল অসমৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ভাৰত স্বাধীনতা আন্দোলনৰ লগত জড়িত কেইবাজনো মুক্তি যুঁজাৰু।

দিশপুৰিয়ান

Dispurian

অষ্টবিংশতিতম্ সংখ্যা, ২০২৩-২৪ বর্ষ

দিশপুৰ মহাবিদ্যালয় আলোচনী

বর্ণালী বৰা
তত্ত্বাৱধায়ক

ধ্রুৱ জ্যোতি বর্মন
সম্পাদক

DISPURIAN 28th edition (2023-24) : An Annual magazine of Dispur College, Guwahati, edited by Dhruba Jyoti Barman under the supervision of Bornali Borah and published by Dispur College on behalf of Dispur College Student's Union, Guwahati-781006, on August 2025.

ISBN : 978-81-962221-9-2

সম্পাদনা সমিতি - 'দিশপুৰিয়ান'

বহি থকা বাওঁফালৰ পৰা: সুতীব্র মালাকৰ, ড° সঞ্জীৰ কুমাৰ শর্মা, ড° নৰজ্যোতি বৰা (অধ্যক্ষ), ড° মালবিকা ভট্টাচার্য্য, বর্ণালী বৰা (তত্ত্বাৱধায়ক), ত্রিবেণী বৰকটকী

থিয় হৈ থকা বাওঁফালৰ পৰা: ধ্রুৱ জ্যোতি বর্মন, অংকুৰ কলিতা, নিতাশ্রী বৰা, চন্দন কলিতা

সভাপতি	ঃ	ড° নৰজ্যোতি বৰা, অধ্যক্ষ, দিশপুৰ মহাবিদ্যালয়
উপ-সভাপতি	ঃ	ড° সুনীতা আগৰৱালা
তত্ত্বাৱধায়ক	ঃ	বর্ণালী বৰা
সম্পাদক	ঃ	ধ্রুৱ জ্যোতি বর্মন
শিক্ষক সদস্য	ঃ	ড° মালবিকা ভট্টাচার্য্য, ড° সঞ্জীৰ কুমাৰ শর্মা, ত্রিবেণী বৰকটকী, সুতীব্র মালাকৰ
ছাত্র সদস্য	ঃ	অংকুৰ কলিতা, নিতাশ্রী বৰা, চন্দন কলিতা
বেটুপাত	ঃ	সুভজিৎ নাথ
অংগসজ্জা	ঃ	সম্পাদনা সমিতি
স্কেচ	ঃ	দীপাংকৰ হাজৰিকা, প্রীতিস্মিতা কুমাৰ, অনন্যা ৰয়
আর্হি নিৰীক্ষণ	ঃ	স্বর্ণালী কলিতা, ডিম্পী দাস, ডিম্পী কলিতা

মূদ্রণ ঃ প্রগতি গ্রাফিক্স প্রিন্টার্চ, বৰবজাৰ, পাণ্ডু, গুৱাহাটী-১২, ফোন নং - ৯৮৬৪১-১৫৭৪৪

শ্রদ্ধার্ঘ্য

বিশিষ্ট অভিনেতা তথা পৰিচালক কুলদা কুমাৰ ভট্টাচার্য, বিশিষ্ট সংগীত পৰিচালক নন্দ বেনার্জী, যশস্বী সংগীত পৰিচালক ভূপেন উজীৰ, পদ্মশ্রী বীৰুবালা ৰাভা, বিশিষ্ট ভাষাবিদ, পণ্ডিত সাহিত্যাচার্য বিশ্বেশ্বৰ হাজৰিকা, প্রাক্তন শিক্ষা মন্ত্রী থানেশ্বৰ বড়ো, বিশিষ্ট সাহিত্যিক ড° প্রণৱজ্যোতি ডেকা, বিশিষ্ট কবি তথা সমালোচক ৰবীন্দ্র বৰা, 'বিস্ময়'ৰ প্রতিষ্ঠাপক সম্পাদক শশী ফুকন, বিশিষ্ট শিক্ষাবিদ উপেন্দ্র নাথ শর্মা, গল্পকাৰ অৰুণ গোস্বামী, নাট্যকাৰ বসন্ত শইকীয়া, গণশিল্পী সূর্য দাস, উদ্যোগপতি ৰতন টাটা, প্রাক্তন প্রধান মন্ত্রী মনমোহন সিঙৰ লগতে জ্ঞাতে-অজ্ঞাতে শিক্ষা, সাহিত্য, সংস্কৃতি, বিজ্ঞান, খেল ইত্যাদি বিভিন্ন ক্ষেত্রত অসম তথা ভাৰতীয় সমাজলৈ সেৱা আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যোৱা সকলো পুণ্যাত্মাৰ চিৰশান্তি কামনা কৰি 'দিশপুৰিয়ান'ৰ তৰফৰ পৰা শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

সম্পাদক
'দিশপুৰিয়ান'

উচৰ্গা

দিশপুৰ মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত
'দিশপুৰিয়ান' ৰ
অষ্টবিংশতিতম্
সংখ্যাটি
উচৰ্গা কৰা হ'ল

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam

দিছপুৰ
চি এম এছ. ৭/২০২৩/২৭৯৫
২২ চ'ত, ১৪৩১ ভাস্কৰাব্দ
৫ এপ্রিল, ২০২৫ ইং

শুভেচ্ছাবাণী

দিশপুৰ মহাবিদ্যালয়ৰ বার্ষিক আলোচনী 'দিশপুৰিয়ান' প্রকাশৰ বাবে প্রস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ। এই আলোচনীখনে বিদ্যার্থী সমাজক জ্ঞান আৰু প্রজ্ঞাৰ সাধনাৰে আগুৱাই যোৱাৰ দিশত বিশেষ ভূমিকা গ্রহণ কৰিব বুলি মই নিশ্চিত।

শিক্ষা হৈছে ব্যক্তি বিশেষৰ আত্মসংস্কাৰ বা পৰিমার্জিত ৰুচি। তেনে আত্মসংস্কাৰ বা ৰুচি গঢ় দিব লাগিলে বিদ্যার্থীৰ মানসিক পৰিমণ্ডলত মুক্ত প্রজ্ঞা আৰু মুক্ত চিন্তাৰ প্রসাৰ সাধন কৰিব লাগিব। বিশিষ্ট দার্শনিক বার্ট্রাণ্ড ৰাছেলে কৈছিল— 'কোনজন মানুহ প্রকৃততে মুক্ত-প্রজ্ঞা সেই কথা তেওঁৰ বিশ্বাসৰ ওপৰত নির্ভৰ নকৰে, সি বেছিকৈ নির্ভৰ কৰে সেই বিশ্বাসবোৰত তেওঁ কেনেকৈ উপনীত হ'ল তাৰ ওপৰতহে। প্রকৃততে মুক্তভাৱে চিন্তা কৰা মানুহে কেতিয়াও কাৰো কর্তৃত্বৰ ওচৰত সেও নামানে বা নিজৰ অভিৰুচিৰ ওচৰতো মূৰ নোদোৱায়।' ঐতিহ্যৰ প্রতি গভীৰ আস্থা আৰু আধুনিকতাৰ সংবেদনশীল চেতনাৰে বিদ্যার্থীৰ চেতনাত তেনে মুক্ত চিন্তা আৰু প্রজ্ঞাৰ বীজ অংকুৰিত কৰাই হৈছে শিক্ষাৰ উদ্দেশ্য। প্রকৃত শিক্ষাই বুদ্ধিমত্তা আৰু প্রাণ শক্তিৰ পৰিচয় দিব পৰা আত্মনির্দেশিত, আত্মনিয়ন্ত্রিত একোগৰাকী আজীৱন শিক্ষার্থী গঢ়ি তুলিব পাৰে।

অনুসন্ধান, সৃষ্টিশীলতা, প্রযুক্তি, উদ্যমিতা তথা নৈতিক নেতৃত্ব দিব পৰা বিদ্যার্থীৰ সৃষ্টি কৰিব পাৰিলেহে আধুনিক বিশ্বত স্ব-প্রতিভাৰে সমুজ্জ্বল মানৰ সম্পদ গঢ় দিয়াটো সম্ভৱ হৈ উঠিব। শিক্ষাই এনে আলোক প্রজ্বলিত কৰিব লাগে যাৰ জৰিয়তে ছাত্র-ছাত্রীসকলে তেওঁলোকৰ চিন্তাক দেশ নির্মাণৰ ৰূপৰেখালৈ পৰিৱর্তন সাধন কৰিব পাৰে। আমাৰ দেশৰ বিকাশ আৰু মানৱ জাতিৰ সমৃদ্ধিৰ বাবে প্রত্যাহ্বান নেওচি আগুৱাই যাব পৰা শিক্ষার্থী গঢ় দিয়া উচিত যাতে এখন সমাজ বা আমাৰ সভ্যতাই উদ্ভাৱনীমূলক চিন্তাৰে দ্রুত ৰূপান্তৰ সম্ভৱ কৰি তুলিব পাৰে। এনে চিন্তাৰ বীজ ছাত্র-ছাত্রীৰ মাজত কোনে অংকুৰিত কৰিব? নিশ্চিতভাৱে শিক্ষাগুৰুসকলে। দিশপুৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিমণ্ডলত সেই মহৎ উৎসৱৰ আয়োজন হওক তাকেই কামনা কৰিলোঁ।

মই আলোচনীখনৰ সফল প্রকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শর্মা)

Ranoj Pegu
Minister
Education & Tribal Affairs (P)

सत्यमेव जयते

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati -781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com

MESSAGE

It is with immense pride and heartfelt enthusiasm, I extend my warmest greetings to the faculty, students, staff and everyone connected with Dispur College, Kamrup(M) on the release of its annual magazine named "Dispuriyan."

The importance of education in shaping the future of our nation cannot be overstated. As we navigate a world that is increasingly interconnected and complex, institutions like Dispur College plays a crucial role in preparing young minds to face the challenges and seize the opportunities in today's fast paced world.

I commend the faculty and administration for their unwavering commitment to excellence in education and for creating an environment where students are encouraged to grow, innovate and succeed. To the students, I encourage you all to continue striving for greatness, to remain curious and to make a positive impact in your chosen field.

Let this magazine be a reminder of the hard work and determination that makes you all a part of something much larger than yourselves.

With best wishes.

(Dr. Ranoj Pegu)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. Nani Gopal Mahanta
Vice Chancellor

শুভেচ্ছা বাণী

দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **'দিশপুৰিয়ান'**ৰ অষ্টবিংশতিতম সংখ্যাটি প্ৰকাশ কৰিবলৈ যো-জা কৰা বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ। শৈক্ষিক প্ৰচেষ্টাক ধৰি ৰখাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হ'ল শিক্ষানুষ্ঠানখনৰ আলোচনী প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰা কাৰ্য। আচলতে, কোনো এখন শিক্ষানুষ্ঠানৰ আলোচনীখন সেই শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক আৰু নান্দনিক চিন্তা চেতনাৰ বাহকস্বৰূপ, কিয়নো এয়া শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষ, শিক্ষক, কৰ্মচাৰী, শিক্ষাৰ্থীসকলৰ সমন্বিত ফচল। এনে ইতিবাচক প্ৰচেষ্টাক আদৰণি জনাইছোঁ। আমি আশাবাদী যাতে আলোচনীখন কাব্যশিল্প, চিন্তাশিল, অনুভবীশিল্পৰ অপূৰ্ব সমাহাৰেৰে সমৃদ্ধ হওঁক। এয়া নতুন প্ৰজন্মৰ সুপ্ত প্ৰতিভা বিকাশৰ আধাৰ হওঁক আৰু সঠিক তথা নব্য চিন্তাধাৰাৰ মূল্যায়নৰদ্বাৰা শিক্ষাৰ্থীসকলে নিজৰ ব্যক্তিত্ব কৰ্ষণৰ যোগেদি সমাজ-জীৱনৰ প্ৰতি বিশেষভাৱে দায়বদ্ধ হৈ উঠক। শেষত, **'দিশপুৰিয়ান'**ৰ নেপথ্যত থকা প্ৰতিগৰাকী ব্যক্তিক মই মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

(অধ্যাপক ননী গোপাল মহন্ত)
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

দিনাংক ঃ ১৪-০৫-২০২৫

Address : Guwahati-781014 Assam:India | **E-mail**: vc@gauhati.ac.in | **Web** : www.gauhati.ac.in

Dr. Balendra Kumar Das
M.Sc., Ph.D., IDHL,
President, Governing Body

Message

It gives me extreme delight that the 28th edition of the annual magazine of Dispur College- 'DISPURIAN'- will be brought out very soon. A college magazine is a medium of bridging the new and old talents of literary activities with new possibilities and hope. It is the reflector of the young minds, how they feel regarding problems and prospects of the social issues in varied directions like- academic, political, social, economical, cultural etc. This publication will provide an excellent opportunity and platform for many upcoming writers to showcase their talents and quality of their intellectual thinking. Their innovative approaches give them as well as the society as a whole- new hopes, new beginnings, new opportunities & new aspirations afresh- to reach their desired destinations in life.

I would like to extend my warm wishes and greetings to the Principal, Editor, Faculty In-charge, members of the Editorial Board, collaborators and members of the press of this issue, for their unwavering dedication and untiring efforts which has made it possible to bring out this awesome publication with unity and camaraderie.

Dr. Balendra Kumar Das
President, Governing Body
Dispur College

From the Desk of Principal

It is with immense pleasure and a deep sense of pride that I present before you the 28th edition of Dispurian, the annual magazine of our college. This magazine has always been a vibrant canvas for our students and faculty to paint their thoughts, ideas, and creativity, and this edition is no exception.

I extend my heartfelt appreciation to all the contributors who have enriched the pages of this magazine with their literary, academic, and artistic creations. A special word of encouragement goes out to our budding student writers and artists. Your contributions are the soul of Dispurian and I urge more of you to come forward and showcase your unique talents in the forthcoming editions. This platform is yours to express, to learn, and to grow.

The compilation of this magazine would not have been possible without the painstaking and meticulous efforts of our esteemed editorial board. Their dedication and hard work in curating and shaping this edition deserve our sincerest applause.

The past year has been a landmark one for Dispur College. It fills my heart with immense pride to announce that our relentless pursuit of excellence was recognized with an 'A' grade in the assessment by the National Assessment and Accreditation Council (NAAC) in November, 2024. This achievement is a testament to the collective hard work, unwavering sincerity, and dedicated efforts of every single member of our college family – the management, the faculty, the administrative staff, and our dear students and alumni. I fondly remember the tireless preparations and the spirit of unity that was palpable in the college premises in the months leading up to the NAAC visit. It was a period of intense effort, and the glorious result is a reward for our perseverance.

As we bask in the glory of this achievement, I appeal to our students, alumni, employees and all other stakeholders to continue to uphold the spirit of Dispur College. Let our commitment to quality, our dedication to service, and our passion for knowledge be the guiding principles in all our future endeavours. Let us continue to work together to take our institution to greater heights.

I hope you enjoy reading this edition of Dispurian as much as we have enjoyed putting it together for you.

Dr. Navajyoti Borah
Principal
Dispur College

তত্ত্বাৱধায়কৰ
প্ৰকলম...

সাহিত্য হৈছে সমাজ-জীৱনৰ মানচিত্ৰ তথা সভ্যতাৰ মাপকাঠি। ঠিক একেদৰে মহাবিদ্যালয়ৰ আলোচনী এখনো সেই মহাবিদ্যালয়ৰ বৌদ্ধিক আৰু সাংস্কৃতিক মানচিত্ৰ; য'ত নতুন প্ৰজন্মৰ চিন্তাধাৰাই ৰং সানে। এনে চিন্তাধাৰা আৰু অধ্যয়নে তেওঁলোকৰ মাজত লুকাই থকা সৃষ্টিশীল প্ৰতিভাৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলায়। দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী 'দিশপুৰিয়ান' খনো শিক্ষানুষ্ঠানখনিৰ বৌদ্ধিক আৰু নান্দনিক চিন্তা চেতনাৰ বাহকস্বৰূপ।

ধ্ৰুৱজ্যোতি বৰ্মনৰ সম্পাদনাত প্ৰকাশ পোৱা ২০২৩-২৪ বৰ্ষৰ অষ্টবিংশতিতম্ সংখ্যাটিত সন্নিবিষ্ট হৈছে প্ৰবন্ধ, গল্প, কবিতা, সাক্ষাৎকাৰ, অনুভৱ,ভ্ৰমণ সাহিত্য আদি ভিন্নধৰ্মী ৰচনা। এই ৰচনাসমূহৰ যোগেদি লেখকৰ সৃজনী প্ৰতিভাৰ প্ৰকাশ ঘটাৰ লগতে সংবেদনশীল মনৰ পৰিচয় পোৱা গৈছে।

১৯৭৮ চনত কেইজনমান বিদ্যোৎসাহী ব্যক্তিৰ প্ৰচেষ্টাত দিশপুৰ মহাবিদ্যালয় নামেৰে এখনি উচ্চশিক্ষানুষ্ঠানে পোখা মেলিছিল। সেই পোখাটিয়ে ফুলে-ফলে জাতিষ্কাৰ হৈ ৪৭ বছৰত ভৰি দিলে। ২০২৪ বৰ্ষত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ দ্বাৰা এই মহাবিদ্যালয়খনে 'A' গ্ৰেড লাভ কৰি মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ লগতে উচ্চ শিক্ষাৰ জগত খনলৈ গৌৰৰ কঢ়িয়াই আনিছে। বৰ্তমানে মহাবিদ্যালয়খনে উওৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠানসমূহৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰিবলৈ সক্ষম হৈছে।

আমাৰ অনুৰোধ মৰ্মে সাহিত্যাচাৰ্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্যই 'দিশপুৰিয়ান'ৰ সপ্তবিংশতিতম্ ২০২২-২৩ সংখ্যাটিৰ খতিয়ান তথা দোষ গুণ বিচাৰ কৰি প্ৰেৰণ কৰা সুন্দৰ লেখাটিয়ে এই সংখ্যাৰ আলোচনী খন প্ৰকাশত পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে। তেখেতলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশিষ্ট শিক্ষাবিদ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সহ উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে হোৱা কথোপকথনে ছাত্ৰ-ছাত্ৰী সকলক বহু গুৰুত্বপূৰ্ণ কথাৰ জ্ঞান প্ৰদান কৰাৰ লগতে জীৱন বাটত আগুৱাই যোৱাৰ প্ৰেৰণা প্ৰদান কৰিব। ব্যস্ততাপূৰ্ণ জীৱনৰ কিছু সময় ছাত্ৰ-ছাত্ৰী সকলক দিয়াৰ বাবে তেখেতক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। নৱ প্ৰজন্মৰ বিশিষ্ট গল্পকাৰ সাহিত্য অকাদেমিৰ যুৱ বঁটা বিজয়ী জিন্তু গীতাৰ্থ আৰু গল্পকাৰ পঞ্চানন হাজৰিকাই 'দিশপুৰিয়ান'ৰ অতিথি শিতানত আগবঢ়োৱা গল্পৰ বাবে তেওঁলোক দুয়োজনকে কৃতজ্ঞতা জনাইছোঁ। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, কেবাগৰাকী অধ্যাপক, গ্ৰন্থাগাৰিক আৰু ছাত্ৰ-ছাত্ৰীৰ লেখাই 'দিশপুৰিয়ান'ৰ পৃষ্ঠা শুৱনি কৰিছে। তেওঁলোক আটাইলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। এই আলোচনী খন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সমন্বিত ফচল।

অষ্টবিংশতিতম্ 'দিশপুৰিয়ান'খনৰ তত্ত্বাৱধায়কৰূপে দায়িত্ব দি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সকলো দিশৰ পৰা সহায়-সহযোগিতা, পৰামৰ্শ তথা উৎসাহ উদ্দীপনা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, প্ৰাক্তন উপাধ্যক্ষা ড° সুনীতা আগৰৱালা,ড° ভাস্বতী বৰুৱা দাস,উপাধ্যক্ষা ইন্দ্ৰাণী চৌধুৰী মহন্ত, ছাত্ৰ কল্যাণ বিষয়া ড° শশী মোহন দাস, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মামনি কলিতা, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰণীতা শৰ্মা আদিৰ দিহা-পৰামৰ্শই 'দিশপুৰিয়ান' আলোকিত কৰাত যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে। তেওঁলোক আটাইলৈ মোৰ সীমাহীন কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদনা সমিতিৰ ড° মালৱিকা ভট্টাচাৰ্য্য, ড° সঞ্জীৱ কুমাৰ শৰ্মা, ত্ৰিবেণী বৰকটকী, সুতীব্ৰ মালাকৰৰ দিহা পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদক ধ্ৰুৱজ্যোতি বৰ্মনৰ লগতে চন্দন কলিতা, নিতাশ্ৰী বৰা ,অংকুৰ কলিতা,দীপাংকৰ হাজৰিকা, প্ৰীতিস্মিতা কুমাৰ,অনন্যা ৰয় আদি সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ অধ্যাপক অজিত প্ৰসাদ শৰ্মা, ড° অজয় মিত্ৰ, ড° বিনয় চেতিয়া, ড° স্মৃতি দেউৰী, ধ্ৰুৱজিৎ গগৈ আদিৰ সহযোগিতাৰ বাবে বিশেষভাৱে শলাগ ল'লো। বেটুপাতেৰে 'দিশপুৰিয়ান'খনক সুন্দৰ কৰি তোলাৰ বাবে সুভজিৎ নাথক হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন সুন্দৰ কৰি সজাই-পৰাই প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰগতি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্চ পাণ্ডুৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তা সকলো আমাৰ ধন্যবাদৰ পাত্ৰ।

সদৌ শেষত আলোচনীখন প্ৰকাশ কৰোঁতে অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচৰাৰ লগতে পুনৰ আটাইলৈকে শ্ৰদ্ধা আৰু প্ৰণিপাত জনালোঁ।

— বৰ্ণালী বৰা
তত্ত্বাৱধায়ক, আলোচনী বিভাগ

সম্পাদকীয়.....

এটা জাতিৰ উত্তৰণত সাহিত্য হৈছে জাতিটোৰ মূল চালিকা শক্তি। মানৱ জাতিৰ উত্তৰণ তথা বিকাশত সাহিত্যই মূল চাবিকাঠি। সাহিত্যই এখন সমাজক প্ৰতিনিধিত্ব কৰে বাবেই সাহিত্যক সমাজৰ দাপোন বুলি কোৱা হয়, যিদৰে সাহিত্যৰ ফচল "আলোচনী" ক মহাবিদ্যালয় এখনৰ দাপোন বুলি কোৱা হয় য'ত প্ৰতিবিম্বিত হয় মহাবিদ্যালয় খনৰ দশোদিশ। ছাত্ৰ- ছাত্ৰীৰ সাহিত্যৰ প্ৰতি থকা অনুৰাগ, আনুগত্য , মহাবিদ্যালয় খনৰ গুণগত মানদণ্ড, মহাবিদ্যালয় খনৰ সফলতা, ছাত্ৰ-ছাত্ৰীৰ সফলতা, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলৰ সফলতা, ছাত্ৰ একতা সভাৰ সফলতা আদি সকলো দিশ সামৰি মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনী খন নিখুঁত ভাৱে প্ৰস্তুত কৰাটো আমাৰ দায়িত্ব ।

২০২৩-২৪ বৰ্ষৰ বাবে দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে জয়ী হোৱাৰ পিছত মহাবিদ্যালয়ৰ সাহিত্যৰ দিশটো কিদৰে আগুৱাই লৈ যাব পাৰি তাৰ বাবে পাৰ্যমানে কাম কৰিছিলোঁ। মোৰ কাৰ্যকালতেই পোন প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ত সৰস্বতী পূজাৰ লগত সংগতি ৰাখি প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ যি প্ৰতিযোগিতাত বিচাৰকৰ আসন শুৱনি কৰিছিল প্ৰসিদ্ধ সাহিত্যিক সাহিত্য অকাডেমী বঁটা বিজয়ী ড° জয়ন্ত মাধৱ বৰা আৰু বিশিষ্ট সহিত্যিক অংগনা চৌধুৰীয়ে। মহাবিদ্যালয় বাৰ্ষিক সপ্তাহত সাহিত্যৰ বিভিন্ন শিতানৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ- ছাত্ৰীৰ মাজৰ থকা প্ৰতিভাক বিকাশৰ বাবে এখন মঞ্চ দিবৰ বাবে অহৰহ চেষ্টা চলাই গৈছিলো। পেৰিছত অনুষ্ঠিত অলিম্পিকত ভাৰতৰ সফল প্ৰদৰ্শন সম্পৰ্কে ছাত্ৰ- ছাত্ৰীক জনাবলৈ ছাত্ৰ- ছাত্ৰীসকলৰ সহযোগত 'INDIANS IN PARIS' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা এখন প্ৰস্তুত কৰি উলিওৱা হৈছিল। তাৰোপৰি অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত সাহিত্যৰ প্ৰতিযোগিতা সমূহত ছাত্ৰ- ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে চেষ্টা কৰিছিলোঁ। ছাত্ৰ- ছাত্ৰী সকলে অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ সফলতাৰে সুনাম কঢ়িয়াই আনিছে। ইয়াৰে ভিতৰত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ চন্দন কলিতাই গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত আয়োজিত কবিতা লিখা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ কঢ়িয়াই অনা সফলতা বিশেষভাৱে উল্লেখযোগ্য। পুৰস্কাৰ লাভ কৰা 'নাৰী তুমি অনন্যা' শীৰ্ষক কবিতাটি আলোচনীখনত প্ৰকাশ কৰা হৈছে।

সম্পাদক হিচাপে নিজৰ দায়িত্ব - কৰ্তব্য মহাবিদ্যলয় খনৰ প্ৰতি পূৰ্বতকৈ দুগুনে বৃদ্ধি পাইছিল। নিজৰ কাৰ্যকালৰ দায়িত্ব সু নিয়াৰিকৈ চলাই নিয়াৰ সমান্তৰাল ভাৱে মহাবিদ্যালয়ৰ আলোচনী খন কিদৰে সকলো দিশৰ পৰা সৰ্বতোপ্ৰকাৰে সৰ্বাংগসুন্দৰ ভাৱে প্ৰস্তুত কৰিব পৰা যায় তাৰ বাবে সকলোৰে পৰা দিহা-পৰামৰ্শ লৈ মই আৰু আলোচনী বিভাগৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ বৰ্ণালী বৰা বাইদেউ আৰু সম্পাদনা সমিতিয়ে নিজ দায়িত্বৰে কামবোৰ কৰিছিলোঁ। দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দিশপুৰিয়ান'ৰ সপ্তবিংশতিতম্ সংখ্যাৰ সফল প্ৰকাশৰ পিছত অষ্টবিংশতিতম্ সংখ্যাটোকো সফল কৰিবলৈ হাত উজান দিয়া সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ ।

মোৰ এই যাত্ৰাত মোক প্ৰত্যেকটো সময়তে সহায় কৰা মোৰ শুভকাংশী, মোৰ পথ প্ৰদৰ্শক, অধ্যক্ষ শ্ৰদ্ধাৰ ড° নৱজ্যোতি বৰা ছাৰ, প্ৰাক্তন উপাধ্যক্ষা ড° সুনীতা আগৰৱালা বাইদেউ, উপাধ্যক্ষা ইন্দ্ৰানী চৌধুৰী মহন্ত বাইদেউ, ছাত্ৰ কল্যাণ বিষয়া ড° শশী মোহন দাস ছাৰকে আদি কৰি মহাবিদ্যালয়ৰ প্ৰত্যেকজন অধ্যাপক-অধ্যাপিকাৰ ওচৰত মই চিৰকৃতজ্ঞ। বিশেষকৈ মোৰ এই যাত্ৰাত মোক প্ৰত্যেকটো সময়তে একান্ত ভাৱে সহায় কৰা আলোচনী বিভাগৰ তত্ত্বাবধায়ক শ্ৰদ্ধাৰ বৰ্ণালী বৰা বাইদেউৰ ওচৰত মই চিৰঋণী। বাইদেউৰ একান্ত সহায়ৰ বাবেই আলোচনী খন প্ৰকাশ কৰিবলৈ এই অভাজনে চেষ্টা কৰিব পাৰিছোঁ ।

সাহিত্যৰ প্ৰতি ৰাপ আছিল, আছে পিছলৈ থাকিব নে নাথাকিব নাজানো, কিন্তু আলোচনী সম্পাদনা কৰাৰ অভিজ্ঞতা কোনোকালেই নাই। সম্পাদনাৰ ক্ষেত্ৰখনত অনভিজ্ঞ হেতুকে 'দিশপুৰিয়ান ২০২৩-২৪' সম্পাদনা কৰোঁতে ভুল হোৱাটো স্বাভাৱিক । খুটি নাটি মাৰি সম্পাদনা কৰোতেও খুদ নিশ্চয়কৈ ৰৈ গৈছে । অনিচ্ছাকৃত ভাৱে হোৱা প্ৰত্যেকটো ভুল, ৰৈ যোৱা খুদৰ বাবে সম্পাদনা সমিতিৰ হৈ সম্পাদক হিচাপে মই আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। আপোনালোকৰ মাজৰে এজন বুলি ভাবি মোক ক্ষমা কৰি সু দিহা পৰামৰ্শ দি আগুৱাই লৈ যাব বুলি মই আশাবাদী। কোনো সদাশয় ব্যক্তিৰ কোনো লেখা যদি অনাকাংক্ষিত ভাৱে ছপা নহ'ল তাৰ বাবে মই দুঃখিত। সুহৃদ পাঠক সমাজৰ গঠনমূলক আলোচনা, সমালোচনা মোৰ কাম্য। মহাবিদ্যালয়ৰ সাহিত্যৰ দিশটোৱে আৰু অধিক সফলতাৰে আগুৱাই যাওক তাৰ বাবে নেদেখা জনৰ ওচৰত নীৰৱ প্ৰাৰ্থনা। শেষত 'দিশপুৰিয়ান'ৰ অষ্টবিংশতিতম্ সংখ্যাটো সকলোলৈকে আগবঢ়াই দি মই মোৰ অপৰিপক্ক প্ৰতিবেদন ইমানতেই সামৰিলোঁ ।

বাজক ডবা বাজক শংখ বাজক মৃদংগ খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল ।

জয়তু দিশপুৰ মহাবিদ্যালয়
জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

—ধন্যবাদেৰে
ধ্ৰুৱ জ্যোতি বৰ্মন
আলোচনী সম্পাদক
দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০২৩-২৪ বৰ্ষ

"হে শ্বহীদ প্রণামো তোমাক"

দিশপুৰ মহাবিদ্যালয়ৰ আলোচনী "দিশপুৰিয়ান" সপ্তবিংশতিতম্ সংখ্যা, ২০২২-২৩ ঃ এটি আলোকপাত

সাহিত্যাচার্য ড° পৰাগ কুমাৰ ভট্টাচার্য

সুদৃশ্য বেটুপাত, মানদণ্ড বিশিষ্ট লেখা, সম্পাদক আৰু তত্ত্বাৱধায়কৰ নিখুঁত পৰিচালনাত 'দিশপুৰিয়ান' আটক ধুনীয়াহৈ প্রকাশিত হৈছে সেয়ে আলোচনীখন হাতত লৈয়ে ভাল লাগিছে। ছাত্র-ছাত্রী সকলৰ লেখা, বিভিন্ন দিশত গঢ়া তেওঁলোকৰ অভিলেখৰ নমুনাৰ লগতে বিভিন্ন ফটোৱে দাঙি ধৰা কলেজৰ পৰিকাঠামোৰো এটি আভাস আলোচনীখনে বহন কৰিছে আৰু এই সকলোবোৰে উচ্চ মানদণ্ড বিশিষ্ট এখন অনুষ্ঠানৰ ই স্বৰূপার্থত মুখপত্র হৈ পৰিছে। এখন সবল সুস্থ আৰু সৃষ্টিশীল সমাজ গঢ়াত এই ধৰণৰ আলোচনীবোৰৰ অৱদান অনন্য। আচলতে কলেজীয়া ছাত্রকালটো উন্মুক্ত চিন্তাৰ সময়। স্কুলৰ বাধ্য বাধকতা তথা শিক্ষকসকলৰ কঢ়া শাসনৰ পৰা মুক্ত হৈ কলেজত ছাত্র সকল কল্পনাৰ পখীঘোঁৰাত উঠি সৃষ্টিৰ দিগন্তলৈ ঢাপলি মেলে। সেয়ে এই কালচোৱা সৃষ্টিৰ অংকুৰ উদগমৰ উন্মুক্ত সময়। নজনাক-জনাৰ হেঁপাহ পূৰন কৰে কলেজীয়া অধ্যাপক সকলৰ গৱেষণালব্ধ জানে। আচলতে পৃথিৱীৰ বিখ্যাত সাহিত্যিক সকলৰ ৰচনাৰ বীজ ৰোপিত হয় এই সময়তে। মুক্তিৰ বাবে উন্মুখ নহ'লে সৃষ্টি সম্ভৱ নহয় আৰু এই সময়তে মুক্তি বিচাৰি ছাত্র-ছাত্রী সকলৰ মন উদভ্রান্ত হৈ পৰে আৰু তাৰেই বহিঃপ্রকাশ ঘটে তেওঁৰ সৃষ্টিকর্মৰ মাজত। দিশপুৰ কলেজে সাহিত্যৰ এনে এটি পৰিবেশো যে দিছে তাৰ স্বাক্ষৰ আলোচনীখনে বহন কৰিছে। ছাত্র-ছাত্রী সকলৰ অধ্যয়ন পিপাসু মনৰ পৰিচয় ফুটি ওলাইছে মানদণ্ড বিশিষ্ট প্রবন্ধবোৰত। এই ক্ষেত্রত উল্লেখনীয় প্রবন্ধবোৰ হ'ল বর্ণালী বৰাৰ অসমৰ মৰিয়া সকলৰ ভাষা আৰু সংস্কৃতি, কৰ্ৱী দাসৰ অসমৰ পিৰামিড মৈদাম সমূহ আদি গৱেষণাৰ ক্ষেত্র হ'ব পৰা বিষয়। তেনেদৰে হীৰক জ্যোতিদত্তৰ ড্রাগচ ঃ এক সামাজিক সমস্যা,সমাজ সচেতনাসূচক প্রবন্ধ ৰূপে বিবেচনা কৰিব লাগিব।

কবিতাৰ ভাষা অলপ আওপকীয়া আৰু ব্যঞ্জনাযুক্ত হ'ব লাগে। নিত্য ব্যৱহার্য শব্দবোৰৰ পৰা এটাএকঘেয়ামি সুৰ সৃষ্টি হয় যিটো কবিতাৰ পৰা পাঠকে আশা নকৰে। গতিকে, শ্লেষ, ব্যঞ্জনা, প্রতীক, চিত্রকল্পৰ ব্যৱহাৰ কবিতাৰ বাবে অপৰিহার্য। কিন্তু তেনে প্রয়াস কবিতাবোৰত দেখা নগ'ল। দুই তিনিজন কবিৰ কবিতাত সেই প্রয়াস পৰিলক্ষিত হ'লেও বেছি ভাগ কবিতাই গতানুগতিক আৰু পুৰণি আর্হিৰ। এই দিশত ছাত্র-ছাত্রী সকল সচেতন হোৱা দৰকাৰ।

মাইলচ ব্রন্সনৰ জীৱনালেখ্যকে ইয়াত গল্প বুলি চলাই দিয়া হৈছে। তথাপি অসমীয়া ভাষাৰ হকে যুঁজ দিওতা, ভাষাৰ প্রাণ প্রতিষ্ঠাতা ব্রন্সন চাহাবক ছাত্র সকলক চিনাকী কৰি দিয়াৰ বাবে অংকুৰ কলিতা ধন্যবাদৰ পাত্র। তেনেদৰে গল্প বুলি চলাই দিয়া আন এটা প্রৱন্ধ হ'ল ইছমাইল আলিৰ ''আচলতে ইছ্লাম ধর্মৰ প্রৱর্তক কোন ?'' শীর্ষক লেখাটো। 'ধনী আৰু দুখীয়া', 'স্মৃতি', 'জন্মদিনৰ উপহাৰ' আদিকো বর্তমান কালৰ চুটিগল্প আখ্যা দিব নোৱাৰি। গতিকে ভৱিষ্যত গল্পৰ মানদণ্ড বজাই ৰখা কলাসুলভ গল্প ৰচনাৰ প্রতিহে ছাত্র-ছাত্রী সকলক যেন অনুপ্রাণিত কৰে দিশপুৰিয়ানে।

আলোচনীখনৰ ইংৰাজী শিতানটো যথেষ্ট গুৰুত্বপূর্ণ ৰচনাৰ সম্ভাৰ বুলি ক'ব লাগিব। বিজ্ঞান, অর্থনীতি, ভ্রমণ, শিক্ষা সম্পর্কীয় বর্ণাঢ্য লেখাৰে ই- সমৃদ্ধ। বিশেষকৈ 'The Role of Technology in shaping Modern Education', 'The voice behind : Inquilab Zindabad', 'The Mysterious World of Bioluminescent Bays 'আদি বিবিধ জ্ঞানৰ সন্ধেদ দিয়া তত্ত্বসমৃদ্ধ ৰচনা।

ইংৰাজী কবিতা সমূহো মানদণ্ডবিশিষ্ট। সৰহভাগ কবিতাতে মিলন বিৰহ বা বিষাদৰ চিত্ৰ ঘনীভূত হৈ উঠিছে। বীৰ বীৰঙ্গনা সকলৰ প্ৰশস্তি বচনো দুই এটা কবিতাত ধ্বনিত হৈছে। বিশেষকৈ কনকলতাৰ শ্বহীদ জীৱনৰ আলেখ্য অতি সুন্দৰ—

She fought for freedom, she took her stand,
Her Courage echoed across the land.
with tricolour clasped in her small, strong hand,
She marched for the future of her land.

বীৰত্বৰ এনে প্ৰশস্তিয়ে নতুন পুৰুষক অনুপ্ৰানিত কৰিব বুলি আশা কৰিব পাৰি।

আলোচনীখনত হিন্দী শিতান এটিও আছে। ইয়াৰ কবিতাবোৰো মানদণ্ড বিশিষ্ট হৈছে বিশেষকৈ 'মুৰলীধৰ', 'ভাৰত মেৰা মহান হেই' আদি কবিতাৰ কথা উল্লেখনীয়।

কলেজীয়া ছাত্ৰ-ছাত্ৰী সকলৰ সুকুমাৰ মনৰ পৰিচয় বহন কৰা দিশপুৰিয়ান এখন আগশাৰীত স্থান পাবলগীয়া আলোচনী। ইয়াতকৈও আৰু অধিক মানদণ্ড বিশিষ্ট হোৱাকৈ এই সংখ্যাটোও প্ৰকাশ পাব বুলি গভীৰ প্ৰত্যয়েৰে অপেক্ষা কৰিলোঁ।

বেটুপাতৰ কথাৰে....

বৰ্তমান যুগ বিজ্ঞানৰ যুগ, প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ এই যুগত কৃত্ৰিম বুদ্ধিমত্তা হৈছে ঘাই উপজীব্য। লিখন সামগ্ৰী চৰাইৰ পাখিৰ পৰা কম্পিউটাৰলৈ উন্নীত হোৱা কথাটোৱে কেইবাটাও যুগৰ পৰিবৰ্তনৰ দিশ সূচিত কৰিছে। আমাৰ শিক্ষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সমাজনীতিৰ ক্ষেত্ৰখনত হোৱা এই পৰিবৰ্তন নিশ্চিত ভাৱে এটা উজ্জ্বল-স্পষ্ট ভৱিষ্যতৰ নিৰ্দেশক। বিজ্ঞানৰ ন ন আৱিষ্কাৰে আমাৰ দৈনিক জীৱন সূচল কৰিছে যদিও তাৰ ঋণাত্মক প্ৰভাৱো আছে। এই ঋনাত্মক প্ৰভাৱখিনিক এৰি আমি যোগাত্মক দিশটোৰ জৰিয়তে কিদৰে আগবাঢ়ি যাব পাৰোঁ তাৰ চিন্তা-চৰ্চা কৰা উচিত। বিজ্ঞানৰ সূচল আহিলা সমূহৰ সহায়ত আমি সফলতাৰ দিশটোত মনোনিৱেশ কৰিব লাগে । বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাই শিক্ষা জগতখনৰ ক্ষেত্ৰতো বহুতো প্ৰভাৱ পেলাইছে। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত মানুহে নিজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰিছে যদিও কৃত্ৰিম বুদ্ধিমত্তাই আনফালে মানুহৰ কিতাপ পঢ়াৰ হাবিয়াস কমাইছে। যাৰ ফলত মানুহৰ সৃষ্টিশীল লেখন ক্ষমতাও হ্ৰাস পাব ধৰিছে। সৃষ্টিশীল মনৰ প্ৰকাশৰ বাট যাতে স্থবিৰ নহয় তাৰ বাবে আমি কৃত্ৰিম বুদ্ধিমত্তাৰ সদ্ ব্যৱহাৰ কৰিব লাগিব।

সুভজিৎ নাথ
ষষ্ঠ ষান্মাসিক, পেচাগত অধ্যয়ন বিভাগ

সূচীপত্র

অসমীয়া

প্রবন্ধ -

স্ত্রী শিক্ষা আৰু নাৰী উন্নয়ন	ড° বলেন্দ্র কুমাৰ দাস	৩
কাব্যভাৰতী ধর্মেশ্বৰী দেৱী বৰুৱানী	ড° নমিতা ডেকা	৬
মনু সংহিতা	ড° প্রণীতা শর্মা	১২
কলা আৰু বিজ্ঞান-সম্পর্ক আৰু সমন্বয়	ড° মালবিকা ভট্টাচার্য্য	১৪
অভিনয়াচার্য নাট্যশিল্পী ব্রজনাথ শর্মাৰ অসমীয়া নাট্যজগত তথা		
অসমৰ ভ্রাম্যমান জগতলৈ বৰঙণি	ড° মৌচুমী দেৱী	১৬
অসম জীয়ৰী অমৃতপ্রভা	গীতিলেখা দেৱী ভাগৱতী	১৮
একবিংশ শতিকাৰ এখন জনপ্রিয় ছবি—"মন যায়"	ডিম্পী দাস	২০
নামনি অসমত মাৰৈ পূজা	ধ্রুৱজ্যোতি বর্মন	২২
অসমীয়া লোকগীত ঃ জুবিন- পাপনৰ সুৰত নতুন প্রজন্মৰ পুনৰাবিষ্কাৰ	গীতিৰূপা গোস্বামী	২৬
আলোচনী আৰু ইয়াৰ প্রয়োজনীয়তা	পিংকী শইকীয়া	২৭
অসমীয়া সংস্কৃতিত শাক্ত ধর্মীয় পৰম্পৰাৰ ইতিবৃত্তি	অংকুৰ কলিতা	২৯
শ্রীশ্রী বটদ্রৱা থান ঃ এক চমু অধ্যয়ন	নমিতা বর্মন	৩২
উদ্যমিতাৰ জড়িয়তে মহিলা সৱলীকৰণ	চন্দন কলিতা	৩৬
অসমীয়া সমাজত তামোল-পাণৰ প্রাসংগিকতা	ধ্রুৱজ্যোতি কলিতা	৩৮

গল্প -

মন মৰা তৰা	জিন্তু গীতার্থ	৪৩
কাঁইট অথবা গোলাপ	পঞ্চানন হাজৰিকা	৪৭
অন্তৰা	মিণ্টু ঠাকুৰীয়া	৫৬
সঁহাৰি	জেনিফাৰ আহমেদ	৫৯
জীৱন	ৰশ্মি ৰেখা ডেকা	৬১
বৃদ্ধ পিতা	চন্দন কলিতা	৬২
সন্ধ্যা	নেহা হাজৰিকা	৬৩
মানৱ নে দানৱ	ৰশ্মি ৰেখা ডেকা	৬৪

কবিতা -

সপোন-বাস্তৱৰ দীঘলীপুখুৰী	ধৰিত্রী ঠাকুৰীয়া	৬৬

অনুভৱ	ড° মালবিকা ভট্টাচার্য্য	৬৭
মানুহ বিচাৰি	অজিত প্রসাদ শর্মা	৬৭
আশা	ড° অজয় মিত্র	৬৮
সময়ৰ খোজ	ড° মনালিচা ভট্টাচার্য্য	৬৮
নাৰী তুমি অনন্যা	লীমা কলিতা	৬৯
কল-ধ্বনি	গীতিলেখা দেৱী ভাগৱতী	৭০
ভাৱনাৰ শুকান বনত	ব্রজেন শর্মা	৭১
নিশাৰ নীৰৱতা	উপাসনা বর্মন	৭২
ব'হাগ তুমি অনন্য	তৃষ্ণামণি নাথ	৭৩
মই এতিয়া Busy	চিৰঞ্জীৱ বর্মন	৭৪
ভোক	ভনিস্মিতা বৈশ্য	৭৪
বিনন্দীয়া ফাগুন	অংকুৰ কলিতা	৭৫
কল্পনা	বিক্ষিতা দাস	৭৫
বুঢ়া অভাৰব্রীজ	ৰিসভ ৰাজবংশী	৭৬
প্রিয়	বিশাল পৰাশৰ	৭৭
পৰিচয়	বেদান্ত বিকাশ গোস্বামী	৭৮
ক'ৰবাতে ৰৈ থাকিল	ভনিস্মিতা বৈশ্য	৭৯
মহীয়সী নাৰী	চন্দন কলিতা	৭৯
ফাগুনৰ প্রথম বৰষুণজাক	পিংকী শইকীয়া	৮০
এক মিঠা অনুভূতি	নিশামনি দাস	৮০
বসন্তৰ এনিশা	ববিতা হাজৰিকা	৮১
ফ্রেম	জেনিফাৰ আহমেদ	৮১
সমাজৰ জয় গান	ঋষভ বৰা	৮২
অচিন্তনীয়	ঋষভ বৰা	৮২
দিশপুৰ মহাবিদ্যালয়	ইছমাইল আলী	৮৩

কথন-বীক্ষণ -

ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে কথোপকথন		৮৪

অনুভৱ -

ৰূপকোঁৱৰৰ কাৰেঙৰ লিগিৰী ঃ অভিনয় আৰু অনুভৱ	মানস তালুকদাৰ	৯২
অনুভৱৰ একলম ঃ অনুৰাধাৰ দেশ	অংকুৰ কলিতা	৯৩

অনুগল্প -

ভণ্ডামী	তুলিকা চৌধুৰী	৯৫
মিঠাতেল	তুলিকা চৌধুৰী	৯৫
পৰীক্ষা	তুলিকা চৌধুৰী	৯৬
ধূপ	জেনিফাৰ আহমেদ	৯৬

English :

Article

Taking Good Decisions In Life	**Dr. Sunita Agarwalla**	99
National Education Policy, 2020 (NEP, 2020) and its implementation in Assam	**Dr Mamani Kalita**	101
Start Early, Prosper Later: The power of investing from a young age	**Dr Ajoy Mitra**	103
The Role of Students in Upholding Gender Equality in College Campuses	**Dr. Shikha Jyoti Deka**	107
Bookreview Book : Life without limits : Inspiration for a ridiculously good life	**Mrs. Sangeeta Roy**	110
On Minimalism and Sustainability	**Dhrubajit Gogoi**	112
Sukapha : A Tiger from Heaven	**Dr. Liky Deka**	114
Blue Economy	**Tulika Chowdhury**	116
Indian Knowledge System (IKS) & Computation	**Abhijit Bujarbaruah**	119
The Role of youth towards viksit Bharat @2047 Initiative	**Jaharatul Jannatara**	121
International Society for Krishna consciousness (ISKCON)	**Jurismita Roy**	123
The power to express oneself : Essentiality of writing	**Gitirupa Goswami**	124
Historical trauma through the lens of caribbean literature	**Abhigyan Bhuyan**	125
Postcolonial Theme	**Shruti Mena**	127

Travel Story

Beyond Destinations : A Journey through heritage, hills, and the holy Ganga	**Pallabi Kashyap**	130
Dispur College Excursion to Delhi and Manali 2024	**Rashmi Barman**	132

Story

The Crimson Scare	**Smriti Rekha Sharma**	135
Unspoken Love	**Arup Mahali**	137
Beauty of an Unnamed Relationship	**Yana Sharma**	140
A year Becoming	**Afruza Ahmed**	142
All over the Place	**Miskina Saikia**	143
The Gift of time	**Jaharatul Jannatara**	144

Poetry

My Digital Solace	**Harlin Ronghangpi**	146
Fool's Gold	**Tushar Sahu**	146
Koka	**Akangkhya Medhi**	147
Yearning for Love	**Ankur Kalita**	148
In the wake of gold, We leave Diamonds	**Naina Sarma**	148
Haunted	**Priyakshi Deka**	149
Unfinished Rhapsody	**Nitashri Bora**	149
Accept and act	**Anwesha Phukan**	150

The Beauty of the Wild	**Jannat Saikia**	151
The Poet of the Fall	**Abhigyan Bhuyan**	151
Orb of Night	**Bishal Mishra**	152
A Single touch of yours	**Jitupan Das**	152
The Life	**Jitupan Das**	153
The Shadow that Follows	**Rishikesh Biswas**	153

हिन्दी

नौकरी–इबादत से इजाज़त तक	सुतीब्र मालाकर	155
एकाकीपन	अंकुर कलिता	155
परवाह	अन्वेषा फूकन	156
वो यादगार पल	गीतीरुपा गोस्वामी	156
अदा–ए–मोहब्बत	तुषार साहू	157
कैदी इश्क़ के	तुषार साहू	157
देश भक्ति	वनिका आहमेद	158
काजल ना लगाया कीजिए	याना शर्मा	158
आधुनिक भारतीय शिक्षा मे ज्ञान परंपरा	डिम्पी कलिता	159
हिंदी साहित्य में प्रेमचंद का योगदान	चन्दन कलिता	160

প্রতিবেদন 163

মহাবিদ্যালয় সপ্তাহৰ ফলাফল-২০২৩-২৪ বর্ষ 186

অসমীয়া

বিভাগ

প্রবন্ধ

“লেখকে যিমানখিনি বিষয়বস্তুৰ লগত একীভূত হ’ব পাৰিছে, যিমানখিনিৰ অন্তস্থল ভেদ কৰি তাৰ সূক্ষ্মমর্ম গ্রহণ কৰি বিষয়বস্তুৰ ফালৰ পৰা সকলো কথা ৰসাভিষিক্ত কৰি তুলিব পাৰে সেই পৰিমানে তেওঁ জনসমাজৰ হৃদয় মুচিব নোৱাৰাকৈ স্পর্শ কৰিব পাৰে; সেই পৰিমানে তেওঁৰ উক্তিয়ে যুগমীয়া প্রবচন হিচাপে লোকসমাজত প্রচাৰ লাভ কৰে।”

— ড° বাণীকান্ত কাকতি

স্ত্রী শিক্ষা আৰু নাৰী উন্নয়ন

ড° বলেন্দ্র কুমাৰ দাস
প্ৰাক্তন অধ্যক্ষ, সভাপতি, পৰিচালনা সমিতি, দিশপুৰ মহাবিদ্যালয়

"It is imposible to think about the welfare of the World unless the condition of women are improved."

– Swami Vivekananda

দৰিদ্ৰতা নিৰ্মূলকৰণত মহিলাৰ শিক্ষা আৰু সৱলীকৰণ এতিয়াও চৰকাৰ আৰু নীতি প্ৰৱৰ্ত্তক সকলৰ বাবে আমাৰ দেশত বৃহৎ প্ৰত্যাহ্বান। এতিয়াও ভাৰতবৰ্ষত দৰিদ্ৰ সীমাৰেখাৰ তলত প্ৰায় ১২ কোটি ৯০ লাখ লোকে বাস কৰে বুলি বিশ্ববেঙ্কৰ ২০২৪ চনৰ সমীক্ষাত প্ৰকাশ। ইয়াৰ সৰহ সংখ্যাকেই মহিলা, ছোৱালী বা শিশু। এই সংখ্যা হয়তো বিভিন্ন প্ৰদেশত বেলেগ বেলেগ হ'ব যদিও অনগ্ৰসৰ বা গাওঁ অঞ্চলত আজিও শিক্ষা আৰু দৰিদ্ৰতা মহিলা সকলৰ বাবে এক বৃহৎ সমস্যা। যিহেতু জনসংখ্যাৰ প্ৰায় আধা সংখ্যকেই মহিলা, গতিকে তেওঁলোকৰ সামগ্ৰিক অৱস্থাৰ উন্নতিয়ে দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু সামাজিক সৱলীকৰণত এক উল্লেখযোগ্য ভূমিকা ল'ব পাৰে। নৱ-প্ৰজন্মৰ সংখ্যাগত আৰু গুণগত উন্নয়ণত, খাদ্য সুৰক্ষা আৰু স্বাস্থ্যখণ্ডৰ উন্নয়ণত আৰু সামগ্ৰিকভাৱে সমাজৰ অৰ্থনৈতিক উন্নয়ণৰ কাঠামো গঢ়াত সহায়ক হ'ব পাৰে মহিলাৰ শিক্ষাগত সৱলীকৰণৰ দ্বাৰাহে। জনসংখ্যা নিয়ন্ত্ৰণ আৰু লিঙ্গ বৈষম্য আঁতৰ কৰাৰ অহিলা হ'ব পাৰে মহিলা বা ছোৱালীৰ শিক্ষা আৰু জীৱন-কৌশলৰ দ্বাৰা সৱলীকৰণ। ভাৰতবৰ্ষত আজিও শিক্ষাগত অৰ্হতা আৰু স্বাক্ষৰতাৰ ক্ষেত্ৰত পুৰুষৰ হাৰ ৮৪.৭%শতাংশ আৰু মহিলাৰ হাৰ ৭০.৩% শতাংশ বুলি ২০২৪ চনৰ সমীক্ষাত প্ৰকাশ। গতিকে লিঙ্গ ভিত্তিক এটা ডাঙৰ ব্যৱধান পুৰুষ আৰু মহিলাৰ স্বাক্ষৰতাৰ হাৰৰ পৰা অনুভৱ কৰিব পাৰি। কিন্তু ভাৰতবৰ্ষৰেই এখন প্ৰদেশ কেৰেলাত পুৰুষ আৰু মহিলাৰ সাক্ষৰতা হাৰৰ ব্যৱধান কমি কমি এতিয়া শতকৰা ২.২ ভাগ হৈছে, য'ত কিন্তু সমগ্ৰ দেশত শতকৰা ব্যৱধানৰ হাৰ শতকৰা ১২.৯ ভাগ। অথচ এইখন দেশৰে ৰাজস্থানত নিৰক্ষৰ মহিলা এই ২০২৪ চনৰ সমীক্ষাতো প্ৰায় ২৩.৩ শতকৰা ভাগ। ২০২৪ চনৰেই সমীক্ষা মতে অসমৰ স্বাক্ষৰতাৰ হাৰ সৰ্বমুঠ ৭২.১৯ শতকৰা ভাগ, ইয়াৰে ৭৭.৮৫ ভাগ পুৰুষ আৰু ৬৬.২৭ ভাগ মহিলা যদিও আমাৰ প্ৰদেশখনতো সামগ্ৰিক স্বাক্ষৰতা আৰু মহিলাক আগবঢ়াই অনাৰ ক্ষেত্ৰত যথেষ্ঠ কৰণীয় আছে। কাৰণ — "Equality knows no gender"

নাৰীৰ সাক্ষৰতাৰ ক্ষেত্ৰখনত নাৰীক আগবঢ়াই নিয়াৰ বাবে সকলো স্বাক্ষৰ মহিলাই নিজ স্থান-বুদ্ধি-বিবেচনাৰে নাৰীক আগবঢ়াই নিয়াৰো অত্যন্ত স্পৰ্শকাতৰ দায়িত্ব আছে। কাৰণ সামাজিক ভাৱে পুৰুষৰ দ্বাৰা নাৰীক দমন কৰাৰ জুইত কিন্তু ঘৃতাহুতি দি আহিছে বহুতো তথাকথিত জনাবুজা, শিক্ষিত, আধুনিক মনৰ বুলি দাবী কৰা নাৰীয়েহে। শিক্ষাগত অৰ্হতাৰ লগতে সামাজিক দিশত আজিৰ একৈশ শতিকাত আগবাঢ়ি অহা নাৰী, বিশেষকৈ অসমৰ নাৰী সমাজে পুৰুষ শ্ৰেণীৰ গাত সকলো দায়-দোষ জাপি দি নিজৰ কৰণীয়খিনি নকৰিলে এই প্ৰত্যাহ্বান নেওঁচা কঠিন।

ভাৰতবৰ্ষৰ ইতিহাসত বৈদিক যুগৰ পৰাই স্ত্ৰীশিক্ষাৰ প্ৰচলন আছিল যদিও সেই শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ নানা সামাজিক বান্ধোনৰ বাবে সাধাৰণ শ্ৰেণীৰ ৰাইজ বা সৰ্ব সাধাৰণ নাৰীৰ মাজত প্ৰভাৱ পৰা নাছিল। যদিও গাৰ্গী, মৈত্ৰেয়ী, অপলা, লোপমুদ্ৰা, বিশ্বম্ভৰা, ঘোসা, নিভাবৰী, ইন্দ্ৰানী আদিৰ নাম উল্লেখ আছে, তথাপিও সেই শিক্ষাই সাধাৰণ নাৰীক শিক্ষিত কৰি সৱলীকৰণৰ দিশত যে খুব বেছি প্ৰভাৱ পেলাব পৰা নাছিল সেয়া উল্লেখযোগ্যভাৱে সমাজত প্ৰতিফলিত হৈছিল। স্ত্ৰীশিক্ষাই সমাজ পৰিৱৰ্ত্তনৰ এক মুখ্য অনুঘটক হিচাবে কাম কৰাৰ বা নাৰী সৱলীকৰণৰ দিশত অবিৰতভাৱে প্ৰভাৱ পেলোৱাৰ নজিৰ বৰ কমকৈহে পোৱা গৈছিল। সমাজৰ অৰ্থনৈতিক উন্নতি, স্বাস্থ্যখণ্ডৰ উন্নতি, লিঙ্গভেদ নাশ কৰা, কৃষি, বাণিজ্য, উদ্যোগ, কলা, শিল্প আদিত নাৰীৰ যোগদানে সমাজ এখনক বহনক্ষম উন্নতিৰ দিশে যে গতি কৰাব পাৰে, তাক খুব

লাহে লাহে আৰু চেগা-চেৰেকাকৈহে উপলব্ধি কৰাটো আমাৰ ধাৰণা হয়। মহাত্মা গান্ধীয়ে কৈছিল — "If you educate a man you educate an individual, but if you educate a woman you educate an entire family." গতিকে সেই কথাৰ সূত্ৰ ধীৰয়েই আমি ক'ব পাৰো যে এগৰাকী নাৰী শিক্ষিত হোৱাৰ লগে লগে তেওঁ নিশ্চয়কৈ নিজৰ সন্তান কেইটিক শিক্ষিত হোৱাত আহোপুৰুষার্থ কৰিবই।

এইক্ষেত্ৰত আমি ভাৰতবৰ্ষৰ কেইবাগৰাকীও মহিয়সী নাৰীৰ নাম ল'ব পাৰে যিসকলে নিজ জীৱনত নানা ঘাত-প্ৰতিঘাত পাৰ হৈ নিজে শিক্ষিত হৈছিল আৰু সমাজত শিক্ষাৰ জ্যোতি বিলাই সমাজখনক আগবাঢ়ি যোৱাত সহায়ক হিচাবে অনুঘটকৰ কাম কৰিছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল— সাৱিত্ৰী বাই ফুলে — সাৱিত্ৰী বাই ফুলে আছিলে ১৯ শতিকাৰ এগৰাকী সমাজ সংস্কাৰক আৰু স্ত্ৰীশিক্ষাৰ অগ্ৰণী যোদ্ধা। তেখেতৰ ৩ জানুৱাৰী, ১৮৩১ চনত মহাৰাষ্ট্ৰৰ নাইগাওঁত জন্ম আৰু ১০ মার্চ, ১৮৯৭ চনত এগৰাকী প্লেগ আক্ৰান্ত ৰোগীক চিকিৎসা সাহায্য দি থকা অৱস্থাত মৃত্যু হৈছিল। ৯ বছৰ বয়সত ১৩ বছৰীয়া জ্যোতিৰাও ফুলেৰে সৈতে তেওঁক বিয়া দিছিল যদিওঁ তেওঁৰ স্বামীয়ে ঘৰতে তেওঁক শিক্ষাদানৰ ব্যবস্থা কৰিছিল। দুয়ো স্বামী-স্ত্ৰীয়ে স্বামীৰ বয়স ২১ বছৰ আৰু সাৱিত্ৰীৰ বয়স ১৭ বছৰতে ১৮৪৮ চনত মিছনাৰী সকলৰ পৰা শিক্ষালৈ এখন স্ত্ৰীশিক্ষাৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। সমাজৰ জাতি-ভেদ প্ৰথা, স্ত্ৰীশিক্ষাৰ প্ৰচাৰত বাধা, বিধৱা বিয়াত বাধা আদিক ওফোৰাই নিজে নর্মাল স্কুলৰ প্ৰশিক্ষণ লৈ সেই সময়ত ১৮৪৮ চনতেই আমাৰ দেশৰ স্ত্ৰীশিক্ষাৰ প্ৰথমখন বিদ্যালয় তেওঁ অদম্য সাহসেৰে খুলিছিল। এই কাৰ্যৰ বাবে সমাজে তেওঁলোকক এঘৰীয়া কৰাত গাওঁ এৰি যাবলৈ বাধ্য হৈছিল। ১৮৪৯ চনত ঘৰ এৰিবলগীয়া হোৱাত উস্মান শ্বেখ নামৰ ব্যক্তি এজনৰ ঘৰত জ্যোতি আৰু সাৱিত্ৰী আশ্ৰয় লৈছিল। তাতেই ফাটিমা বেগম শ্বেখ নামৰ মহিলা গৰাকীক লগ পাই দুয়ো একেলগে নর্মাল শিক্ষাৰ স্নাতক বা ডিগ্ৰী পাছ কৰিছিল। এই ফাটিমা বেগম শ্বেখেই আছিল ভাৰতবৰ্ষৰ প্ৰথম মুছলমান নাৰী শিক্ষয়িত্ৰী। গতিকে অক্লান্ত শ্ৰম আৰু সাধনাৰে ভাৰতীয় স্ত্ৰীশিক্ষাৰ বীজ ৰোপন কৰা এইগৰাকী মহিয়সী নাৰীয়ে পৰাধীন ভাৰতবৰ্ষৰ বুকুত স্ত্ৰীশিক্ষাৰ পোহৰৰ নিচান নিজৰ জীৱনকো তুচ্ছ কৰি উৰুৱাবলৈ সক্ষম হৈ ভৱিষ্যৎ প্ৰজন্মৰ বাবে কাটি থৈ গৈছিল পোহৰৰ বাট।

ইয়াৰোপৰি ভাৰতবৰ্ষৰ পৰাধীন সময়ৰ পৰা স্ত্ৰীশিক্ষাৰ বাবে অহোপুৰুষার্থ কৰা অইন কেইবাগৰাকীও মহিয়সী নাৰী আছিল— পণ্ডিতা ৰমাবাই সৰস্বতী, সৰলা ৰয়, অনুসূয়া চাৰাভাই, এ.ডি. ৰুক্মিনী দেৱী, বেগম ৰুকিয়া শ্বেখাৱট হুছেইন আদি। এই সকলৰ লগতে অসমৰ চন্দ্ৰপ্ৰভা শইকীয়ানী, ৰাজবালা দাস, ইন্দিৰা মিৰি, সুধালতা দুৱৰা, সুখলতা দুৱৰা (দুয়ো বাই-ভনী), হেমপ্ৰভা ভড়ালী, শকুন্তলা চৌধুৰী আদি আছিল স্ত্ৰীশিক্ষা, নাৰী সৱলীকৰণ আৰু উন্নয়ণৰ বাবে উৎসৰ্গিত প্ৰাণ। এই সকলৰ নেৰানেপেৰা চেষ্টা আৰু ত্যাগে স্ত্ৰীশিক্ষাৰ পথাৰখনত আঘোনৰ শইচ সোণোৱালী সপোনৰ দৰে নাৰী মুক্তিৰ, নাৰীক বিভিন্ন সম্পদৰ গৰাকী কৰাৰ, নিজৰ জীৱন আৰু জীৱিকাৰ নিয়ন্ত্ৰক কৰাৰ বাবে শিক্ষাৰে সৱল কৰিছিল। লিঙ্গ বৈষম্যৰ দুৱাৰ ভাঙি নাৰীক নিজৰ ঘৰখন, সমাজখন গঢ়াৰ বাবে আগবাঢ়ি অহাৰ বাবে কেৱল মাত্ৰ শিক্ষাইহে উদ্‌গনি দিব পাৰে। শিক্ষাই নাৰীক সৱল কৰি তেওঁলোকৰ নিজৰ গুৰুত্ব, তেওঁলোকৰ নিজৰ অভিৰুছি বা কর্মৰ নির্বাচন ক্ষমতা, সুবিধা আৰু সম্পদ নির্বাচনৰ অধিকাৰ, নিজৰ জীৱন আৰু জীৱিকাৰ ওপৰতে ঘৰে বাহিৰে নিয়ন্ত্ৰণ আদি উল্লেখনীয়ভাৱে সুদৃঢ় কৰিব পাৰে।

আজি একৈশ শতিকাৰ তৃতীয় দশকটো নাৰী শিক্ষাৰ যথেষ্ট উন্নতিৰ সময়তো নাৰীৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক ইত্যাদি বাধ্য বাধকতা বহু পৰিমানে আঁতৰা নাই। নানা কু-সংস্কাৰ, অন্ধবিশ্বাসে পৃথিৱীৰ লগতে আমাৰ দেশ বা অসমৰো অনগ্ৰসৰ অঞ্চল সমূহত এতিয়াও খুটি পুটি বহি আছে। বিভিন্ন সামাজিক ৰীতি-নীতি, নিয়ম-কানুনৰ দোহাই দি নাৰী সমাজক নিষ্পেষণ, অত্যাচাৰ কৰাৰ প্ৰৱণতা সম্পূৰ্ণৰূপে হ্ৰাস পোৱা নাই। পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাৰ গ্ৰাসত নাৰীক এতিয়াও শক্তিশালী স্থিতিত থকা বহু নাৰী-পুৰুষে প্ৰাপ্য মর্য্যাদা দিবলৈ হোহোকা পিছল কৰা পৰিলক্ষিত হয়। আন্তর্জাতিক শ্ৰমিক সংগঠন—International Labour Organisation (ILO) ৰ মতে কর্মক্ষেত্ৰত নাৰীৰ প্ৰতি যৌন আতিশয্য, লিঙ্গভেদৰ এক জলন্ত উদাহৰণ।

নাৰী উন্নয়ণৰ অর্থে নাৰীসমাজক শিক্ষাৰ লগতে সৱলীকৰণ কৰিব লাগিব বিভিন্ন দিশতে যেনে — শৈক্ষিক, সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু মানসিক ক্ষেত্ৰত। আজি গোটেই পৃথিৱীতে বিয়পি পৰা এটি শ্লোগান হৈছে—"The Future is Female" অর্থাৎ "ভৱিষ্যৎ হ'ল নাৰী"। কিন্তু সৱলীকৰণ ভাৱধাৰাটো নাৰীৰ ক্ষেত্ৰত সৱলীকৰণ কৰাটো সমীচিন নহ'ব, কাৰণ প্ৰতিগৰাকী নাৰীৰ বাবেই সৱলীকৰণৰ ধাৰণা মানুহটোৱেই প্ৰতি মনটোৰ দৰেই। সেয়েহে প্ৰথমতে শৈক্ষিক ক্ষেত্ৰত যদি নাৰীসকলক আগবঢ়াই আনিব লাগে সেয়া তেওঁলোকৰ জীৱনৰ জন্মৰ পৰা পৰিৱেশ, বিকাশ আৰু ব্যৱস্থাৰ ওপৰত নির্ভৰশীল। কিয়নো আজিৰ তাৰিখটো আমাৰ দেশত বা বিশ্বৰ প্ৰান্তে প্ৰান্তে এনে স্থান আছে, য'ত নাৰীক শিক্ষাৰ পৰা সামাজিক ভাৱে বঞ্চিত কৰা হয়। গতিকে ইয়াৰ ফলত সেই অঞ্চলবোৰত নাৰীসকল জ্ঞান আৰু বিকাশৰ বা শিক্ষাৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত হয়। সাধাৰণ বা অন্ততঃ স্কুলীয়া শিক্ষা অবিহনে লিঙ্গভেদৰ সমস্যা আঁতৰ কৰাটো কেতিয়াও সম্ভৱ নহয়। শিক্ষাই লিঙ্গভেদে নাগৰিক হিচাবে সকলোকে নিজ কর্ত্তব্য আৰু দায়িত্বৰ জ্ঞান দিব পাৰে। জ্ঞান লাভৰ দ্বাৰা নাৰীৰ মনত আত্ম বিশ্বাস, আত্মগৌৰৱ আৰু স্বনির্ভৰশীল হোৱাৰ বাসনা জগাই

তোলে। ইয়াৰ দ্বাৰাই তেওঁলোকে সামাজিক, ৰাজনৈতিক, বৌদ্ধিক আৰু ঘৰ এখনৰ গুৰি ধৰিব শিকিব পাৰে। শিক্ষাৰ দ্বাৰা বহু বিবাহ, বাল্যবিবাহ, কু-সংস্কাৰ, অন্ধবিশ্বাস, অসহনশীলতা আদিৰ বিৰুদ্ধে নাৰীয়ে প্রতিৰোধ গঢ়ি তুলিব পাৰে। তাৰ উৎকৃষ্ট উদাহৰণ নিশ্চয় আমাৰ অসমৰ প্রয়াত পদ্মশ্রী বিৰুৱালা ৰাভা।

পদ্মশ্রী বিৰুৱালা ৰাভাই (জন্ম - ১৯৫৪, মৃত্যু-১৩, ২০২৪) ঠাকুৰবিলা মহিলা সমিতি আৰু মিছন বিৰুৱালা নামৰ সংগঠনৰ সহায়ত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে গঢ়ি তোলা সংগ্রামৰ মাজত অতি গুৰুত্ব আৰোপ কৰা বিষয়টো আছিল নাৰীৰ শিক্ষাৰ দ্বাৰা সামাজিক বৈষম্য নাশ কৰি দাইনী হত্যাৰ বিৰুদ্ধে প্রতিৰোধ গঢ়ি তোলা। তেওঁৰ জীৱন-সংগ্রাম আৰু অন্যায় প্রতিৰোধ সংগ্রামক ইন্দ্রানী ৰায়মেধিয়ে ২০১৫ চনত "My half of the Sky" নামৰ গ্রন্থখনত ফুটাই তুলিছে। বিৰুৱালা ৰাভাৰ আপ্রান চেষ্টাতে ২০২৫ চনত অসম চৰকাৰে 'দাইনী হত্যা বিৰোধী' আইন— (Prohilition, Prevention and Protection Act-2015) প্রণয়ন কৰিছিল আৰু এইখনেই ভাৰতবর্ষৰ দাইনী হত্যাৰ বিৰুদ্ধে এখন কঠোৰ আইন আছিল।

গতিকে এয়া এক উদাহৰণ যিয়ে নাৰীৰ নিজৰ অদমনীয় উৎসাহৰ দ্বাৰা মাতৃজাতিৰ দুখ ক্লেশ নাশ কৰাৰ বাবে সামাজিক বৈষম্যক মষিমূৰ কৰি আগবাঢ়ি আহিব লাগিব। সমাজত নাৰী আৰু পুৰুষৰ তান্ত্রিক সহযোগত এই উত্থানৰ বাট মুকলি হ'লেহে 'নাৰী দিৱস' উদ্‌যাপনৰ সার্থকতা থাকিব। শিক্ষাৰ পোহৰেৰে লিঙ্গভেদে সকলো শিক্ষিত হ'লেহে প্রকৃতি প্রদত্ত কমনীয়, নমনীয়, স্নেহলীলা মাতৃজাতিৰ প্রতি জাত-পাত, গোড়ামি, ব্যক্তিগত অসন্মান আদিৰ উর্দ্ধত গৈ এখন সুস্থ সমাজ গঢ়িব পৰা যাব। যিহেতু কোৱা হয়— "Education is the soul of the Society" বা "Knowledge is Power" গতিকে শিক্ষাৰ জ্যোতিৰে সমাজৰ আত্মাক জাগৃত কৰি সেই জ্ঞান জ্যোতিৰ শক্তিৰে মহিলা সকলক সন্মান সহকাৰে সৱল কৰিব লাগিবই। সমাজক এক আত্মাৰ আলোকৰে আলোকিত কৰিবলৈ লিঙ্গভেদে শিক্ষাৰ প্রসাৰ হ'বই লাগিব। তেতিয়াহে সমাজৰ পৰা নানা বৈষম্য নাশ হৈ এখন সৱল আৰু ভেদাভেদহীন মানুহৰ সমাজ সদায় বর্ত্তি থাকিব। নাৰীৰ উন্নয়ণৰ বাবে লাগিব লিঙ্গভেদে এক সামূহিক আৰু আশাশুধীয়া চেষ্টাৰ বাবে বহল আৰু সুস্থ মানসিকতা বুলি আমি সর্বান্তঃকৰণে বিশ্বাস কৰি এই লেখনিৰ ইতি ৰেখা টানিলো।

কাব্যভাৰতী ধর্মেশ্বৰী দেৱী বৰুৱানী

ড° নমিতা ডেকা
প্ৰাক্তন মুৰব্বী অধ্যাপিকা, দিশপুৰ মহাবিদ্যালয়

দুচকুৰ অশ্ৰুধাৰ সামৰি প্ৰাণৰ পৰশেৰে ফুলৰ শৰাই সৃষ্টি কৰি জীৱনতৰী বাই যোৱা কবিগৰাকীয়ে হ'ল ধর্মেশ্বৰী দেৱী বৰুৱানী, যিয়ে ঊনবিংশ শতিকাৰ আদি ভাগতে অসমীয়া সাহিত্য জগতত এচেৰেঙা পোহৰৰ ছাটি পেলাই থৈ গৈছে। বর্তমান সময়ত এক বিশেষ বিস্তৃতি আৰু প্ৰতিষ্ঠা লাভ কৰা অসমীয়া কবিতাৰ জিক্‌মিকাই থকা এটা অতীত আছে আৰু সেই অতীতৰ জিক্‌মিকনিত এচটা সোণ হৈ অৱিহণা আগবঢ়াইছে ধর্মেশ্বৰী দেৱী বৰুৱানীয়ে। অসমীয়া কবিতা বুলিলে পোনচাটেই মনলৈ আহে 'জোনাকী যুগ'ৰ ৰোমান্টিক গুণ বিশিষ্ট কবিতা-সমূহৰ কথা। অসমীয়া কবিতালৈ ৰমন্যাসবাদৰ সুৱাগুৰি তুলি আনিছিল চন্দ্ৰকুমাৰ আগৰৱালাই। 'জোনাকী'ৰ বোকোচাত উঠি 'বনকুঁৱৰী'য়ে প্ৰৱেশ কৰিলে অসমীয়া কবিতাৰ বৰঘৰত। 'জোনাকী'য়ে যেনেদৰে এচাম সাহিত্যিক সৃষ্টি কৰিলে, সেইদৰে এই আলোচনীৰ অনুপ্ৰেৰণাতে জন্ম লাভ কৰিলে 'বাঁহী', 'ঊষা', 'আলোচনী', 'আসাম বান্ধৱ' আদি আলোচনীয়ে। স্বাভাবিকতেই আলোচনীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে অসমীয়া সাহিত্যৰ বুকুত ন-ন প্ৰতিভা মুকুলিত হ'ল। সেইসকলৰ মাজৰে এটি প্ৰতিভা ধর্মেশ্বৰী দেৱী বৰুৱানী, যাৰ সৃষ্টিৰাজিয়ে প্ৰস্ফুটিত হৈ অসমীয়া কাব্য জগত আজিও সমুজ্জ্বল কৰি ৰাখিছে।

অসমীয়া ৰোমান্টিক কবিতাৰ শিৰোভূষণত এটি পোৱালমণি হৈ প্ৰোজ্জ্বল হৈ থকা ধর্মেশ্বৰী দেৱী বৰুৱানী আছিল গুৱাহাটীৰ জীয়ৰী। ১৮৯২ চনত গুৱাহাটীৰ পঞ্চৰটী আশ্ৰমত জন্মগ্ৰহণ কৰা তেওঁৰ পিতৃ আছিল যজ্ঞেৰাম শর্মা আৰু মাতৃ ৰম্ভাপ্ৰিয়া দেৱী। তেওঁৰ পিতৃপুৰুষ আছিল আভিজাত্য সম্পন্ন এটি লেখৰ পৰিয়ালৰ। অসমৰ শেষ ৰজা কন্দর্পেশ্বৰ সিংহৰ মুক্তিয়াৰ যজ্ঞেৰাম শর্মাই ধর্মেশ্বৰীৰ শিক্ষা-দীক্ষাৰ বাবে ঘৰতে শিক্ষক নিয়োগ কৰি দিছিল। এই শিক্ষকসকল আছিল আত্মীয় লোক। উল্লেখযোগ্য যে সেই সময়ত ছোৱালীয়ে স্কুললৈ গৈ মুকুলিমুৰীয়াভাৱে শিক্ষা গ্ৰহণ কৰিব নোৱাৰিছিল। কবি নলিনীবালা দেৱীকো ককাক মাধৱচন্দ্ৰ বৰদলৈয়ে ঘৰুৱা শিক্ষক নিয়োগ কৰি শিক্ষালাভৰ সুবিধা কৰি দিছিল। তেতিয়াৰ স্ত্ৰীশিক্ষাৰ অসুবিধা আৰু বাধা-বিপত্তিৰ মাজতো ধর্মেশ্বৰী দেৱী বৰুৱানীয়ে শিক্ষা লাভ কৰাত দেউতাকৰ অৱিহণা আছিল উল্লেখযোগ্য। একান্ত আগ্ৰহ আৰু নিষ্ঠা থকাৰ বাবেই ধর্মেশ্বৰীয়েও সেই সুবিধা গ্ৰহণ কৰি নিজকে শিক্ষিত কৰি তুলিবলৈ সক্ষম হৈছিল। শিক্ষা গ্ৰহণত তেওঁ যেনেদৰে পিতৃৰ পৰম আশীৰ্বাদ লাভ কৰিছিল, সেইদৰে কাব্য-সাধনাৰ ক্ষেত্ৰত তেওঁ সহায় আৰু অনুপ্ৰেৰণা লাভ কৰিছিল স্বামী দুর্গানাথ বৰুৱাৰ পৰা। গুৱাহাটীৰ উজান বজাৰৰ এসময়ৰ প্ৰসিদ্ধ ব্যবসায়ী বৰুৱা আছিল 'দাস-তালুকদাৰ এজেন্সী'ৰ প্ৰতিষ্ঠাতা। খুব সম্ভৱ ১৯০৪ চন মানত তেওঁ বিবাহপাশতে বান্ধ খাই পৰে। বিশ বছৰীয়া ভৰ যৌৱন কাললৈকে ধর্মেশ্বৰীৰ আছিল এটি স্বাচ্ছন্দ্যপূৰ্ণ দাম্পত্য জীৱন। কিন্তু নিষ্ঠুৰ নিয়তিৰ পৰিহাসত তেওঁৰ সুখৰ আকাশত দুখৰ ধূমকেতুৰ আৱির্ভাব হৈছিল। বাত-ৰোগে তেওঁৰ সর্বশৰীৰ গ্ৰাস কৰি পেলাইছিল আৰু আৰম্ভ হৈছিল তেওঁৰ যন্ত্ৰণাময় পঙ্গু আৰু কাতৰ জীৱন। তেওঁৰ জীৱনৰ এখন দুৱাৰ ৰুদ্ধ হ'ল যদিও আন এখন সিংহদুৱাৰ খোল খালে। সেই দ্বাৰেৰে অসমীয়া কাব্য-সাহিত্যৰ বহল পথাৰখনলৈ বৈ আহিল এসোঁতা পলসুৱা সলিল ধাৰা। এই ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল দুর্গানাথ বৰুৱাই। ডঃ মহেশ্বৰ নেওগ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত এনেদৰে লিখিছে, 'জীৱনৰ আশাভৰা গাভৰু-কালতে তেওঁক বাতৰোগে আক্ৰমণ কৰি অলপ দিনৰ ভিতৰতে পঙ্গু কৰি পেলায় আৰু লাহে লাহে দৃষ্টিশক্তিও নষ্ট কৰি পেলায়। বাহিৰৰ জীৱনৰ দুৱাৰ ৰুদ্ধ হোৱাত স্বামীৰ প্ৰেমৰ কাঠিটিৰে তেওঁ অন্তৰৰ দুৱাৰ খুলি বহে কবিতাৰ সাধনাত।' (পৃঃ ২৭৬)। তেওঁক জীৱনৰ সাহিত্য-সাধনাৰ বীজমন্ত্ৰ যে দুর্গানাথ বৰুৱাৰ আন্তৰিক প্ৰেম আছিল, সেই কথা অতুলচন্দ্ৰ হাজৰিকায়ো 'অশ্ৰুধাৰা আৰু জীৱনতৰী'ৰ একেষাৰত উল্লেখ কৰি গৈছে। বিশ্বৰ বহুতো প্ৰখ্যাত সাহিত্যিকৰ জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ জীৱন

যন্ত্রণা আৰু বেদনাৰে ভাৰাক্রান্ত আৰু তাৰ বিপৰীতে মহৎ সাহিত্য-সৃষ্টিৰে তেওঁলোকৰ জীৱন হৈ পৰিছিল সৌভাগ্যৰে পৰিপূর্ণ গৌৰৱ-কুণ্ড। মোপাছাঁ, টুর্গেনিভ, বালজাক আদিৰ জীৱনলৈ লক্ষ্য কৰিলে ইয়াৰ স্পষ্টতা ওলাই পৰে।

আমাৰ অসমীয়া সাহিত্যতো তেনে উদাহৰণ দেখিবলৈ পোৱা যায়। বিহগী কবি ৰঘুনাথ চৌধাৰীয়েও সৰুতেই পিৰালীৰ পৰা পৰি পঙ্গু জীৱন যাপন কৰিবলগীয়া হৈছিল। সংসাৰখন তেওঁৰ বাবে হৈ পৰিছিল কাঁইটেৰে পৰিপূর্ণ যন্ত্রণাৰ আৱাস। সেইদৰে ৰহস্যবাদী কবি নলিনীবালা দেৱীয়ে যৌৱনৰ ৰ'দকাঁচলিতে বৈধব্যক সাৱটি, দুটিকে পুত্রৰ মৃত্যু-যন্ত্রণা সহ্য কৰি ভগৱানৰ চৰণতে আশ্রয় বিচাৰিছিল। ধর্মেশ্বৰী দেৱী বৰুৱানীয়েও ৰোগাক্রান্ত জীৱনৰ যন্ত্রণা পাহৰিবলৈ আশ্রয় লৈছিল কবিতাৰ বুকুত। কবিতাৰ মাজেদি তেওঁৰ আকুল প্রাণে গতি কৰিছিল অপার্থিব জগতখনলৈ। কায চাপি গৈছিল প্রকৃতিৰ অফুৰন্ত সৌন্দর্য্যৰ মাজলৈ, য'ত তেওঁ বিচাৰি পাইছিল জীৱনৰ সাতো বৰণীয়া ৰামধেনুখন। এয়াই ধর্মেশ্বৰী দেৱী বৰুৱানীৰ কাব্য-সৃষ্টিৰ গোপন ৰহস্য আৰু এনেদৰেই তেওঁ সৃষ্টি কৰিছিল 'ফুলৰ শৰাই' (১৯২৯), 'প্রাণৰ পৰশ' (১৯৫২), 'অশ্রুধাৰা' আৰু 'জীৱনতৰী' (১৯৬৩)। পিছলৈ 'অশ্রুধাৰা' আৰু 'জীৱনতৰী' একত্রে প্রকাশ পায়। কাব্যপুথি কেইখনে তেওঁৰ অন্তৰথলীত ফল্গুধাৰাৰ দৰে প্রৱাহিত হৈ থকা ৰোমাণ্টিক ভাৱৰ স্বাক্ষৰ বহন কৰিছে।

প্রকৃতি-প্রীতি, ভগবৎ-প্রীতি, অতীন্দ্রিয়বাদ আদি যিহেতু ৰোমান্টিকতাৰ লক্ষণ, সেইফালৰ পৰা বিচাৰ কৰি চালে ধর্মেশ্বৰী দেৱী বৰুৱানী এগৰাকী ৰোমান্টিক কবি। ৰোমান্টিক যুগত ধর্মেশ্বৰী দেৱী বৰুৱানীৰ কবি হিচাপে আত্মপ্রকাশ এক লেখৰ ঘটনা। ৰোমান্টিক যুগৰ আধ্যাত্মিকভাৱে তেওঁৰ কবিতাত হেন্দোলনি তুলিছিল। অৱশ্যে ধর্মেশ্বৰীতকৈ নলিনীবালা দেৱীৰ কবিতাত অতীন্দ্রিয়বাদী সুৰ আছিল অধিক প্রকট আৰু গভীৰ। এই সম্পর্কত মহেশ্বৰ নেওগে মন্তব্য আগবঢ়াইছে এনেদৰে, " ..... সেই দশকৰ সমাপ্তিৰ এটি চমৎকাৰ উদ্ভৱ দুগৰাকী মহিলা কবিৰ শুভাগমন; দুই গৰাকীয়েই চিৰসুন্দৰ ভগৱন্তৰ পদপ্রান্তত আত্মসমর্পিতা। ধর্মেশ্বৰী দেৱী বৰুৱানী আৰু নলিনীবালা দেৱী, দুইৰো আধ্যাত্মিক ভাবৰ মাজত নলিনীবালাৰ কবিতাত অতীন্দ্রিয়বাদৰ লক্ষণ অধিক প্রকট" (সঞ্চয়ন, পৃঃ ১৪)। জীৱনৰ দুখ-যন্ত্রণাৰ পৰা মুক্তি বিচাৰি কবিয়ে ভগৱানৰ চৰণত আত্মসমর্পণ কৰিছে। তেওঁ যেন আছিল ভাৰতীয় চিন্তাধাৰাৰ উত্তৰাধিকাৰী। সেয়ে তেওঁৰ চিন্তা, তেওঁৰ দৃষ্টিয়ে বিচাৰি ফুৰিছিল পৰমজনৰ উৎস। পার্থিৱ জীৱনত লাভ কৰিব নোৱাৰা সুখৰ অন্বেষণেই আছিল তাৰ মূল উদ্দেশ্য। কবি নলিনীবালা দেৱীয়েও বেদনাহত হৈ 'অ' মোৰ পৰম প্রিয়, তুমি ক'ত' বুলি হাবাথুৰি খাই ফুৰিছিল। ড° সত্যেন্দ্রনাথ শর্মাই ধর্মেশ্বৰীৰ কবিতাৰ আঁত ধৰি 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্রন্থত এনেদৰে কৈছে, "ইহ জীৱনত যি সুখৰ মুখ তেওঁ দেখা নাপালে, মৃত্যুৰ সিপাৰে ভগবানৰ সান্নিধ্যত সেই সুখ পাব বুলি কবিগৰাকী আশ্বস্ত হৈছে" (পৃঃ ৩৬১)। পৰমজনৰ সন্ধানত হাবাথুৰি খোৱা কবিয়ে কবিতাত কৈছে,

'ক'ত মোৰ প্রাণ ক'ত মোৰ প্রিয়
ক'ত যে বিননি গালোঁ,
ক'তো যে নাপালোঁ প্রাণৰ দেৱতা
মাথো হাবাথুৰি খালোঁ।

ধর্মেশ্বৰী দেৱী বৰুৱানীৰ প্রথম কবিতাপুথি 'ফুলৰ শৰাই'ৰ প্রতিটো কবিতাৰ মাজতে ফুটি উঠিছে হিয়াভগা দুখৰ বিননি। এই দুখ কেতিয়াবা যদি ব্যক্তিগত জীবনৰ, কেতিয়াবা আকৌ পৰমজনৰ সান্নিধ্য লাভ কৰিব নোৱাৰাৰ। কবিয়ে কিন্তু ব্যক্তিগত জীৱনৰ শাৰীৰিক যন্ত্রণাৰ বাবে ভগৱানৰ ওচৰত কোনোধৰণৰ আক্ষেপ কৰা নাই। বৰঞ্চ সেয়া ভগৱানৰ দান বুলি শিৰপাতি গ্রহণ কৰিছে। ৰঘুনাথ চৌধাৰীয়েও জীৱনলৈ অহা দুখ, যন্ত্রণা, দাৰিদ্র্য সকলো ভগৱানৰ আশীর্বাদ হিচাপে গ্রহণ কৰিছে। চৌধাৰীয়ে কৈছে,

"যত দিয়া দুখ দৈন্য কান্ধত চপাই
নানো একো বেজাৰ মনত,
তোমাৰে বিভূতি জানি সকলো সহিম
যত দিন থাকো সংসাৰত।"

ধর্মেশ্বৰী দেৱী বৰুৱানীয়ে 'আ�ৰাধনা' নামৰ কবিতাটিত স্পষ্ট-ভাৱে কৈছে —,

"শূন্য হিয়াখনি কৰিম পূৰণ
প্রাণ মোৰ প্রেমাধাৰ,
অৱগাহি তব, প্রেমৰ সুঁতত
যাতনা নিয়াম মাৰ।"

এয়াই হয়তো ৰোমান্টিক কবিৰ আধ্যাত্মিক ভাৱনাৰ চৰম প্রকাশ। ড° বাণীকান্ত কাকতিয়ে 'ফুলৰ শৰাই'ৰ পাতনিত এনেদৰে মত আগবঢ়াইছে, 'কবিতাবোৰ সংসাৰৰ যাতনাত নিমাখিত হিয়াৰ অমৃত। যাতনাত উতলি উঠা গৰল ৰচয়িত্রীয়ে অসীম ধৈর্যেৰে নিজেই গ্রাস কৰিছে।'

বৰুৱানীৰ দ্বিতীয়খন কাব্যগ্রন্থ হ'ল 'প্রাণৰ পৰশ'। দুয়োখন পুথিত কবিতাৰ মাজত ড° সত্যেন্দ্রনাথ শর্মাই বিচাৰি পাইছে জাগতিক

সৌন্দর্য্য আৰু আধ্যাত্মিকতাৰ স্ফুলিঙ্গ। তেওঁৰ ভাষাতে, 'এই দুখন খণ্ড কবিতাৰ থূপিত কবিৰ জাগতিক সৌন্দর্য্যৰ প্ৰতি মোহ আৰু আধ্যাত্মিক দৃষ্টিৰ অভিব্যক্তি লক্ষ্য কৰা যায়' (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬১)। অকালতে জীৱনলৈ আহি পৰা দুঃখ-যন্ত্ৰণাৰ মাজতে লাভ কৰা স্বামীৰ অকুণ্ঠ ভালপোৱাই হয়তো কবিগৰাকীক ভাবিবলৈ বাধ্য কৰিছিল যে এয়া তেওঁৰ প্ৰতি ভগৱানৰ অৱদান। নিঃস্বাৰ্থ মৰম আৰু ঈশ্বৰৰ প্ৰতি থকা অগাধ বিশ্বাসে তেওঁক জীৱনটো সহজভাৱে গ্ৰহণ কৰি তাৰ মাজতে নিজকে বিলীন কৰি দিবলৈ প্ৰেৰণা যোগাইছিল। এনে উপলব্ধিতে ড° মহেশ্বৰ নেওগে কৈছে, "দেৱী বৰুৱানীৰ কবিতা তেওঁৰ জীৱনৰ প্ৰকাশতকৈও অনেক থলত আত্মগোপনৰ চেষ্টাহে বুলিব লাগে। সংসাৰৰ বিৰুদ্ধ শক্তিৰ সংঘাতত আন কবিসকলে হৰ্ষ-বিষাদৰ মৰ্মন্তুদ বিননি তুলিছে বা মুমুৰ্ষুভাৱৰ কাতৰতা প্ৰকাশ কৰিছে, তাত কবি বৰুৱানীক ঈশ্বৰাৰ্পণ আৰু প্ৰিয়তমৰ স্নেহে আলফুলকৈ দাঙি ধৰি কাণত আশাৰ বাণী ঢালিছে। ঈশ্বৰ বিশ্বাস আৰু প্ৰেমৰ মহিমাই এনে। ই মানুহৰ অন্তৰক আশাবাদী কৰি ভাগি পৰাৰ পৰা ধৰি ৰাখে। প্ৰকৃতিৰ সুন্দৰ পটবোৰত য'ত দুঃসাহসত কবিয়ে আপোন বিষাদৰ প্ৰতিচ্ছবিয়ে দেখা পায়, তাত বৰুৱানীয়ে পৱিত্ৰ ধৰ্মভাৱেৰে ধোৱা অন্তৰৰ চকুৰে চাই প্ৰাকৃতিক সম্পৰ্কবোৰৰ নিজাপী সৌন্দৰ্য্য দেখা পাইছে (পাতনি, প্ৰাণৰ পৰশ)।

'মিলন-প্ৰয়াস' বৰুৱানীৰ এটি উল্লেখযোগ্য কবিতা, য'ত ধ্বনিত হৈছে ভগৱানৰ প্ৰতি পৰম আস্থা আৰু বিশ্বাস। প্ৰথমাৱস্থাত কবিয়ে পৰমজনক গোটেই বিশ্বজুৰি বিচাৰি ফুৰিছে; কিন্তু কবিয়ে ব্যৰ্থতাৰ বাহিৰে যেন একোৱে পোৱা নাই।

"পৰ্বত ভৈয়াম নগৰ সাগৰ
আৰু কত জান জুৰি,
আকাশে বতাহে বিচাৰি ফুৰিলোঁ
গোটেই বিশ্ব জুৰি।
ব্যৰ্থ হ'ল মোৰ সকলো প্ৰয়াস
দেৱতা নাপালো হায়!
ইঙ্গিতেৰে যেন ক'লে, সকলোৱে
'নাই, নাই আৰু নাই'।"

কিন্তু এনেদৰে হতাশাত ভাগি পৰোতেই কবিৰ কৰ্ণপটহত প্ৰতিধ্বনিত হল এক আশাৰ বাণী। সেই বাণীয়ে তেওঁক বুজাই দিয়ে গূঢ় ৰহস্য।

"ৰ' লাগি মই থাকোঁ থৰ হই
মনতেই ভাৱি-গুনি,
বিশ্ব বিদাৰি মহাব্যোম ভেদি
হ'ল এটি প্ৰতিধ্বনি
অচিন্ত্য অব্যক্ত ৰূপে আছে তোৰ
হিয়া-মণিকূট মাজে,
দেখা পাবি তাতে প্ৰাণৰ দেৱতা
মোহন মূৰতি সাজে।"

কবিয়ে সেই বাঞ্ছিত ধনক পাবলৈ তেওঁৰ শিৰত যতনেৰে ঢালি দিলে প্ৰেমৰ অৰ্ঘ্য। ফলত তেওঁৰ মনত জাগি উঠিল বিশ্বাস মিহলি সফলতাৰ প্ৰতিচ্ছবি।

"আকুল ভাৱেৰে আঁকোৱালি তোক
প্ৰিয়তমে ল'ব তুলি
গোটেই বিশ্বত মোৰেই স্বৰূপ
মোৰেই আতমা বুলি।

কবি নলিনীবালা দেৱীৰো স্থিৰ বিশ্বাস আছিল, এদিন নহয় এদিন পৰমজনে তেওঁক আঁকোৱালি ল'বহি বুলি। ভগৱানক শুনাবলৈ বীণখনিত সুৰ দি লোৱা কবিগৰাকীয়ে সেয়েহে প্ৰশ্ন কৰিছে—

'ধূলিময় পৃথিৱীৰ পৰা
ন'লবানে, ন'লবানে তুলি?
তোমাৰ অমৃত স্পৰ্শে
শীতলাই তনু মন প্ৰাণ
নিদিবানে শেষবাৰ শোক দুঃখ সন্তাপ পাহৰা
শান্তিময় চৰণত স্থান?"

তেনে এটি পৰিৱেশতে বৰুৱানীয়ে উপলব্ধি কৰিছিল যে তেওঁৰ ব্যৰ্থতা সফল হ'ব, অব্যক্ত সুৰত মিলনৰ ৰাগিণী বাজি উঠিব। 'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰা অথবা নলিনীবালা দেৱীয়ে পৰমজনৰ লগত মিলিত হ'বলৈ সোণোৱালী দেশ বা অনন্তলৈ ঢাপলি মেলাৰ দৰে ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে প্ৰথমাৱস্থাত তেনে বাসনা কৰা নাই। তাৰ বিপৰীতে তেওঁ হৃদয়ৰ মাজতে ভগৱানৰ বসতি বুলি অনুভৰ কৰে। বৰুৱানীৰ মতে ঈশ্বৰ সৰ্বত্ৰ বিদ্যমান; ক্ষুদ্ৰ-বৃহৎ সকলো বস্তুতে ভগৱান লুকাই আছে। উল্লেখযোগ্য যে ইংৰাজ কবি কীট্‌ছে 'অ'ড টু এ নাইটিংগেল' কবিতাত কোৱাৰ দৰে ৰঘুনাথ চৌধাৰীয়েও 'তোমাৰ লগতে উৰি যাওঁ বিহংগিনী, সদায় বইছে য'ত প্ৰেম মন্দাকিনী' বুলি মনৰ অভিব্যক্তি প্ৰকাশ কৰিছে।

বৰুৱানীৰ পৰমজনৰ স'তে বিলীন হোৱাৰ আকাঙ্ক্ষা 'কোন তুমি' কবিতাটোত সুন্দৰভাৱে পৰিস্ফুট হৈছে। কবিতাটো সম্পূৰ্ণৰূপে ৰহস্যবাদী ভাৱধাৰাৰে পৰিপূৰ্ণ। কবিৰ অনুৰোধ —

‘তুমি মোৰ ময়েই তোমাৰ
তোমাতেই কৰা মোক লয়।’

অম্বিকাগিৰী ৰায়চৌধুৰীৰ ‘সকলো তুমিয়ে নাথ / জগতত দেখিছোঁ যিমান আয়না’ অথবা ‘জীৱনেইতো ভগনাৱৰ পূৰ্ণ অধিষ্ঠান’ বুলি কোৱা কাব্যোক্তিৰ মাজতো সেই ‘তুমি’ গৰাকীৰ সন্ধান পোৱা যায়।

ধর্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতা স্বামীৰ প্রতি থকা ভালপোৱা আৰু ঈশ্বৰ-প্রেমৰ মাজত লহপহকৈ বাঢ়ি উঠিছে। তাৰ স্বাক্ষৰ ‘অর্ঘ্য’ নামৰ কবিতাটোত অতি স্পষ্টভাৱে প্রকাশ পাইছে। ভালপোৱা আৰু বিশ্বাসেই তেওঁক ভগৱানৰ কাষ চপাই লৈ গৈছে।

“আহা প্রিয় তুমি মোৰ প্রাণৰ দেৱতা
অলাগীৰ জীর্ণ কুটিৰত,
তোমাৰ পৰম পাশে আছোঁ বাট চাই
দিয়া মোক ঠাই চৰণত।”

এহাতে পার্থিৱ প্রেম আৰু আনহাতে অপার্থিৱ প্রেমত নিমজ্জিত বৰুৱানীয়ে বিশ্বময়তাৰ মাজতে পৰমজনক বিচাৰি পাইছে। নম্রতা, বিনয়ৰ জৰিয়তে অন্তৰ পৰিশুদ্ধ কৰিবলৈ বিচৰা কবিগৰাকীয়ে ভগৱানৰ ওচৰত সেইবোৰ লাভ কৰিবলৈ কাকুতি জনাইছে। তেওঁ কৈছে, “বিনয় নম্রতা দিয়া, সেয়ে গন্ধ অতুল চন্দন।” এনে ভাৱৰ মাজতে ‘প্রভু মোক দিয়া’ৰ সমস্ত ধাৰণা সুৰক্ষিত হৈছে। তেওঁৰ ‘সন্ন্যাসী আৰু ভিক্ষাৰিণী’ কবিতাও এনে ভাৱৰে মুক্ত প্রকাশ। ৰবীন্দ্রনাথ ঠাকুৰে কৈছিল- ‘সীমাৰ মাঝে অসীম তুমি বাজাও আপনসুৰ, আমাৰ মধ্যে তোমাৰ প্রকাশ তাই এত মধুৰ।’ বৰুৱানীয়েও ক্ষুদ্রৰ মাজেদি বিৰাটৰ সন্ধান পাই পৰমজনকে সাধনাৰ ধন হিচাপে ভাবি লৈছে।

“তুমি বিনে প্রিয় সাধনাৰ ধন
নাই আৰু কেওঁ নাই।”

ভাৰতীয় দর্শনৰ প্রতি কবিগৰাকী সম্পূর্ণৰূপে আস্থাশীল। মায়াই আৱৰি ৰখা জগতখনত জীৱন নির্বাহ কৰি তেৰোঁ অনুভৱ কৰিছিল মায়াৰ নিমজ স্পর্শ। তেওঁৰ ভাষাত,

‘আছোঁ জগতত মায়া টোপনিত
মায়াৰ শয্যাত শুই।’

মায়াৰ মাজত থাকিও কিন্তু ইপ্সিতজনক পোৱাৰ হেঁপাহ তেওঁ ত্যাগ কৰা নাছিল। তেওঁ যেন মানসচক্ষুৰে পৰমজনক দেখিবলৈ পাইছে আৰু উপলব্ধি কৰিছে পৰমজনৰ চিৰসুন্দৰ ৰূপ। তেওঁৰ ‘অশ্রুধাৰা’ত সন্নিৰিষ্ট ‘ব্যথাৰ আৰতি’ নামৰ কবিতাটিত তেনে ভাৱৰে প্রকাশ ঘটিছে। ভগৱানৰ চিৰসুন্দৰ ৰূপ বিচাৰি তেওঁ স্বর্গলৈ ঢাপলি মেলিব খোজা নাই। বিনন্দীয়া পৃথিৱীৰ শান্তি আৰু আনন্দৰ মাজতে চিৰসুন্দৰৰ অস্তিত্ব তেওঁ দেখিবলৈ পাইছিল। ‘মহাশূন্য’ কবিতাটিত তেওঁ স্পষ্টভাৱেই কৈছে যে, শূন্যৰ বিশালতা আৰু ব্যাপকতাৰ অন্তৰালত পৰমজনৰ চিৰজ্যোতিষ্মান শ্বেতক জিলিকি আছে। তেওঁৰ মতে হৃদয়খনেই হৈছে শান্তিপূর্ণ স্বর্গ। এই হৃদয়তে সৃষ্টি হোৱা ভক্তিৰ ফুলেৰে ভগৱানক পূজা কৰি স্বর্গীয় সুখ লাভ কৰিব পাৰি। হৃদয়খন শান্তিৰে ভৰাই তুলিবলৈ প্রয়োজন নিঃস্বার্থ মানৱসেৱা। এই মানৱসেৱাই পৰমজনক লাভ কৰাৰ বাট মুকলি কৰি দিয়ে। বৰুৱানীয়ে পৰমজনক পাবলৈ হাবাথুৰি খোৱাৰ সময়ত পৰমজনে তেওঁক উপেক্ষা কৰিছে বুলিহে ‘উপেক্ষা’ নামৰ কবিতাটিত অভিযোগ কৰিছে। এইখিনিতে ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ স’তে তেওঁৰ পার্থক্য। নলিনীৱালা দেৱীয়ে বৈষয়িক সুখ-সম্ভোগৰ মাজত ব্যস্ত থাকি পৰমজনক পাহৰি থকা সময়তো পৰমজন তেওঁৰ কাষতে থকাৰ কথা স্বীকাৰ কৰি কৈছে,

‘তুমি চিৰ কৰুণাৰ আঁজলি ভৰাই,
ফুৰিছিলা আঁৰে আঁৰে নীৰৱে বিলাই।’

ভগবৎ প্রীতি, ভগবানত আত্মসমর্পণ আৰু ভগৱানৰ সন্ধান তেওঁৰ কাব্যৰ মূল বিষয়বস্তু হ’লেও এগৰাকী ৰোমান্টিক কবি হিচাপে তেওঁ প্রকৃতিৰ পৰা দৃষ্টি আঁতৰাই আনিব পৰা নাই। সাহিত্যৰ মাজতে শান্তি লাভ কৰিলেও কবিয়ে ভগৱানৰ ওচৰত আত্মসমর্পণ কৰিছে পৰম শান্তিৰ বাবে। সেয়ে তেওঁৰ কাব্যিক চিন্তাধাৰাত দার্শনিক তত্ত্বৰ বীজ লুকাই আছে। প্রকৃতিত দৃষ্টি নিবদ্ধ হোৱা বাবেই দার্শনিক ভাৱাপন্ন কবিতাৰ উপৰিও প্রকৃতি বিষয়ক কবিতাও তেওঁ ৰচনা কৰিছে। তেওঁৰ এটি উল্লেখযোগ্য কবিতা ‘শৰৎ সম্ভাৰ’ত শৰতৰ আগমনীৰ বতৰা পাই তেওঁ লিখিছে,

‘আজি শৰতৰ মৃদু প্রভাতৰ
বলিছে মৃদুলা বাৱ,
পথাৰে পথাৰে শ্যামলা সাজেৰে
আহিছে লখিমী মাৱ।’

তেওঁৰ আন এটি উল্লেখযোগ্য কবিতা ‘শাওণৰ সুৰ’ — য’ত কবিয়ে সদ্যোস্নাতা শাওণৰ মঞ্জুল ৰূপটো দাঙি ধৰিবলৈ সক্ষমণ হৈছে। শাওণ প্রাণদায়িনী; শাওণেই প্রকৃতিক সেউজকুলীয়া সাজ পিন্ধাই ধৰিত্রীক সুজলা-সুফলা, শস্য-শ্যামলা কৰি তোলে। ইয়াৰ বাহিৰেও তেওঁৰ ‘কৌমুদী’, ‘আকাশী জীয়ৰী’, ‘ব’হাগীৰ বিহুৱান’, ‘মলয়াৰ অভিযান’, ‘বিহুৱতী ব’হাগী’ কবিতাকেইটিত প্রকৃতিৰ মনোমোহা ৰূপৰ

চিত্র অঙ্কিত হৈছে। ব'হাগ সম্পর্কীয় কবিতা দুটিয়ে সততে ৰঘুনাথ চৌধাৰীৰ 'বহাগীৰ বিয়ালৈ' মনত পেলায়।

পিছলৈ 'অশ্ৰুধাৰা'ৰ স'তে একত্রে প্রকাশ পোৱা তেওঁৰ চতুর্থখনি কাব্যগ্রন্থ 'জীৱন তৰী' ৰূপকাত্মক ভাৱেৰে পৰিপূর্ণ। ইয়াত নৈ, তৰী আৰু পখী প্রতীকী অর্থত ব্যৱহৃত হৈছে। কবি যতীন্দ্রনাথ দুৱৰায়ো নদী আৰু নাৱক (লগতে নাৱৰীয়াও) প্রতীকী অর্থত ব্যৱহাৰ কৰিছে। বৰুৱানীৰ কবিতাৰ নৈখন ৰহস্যৰে পৰিপূর্ণ। সেই নৈত তেওঁ জীৱন তৰী মেলি দিছে ; তেওঁৰ এই যাত্রাত আকাশেদি উৰি যোৱা এটি পখীয়ে পথ-প্রদর্শক হৈ ধৰা দিছে। তদুপৰি এই পখীটোৱে তেওঁৰ বিপদৰ বন্ধু হৈ তেওঁক উদ্ধাৰ কৰিছে আৰু বিশ্বাসী সখী হৈ পৰিছে। 'প্রাণৰ পৰশ'ত পৰমজনৰ দেশত পদার্পণ কৰাৰ কোনো বাসনা তেওঁ ব্যক্ত নকৰিলেও কিন্তু 'জীৱন তৰী'ত সেই বাসনা প্রকট হৈ প্রকাশ পাইছে। 'সুন্দৰ দেশ'ত উপনীত হ'বলৈ তেওঁ জীৱন তৰীত উঠি ৰূপহী নৈৰে উত্তৰ, পূৱ, পশ্চিম দুৱাৰ অতিক্রমি আগবাঢ়িছে। এই সম্পর্কত অতুলচন্দ্র হাজৰিকাই লিখিছে, "জীৱন তৰী'ত আৰোহণ কৰি ৰূপহী নৈ, ৰূপহী নৈৰ বালি, পুৰী বর্ণন, উদ্যান বর্ণন, উত্তৰ দুৱাৰ, পূৱ দুৱাৰ, পশ্চিম দুৱাৰ আদি নানা স্তৰৰ মাজেদি 'সুন্দৰ দেশ'ত উপনীত হ'বলৈ সুন্দৰ প্রয়াস কৰিছে' (অসম সাহিত্য সভা পত্রিকা, ৩৩শ বছৰ, দ্বিতীয় সংখ্যা)। তেনেক্ষেত্রতে কবিগৰাকীৰ দার্শনিক ভাৱধাৰাই যেন যতীন্দ্রনাথ দুৱৰাৰ ভাৱধাৰাৰ কাষ চাপি গৈছে। 'সুন্দৰৰ দেশ'ত তেওঁ কৈছে —

"পৰমানন্দ চিৰ আনন্দ
চিৰ সুন্দৰ ৰজা,
লভিবা তৃপিতি, মনে প্রাণে অতি
সখী সুন্দৰক ভজা।"

কাব্যপুথিখনিৰ কবিতাবোৰত বৰুৱানীৰ কল্পিত মনোৰম ঠাইখন জীৱন্ত হৈ উঠিছে। পখীৰূপী ভগৱানক সেই ঠাইলৈ লৈ যাবলৈ তেওঁ কাকুতি জনাইছে। 'জীৱস্তুতি' কবিতাটিত তাৰেই স্পষ্ট প্রতিফলন ঘটিছে।

"ধৰা তুমি মোৰ হাত তুমি জগতৰ নাথ,
ভৱ সিন্ধু কৰা তুমি পাৰ,
মোৰ ই জীৱন তৰী, পাৰ কৰা তুমি হৰি
পখীৰূপে হৈ কর্ণধাৰ।"

স্বামীৰ মৃত্যুত এই পখীয়ে যেন আছিল তেওঁৰ চালিকাশক্তি।

কেৱল ৰহস্যবাদী ভাৱধাৰাই বৰুৱানীৰ কবিতাত প্রকাশ পোৱা নাই, বিভিন্ন জন মহান পুৰুষৰ প্রতিও তেওঁৰ শ্রদ্ধাৰ জলধাৰা নিগৰি পৰিছে কবিতাৰ মাজেদি। বুদ্ধদেৱ, মহাত্মা গান্ধী, মহাপুৰুষ মাধৱদেৱ আদিৰ প্রতি শ্রদ্ধা নিবেদন কৰি তেওঁ ৰচনা কৰিছে কেইটিমান সোঁৱৰণমূলক কবিতা। 'শ্রদ্ধাঞ্জলি' জনোৱাৰ লগতে 'বিষাদৰ চকুলো' টুকিও তেওঁ শোক-কবিতা ৰচনা কৰিছে। দার্শনিক ভাৱাপন্ন কবিতাৰ লগতে তেওঁ জাতীয় ভাৱাপন্ন কবিতাও ৰচনা কৰিছে। 'আজি জননীৰ পূজাৰ দিন', 'পূজাৰ আৰতি', 'পূজা বন্দনা', 'মিলন সুৰ', 'জননী যজ্ঞ' আদি কবিতাত বৰুৱানীৰ জাতীয়তাবোধ তথা দেশাত্মবোধ সুন্দৰভাৱে পৰিস্ফুট হৈছে।

স্বামীৰ অপৰিসীম স্নেহে ধর্মেশ্বৰী দেৱী বৰুৱানীৰ প্রাণত স্বামীভক্তিৰ সৃষ্টি কৰিছিল। তেওঁ ভাৰিছিল যে নাৰীৰ স্বামীভক্তিৰ মাজতো ভগৱানৰ চৈতন্যৰূপ লুকাই আছে। নাৰী হৈ তেওঁ নাৰীৰ প্রতি আহ্বান জনাইছে এনেদৰে,

"নাৰী তুমি আগবাঢ়া প্রগতিৰ পথে,
পোহৰলৈ কৰি অভিযান।
ৰতনে ৰতন মিলে ইয়ে সুনিশ্চিত
পোহৰৰ লভিবা সন্ধান।"

কবিগৰাকীয়ে নাৰীক দয়াৱতী, ক্ষমাৱতী, কৰুণাৰূপিনী, মূর্ত্তিময়ী, প্রেমময়ী প্রাণ বুলি প্রশংসা কৰি নাৰীৰ গুণ-গান গাইছে। বুভুক্ষুৰ আর্তনাদ শুনি দান আগবঢ়াই হিয়া-বিলোৱা নাৰী সম্পর্কত তেওঁ কৈছে—

"আতুৰৰ হকে দিয়া প্রাণৰ পৰশ,
ঢালি দিয়া চেনেহ সঁফুৰা,
ফুলোৱা পদুম পাহি মৰুৰ বুকুত,
বই থক শান্তিৰ নিজৰা।"

সেয়ে এনে নাৰীগৰাকী সততে ধন্যা- 'নাৰী তুমি, ধন্যা তুমি শত ধন্য'। নলিনীবালা দেৱীয়েও কৈছিল, "তোমাৰ জেউতি লাগি মৰুত নিজৰা বয় / শুকান বালিত ফুলে সোণৰ পদুম।"

বৰুৱানীৰ অন্তৰস্থলীত খোপনি পুতি আছিল এক ৰোমাণ্টিক উচ্ছাস। শ্যেলীৰ 'অ'ড টু দি ওৱেষ্ট উইণ্ড' অথৱা ৰবার্ট ব্রীজেছৰ 'দি ৰেইন চেট্ ইন' কবিতাৰ দৰেই তেওঁৰ 'ধুমুহা' কবিতাটোৱে ৰোমান্টিকতাৰ নিদর্শন দাঙি ধৰে। শ্রীক্ষেত্রধামত তীর্থযাত্রা কৰাৰ সময়ত তেওঁ-ৰচনা কৰিছিল এটি যুগান্তকাৰী কবিতা 'সাগৰ সঙ্গীত'। সেয়া আছিল ১৯৫০ চনৰ কথা। ভগৱানৰ স্তুতিগীত বুলি অনুভৱ কৰা সাগৰক লৈ তেওঁ ৰচনা কৰিছে 'সমুদ্রসঙ্গীত' নামৰ আন এটি কবিতা। কবিৰ এনে ৰচনাই তেওঁৰ সাগৰৰ প্রতি থকা ভালপোৱা প্রকাশ কৰিছে। কবি, সমালোচক হেম বৰুৱাৰ ভাষাত, "আইতা

ধর্মেশ্বৰী দেৱীয়ে সাগৰক ভাল পাইছিল, কাৰণ, সাগৰ হৈছে শিশুৰ দৰে চিৰ লাস্যময়; সময়ে ইয়াৰ শিশুসুলভ স্নিগ্ধতা নষ্ট কৰিব নোৱাৰে" (অসমীয়া সাহিত্য)। ৰবীন্দ্রনাথে বিশ্বমানৰ আৰু প্রকৃতিক অখণ্ড সত্তাৰূপে-উপলব্ধি কৰিছে। সুন্দৰৰ পূজাৰী কীট্‌ছে প্রাচীন গ্রীচৰ এটি মাটিৰে নির্মিত পাত্রৰ গাত অঙ্কিত চিত্রৰ সৌন্দর্য্যক ৰূপ দিবলে গৈ কৈছে—

"Beauty is truth, truth beauty, that is all".

এই সুন্দৰ চিত্রবোৰে কবিৰ মনত অবিনশ্বৰ সত্য জগাই তোলাৰ দৰে কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰেও সেই সত্য উপলব্ধি কৰি কৈছিল, "আমাদেৰ সৌন্দর্য্যবোধও সেইৰূপ ইন্দ্রিয়েৰ সুখকৰ ও অসুখকৰ, জীবনেৰ মঙ্গলকৰ ও অমঙ্গলকৰ, এই দুয়েৰ ঘর্ষণেৰ দ্বন্দ্বে স্ফুলিঙ্গ বিক্ষেপ কৰিতে কৰিতে একদিন যদি পূর্ণভাৱে জ্বলিয়া উঠে তবে তাহাৰ সমস্ত আংশিকতা ও আলোড়ন নিৰস্ত হয়। তখন কি হয়? তখন দ্বন্দ্ব ঘুচিয়া গিয়া সমস্তই সুন্দৰ হয়, তখন সত্য ও সুন্দৰ একই কথা হইয়া উঠে। তখনই বুঝিতে পাৰি সত্যেৰ যথার্থ উপলব্ধি মাত্রই আনন্দ। তাহাই চৰম সৌন্দর্য্য।" ধর্মেশ্বৰী দেৱী বৰুৱানীয়েও প্রকৃতি আৰু জগদীশ্বৰক অখণ্ড সত্তাৰূপে উপলব্ধি কৰি যন্ত্রণাময় জীৱনত আনন্দ আৰু শান্তি লাভ কৰিছে। এই মহান চৈতন্য শিল্পী, বাজীকৰ, যাদুকৰ, চিত্রকৰ ৰূপত তেওঁৰ মানসপটত প্রোজ্জ্বল হৈ উঠিছে।

এয়াই ধর্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাৰ প্রধান বৈশিষ্ট্য। তেওঁৰ কবিতাত প্রকাশ পোৱা আধ্যাত্মিক সম্মোহন আৰু প্রাকৃতিক সম্মোহনে তেওঁক এগৰাকী ৰহস্যবাদী আৰু ৰোমান্টিক কবি হিচাপে প্রতিষ্ঠিত কৰিছে। ত্রিপদী আৰু দুলড়ী ছন্দত ৰচিত কবিতাবোৰৰ ভাষা প্রাঞ্জল আৰু চিত্তাকর্ষক। তেওঁৰ কবি-প্রতিভালৈ লক্ষ্য কৰি অসম সাহিত্য সভাই ১৯৫৬ চনত তেওঁক 'কাব্য-ভাৰতী' উপাধিৰে অভিহিত কৰিছে। তদুপৰি তেওঁ অসম চৰকাৰৰ সাহিত্যিক পেন্সনো লাভ কৰিছিল। উল্লেখযোগ্য যে দেৱী বৰুৱানীয়ে কবিতাৰ উপৰিও 'বাঁহী'ত প্রকাশিত 'গাভৰু মেল' শিতানত লিখিছিল। মুঠতে, ধর্মেশ্বৰী দেৱী বৰুৱানী আছিল অসমীয়া সাহিত্যৰ প্রসিদ্ধ কবি; যাৰ কবিতাত দীন-দৰিদ্রৰ প্রতি কৃপাধ্বনি আছে, প্রকৃতিৰ প্রতি সূক্ষ্ম দৃষ্টি আছে, আছে ভগৱানৰ প্রতি আকুল আহ্বান আৰু সৌন্দর্য্য পিপাসু মনটিৰ অসীম শক্তি আৰু ধৈর্য্যৰ পৰিচয়।

জন্ম, মৃত্যু, সৃষ্টিৰ ৰহস্যৰ সন্ধানত ঢাপলি মেলা কবিৰ মনটোৱে শান্তিৰ সন্ধান পাইছে কবিতাৰ মাজত। সেয়ে তেওঁ কৈছে,

"বুকুৱেদি বৈ যায় শীতল নিজৰা,
জীৱনত শান্তি লভে, তৃপ্ত হয় প্রাণ,
সাহিত্যৰ হ'লে লাভ উজ্জ্বল পোহৰ,
যদিহে মানৱে লভে সাহিত্যৰ দান।"

সাহিত্যৰ মাজতে শান্তি লাভ কৰিলেও কবিয়ে ভগৱানৰ ওচৰত আত্মসমর্পণ কৰিছে পৰম শান্তিৰ বাবে। ধর্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাৰ এক আকর্ষণ আছে। সহজ-সৰল ভাষাৰে লিখা কবিতাবোৰৰ মাজত যি আধ্যাত্মিক শক্তিৰ জোৱাৰ উঠিছে, সিয়ে গভীৰভাৱে কবিতাবোৰ হৃদয়ঙ্গম কৰিবলে প্রেৰণা যোগায়। আনন্দচন্দ্র আগৰৱালাই 'আৱাহন'ৰ চতুর্থ বছৰ, পঞ্চম সংখ্যাত লিখিছিল, "শ্রীযুতা ধর্মেশ্বৰী দেৱীৰ কবিতাবিলাক পঢ়ি বৰ ভাল লাগে। তেখেত বহুদিনীয়া ৰোগ-যন্ত্রণাত কাতৰ হৈ থাকিও কবিতা ফুলেৰে বাণীক পূজিবলৈ এৰা নাই। তেখেতৰ 'ফুলৰ শৰাই'ছপা হৈ ওলাইছে। আমাৰ সাহিত্য-ভঁৰালত এই শৰাই ক্ষুদ্র হ'লেও চিৰকাল জিলিকি থাকিব।" 'ফুলৰ শৰাই' ৰ লগতে আন কাব্যপুথি কেইখনেও ধর্মেশ্বৰী দেৱী বৰুৱানীক অসমীয়া সাহিত্যৰ বুকুত এক বিশেষ আসনত স্থাপিত কৰিছে। সঁচাকৈয়ে, এটি পঙ্গু, অসহায় নাৰী-জীৱনে অগ্নিপৰীক্ষাৰ সম্মুখীন হৈ নিজকে নিষ্ঠা, ঐকান্তিকতা আৰু কর্মপ্রেৰণাৰ ৰোহিতাশ্বত পৰিশুদ্ধ কৰি পোৱা সোণৰ দৰে জিলিকাই তুলিলে।

সন্তানহীনা বৰুৱানীৰ কবিতাই আছিল আদৰৰ সন্তান। অৱশেষত ১৯৬০ চনৰ ৯ মার্চতে জীৱন যোৱা যন্ত্রণাৰ উপশম ঘটিল; কবিৰ সন্ধানী আত্মাই গতি কৰিলে পৰমজনৰ কাষলৈ। এইজনা 'নীৰৰ দেৱতা'কে নিশাৰ প্রথম পুৱাতে অতি হাবিলাষেৰে বৰণৰ মালা লৈ তেওঁ আদৰি আনি থাপনাত বহুৱাইছিল। আকুল অধিৰ প্রাণ লৈ 'নীৰৰ কণ্ঠে নীৰৰ কবিতা নীৰৱে গাম গান' বুলি সংকল্প লোৱা বৰুৱানীৰ কণ্ঠ- চিৰদিনৰ বাবে ৰুদ্ধ হৈ গ'ল। কেৱল, 'ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ'।

মনু সংহিতা

ড° প্রণীতা শর্মা
প্রাক্তন মুৰব্বী অধ্যাপিকা, দর্শন বিভাগ



[মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, তোমালোক বৰ্তমান নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ NEP 2020 (FYUGP) পাঠ্যক্ৰমৰ আধাৰত শিক্ষা গ্ৰহণ কৰা। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰধান উদ্দেশ্য হ'ল প্ৰাচীন ভাৰতীয় চিন্তা ধাৰাৰ ওপৰত গুৰুত্ব দিয়া। বেদ ভাৰতৰ এক অতি প্ৰাচীনতম আৰু আদিতম ধৰ্মীয় আৰু দাৰ্শনিক গ্ৰন্থ। ভাৰতৰ সকলা দৰ্শন, সাহিত্য, নীতি সভ্যতা, সংস্কৃতি আদি বেদৰ আলমতে গঢ়ি উঠিছে। পৃথিৱীৰ অন্যান্য সভ্য দেশ যেতিয়া জ্ঞানৰ পোহৰত আলোকিত হোৱা নাছিল, সেই যুগত আৰ্যসকলৰ জ্ঞান গৰিমা ভাৰতৰ বুকুত বিকশিত হৈ উঠিছিল। বৈদিক সাহিত্য বা বৈদিক চিন্তা বুলিলে কোনো এটা সুনিৰ্দিষ্ট গ্ৰন্থ বা সাহিত্যক নুবুজায়। ইয়াৰ ভিতৰত আছে চাৰি বেদ, চাৰি বেদৰ চাৰিটাকৈ অংশ মন্ত্ৰ বা সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ আদি প্ৰত্যেক সাহিত্যকে বৈদিক চিন্তাৰ অন্তৰ্ভুক্ত কৰা হৈছে। এই বৈদিক চিন্তা ধাৰা ভাৰতীয় ধৰ্ম-সংস্কৃতি, সমাজ-সভ্যতা, দৰ্শন সাহিত্য, ৰীতি-নীতি আদিৰ মূল উৎস। সেই উদ্দেশ্য তোমালোকক মনু সংহিতাৰ বিষয়ে অলপ অৱগত কৰাব খুজিছোঁ। আশাকৰোঁ তোমালোকে পঢ়িবা আৰু জানিবা।]

মনু সংহিতা ভাৰতৰ এখন প্ৰাচীন মহৎ গ্ৰন্থ। এই গ্ৰন্থখনত ঋষিসকলৰ কাৰণে কেতবোৰ ধৰ্মৰ উপদেশ সন্নিবিষ্ট কৰাৰ উপৰিও নৈতিকতা আৰু সামাজিক আচাৰ-বিচাৰ সম্পৰ্কেও আলোচনা, জাতি বিভাজনৰ লগতে চাৰি বৰ্ণাশ্ৰমৰ বিষয়ে উল্লেখ কৰিছে। এই গ্ৰন্থখন খৃঃ পূৰ্ব ৩০০ আৰু খৃঃ পূৰ্ব ১০০ ৰ ভিতৰতে প্ৰণয়ন কৰা হৈছিল। গ্ৰন্থখনত মুঠতে ২৬৯০ টা শ্লোক আছে আৰু এই শ্লোক বিলাক ১২ টা অধ্যায়ত আলোচনা কৰা হয়।

মনুৰ পৰাই মানৱ শব্দটোৰ উদ্ভৱ হৈছে আৰু সেই কাৰণে মনুক আদিম পুৰুষ বুলি কোৱা হয়। মনুৱে সেই সময়ৰ সমাজ ব্যৱস্থাক ব্ৰাহ্মণ, বৈশ্য, ক্ষত্ৰিয় আৰু শূদ্ৰ চাৰিটা বৰ্ণত বিভক্ত কৰিছিল। মনুৰ মতে এই চাৰি বৰ্ণ ভগৱানৰ সৃষ্টি। মনুৱে মানৱ সমাজখনক মানুহৰ শৰীৰ লগত তুলনা কৰি পুনৰ চাৰিটা ভাগত ভাগ কৰিছিল। শৰীৰৰ প্ৰধান অংগ মুখ, বাহু, গা আৰু ভৰি প্ৰত্যেকৰে কাম বেলেগ বেলেগ। মানুহৰ মুখে ব্ৰাহ্মণ সমাজৰ লোকক প্ৰতিনিধিত্ব কৰিছে

কাৰণ মানুহৰ মূৰৰ কাম হ'ল কোনো বিষয়ে চিন্তা কৰি সিদ্ধান্ত গ্ৰহণ কৰা। মানৱ শৰীৰক ক্ষত্ৰিয় বৰ্ণৰ লগত তুলনা কৰি প্ৰতিৰক্ষাৰ কাম ন্যস্ত কৰিছে। শৰীৰটোৰ খাদ্য যোগানৰ কাম কৰে; এই শ্ৰেণী লোকৰ ভিতৰত কৃষক। মনুৱে শূদ্ৰ শ্ৰেণীৰ লোকক মানুহৰ শৰীৰৰ ভৰি অংশৰ লগত তুলনা কৰিছে। কাৰণ ভৰিৰে যেনেকৈ ইফালৰ পৰা সিফাললৈ অহা যোৱা কৰি বিভিন্ন কাম কৰিব লাগে, সেইদৰে শূদ্ৰ বৰ্ণ লোকেও কঠোৰ পৰিশ্ৰম কৰি সমাজৰ দায়িত্ব পালন কৰিব লাগে। এইদৰে মনুৱে সমাজক চাৰি শ্ৰেণীত বিভক্ত কৰি বৰ্ণ অনুসৰি কামৰ বিভাজন কৰি দিছিল। এই ব্যৱস্থা এতিয়াও কম-বেছি পৰিমাণে আমাৰ সমাজত বাহাল আছে। উপৰোক্ত দিশত মনুৰ বৰ্ণ বিভাজনৰ কেতবোৰ দোষ-ত্ৰুটি থাকিলেও ইয়াৰ গুৰুত্ব কোনো প্ৰকাৰে অস্বীকাৰ কৰিব নোৱাৰি। সেই সময়ত প্ৰতিটো বৰ্ণই শাস্ত্ৰ সন্মত ভাৱে নিজ নিজ দায়িত্ব পালন কৰাৰ কাৰণে সমাজত সুখ-শান্তি বিৰাজ কৰিছিল। মনুৱে কোনো এটা বিশেষ বৰ্ণক সেই সময়ত শিক্ষা-শিক্ষাৰ দায়িত্ব নিদিয়া হ'লে বৰ্তমান ভাৰতীয়সকলে প্ৰাচীন মহৎ গ্ৰন্থবিলাক অধ্যয়ন কৰাৰ পৰা বঞ্চিত হ'লহেতেন। আনহাতে সেই সময়ত বৰ্ণ বিভাজন ব্যৱস্থা কৰাৰ কাৰণে বৰ্তমান সময়ৰ দৰে জাত-পাত, ধৰ্মক লৈ সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাছিল। সকলো বৰ্ণৰ লোকেই নিজ দায়িত্ব পালন কৰি শৃংখলাবদ্ধ ভাৱে বসবাস কৰিছিল।

মনুৱে তেওঁৰ সংহিতাখনত বৰ্ণ ব্যৱস্থাৰ উপৰিও আশ্ৰম ব্যৱস্থাৰ কথাও উল্লেখ কৰিছে। তেওঁ চাৰি বৰ্ণৰ নিচিনাকৈ চাৰি আশ্ৰমৰ বিষয়েও আলোচনা কৰিছে। এই চাৰিবিধ আশ্ৰম হৈছে— (ক) ব্ৰহ্মচাৰ্য, (খ) গাৰ্হস্থ্য, (গ) বানপ্ৰস্থ আৰু (ঘ) সন্ন্যাস।

মুনি মনুৱে তেওঁৰ মনুস্মৃতি গ্ৰন্থত নাৰীৰ প্ৰকৃতি কেনে হ'ব লাগে সেই বিষয়ে আলোচনা কৰিছে। মনুৰ মতে নাৰীজাতিটো স্বাধীন নহয়। কাৰণ ছোৱালী অৱস্থাত মাক-দেউতাকৰ ৰক্ষণাবেক্ষণাত থাকিব লাগে, ছোৱালীজনী বিবাহ পাশত আৱদ্ধ হোৱাৰ পিছত স্বামীৰ তত্বাৱধানত জীৱন নিৰ্বাহ কৰিব লাগে; বৃদ্ধা অৱস্থাতো ল'ৰা-ছোৱালীৰ তত্বাৱধানত থাকিব লাগে। মনুৰ মতে, পুৰুষৰ মন জয় কৰাটো নাৰীৰ স্বভাৱ হ'ব লাগে।

মনুৱে চাৰি শ্ৰেণীলোকৰ যি বিভাজন কৰিছিল, সেইবিলাকৰ মাজত বৰ্ণ বৈষম্য বিবাহ হোৱাত কোনো বাধা আৰোপ কৰা নাছিল। ব্ৰাহ্মণ, বৈশ্য, ক্ষত্ৰিয় বৰ্ণৰ লোক শূদ্ৰ ছোৱালীৰ বিবাহ পাশত আৱদ্ধ হ'ব নালাগে। ব্ৰাহ্মণ জাতিয়ে শূদ্ৰৰ জাতিৰ ছোৱালী বিয়া পাতিলে পৰিয়ালৰ মৰ্যাদা হানি হোৱাৰ লগতে ব্ৰাহ্মণ বৰ্ণ মৰ্যাদাৰ পৰাও বঞ্চিত হয়।

মনুৱে তেওঁৰ মনুস্মৃতিত কেনে ছোৱালীৰ সৈতে বিবাহ পাশত আৱদ্ধ হ'ব লাগে সেই বিষয়েও উল্লেখ কৰিছে। মনুৰ মতে যিবিলাক ছোৱালীৰ অংগ-প্ৰত্যংগ বিলাক সম্পূৰ্ণ নহয় তেনে ছোৱালী বিয়াৰ কাৰণে উপযুক্ত নহয়।

মনুৰ মতে নাৰীৰ কোনো নিজস্ব অধিকাৰ থাকিব নোৱাৰে। তেওঁলোকে সকলো কথা-কামতে নিজ স্বামীৰ আদেশ পালন কৰিব লাগে। নাৰীসকলে পুৰুষসকলৰ দৰে পূজা-পাতল কৰিব নোৱাৰে। স্বামীৰ মৃত্যুৰ পিছত বিধবা মহিলা গৰাকীয়ে বিধৱাৰ ৰীতি-নীতি পালন নকৰিলে তেওঁ সকলোৰে নিন্দাৰ পাত্ৰ হয়।

যি সময়ত ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিবাহ পাশত আৱদ্ধ হ'ব লগা হোৱাৰ কাৰণেও নাৰীৰ শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি হৈছিল, কিন্তু সেই সময়তে ধনাৱতী, গাৰ্গেয়ী, মৈত্ৰেয়ী আদি নাৰীয়ে সকলো শিক্ষা গ্ৰহণ কৰি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

মনুৱে বিধৱা বিবাহৰ ক্ষেত্ৰত নাৰীক বাধা আৰোপ কৰিছিল। গতিকে দেখা যায় যে মনুৱে সকলো ক্ষেত্ৰতে নাৰী পুৰুষৰ অধীন বুলি দাবী কৰিছিল।

কলা আৰু বিজ্ঞান-সম্পৰ্ক আৰু সমন্বয়

ড° মালবিকা ভট্টাচার্য্য
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দিশপুৰ মহাবিদ্যালয়

কলা আৰু বিজ্ঞানৰ মাজত এক মনোমোহা কিন্তু জটিল আন্তঃসম্পৰ্ক আছে, যিয়ে সমগ্ৰ পৃথিৱীৰ বিদ্যুৎমণ্ডলীক মোহাচ্ছন্ন কৰি ৰাখিছে। উপৰুৱা দৃষ্টিৰে চালে বিজ্ঞান আৰু কলা— দুটা সুকীয়া শাখা। বিজ্ঞান বুলি ক'লে আমাৰ মনলৈ আহে যুক্তি, পৰ্যবেক্ষণ, পৰীক্ষা-নিৰীক্ষাৰ অন্তত প্ৰতিষ্ঠিত হোৱা প্ৰমাণ্য সত্যৰ কথা; আনহাতে কলা বুলি, ক'লে আমি ধৰি লও সৃষ্টিশীল কল্পনা আৰু নান্দনিক প্ৰকাশৰ সৈতে জড়িত শিল্পকৰ্মৰ কথা। মনকৰিবলগীয়া কথা হ'ল, এই দুয়োটা বিষয়ে দুয়োটাক এনেদৰে প্ৰভাৱিত আৰু সমৃদ্ধ কৰিছে যে ই মানুহৰ বোধশক্তি আৰু সৃষ্টিশীলতাৰ সীমাবদ্ধতাক নেওচা দি নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হৈছে।

কলা আৰু বিজ্ঞান মূলতঃ পৃথিৱীৰ তথা ব্ৰহ্মাণ্ডৰ অতল তলিত লুকাই থকা ৰহস্যৰ অনুসন্ধানৰ দুটা পদ্ধতি। বিশ্ব-ব্ৰহ্মাণ্ডৰ গভীৰ ৰহস্য উদ্‌ঘাটন কৰাৰ বাবে বিজ্ঞানে কঠোৰ পৰ্যবেক্ষণ পৰীক্ষা-নিৰীক্ষা আৰু বিশ্লেষণৰ জড়িয়তে ঘটনা-পৰিঘটনা বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে; আনহাতে, কলাই বিষয়-ভিত্তিক ব্যাখ্যাক আবেগেৰে সিক্ত কৰি সংবেদনশীল মনেৰে অন্বেষণ কৰিবলৈ চেষ্টা কৰে। এক কথাত ক'ব পাৰি বিশ্ব-ব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটনৰ এই দুয়োটা পদ্ধতিয়ে দুটা ভিন্ন উপায়েৰে ৰহস্যৰ আঁত উলিওৱাত নিয়োজিত হৈছে।

কলা হৈছে চিত্ৰকলা ভাস্কৰ্য, সংগীত, নৃত্য, নাট্য, সাহিত্য, চলচিত্ৰ আদি বিভিন্ন মাধ্যমৰ জড়িয়তে মানুহৰ সৃষ্টিশীলতা আৰু কল্পনাশক্তিৰ নান্দনিক প্ৰকাশ বা প্ৰয়োগ। আকৌ কলাই বিষয়ভিত্তিক ব্যাখ্যা আবেগ, নান্দনিকতা আৰু সাংস্কৃতিক প্ৰসংগক প্ৰতিফলিত কৰে। মুঠতে, কলাত্মক প্ৰচেষ্টাই মানুহৰ আবেগ-অনুভূতিক নতুন দিশেৰে যাত্ৰা কৰিবলৈ উদ্‌গনি দিয়ে। তাৰোপৰি কলাই ভিন্ন বিষয়ৰ চিন্তাৰ লগত ধাৰণা বা অভিজ্ঞতাৰ সুসমন্বয় ঘটাই ব্যক্তি বিশেষৰ নব্য দৃষ্টিভংগী প্ৰকাশ কৰাৰ এক মাধ্যম হিচাবে কাম কৰে। ইয়াৰ বিপৰীতে বিজ্ঞান হৈছে বিশ্ব-ব্ৰহ্মাণ্ডক বিশ্লেষণ কৰা এক পদ্ধতিগত আৰু অভিজ্ঞতা ভিত্তিক পন্থা। বিজ্ঞানৰ লগত পৰ্যবেক্ষণ, পৰীক্ষা-নিৰীক্ষা আৰু বিশ্লেষণৰ জড়িয়তে বিশ্ব-ব্ৰহ্মাণ্ডৰ গঠন, আচৰণ আৰু প্ৰক্ৰিয়াৰ অধ্যয়ন জড়িত হৈ থাকে। তাৰোপৰি বিজ্ঞানে কঠোৰ অনুশাসনৰ মাজেৰে যুক্তিযুক্ত চিন্তাৰ ওপৰত নিৰ্ভৰ কৰি অনুমান আৰু পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা তত্ত্ব আৱিষ্কাৰ কৰে আৰু বিশ্ব-ব্ৰহ্মাণ্ডৰ বিভিন্ন কৰ্মৰ অন্তৰালত লুকাই থকা বিষয়ৰ জ্ঞানৰ দ্বাৰ উন্মোচন কৰে। দৰাচলতে, বিজ্ঞানে, সামৰি লোৱা বিভিন্ন শাখাৰ (পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান, জ্যোৰ্তিবিজ্ঞান, মনোবিজ্ঞান আদি) দ্বাৰা মানুহৰ বোধশক্তিক পদ্ধতিগতভাবে আঁতৰাই নিয়া আৰু মানুহৰ ব্যৱহাৰিক জীৱনৰ বিভিন্ন সমস্যা সমাধান কৰে। মুঠতে বিজ্ঞানে পদ্ধতিগতভাৱে যিকোনো সত্যৰ অন্বেষণ কৰে।

এনেদৰে আলোচনা কৰি আমি এটা কথা ক'ব পাৰোঁ যে, কলাই বৈজ্ঞানিক চিন্তাধাৰাৰ সৈতে মানুহৰ সম্বন্ধ স্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু বিজ্ঞানে কলাত্মক উদ্ভাৱনৰ ক্ষেত্ৰত প্ৰেৰণা যোগায়। দৰাচলতে দুয়োটাই আমাৰ জীৱনক সমৃদ্ধ কৰে আৰু দৃষ্টিভংগী নব্য চেতনা-চিন্তাৰে উদ্ভাষিত কৰি সম্প্ৰসাৰিত কৰে।

কলা আৰু বিজ্ঞানৰ মাজত সম্পৰ্ক :

সৃষ্টিৰ আদিৰ পৰাই কলা আৰু বিজ্ঞানৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। যেতিয়া মানুহ গুহাবাসী আছিল, সেই সময়তে গুহাবোৰৰ শিলৰ বুকুত জীৱ-জন্তু চিকাৰৰ দৃশ্য আৰু আকাশত দৃশ্যমান হোৱা বিভিন্ন বস্তুৰ চিত্ৰ অংকণ কৰিছিল। এই চিত্ৰসমূহৰ অংকন শৈলীলৈ লক্ষ্য কৰিলে আমি দুটা দিশ দেখা পাওঁ — এটা হ'ব বিজ্ঞান ভিত্তিক পৰ্যবেক্ষণ আৰু আনটো হ'ল প্ৰাকৃতিক জগতৰ প্ৰতি মানুহৰ আকৰ্ষণ। এই শিল্পকৰ্মসমূহে সাংস্কৃতিক অনুভূতিৰ নান্দনিকতা প্ৰকাশ কৰাৰ লগতে প্ৰাচীন মানৱৰ বিচৰণ ভূমিৰ আৰু জীৱন ধাৰণৰ পদ্ধতিৰ বিষয়ে আমাক অৱগত কৰায়। এই কথাখিনিৰি পৰা আমি এটা কথায়ে

বুজি পাব পাৰোঁ যে কলা আৰু বিজ্ঞান—এটা আনটোৰ লগত অঙ্গাংগী ভাৱে জড়িত। এই প্ৰসংগতে আমি ইউৰোপৰ নৱজাগৰণৰ সময়খিনিৰ কথাকে আলোচনা কৰিব পাৰো। ১৪ শতিকাৰ পৰা ১৭ শতিকাৰ এই সময়ছোৱাত যিমান দাৰ্শনিক, শিল্পী, চিন্তাবিদৰ জন্ম হৈছিল, প্ৰতিজনৰে কৰ্মত বিজ্ঞান আৰু কলাৰ সুন্দৰ-গভীৰ সমন্বয় লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে, লিঅ'নার্ডো ডা ভিন্সিৰ শিল্প কৰ্মৰ বিষয়ে আলোচনা কৰা যাওক। তেওঁৰ শিল্পকৰ্ম আছিল শৰীৰ বিষয়ক অধ্যয়ন, অভিযান্ত্রিক নীতি আৰু শৈল্পিক গুণৰ অপূৰ্ব সমাহাৰ। ডা ভিন্সিৰ বিখ্যাত শিল্পকৰ্ম 'ম'নালিচা'লৈ মনোযোগেৰে দৃষ্টি দিলে এটা কথা ফট্‌ফট্‌য়াকৈ ধৰিব পাৰি যে 'ম'নালিচা' হৈছে শৰীৰ চৰ্চা আৰু শাৰীৰিক প্ৰকাশভংগীৰ গভীৰ সমিলমিলৰ উৎকৃষ্ট প্ৰদৰ্শন। কেৱল ইমানেই নহয়, সেই সময়ছোৱাত বিজ্ঞানৰ বিভিন্ন শাখাই ন ন পথেৰে অগ্ৰগতি লাভ কৰাৰ লগতে প্ৰাকৃতিক জগতখনৰ বিষয়েও নতুন-নতুন দিশৰ সন্ধান দিছিল। তাৰোপৰি সেইসময়ৰ দাৰ্শনিকসকলে আধ্যাত্মিক বিষয়ৰ লগতে বিজ্ঞানৰ বিভিন্ন শাখাৰ অন্তৰ্ভূক্ত বিভিন্ন বিষয়ৰ সন্ধান কৰি বিজ্ঞান বিষয়ক অনুসন্ধানৰ দৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছিল। আকৌ, মানুহৰ জীৱনৰ বিভিন্ন দিশৰ লগত গাণিতিক নীতিৰ সমন্বয় ঘটাই কলা আৰু শিল্পৰ নাণন্দনিকতা আৰু গাণিতিক অনুপাতৰ মাজত আন্তঃক্ৰিয়া কেনে ধৰণৰ তাক প্ৰদৰ্শন কৰিছিল। নৱজাগৰণৰ সময়ৰ পৰাই কলা আৰু শিল্পত যুক্তিবাদ, শৃংখলা আৰু ভাৰসাম্যৰ প্ৰতি থকা মানৱ মনৰ আকাংক্ষা প্ৰতিফলিত হৈছিল।

প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ কলা আৰু বিজ্ঞানৰ সম্পৰ্কৰ বিকাশ অব্যাহত আছে। বৰ্তমান সময়তো এই বিকাশৰ ধাৰা অব্যাহত আছে। ফট'গ্ৰাফী, চলচিত্ৰ আৰু ডিজিটেল মাধ্যমৰ উত্থানে কলাৰ সম্ভাৱনীয়তা বৃদ্ধি কৰাৰ লগতে সেই বোৰৰ সম্প্ৰসাৰণতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। আকৌ প্ৰযুক্তিৰ উন্নতিৰ লগে লগে কলাৰ বিষয়বস্তু, ধাৰণা, প্ৰকৃতি আদিৰ ক্ষেত্ৰতো বিশেষ পৰিবৰ্তন দৃষ্টিগোচৰ হৈছে। দৰাচলতে প্ৰযুক্তিগত উন্নতিৰ সৈতে কলাত্মক প্ৰকাশৰ সুন্দৰ সমন্বয় ঘটিছে। কলাৰ সাধকসকলে বৈজ্ঞানিক ধাৰণা তত্ব আৰু ন ন আৱিষ্কাৰসমূহৰ পৰা প্ৰেৰণা লাভ কৰি নৱ্য সৃষ্টিতৰত হৈছে। বৰ্তমান সময়ত কোৱান্টাম পদাৰ্থ বিজ্ঞানৰ বিমূৰ্ত ধাৰণাসমূহৰ অন্বেষণেও কলাৰ জগতখনক প্ৰভাৱিত কৰিছে। মুঠতে, কলা হৈ পৰিছে, এনে এক মাধ্যম যাৰ যোগেদি বিজ্ঞানৰ ভিন্ন ক্ষেত্ৰৰ ন ন চিন্তা সাধাৰণ মানুহৰ মাজলৈ বৈ গৈছে। কুৰি শতিকাৰ আৰম্ভনিৰ পৰা ফট'গ্ৰাফী, ভিডিঅ', ডিজিটেল মাধ্যমৰ দৰে নতুন প্ৰযুক্তিৰ আগমনে কলাৰ ক্ষেত্ৰখনলৈ বৈপ্লৱিক পৰিবৰ্তন আনিছে। আজিৰ কলাৰ পূজাৰীসকলে বিজ্ঞানৰ ধাৰণাসমূহ অধ্যয়ন কৰি সেইবোৰৰ গৱেষণাৰ সৈতে জড়িত হৈ পৰিবেশগত আৰু সামাজিক বিষয়সমূহক কলাৰ ভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰে। বৰ্তমান সময়ত বায়'আৰ্টৰ দৰে ক্ষেত্ৰৰ উত্থান ঘটিছে, য'ত কলাৰ পূজাৰীসকলে, বিজ্ঞানীসকলৰ সৈতে সহযোগিতা কৰি জৈৱীক প্ৰক্ৰিয়া আৰু নৈতিকতাৰ অন্বেষণ কৰে। কেৱল ইমানেই নহয়, বিজ্ঞানৰ তত্ব আৰু আৱিষ্কাৰ সমূহে সাহিত্যৰ বিভিন্ন বিভাগকো পূৰ্ণ মাত্ৰাই প্ৰভাৱিত কৰিছে। বিজ্ঞানৰ বিষয় তত্ব আৰু নব্য আৱিষ্কাৰবোৰ কলাসম্মত ৰূপত সজাই-পৰাই সাধাৰণজনৰ মন জয় কৰিব পৰাকৈ উপন্যাস, গল্প, কবিতা আদিত উপস্থাপন কৰি অহা দেখা যায়। এইখিনিতে এটা কথা মনত ৰখা ভাল যে, বিজ্ঞানে কেৱল সাহিত্যিক প্ৰভাৱিতহে কৰিছে, এনে কথা নহয়; এক শ্ৰেণীৰ বিজ্ঞান সাহিত্যও আছে যিবোৰত বিজ্ঞানৰ ধৰ্ম বা বৈশিষ্ট্য সম্পূৰ্ণ শুদ্ধ ৰূপত ধৰি ৰখা হৈছে। এক কথাত ক'ব পাৰি বিজ্ঞানৰ ধৰ্ম বিনষ্ট নোহোৱাকৈ সাহিত্যৰ মাধ্যমত বিজ্ঞানক জনসাধাৰণৰ ওচৰ চপাই আনিছিল বিখ্যাত বিজ্ঞানীসকলে। উদাহৰণ স্বৰূপে হিপ'ক্ৰেটিছ, ইউক্লিড, আইনষ্টাইনৰ পৰা আদি কৰি ষ্টিফেন হকিং, এছিমভ আদিলৈ আঙলিয়াব পাৰি। অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনতো এনে বহু ব্যক্তি আছে যি বিজ্ঞানক সাহিত্যলৈ পৰিবৰ্তন কৰি ৰসগ্ৰাহী পাঠকৰ মন জয় কৰিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে, দীনেশ গোস্বামী, ক্ষীৰধৰ বৰুৱা, কুলেন্দু পাঠক, জয়ন্ত কুমাৰ শৰ্মা আদিৰ নাম লব পাৰি। এনেদৰে বিশ্লেষণ কৰি চাই আমি ক'ব পাৰো যে কলা আৰু বিজ্ঞান-দুয়োটাৰ মাজত এটি গভীৰ আন্তঃসম্পৰ্ক আছে। এই ক্ষেত্ৰত পদাৰ্থবিজ্ঞানী ৰিচাৰ্ড ফাইনমেনৰ এষাৰ কথা প্ৰণিধানযোগ্য "Science is the poetry of reality, and art is the reality of poetry."

সামৰণিত আমি ক'ব পাৰো, বিজ্ঞান আৰু কলাৰ সুসমন্বয়ে মানৱ জীৱনলৈ নান্দনিক সৌন্দৰ্য আৰু অৰ্থ কঢ়িয়াই আনিব পাৰিব।

অভিনয়াচার্য নাট্যশিল্পী ব্রজনাথ শর্মাৰ
অসমীয়া নাট্যজগত তথা অসমৰ ভ্রাম্যমান জগতলৈ বৰঙণি

ড° মৌচুমী দেৱী
সহকাৰী অধ্যাপক, পৰিচালনা বিভাগ, দিশপুৰ মহাবিদ্যালয়

ইয়াণ্ডাবু সন্ধিৰ পিছত বৃটিছ চৰকাৰৰ অসম শাসনৰ সময়ত (১৯৩০ চনৰ আশে পাশে) এক বুজন সংখ্যক আমোলা-মহৰী অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ নামনি অসমৰ মফচলীয়া অঞ্চল সমূহত কৰ্মসূত্ৰে অসমলৈ আহি স্থায়ীভাৱে বসতি স্থাপন কৰে। সেই সময়ছোৱাত বাঙালী সংস্কৃতিৰ প্ৰভাৱ এই অঞ্চলসমূহত দেখা দিবলৈ লয়। বিশেষকৈ খাদ্যভাস, ধৰ্মীয় ৰীতি-নীতিৰ লগতে আমোদ-প্ৰমোদৰ ক্ষেত্ৰত এক পৰিবৰ্তন দেখা দিবলৈ ললে। তেনে এক উদাহৰণ হ'ল তেতিয়াৰ "Greater Bangladesh" (বৃহৎ বাংলাদেশ) অঞ্চলত প্ৰচলিত যাত্ৰা-পাৰ্টিৰ অসমতো নাট মঞ্চায়ন। দুৰ্গা-পূজা, দেৱালীৰ সময়ত বিশেষকৈ এই নাট্য গোষ্ঠী সমূহে নাট প্ৰদৰ্শনৰ জৰিয়তে দৰ্শকৰ মাজত বিপুল সমাদৰ পায়। নাটক সমূহ মূলতঃ বাংলা ভাষাত পৰিবেশন হৈছিল।



তেনে সময়তে অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰত কিছু সচেতন লোকে অসমীয়া ভাষাৰ বাবে ই এক বিপদ ঘণ্টা বুলি অনুভৰ কৰে। এই ক্ষেত্ৰত বৰপেটা নিবাসী -শিল্পী ব্রজনাথ শর্মাৰ অবদান উল্লেখনীয়। ব্রজনাথ শর্মা ওৰফে ব্রজ ওস্তাদে ১৮৯৮ চনৰ ১৫ চেপ্তেম্বৰত বৰপেটাৰ পাঠশালাত জন্ম গ্ৰহণ কৰে। ১২ বছৰ বয়সৰ পৰাই তেখেতে অভিনয়ৰ লগত জড়িত হৈ পৰে। নাট্যদল শিলা কালিকা অপেৰা পার্টিৰ (প্ৰতিষ্ঠিত সময় ১৯২১ চনত) প্ৰযোজক/প্ৰতিষ্ঠাপক ব্রজ শর্মাই তেওঁৰ যাত্ৰা দলত নিজ হাতে অসমীয়া ভাষাত অনুবাদ কৰা নাটক মঞ্চস্থ কৰে। ৰানাপ্ৰতাপ আৰু বাজীৰাও এই দুখন তেওঁৰ উল্লেখনীয় নাটক। পিছলৈ তেখেতে অসমীয়া ভাষাৰ মৌলিক নাটকো প্ৰযোজনা আৰু মঞ্চায়ন কৰে। তেওঁৰ আছিল এটা স্বাধীনচিতীয়া মন আৰু দেশ মাতৃৰ প্ৰতি অতুল স্নেহ। বৃটিছৰ শাসন কালত তেওঁ বৃটিছ ভাৰতৰ সৈন্য বাহিনীত কেৰানী হিচাপে মকৰল হৈ বাগদাদৰ বাছুদা (Basuda) আৰু Basura ত কার্যনির্বাহ কৰিছিল। তাতে ব্রজ শর্মাই ইৰাণৰ নাট্য শিল্পীৰ সান্নিধ্যত ইৰাণী নাট্যকলাৰ লগত পৰিচিত হয়। লগতে ভাৰতীয় কলাশিল্পী কেইজনমানৰ সান্নিধ্যত নৃত্য-সংগীতৰ চর্চা কৰে। ব্রজ ওস্তাদৰ প্ৰযোজিত শিলা কাল্কি অপেৰা দল ১৯২৪ চনলৈ নাট প্ৰদর্শন কৰাৰ অন্তত আর্থিক কাৰণত বন্ধ কৰিব লগা হয়। ইয়াৰ পাছত তেখেতে দক্ষিণ গণক-গিড়ী অপেৰা পার্টি নামৰ আন এটি নাট্যদল গঠন কৰে। ১৯২৯ চনলৈ এই দলটোৱে সফলতাৰে নাট মঞ্চায়ন কৰে।

১৯৩০ চনত অসমৰ নাট্য জগতত এক নতুন অধ্যায় যোগ হয়। নগাঁৰৰ পুৰণি গুদাম নিবাসী নাট্যকর্মী বিপিন চন্দ্ৰ বৰুৱাৰ সহযোগত আছাম কহিনুৰ অপেৰা (opera) পার্টি নামৰ আন

এটি দল গঠন হয় আৰু বংগীয় নাট্য দলৰ বিকল্প ৰূপে অসমীয়া ভাষাত নাটকৰ জৰিয়তে আত্মপ্রকাশ কৰে। নাটকৰ লগতে তেখেতে নাট্য উপস্থাপনৰ ক্ষেত্রতো বিশিষ্ঠতা আনিবলৈ সক্ষম হয়। ডুমডুমা অঞ্চলৰ সর্বেশ্বৰী দাস, গোলাপী দাস, ফুলেশ্বৰী দাস, বিনোদা গগৈ লাৱণ্য দাস, শৈলবালা দেৱী এই ছয় গৰাকী অভিনেত্রীৰে সহঃ অভিনয়ৰ সূত্রপাত ঘটায়।

তেখেতে গেলাৰী ছিটৰ বাবে একেবাৰে নুন্যতম মূল্য নির্ধাৰণ কৰিছিল। ইয়াৰ লগতে দর্শকৰ আকর্ষণৰ বাবে মঞ্চত আৰু প্রেক্ষাগৃহত পোহৰৰ ব্যৱস্থা তথা মঞ্চ সজ্জাৰ (set designing) ব্যৱস্থাও কৰিছিল। পোন প্রথমবাৰৰ বাবে এনে ধৰণৰ নাট্য মঞ্চায়নৰ জৰিয়তে যোৰহাটত দর্শকৰ বিপুল সমাদৰ লাভ কৰিছিল। আর্থিক নাটনিৰ কাৰণত দুর্ভাগ্যক্রমে ১৯৩৫ চনত কহিনুৰ অপেৰা পার্টি বন্ধ কৰিব লগা হয়। স্বাধীনচিতীয়া দেশপ্রেমী নাট্যকর্মী শ্রী শর্মাই স্বাধীনতা আন্দোলনতো অংশ লৈছিল। সৰভোগত তেওঁ British Airfield ত বোমা বিস্ফোৰণ ঘটাই নিজৰ প্রতিবাদ সাব্যস্ত কৰিছিল। কেইবাবছৰ নির্বাসনত থকাৰ অন্তত তেখেতক কাৰাবন্দী কৰা হৈছিল আৰু ১৯৪৬ চনত মুকলি হৈ ওলাইছিল। ১৯৫৫ চনত শিল্পী মনৰ গৰাকী ব্রজ শর্মাই হাউলী আৰু শিঙীমাৰী যাত্রা পার্টিত যোগদান কৰিছিল। কিন্তু ভগ্ন স্বাস্থ্যৰ বাবে আঁতৰি আহিব লগা হৈছিল। ১৯৬০ চনৰ ১২ চেপ্তেম্বৰত গুৱাহাটীত এই স্বনামধন্য শিল্পীগৰাকীৰ মৃত্যু হয়। লগে লগে এক বর্ণিল অধ্যায়ৰ অন্ত পৰিল বুলি কব পৰা যায়। স্বাধীনতা লাভৰ পিছত তেখেতে Socialist Party ৰ প্রার্থী হিচাপে ভাৰতৰ বিধান সভাৰ প্রথম নির্বাচনত প্রতিদ্বন্দিতা কৰি পৰাজিত হয়। ব্রজনাথ শর্মাৰ অসমীয়া ভাষা সাহিত্য বৰঙণি হিচাপে আগবঢ়োৱা নাটক সমূহ হ'ল — মনোমতী, বাজীৰাও, ৰাণা প্রতাপ ইত্যাদি। তেখেতৰ নাট্য জগতৰ প্রতি থকা অৱদান সমূহ হ'ল -

(ক) অভিনয়ক বৃত্তি হিচাপে দাঙি ধৰিছিল।

(খ) মুকলি মঞ্চত নাট্য পৰিবেশনৰ সলনি প্রছেনিয়াম মঞ্চৰ প্রচলন কৰিছিল।

(গ) সহ-অভিনয় প্রচলন কৰিছিল।

অসমৰ মঞ্চ আৰু ভ্রাম্যমান মঞ্চ জগতৰ পুৰোধা পুৰুষ ব্রজনাথ শর্মাৰ বিষয়ে আৰু বহল অধ্যয়নৰ প্রয়োজন আছে। বর্তমান অসমৰ নাট্য জগতৰ বাবে তেওঁ প্রাতঃ স্মৰণীয় ব্যক্তি।

অসম জীয়ৰী অমৃতপ্ৰভা

গীতিলেখা দেৱী ভাগৱতী
প্ৰবক্তা, অসমীয়া বিভাগ

নাৰী শক্তিৰূপিণী, সৃষ্টিকাৰিণী, সংহাৰৰূপিণী, ৰহস্যময়ী আদি বিভিন্ন আখ্যাৰে জগতত বিভূষিতা। বৰ্তমান সমাজত নাৰী শিক্ষিতা হৈ সমাজত যদিও আগস্থান লাভ কৰিবলৈ সক্ষম হৈছে; কিন্তু তথাপিও যেন নিশাৰ গভীৰতাত এগৰাকী যুবতী বা মহিলাই ভয়, শংকা লৈ নিৰাপত্তাহীনতা ভোগ কৰিব লগা হৈছে। স্বকীয় শক্তিৰে সম্মুখ ৰণত যুঁজিবলৈ অক্ষম আজিৰ নাৰীয়ে পিছ হোঁহকিব লগা হৈছে। আমি যদি নাৰীৰ কাৰণে আদৰ্শ পথ বিচাৰোঁ তেনেহ'লে ইতিহাসৰ পাত মেলি চালে দেখা যাব মূলাগাভৰু, জয়মতী কুঁৱৰী, বৰৰজা ফুলেশ্বৰী, ৰমণী গাভৰু, কনকলতা, অমৃতপ্ৰভা আদি অসাধাৰণ নাৰীসকলক। সেই সময়ৰ নাৰীসকলে এফালে যিদৰে স্বকীয় সুপ্ত প্ৰতিভাৰ বিকাশ সাধন কৰি বিদুষী মহিলা ৰূপে সমাজত স্থান লাভ কৰিছিল আনহাতে কেতিয়াবা ঘোঁৰা বা হাতীত উঠি শত্ৰুৰ সৈতে প্ৰাণপণ যুঁজ দিবলৈও কুণ্ঠাবোধ নকৰিছিল। ড° সূর্যকুমাৰ ভূঞাৰ 'আৱাহন' আলোচনীত প্ৰকাশিত 'অসম জীয়ৰী' নামৰ প্ৰবন্ধটিত প্ৰাচীন যুগৰ অসমীয়া তিৰোতাৰ মহিমাৰ বিষয়ে কৰা মন্তব্য এই প্ৰসঙ্গত প্ৰণিধানযোগ্য।

"পাণ্ডিত্যৰ প্ৰতি আগ্ৰহ অসমীয়া তিৰোতাৰ আজিব সম্পত্তি নহয়। যুদ্ধক্ষেত্ৰত অগ্ৰগণী হৈ শত্ৰুৰ বেহুৰ মাজত সোমাই অস্ত্ৰ চালনা কৰা অসমীয়া তিৰোতাৰ পক্ষে ভাত-মাছ আছিল। অসমীয়া তিৰোতাই ৰাজসিংহাসনত বহি ৰাজ্য চলাব পাৰিছিল। ভয়-ভীতি, শঙ্কা আদি যিবোৰ আৱৰ্জনাই অসমীয়া তিৰোতাৰ উন্নতিগামী প্ৰতিভা আজি ছাঁতি ধৰিছে আগৰ দিনত সেই ভয় আৰু সঙ্কোচৰ পৰিমাণ একেবাৰে নাছিল বুলি ক'লে আজি বহুতে বিশ্বাস কৰিবলৈ টান পাব। কৰ্মপটুতা, সুতীক্ষ্ম বুদ্ধি, অপৰিসীম সাহ আৰু আত্মনিৰ্ভৰশীলতা অসমীয়া তিৰোতাৰ হাড়ে-মগজুৰে লগা।" (আৱাহন, জেঠ ১৮৫৬ শক, ৫ম বছৰ, ৮ম সংখ্যা, পৃ. ৮৯৬)

অসমীয়া নাৰীৰ অতীত ইতিহাসলৈ দৃষ্টিপাত কৰিলে দেখা যায় পোনপ্ৰথমে কাশ্মীৰৰ ৰাজমহিষী অমৃতপ্ৰভাৰ নাম বিশেষভাবে উল্লেখযোগ্য। অমৃতপ্ৰভা আছিল খৃষ্টীয় প্ৰথম শতিকাৰ কামৰূপৰ ৰজা সুমতি বৰ্ম্মাৰ কন্যা। (অসমীয়া ৱিকিপিডিয়া) তেওঁক বিয়া কৰাবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ ৰজা আৰু ৰাজকোঁৱৰ কামৰূপৰ ৰাজধানীত স্বয়ম্বৰ সভাত উপস্থিত হৈছিল। অসমীয়া নাৰীৰ প্ৰতি ভাৰতৰ বিশেষ বিশেষ নৃপতিসকলৰ ধাৰণা সম্পৰ্কে আৱাহনত 'অসম জীৱৰী' প্ৰবন্ধত উল্লিখিত হৈছে এইদৰে —

"এই দেশৰ তিৰোতাই দেশ-বিদেশৰ ৰজাৰ কাৰেঙৰ শোভা বঢ়াইছিল। এই দেশৰ জীয়ৰীসকলৰ পানি-গ্ৰহণ কৰিব পাৰিলে ভাৰতৰ নৃপতি আৰু ৰাজকোঁৱৰসকলে নিজকে নিজে গৌৰৱান্বিত বুলি ভাবিছিল।" (আৱাহন, জেঠ, ১৮৫৬ শক, ৫ম বছৰ, ৮ম সংখ্যা, পৃ. ৮৯৬)

অমৃতপ্ৰভাৰ স্বয়ম্বৰৰ বাবে সজোৱা সভামণ্ডপৰ কাৰুকাৰ্য আছিল চকুতলগা। ৰজাৰ সিংহাসন শোভা কৰিছিল সিংহাসনৰ ওপৰত বিষয়াই মেলি ধৰা বৰুণ ছত্ৰই। ভানুমতী বৰাৰ ৰচিত 'মহিলা মণ্ডিতা নাৰী' গ্ৰন্থৰ অন্তৰ্গত 'অসম জীয়ৰী অমৃতপ্ৰভা' প্ৰবন্ধটিত অমৃতপ্ৰভাৰ স্বয়ম্বৰ সভাৰ এক সুন্দৰ বিৱৰণ দাঙি ধৰা হৈছে। তাৰেই আভাস এনেধৰণৰ-

স্বয়ম্বৰৰ বাবে বিতোপন সভামণ্ডপ সজোৱা হৈছিল। মণ্ডপৰ স্তম্ভবোৰ ধুনীয়া স্ফটিকৰ। ভেটি শুভ্ৰ শিলাখণ্ডৰ। তাত সকলো বস্তু প্ৰতিবিম্বিত হৈছে। চিত্ৰ-বিচিত্ৰ মণিকুট্টিমৰ জেউতিয়ে জলমলাব লাগিছে। ওপৰত হীৰা মৰকত খটোৱা চন্দ্ৰতাপ। মাজতে ওখ বেদীৰ ওপৰত প্ৰাগজ্যোতিষেশ্বৰৰ সিংহাসন। চাৰিওফালে মন্ত্ৰী, বিষয়া, কৰ্ম্ম-সচিব আদিৰ আসন। সিংহাসনৰ ওপৰত বৰুণৰ ছত্ৰ মেলি ধৰি প্ৰথম বিষয়াই ঘোষণা কৰিলে — "বৰাহ বিষ্ণুৰ পুত্ৰ প্ৰবল পৰাক্ৰমী নৰকাসুৰে সম্মুখ সংগ্ৰামত বৰুণক জয় কবি এই বৰুণ ছত্ৰ লাভ কৰিছিল। এইছত্ৰই ৰাজচক্ৰৱৰ্ত্তীসকলৰ শিৰতহে শোভা কৰে। এইবোৰ

বর্ণনাৰ পৰাই বুজিব পাৰি আমাৰ ৰজা কেনে ক্ষমতাশালী আৰু ঐশ্বর্যবান আছিল।" (পৃ ১৭৯) ইয়াত উল্লেখ কৰা মতে অমৃতপ্রভাৰ ধাত্রী গৰাকীৰ নাম সুনন্দা।

যথা নিয়মে মহাৰাজ বসুমতি বর্ম্মাই স্বয়ম্বৰ সভাত প্রবেশ কৰাৰ পিছত সভাস্থ সকলোৱে নিজ নিজ আসনৰপৰা উঠি সম্মান দেখুৱাইছিল। ৰজাৰ ইঙ্গিতমতে ঘোষকে স্বয়ম্বৰৰ বাতৰি ঘোষণা কৰাত ৰাজকুমাৰী অমৃতপ্রভাই সুনন্দাৰ হাতত ধৰি স্বয়ম্বৰ সভালৈ সোমাই আহিছিল। সুনন্দাই আগে আগে গৈ এজন এজনকৈ ৰজা-ৰাজকোঁৱৰসকলক চিনাকি কৰি দি বংশ গৌৰৱ বখানি যাবলৈ ধৰিছিল। অমৃতপ্রভাই ধাত্রীক মাথোঁ আগবাঢ়ি যাবলৈ কৈছিল। অমৃতপ্রভাও আগুৱাই গৈছিল। হঠাৎ সুনন্দাৰ চকু পৰিছিল কাশ্মীৰৰ ৰাজকুমাৰ মেঘবাহনৰ ওপৰত। মেঘবাহনৰ ৰাজোচিত আড়ম্বৰ নাছিল, নাছিল ৰাজকীয় বৈভৱ। সৌভাগ্য আৰু মধুৰ আকৃতিয়ে সৌভাগ্য সূচনা কৰা এই ৰাজকুমাৰৰ বিষয়ে সুনন্দাই গুণ বখনোৱাত অমৃতপ্রভা থমকি ৰৈছিল আৰু নিমিষতে হাতৰ বৰমালা মেঘবাহনৰ কণ্ঠত পিন্ধাই দিছিল। সখী, আত্মীয় আৰু পৰিচাৰিকা-সকলৰ উৰুলীৰ মাজত বিফল মনোৰথ হোৱা ৰাজকোঁৱৰসকল সভা এৰি নিজ নিজ বাহৱলৈ গুচি গৈছিল।

কাশ্মীৰৰ গোনন্দীয় বংশৰ ৰজাসকল ৰাজ্যভ্রষ্ট হৈ অনেক কাল দেশে-বিদেশে ফুৰিছিল। তেনে এগৰাকী ৰাজ্যভ্রষ্ট হৈ গান্ধাৰ প্রদেশত বাস কৰা গোপাদিত্য ৰজাৰ পুত্র মেঘবাহনে মধ্য এচিয়াৰ পৰা গিৰি, নদী, ভৈয়াম ভাঙি অমৃতপ্রভাৰ স্বয়ম্বৰ সভালৈ আহিছিল। মেঘবাহন যদিও ৰাজকুমাৰ ৰূপে ডাঙৰ-দীঘল হ'ব পৰা নাছিল, তথাপি তেওঁৰ গাত ৰাজকুমাৰৰ সকলো লক্ষণেই আছিল। মুখৰ পৱিত্র জেউতি, চকুৰ দীপ্তিয়েই তেওঁৰ ভৱিষ্যৎ মহত্ত্বৰ সুচনা কৰিছিল। সেই সুচনাৰে ইংগিত পাইছিল ৰাজকুমাৰী অমৃতপ্রভাই। স্বয়ম্বৰৰ পিছত মেঘবাহনে কামৰূপ-কন্যা অমৃতপ্রভাক লগত লৈ গান্ধাৰত পলাতক হৈ বাস কৰা পিতৃ গোপাদিত্যৰ ওচৰ পাইছিল। অমৃতপ্রভাক বিয়া কৰোৱাৰ পিছত মেঘবাহনৰ ভাগ্য সুপ্রসন্ন হ'বলৈ ধৰিছিল। কাশ্মীৰৰ প্রজাসকলে গান্ধাৰলৈ গৈ মেঘবাহনক নিমন্ত্রণ কৰি কাশ্মীৰলৈ আনি গৈ সিংহাসনত বহুৱাইছিল। অমৃতপ্রভা হৈছিল কাশ্মীৰ ৰাজ্যৰ ৰাজমহিষী।

কাশ্মীৰৰ ইতিহাসৰ বিষয়ে সংস্কৃতত ৰচা কলহনৰ বিখ্যাত 'ৰাজতৰঙ্গিনী' গ্রন্থত মেঘবাহন-অমৃতপ্রভাৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা যায়। তাৰ পৰা জনা যায় যে অমৃতপ্রভাই ৰাজৰাণী হৈ ধর্ম-কর্মত মন দিছিল। মেঘবাহনে বৌদ্ধ ধর্ম্মৰ উন্নতিৰ কাৰণে সহায় কৰিছিল। স্বামীৰ পন্থা অনুসৰণ কৰি অমৃতপ্রভাই বৌদ্ধ ধর্ম্মৰ উন্নতি সাধিবলৈ ধৰিছিল। সেই সময়ত কামৰূপৰ ৰাজধানীত বহুতো বিচক্ষণ পণ্ডিত আছিল। কাশ্মীৰত ভাল বৌদ্ধ পণ্ডিত নথকাত অমৃতপ্রভাই দেউতাকৰ চ'ৰাৰপৰা স্তৌন্প নামে এজন ভাল পন্তি কাশ্মীৰলৈ নিয়াইছিল। অঘৰী ভিক্ষুকসকল থাকিবৰ কাৰণে ৰাণী অমৃতপ্রভাই এটি বিহাৰ সাজি দিছিল। বহুদিন লৈকে সেই বিহাৰ 'অমৃত ভৱন' নামে জনাজাত হৈ আছিল। অমৃতপ্রভাই অমৃতভবনৰ ওচৰত নিজৰ নামে এখন সৰোবৰ খন্দাইছিল। তদুপৰি বৌদ্ধ বিহাৰৰ লগতে মঠ-মন্দিৰো সাজি শ্রমণ আৰু ব্রাহ্মণক ধর্ম্ম-চর্চ্চাৰ সুযোগ দিছিল।

অমৃতপ্রভাৰ কাহিনী পৌৰাণিক বা কল্পনাপ্রসূত নহয়। অমৃতভৱনৰ ধ্বংসাৱশেষ কাশ্মীৰৰপৰা কেইমাইলমান আঁতৰত এতিয়াও হেনো দেখিবলৈ পোৱা যায়। অসমৰ ইতিহাসত মহিয়সী ৰাণী অসম জীয়ৰী অমৃতপ্রভাৰ নাম যুগ-যুগান্তৰলৈ চিৰস্থায়ী হৈ থাকিব।

সহায়ক গ্রন্থ ঃ

১) ভূঞা, ড° সূর্যকুমাৰ — 'অসম জীয়ৰী' (আৱাহন, জেঠ, ১৮৫৬ শক, ৫ম বছৰ, ৮ম সংখ্যা, ১৯৩৬ চন, পৃ. ৮৯৬)।

২) বৰা, ভানুমতী — 'মহিমা মণ্ডিতা নাৰী' (২য় খণ্ড, প্রথম প্রকাশ, জুন, ২০১৫ চন পৃ.১৭৯)।

৩) অসমীয়া ৱিকিপিডিয়া।

একবিংশ শতিকাৰ এখন জনপ্ৰিয় ছবি—"মন যায়"

ডিম্পী দাস
অতিথি অধ্যাপক, অসমীয়া বিভাগ, দিশপুৰ মহাবিদ্যালয়

সমাজ জীৱনৰ এক শক্তিশালী গণমাধ্যম হৈছে কথা ছবি।এখন কথাছবিয়ে দৰ্শকক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে সমাজৰ জ্বলন্ত বাস্তব ছবিবোৰো দাঙি ধৰে। চলচ্চিত্ৰ এখনত যিবোৰ কাহিনী প্ৰকাশ পায় সেইবোৰ আমাৰ সমাজ জীৱনৰ পৰাই বুটলি অনা। একবিংশ শতিকাৰ এখন জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰ হৈছে মন যায়। ছবি খন মুক্তি লাভ কৰিছিল ২০০৮ চনৰ ১২ ছেপ্টেম্বৰত । এই ছবিখনে ৫৬- তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ 'শ্ৰেষ্ঠ অসমীয়া ছবিৰ' সন্মান লাভ কৰিছিল।

ছবি খনৰ কাহিনী আৰম্ভ হয় তিনিচুকীয়া চহৰৰ চাৰিজন নিবনুৱা তথা শিক্ষিত যুৱকৰ কথাৰে। ছবিখনত অভিনয় কৰা শিক্ষিত যুৱকৰ চৰিত্ৰ কেইটা ক্ৰমে— মানৱ (জুবিন গাৰ্গ), নয়ন (পবিত্ৰ মাৰ্ঘেৰিটা),তপন(জ্ঞানেন্দ্ৰ পল্লৱ), অকন (নৱদ্বীপ বৰগোহাঁই)। ছবিখনৰ আৰম্ভণিতে মানৱ (জুবিন গাৰ্গ) ৰ মুখত ব্যৱহাৰ হোৱা সংলাপে দৰ্শকৰ মন চুই যায় ------- এই মন টো কিন্তু ডেনজাৰ বস্তু দেই,কেতিয়াবা মহাত্মা গান্ধী হবলৈ মন যায়,নেপোলিয়ন হ'ব মন যায় আৰু কেতিয়াবা চাল্লা আম্বানী হবলৈ মন যায়....।

মাক আৰু ভনীয়েকৰ সৈতে অৱসৰ প্ৰাপ্ত শিক্ষকৰ একমাত্ৰ পুত্ৰ হৈছে মানৱ। সহজ সৰল ভাৱে জীৱন যাপন কৰা মানৱৰ পিতৃয়ে তেওঁক ভাল নৈতিক চৰিত্ৰৰে সৎ কৰাৰ বাহিৰে আন একো যোগান ধৰিবলৈ সক্ষম নহয়। আদৰ্শবান দেউতাকৰ তত্বাবধানত ডাঙৰ হোৱা বাবে সি কোনো ধৰণৰ ভুল বা বেয়া পথ বাছি লব নোৱাৰে । মধ্যবিত্ত পৰিয়ালৰ সন্তান হোৱা বাবে মানৱে টকাৰ অভাৱত আৰক্ষী বাহিনীত পাব লগা চাকৰি এটাৰ পৰা বঞ্চিত হয়। ব্যৱসায় কৰিবলৈ চাৰি বন্ধুৱে মন মেলে যদিও টকাৰ অভাৱৰ বাবে ব্যৱসায়ৰ কথা ভাবিব নোৱাৰে। নিজৰ দুৰ্ভাগ্যৰ মাজত আবদ্ধ মানৱে দেউতাকৰ অসহায় অৱস্থা, ভনীয়েক (ৰিম্পি দাস)ৰ সীমাহীন আশা, মাকৰ অবিৰত তিৰস্কাৰত প্ৰাইয়েই বিৰক্ত হৈ থাকে।

আনফালে মানৱে কলেজীয়া ছোৱালী মেঘালী (নিশিতা গোস্বামী) ক মনে মনে ভাল পায়। আৰু সেই প্ৰেম কাহিনীৰ মাজতেই প্ৰকাশ পাইছে অসমীয়া সমাজৰ এক দায়িত্বশীল যুৱকৰ জীৱনৰ সংগ্ৰাম, আশা আকাংক্ষা আৰু আৰ্তনাদ। মানৱৰ মনত প্ৰেমৰ ফুলপাহে গজালি মেলিছে, প্ৰেমিকাক লৈ তেওঁ কল্পনা কৰিছে, কিন্তু আগবাঢ়ি যাবলৈ বিচাৰিও তেওঁ থমকি ৰৈছে, বাৰে বাৰে তেওঁ পিছুৱাই আহিছে মেঘালীক হেৰুওৱাৰ ভয়ত। যাযাবৰ অভিমান মুঠিত ৰাখি তেওঁ নিজৰ মাজতে সামৰি লৈছে সকলো আশা আকাংক্ষা।কেৱল নিবনুৱা অথবা বেকাৰ হোৱা বাবেই মানৱে মনৰ প্ৰেয়সী গৰাকীক মনৰ কথা কবলৈ সাহস গোটাব নোৱাৰিলে।মেঘালীৰ সপোন বুকুত সাৱটি লৈ ফুৰা প্ৰেমিক জনে আত্মোপলব্ধি কৰিছে। মানৱে যেনেকৈ নিজৰ আশা আকাংক্ষাক লৈ সচেতন নিজৰ অসহায় অৱস্থাক লৈও সমানেই সচেতন-

সুখী হৈয়ে ৰোৱা মহী অবিহনে
এয়া মোৰে শুভকামনা
লাহে লাহে আঁতৰাই আনি ল'লো
মই মোক তোমাৰ পৰা
কিনো হ'ল সপোন সপোনেই ৰ'ল
সাধনা আজি যে আধৰুৱা হ'ল.....

শেষত মানৱে নিজকে মেঘালী ৰ প্ৰেমৰ পৰা আঁতৰাই আনিছে।

চাৰিজন বন্ধুৰ ভিতৰত নয়ন আছিল আটাইতকৈ সচেতন যুৱক। নয়নক বাদ দি বাকী সকলে কেৱল টকা উপাৰ্জনৰ কথা হে আলোচনা কৰে। পৰিয়াল বুলিবলৈ নয়নৰ বিছনা ত পৰি থকা পিতৃ আৰু দুগৰাকী ডাঙৰ ভনীয়েক ৰ সৈতে মাতৃ। নিজৰ ঘৰুৱা সমস্যাৰ মাজতো নয়নে সদায় বন্ধু বান্ধৱীক উপযোগী পৰামৰ্শ দিয়ে।

তপনে ডাঙৰ ভায়েক দুজন আৰু ডাঙৰ ভায়েকৰ পত্নীৰ সৈতে নিজৰ পিতৃৰ ঘৰ টোত থাকে । পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী

বুলিবলৈ ডাঙৰ ভায়েকে পৰিয়াল টোক পোহপাল দি আছে। সেয়েহে ডাঙৰ ভায়েকৰ পত্নীয়ে প্ৰতিটো ক্ষেত্ৰতে কথা শুনায়। আৰ্থিক ভাৱে টকা পইছাৰ যোগান ধৰিব নোৱাৰাৰ বাবে তপনে বাৰে বাৰে বৌয়েকৰ দ্বাৰা অপমানিত হ'ব লগা হয়।তেওঁৰ মাজু ভাতৃ ধীৰাজে পিতৃ মাতৃৰ সম্পত্তি দাবী কৰে কিন্তু সম্পত্তিৰ ভাগ বতৰা কৰিবলৈ বৌয়েক অমান্তি হয়। ইয়াৰ ফলত মাজু ভাতৃ ধীৰাজে তেওঁলোকৰ ডাঙৰ ভাতৃক হত্যা কৰাৰ পৰিকল্পনা কৰে আৰু তপনকো তেওঁৰ লগত যোগদান কৰিবলৈ কয়।

অকন এজন সুখী মনৰ ল'ৰা। তেওঁ তপনৰ সৈতে লগ লাগি যুটীয়া ভাবে এটা পি.চি.অ চলায় কিন্তু সন্ধিয়া মদ্যপানৰ বাবেহে তেওঁলোকে টকা উপার্জন কৰে। অকন এটা ভাড়া ঘৰত থাকে য'ত প্ৰায়েই গধূলি সময়ত চাৰিজন বন্ধুৱে মিলি ড্ৰিংক্স কৰি সময় কটায়।

নয়নৰ দেউতাকৰ মৃত্যু হোৱাত ঘৰৰ পৰা ওলাই গৈ দূৰৈৰ চহৰ এখনত মামাকৰ সৈতে কাম কৰিবলৈ লয়। এদিন আৰক্ষীয়ে তিনিওজনক সন্ত্ৰাসবাদী বুলি সন্দেহ কৰি আটক কৰে। উপযুক্ত একো প্ৰমাণ নোপোৱাত তিনি দিনৰ পিছত তেওঁলোকক জামিনত মুকলি কৰি দিয়া হয় যদিও সন্ত্ৰাসবাদী নামটো সিহঁতৰ গাত লাগি থাকে যাৰ ফলত তেওঁলোকে ভাল চাকৰি এটা গ্ৰহণ কৰা সুযোগ হেৰুৱাই পেলায়। মানসিক ভাবে হতাশ হৈ তেওঁলোকে সহজে সোনকালে ধনী হোৱাৰ পৰিকল্পনা কৰে। পৰিকল্পনা অনুসৰি তেওঁলোকে ৰাকেশ নামৰ এজন ধনী ব্যৱসায়ীক অপহৰণ কৰে আৰু ব্যৱসায়ী জনৰ পৰিয়ালৰ পৰা ধন দাবী কৰে ।

মোটা পৰিমাণৰ ধন লাভ কৰে যদিও ধৰা পৰাৰ ভয়ত ব্যৱসায়ী জনক হত্যা কৰে, ইয়াৰ ফলত তিনি বন্ধুৱে এক জঘন্য অপৰাধত লিপ্ত হৈ পৰে। তেওঁলোকৰ নিজৰ ওপৰতে ঘৃণা জন্মে। সকলোৱে এই জঘন্য অপৰাধক গৰিহণা দিয়ে আৰু চাৰিওফালে হুলস্থুল পৰিবেশৰ সৃষ্টি হয়। ঘটনাটোৰ লগত উগ্রপন্থী বা বিদ্রোহী সংগঠন জড়িত থকা বুলি ভাবে যদিও বিদ্রোহী সংগঠনে এই ঘটনাৰ লগত জড়িত নহয় বুলি স্পষ্টীকৰণ দিয়ে। পাৰিবাৰিক পটভূমিৰ প্ৰতি লক্ষ্য ৰাখি মানৱ,তপন, অকণ ক কোনেও সন্দেহ নকৰে আৰু সকলোৱে সময়ৰ লগে লগে ঘটনাবোৰ পাহৰি যায়। ইয়াৰ মাজতে সুখী নয়নে গুৱাহাটীৰ পৰা গৈ তিনিও বন্ধুক লগ ধৰে আৰু সকলোৰে খবৰ লৈ নয়নে নিজৰ কথাও কয়। প্ৰথমতে নয়নে মামাকৰ ব্যৱসায়ত সহায় কৰে,লাহে লাহে তাত এখন অদ্ভুত পৃথিৱীৰ লগত নয়ন পৰিচিত হয় য'ত চলে কেৱল ৰাস্তা ঘাট বনোৱাৰ নামত দুর্নীতি। মামাকে বুজাইছিল বাবা বেয়া কাম কৰিবলৈও সুবিধা পাব লাগে.....সুবিধা পাইছ কৰ! কিন্তু নয়নৰ বিবেকে সেয়া কৰিব নোৱাৰিলে। অৱশেষত নয়নে প্ৰাইভেট কলেজ এখনত শিক্ষকতা কৰে।দৰমহা কম বাবে টিওচন ও কৰে। নিজৰ লগতে নয়নে ঘৰখনো চলাই আছে। সকলো ফালৰ পৰা নয়ন বহুত সুখী। নয়নৰ এষাৰ কথাই সকলোৰে মন চুই যায়---- আচলতে কি জান.... সৰুয়েই হওঁক বা ডাঙৰেই হওঁক যিবিলাক কাম কৰিলে পিছত অনুশোচনা হয় তেনেকুৱা কাম নকৰাই ভাল। পিছত মনটোৱে বৰ কষ্ট পায়। নয়নে তিনিওজন বন্ধুকে কোনো ধৰণৰ বেয়া অবৈধ কামত লিপ্ত নহবলৈ কয়। নয়নৰ সততা আৰু আদর্শ দেখি তিনিও জনে অনুতপ্ত হয় আৰু বিবেকৰ যন্ত্রণাই সিহঁতক শেষ কৰি পেলায় । এদিন মানৱৰ পিতৃয়ে ধনৰ লগতে অপহৰণ মৃত্যুৰ লগত জড়িত পুত্রৰ কথা গম পায় । ইয়াৰ ফলত তেওঁ ইমানেই ভাঙি পৰে যে তেওঁ নিজৰ একমাত্র পুত্রক মুখাগ্নি কৰিবলৈও মানা কৰে। মানৱৰ পিতৃয়ে কয়-----বাবা ! মই....মই নিজকে বহুত বুজালো বাবা। সৎ হবলৈ, দৃঢ় হবলৈ কিন্তু নোৱাৰিলোঁ....মই বহুত কষ্ট পাই আছোঁ অ ! মই নিজকে শাস্তি দিম। তয়েতো একমাত্র ল'ৰা মোৰ..

তয়েতো মোৰ মুখাগ্নি কৰিব লাগিব। কিন্তু তাৰ পৰা মই নিজকে বঞ্চিত কৰিম আৰু এইয়াই হ'ব মোৰ জীৱনৰ চৰম শাস্তি , সততাৰ পৰা পলাই যোৱাৰ শাস্তি....

যি মানৱ হতে টকাৰ বাবে সহজ পথ বাচি লৈছিল সেই টকাৰ বাবে সিহঁতৰ মনত ভয়ৰ উদ্রেক হয়। মুকলি মনেৰে উশাহ লবলৈও কষ্ট পায়। ইমান দিনে সিহঁতে ভাবি আছিল টকা হলেইবা টকা থাকিলেই সকলো সুখ কিনি লব পাৰি, নিজৰ পৰিচয় গঢ়িব পাৰি, টকাই হেনো বোবা মানুহৰ মুখতো মাত উলিয়াব পাৰে। কিন্তু সেই টকাৰ বাবে সিহঁত সুখেৰে জীয়াই থাকিব পৰা নাই। ভুল পথেৰে অর্জন কৰা টকাৰে যে মানুহে সুখী হ'ব নোৱাৰে মানৱ হঁতে মর্মে মর্মে উপলব্ধি কৰিছিল। সহজ পথেৰে ঘটা টকাৰে যে সুখ কিনিব নোৱাৰি তাৰ বাস্তৱ প্রমাণ দাঙি ধৰে 'মন যায়' ছবিখনে । 'মন যায়' ছবি খনৰ নামটিয়েই এক গভীৰ অর্থ বহন কৰে। 'মন যায়' শব্দটোৰ মাজতে লুকাই আছে একাংশ নিবনুৱা যুৱকৰ অজস্র সপোন। উচ্চ শিক্ষিত হৈও বহুতো যুৱক বঞ্চিত হয় এটা চাকৰিৰ পৰা কাৰণ তেওঁলোক মধ্য বিত্ত পৰিয়ালৰ সন্তান। চাকৰি এটা যোগাৰ কৰিবলৈ তেওঁলোকে টকা দিব নোৱাৰে। বহু যুৱকৰ সপোন থাকে নিজে কাম কৰাৰ ,নিজৰ ব্যৱসায় আৰম্ভ কৰাৰ কিন্তু আৰ্থিক সমস্যাৰ বাবে তেওঁলোকৰ সপোন পূৰণ হোৱাত বাধাৰ সৃষ্টি হয়। এচাম যুৱকে সকলো ফালৰে পৰা বঞ্চিত হৈ সহজতে ধন ঘটাৰ উপাই বিচাৰি লয়, যাৰ ফলত তেওঁলোক অসৎ কার্যত সোমাই পৰে। বর্তমান অসমীয়া সমাজৰো এনে কিছুসংখ্যক যুৱক আছে যিয়ে শিক্ষিত হৈও চাকৰি এটাৰ যোগাৰ কৰিব পৰা নাই। সময়ৰ সোঁতত তেওঁলোকৰ সপোন বোৰো হয়তো হেৰাই গৈছে। সহজে ধন ঘটাৰ প্রবনতাই বহুতকে অসৎ আৰু অনৈতিক কার্যত লিপ্ত কৰোৱাইছে। একবিংশ শতিকাৰ এই ছবি খনে আমাক বাস্তৱত নিবনুৱা সমস্যাৰ বিষয়ে পৰিচয় কৰাই দিয়ে। প্রতিজন অসমীয়া যুৱকে এই ছবিখনত নিজকে বিচাৰি পাব।

নামনি অসমত মাৰৈ পূজা

ধ্রুৱজ্যোতি বৰ্মন
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

অসমত শক্তি পূজাৰ পৰম্পৰা ঃ

নৰকস্য পুৰং ৰম্যং পীঠ শ্রেষ্ঠ সমূত্তমম।
মুক্তিক্ষেত্র পীঠ বলম সর্বকাম ফলপ্রদম।
কামৰূপেতি তৎলোকা গায়ন্তি গিৰিনন্দিনি।
(হৰগৌৰী-সংবাদ)

অসমত অতি প্রাচীন কালৰে পৰাই শক্তি পূজাৰ পৰম্পৰা আৰু শক্তিৰ সাধনা চলি আহিছে। শক্তিৰ সাধনাৰ বাবে কামৰূপ উৎকৃষ্ট স্থান হিচাপে পৰিগণিত হৈ আহিছে। যোগিনীতন্ত্র, মহানির্জন তন্ত্র, হৰগৌৰী সংবাদৰ লগতে অন্যান্য পূৰাণতো কামৰূপক শক্তি সাধনাৰ বাবে উৎকৃষ্ট ও সর্বশ্রেষ্ঠ স্থান ৰূপে স্বীকাৰ কৰাৰ কথা স্পষ্ট ৰূপত ৰূপত উল্লেখ আছে। একেদৰে 'দেৱী ভাগবত'তো কামৰূপক সর্বশ্রেষ্ঠ সাধনপীঠ হিচাপে স্বীকৃতি এই দৰে বর্ণনা দিয়া দেখা যায়-

"তেত্রতস পৃথিবী সর্ক দেৱীৰূপা স্মৃতা বুধ।
নাতঃ পৰতং স্থানাং কামাখ্যাযোনিমণ্ডলাৎ।।
(দেবী ভাগবত)

কালিকা পুৰাণ মতে, নৰকেই পোনপ্রথমে প্রাগজ্যোতিষপুৰত শক্তি পূজাৰ প্রৱর্ত্তন কৰে। নৰকাসুৰে প্রাগজ্যোতিষৰ ৰাজপাট আৰোহণ কৰাৰ সময়ত কামাখ্যা দেৱীয়েই কামৰূপৰ নায়িকা কামাখ্যা যত্র নায়িকা। সেয়ে প্রাগজ্যোতিষৰ সিংহাসনত নৰকক অধিষ্ঠিত কৰি বিষ্ণুৱে কামাখ্যাৰ বাহিৰে আন দেৱতাক পূজা নকৰিবৰ বাবে সকীয়াই থৈ গ'ল। সেয়ে পিতৃৰ নির্দেশ অনুসৰি বেদশাস্ত্রত পাৰদর্শী নৰকে নীলাচল পাহাৰত কামাখ্যাদেৱীৰ পূজা কৰিছিল।

পুৰণি অসমৰ শক্তিপীঠ সমূহত বলি বিধান দি দেৱীক সন্তুষ্ট কৰিবলৈ পূজা কৰিছিল। কামাখ্যাৰ ভৈৰৱী মন্দিৰ, কেঁচাইখাইতীৰ আগতো বলি দিয়া হৈছিল। কিছু কিছু দেৱালয়ত নৰ বলিৰ প্রথাও প্রচলিত আছিল। তৰোপৰি ম'হ, হাঁহ, কোমোৰা, মাগুৰ মাছ, পাৰ, ছাগলী, মান কচু, কুঁহিয়াৰ আদি বলি দি দেবীক পূজা কৰা হৈছিল।

আহোম ৰাজত্বকালৰ শেষৰফালে দুর্গা বা শক্তিয়ে আহোম ৰজাসকলৰ উপাসনাত প্রাধান্য লাভকৰে। দিহিংগীয়া ৰজাৰ দিনৰ পৰা আহোম সকলে লোক পৰম্পৰা অনুসাৰে কেঁচাইখাতী গোসাঁনীক পূজা দিবলৈ ধৰে। দেওশাল নৰবলি দিয়াৰ প্রথাও প্রচলিত আছিল। 'স্বর্গদেৱৰ সলনি আমাৰে নশ নৰবলি আইলৈ দিমহঁত, তেঁও স্বর্গদেউ কুশলে থাকক।' এনেদৰে প্রার্থনা জনাই প্রজাসকলে ৰজা প্রতাপ সিংহৰ দীর্ঘায়ু কামনা কৰি দেৱীক পুজিছিল। আহোম ৰজাসকলৰ ভিতৰত পোন প্রথমে প্রতাপ সিংহই মাটিৰ প্রতিমা সজাই দেৱী পূজা কৰিছিল।

বিশ্ব সৃষ্টিৰ মূলতেই শক্তি বুলি শাক্ত দর্শনে মত পোষণ কৰে। এই বিশ্ব ব্রহ্মাণ্ডৰ প্রতিটো অণু-পৰমাণুতেই শক্তি বিৰাজমান। শক্তিৰ ইচ্ছাতেই ভৌতিক জগতৰ সৃষ্টি। বিশ্বসৃষ্টিৰ মূলতে যি পৰমাত্মা বিদ্যমান সেয়ে শক্তিৰ পৰম ৰূপ। শিৱ পুৰাণৰ মতে দেবী সাক্ষাৎ শক্তি আৰু মহাদেৱ শক্তিমান, এই সমস্ত চৰাচৰ জগত তেঁওলোকৰ বিভূতি মাত্র।

'মনসা' শব্দৰ উৎপত্তি ঃ মনসাদেৱী বৈদিক দেৱী নহয়। গতিকে বেদগত সাহিত্য, পুৰাণ, মহাভাৰত আদিত মনসাৰ অৱস্থিতি পৰিলক্ষিত নহয়। ব্যাকৰণগত দিশৰ পৰা চালে 'মনসা' শব্দ তৃতীয়াৰ এক বচনত 'মনসা' আৰু ইয়াৰ অর্থ হয় 'মনৰ দ্বাৰা'। সংস্কৃত ব্যাকৰণ অনুসৰি অভিধেয় বা নাম বুজাবলৈ প্রথমা ব্যতিৰেকে অন্য বিভক্তি প্রয়োগ হ'ব নোৱাৰে। অতি অর্বাচীন দ্বাদশ-ত্রয়োদশ শতিকাত ৰচিত হোৱা দুই এখন সংস্কৃত পুৰাণত মনসা দেবীক পৌৰাণিক দেৱদেৱীৰ জাতত তুলি লৈ মনসা শব্দটোৰো এটা কৃত্রিম নিৰুক্তি দিবলৈ চেষ্টা কৰিছে।

(মনসা কাব্য, বি.ব., স.শ, পৃ-৫,৬)

মন শব্দৰ লগত আপ প্রত্যয় যোগ হৈ 'মনসা' শব্দৰ উৎপত্তি হৈছে বুলিও পণ্ডিতসকলে মত পোষণ কৰে। বুৎপত্তিগত অর্থত 'মা মনসা' মানে হ'ল মনৰ অধিষ্ঠাত্রী দেবী।

এই 'মনসা' দেবীকেই জনসমাজত অইন বহু নামে জনা যায়। যাৰ ভিতৰত তলত উল্লেখিত বাৰটা নাম উল্লেখযোগ্য। যি বাৰটা নামৰেই অর্থ আছে। এই বাৰটা নাম হ'ল- জৰুৎকাৰু, জগদগৌৰী, সিদ্ধ যোগিনী, মনসা, বৈষ্ণৱী, নাগ ভগিনী, শৈৱী, নাগেশ্বৰী, জৰুৎকাৰ প্রিয়া, আস্তিক মাতা, বিষহৰি, পদ্মা।

মনসাৰ জন্ম ঃ

মনসা বৈদিক দেবী নহয় যিহেতু মনসাৰ জন্মৰ নির্দিষ্ট কৈ কোনোধৰণৰ এটা কাহিনী পোৱা নায়ায়। জনমানসত মনসাৰ জন্মকলৈ বিভিন্ন আখ্যান পোৱা যায়, বিভিন্ন পণ্ডিতে ভিন্ন ধৰণে মত পোষণ কৰে। সকলোৰে মাজত মনসাৰ জন্মকলৈ বিভিন্ন জনবিশ্বাস আছে। তথাপিটো মনসাৰ জন্মকলৈ জনসমাজত প্রচলিত দুটা আখ্যান অতি জনপ্রিয়। সেইদুটা হ'ল সুকবি নাৰায়ণ দেৱৰ মতে মনসাৰ জন্ম আৰু দেবী ভাগবতৰ মতে মনসাৰ জন্ম।

সুকবি নাৰায়ণ দেৱৰ মতে মনসা জন্মৰ আখ্যান টো হ'ল-

এদিনাখন দেবাদিদেৱ মহাদেৱে চণ্ডীক অকলশৰে থৈ পদ্ম বনলৈ ফুৰিবলৈ গৈছিল। যোৱাৰ পথত মহাদেবে দুটা যুৱীয়া শ্রীফল দেখি চণ্ডিকাৰ স্তন যুগল বুলি ভাবিছিল। ভাবি থাকোঁতেই মহাদেৱৰ বীর্য স্খলন হৈছিল। যি ঘটনাবলী চণ্ডীৰ মায়াৰ বলতেই পৰিচালিত হৈছিল। কাৰণ একৰাগী যোগী দেৱৰ প্রকৃতিৰ উপাদান দেখি বীর্য স্খলন হোৱাটো সাধাৰণ কথা নহয়।

এইয়া চণ্ডীৰ মায়াৰ বলতহে সম্ভৱ হৈছিল। যুৱীয়া শ্রীফল দেখি চণ্ডীৰ স্তনযুগল বুলি ভবাত যি বীর্য স্খলন হৈছিল সেই বীর্য পদ্মবনৰ সৰোবৰত থকা পদুমৰ পাতত পৰিছিল। তেনে স্থলতেই বনত উৰিফুৰা এহাল সেৱা চৰাইয়ে সেই বীর্য দেখি অমৃত বুলি ভাবিছিল। আৰু চৰাই হালৰ মাইকী চৰাইজনীয়ে সেই বীর্য অমৃত বুলি ভাবি ভক্ষণ কৰিছিল। যোগীৰ বীর্য পান কৰি মহাদেৱৰ বীর্যৰ ভৰ সহিব নোৱাৰি তাৰ পৰা পৰিত্রাণ পাবলৈ পৰিত্রাণৰ উপায় বিচাৰি মহাদেৱৰ ওচৰলৈ যায়। মহাদেৱে পৰিত্রাণ উপায়স্বৰূপে চৰাই হালক আদেশ দিয়ে যে যি স্থলত এই বীর্য ভক্ষণ কৰিছিল সেই স্থলতেই সেইখিনি উকালি দিবলৈ কৈছিল। কথা মতেই চৰাইহালে সেই স্থললৈ উৰি গৈ মাইকী চৰাইজনীয়ে উকালি দিয়াত মহাদেৱৰ সেই বীর্য পদুম ফুলৰ অষ্ট দলৰ অর্থাৎ অঠটা বিন্ধা থকা সেই পদুমৰ ঠাৰিৰ মাজেৰে সেই বীর্য নিগৰি গৈ পাতাল প্রৱেশ কৰিছিল।

পাতাল প্রবেশ কৰা অৱস্থাত বাসুকী নাগে দেখা পাই কাৰ বীর্য বুলি ভাবিছিল। পিছত গম পাইছিল যে সেয়া দেবাদিদেৱ মহাদেৱৰ বীর্য। পিছত মহাদেৱৰ আদেশ ক্রমে নির্মাণী নামৰ কন্যাক মাতি আনি এগৰাকী কন্যাৰ সৃজন কৰিবলৈ দিছিল। নির্মাণীয়ে আদেশক্রমে এগৰাকী কন্যাৰ সৃষ্টি কৰিছিল। মহাদেৱে সৃষ্টি কৰিবলৈ আদেশ দিছিল এইদৰে-

'শিৱৰ লক্ষণে পদ্মাক কৰিবা গঠন,
চাৰি ভনী ওচৰে, চাৰি খন হাত, তিনিটা নয়ন
আৰু তপ্ত কান্ধনে বর্ণভা তেঁওৰ ৰূপ'

এই আদেশ ক্রমে নির্মাণীয়েই এগৰাকী কণন্যাৰ সৃজন কৰিছিল। যি কন্যা বিষহৰি ৰূপে জন্ম লাভ কৰিছিল শাওন মাহৰ কৃষ্ণ পঞ্চমী তিথিৰ দিনাখন পাতালপুৰীত। এইদৰেই বিষহৰি অর্থাৎ পদ্মাদেৱীৰ জন্ম হৈছিল। পদুমৰ ঠাৰিত জন্ম হোৱা বাবে তেওঁক পদ্মাদেবী, পদ্মা, বা পদ্মাবতী বুলিও কোৱা হয়।

আন এক আখ্যান অনুসৰি দেৱী ভাগৱত তথা ব্রহ্মবৈবর্ত পুৰাণৰ মতে মানৱ জীবনলৈ অহা সর্প ভয়ৰ পৰা পৰিত্রাণ পাবলৈ সৃষ্টিকর্তা ব্রহ্মাই কাশ্যপ মুনিক কোনো মন্ত্র অথবা বিদ্যা আবিষ্কাৰৰ আদেশ দিয়ে। ব্রহ্মাৰ আদেশমর্মে কি কৰিব তাৰ চিন্তা চর্চা কৰি থাকোঁতেই কাশ্যপ ঋষিৰ মনন ক্রিয়াৰ ফলত এক দেৱীৰ আবির্ভাৱ হয়। আৰু সেই আবির্ভাৱ হোৱা দেৱী গৰাকীৰ নামেই হ'ল মনসা। কাশ্যপ ঋষিৰ মনৰ ভিতৰত আবিষ্কাৰ হোৱাৰ বাবে তেঁওৰ নাম হয় মনসা।

জনসমাজত মনসা জন্মক লৈ আন এক প্রবাদ আছে। প্রবাদ অনুসৰি এবাৰ স্বর্গাধিপতি ইন্দ্রই বাহন ঐৰাৱতত আৰোহণ কৰি গৈ থাকোঁতে বাটতে ঋষি দুর্বাসাই লগ পাই এবাৰ মালা উপহাৰ দিয়ে। ইন্দ্রই মালাডাল ঐৰাৱতৰ গুৰত স্থাপন কৰে। কিন্তু ঐৰাৱতে মালাডাল মাটিত নিক্ষেপ কৰে। ঋষি উপহাৰৰ অৱমাননা দেখি দুর্বাসাই খঙত অগ্নিশর্মা হৈ ইন্দ্র আৰু দেৱতাসকলক শ্রীহীন হ'বলৈ অভিশাপ দিয়ে।

এই ঘটনাৰ পিছত দেৱতাসকলে অসুৰৰাজ বালিৰ হাতত পৰাজয় বৰণ কৰে আৰু তিনিওলোকতে অসুৰৰ আধিপত্য আৰম্ভ হয়। দুর্বাসাৰে অভিশাপত শক্তিহীন হৈ পৰা দেৱতাসকলে এই বিপদৰ পৰা উদ্ধাৰ বিচাৰি বিষ্ণুৰ কায চাপে। বিষ্ণুৱে ইন্দ্রক হৃত গৌৰৱ উদ্ধাৰ পোৱাৰ লগতে অমৃত আহৰণৰ বাবে অসুৰসকলক লগত লৈ ক্ষীৰ সাগৰ মনস্থ কৰিবলৈ পৰামর্শ দিয়ে। সেইমতে অমৃতৰ লোভ

দেখুৱাই দেৱতাসকলে অসুৰৰ সৈতে সন্ধি স্থাপন কৰে। সমুদ্ৰ মন্থনৰ বাবে মন্দৰ পৰ্বতক মন্থন স্তম্ভ হিচাপে অনা হয়। নাগৰাজ বাসুকীক মন্থন কাৰ্যৰ জৰী হিচাপে ব্যৱহাৰ কৰিবলৈ থিৰাং কৰা হয়। মন্দৰ পৰ্বতক ডুবি নাযাবলৈ ধৰি ৰাখিবৰ বাবে বিষ্ণুৱে কুৰ্ম অৱতাৰ ধাৰণ কৰে।

সমুদ্ৰ মন্থন আৰম্ভ হয়। সমুদ্ৰ মন্থনৰ ফলত সাগৰতলিৰ পৰা হলাহল নামৰ এক প্ৰাণঘাতী বিষৰ উৎপত্তি হয়। এই বিষ ইমানেই ভয়ংকৰ আছিল যে ইয়াৰ ফলত সমস্ত সৃষ্টি ধ্বংস হোৱাৰ উপক্ৰম হয়। দেৱাসুৰে ভয় খাই শিৱক স্তুতি কৰাত তেঁও এই হলাহল নিজৰ কণ্ঠত ধাৰণ কৰে। বিষৰ প্ৰভাৱত শিৱৰ কণ্ঠ নীলবৰ্ণ হৈ পৰে আৰু তেতিয়াৰ পৰাই তেঁও নীলকণ্ঠ নাম পয়।

মন্থনৰ ফলত সৰ্বশেষত হাতত অমৃতৰ কলহ লৈ দেৱবৈদ্য ধন্বন্তৰিৰ আৱিৰ্ভাৱ ঘটে। অমৃতৰ বাবে দেবতা আৰু অসুৰৰ মাজত ভয়ংকৰ যুদ্ধ হয়। গৰুড় অমৃত লৈ যুদ্ধক্ষেত্ৰৰ পৰা উৰা মাৰে। পৰিস্থিতি ভয়ংকৰ দেখি বিষ্ণুৱে মোহিনী নামৰ এগৰাকী সুন্দৰী নাৰীৰ ৰূপ ধাৰণ কৰে। 'মোহিনী' য়ে সকলো দেৱতা-অসুৰকে সমানে অমৃতৰ ভাগ দিব বুলি আশ্বাস দিয়ে। মোহিনীৰ চলনা বুজিৰ নোৱাৰি অসুৰ সকল মান্তি হয়। এনে স্থলতেই অচল কেনাটো লাগে। দেবাদিদেৱ শিৱই মোহিনী যে বিষ্ণুৱে হয় এই কথা নাজানি সুন্দৰী নাৰী মোহিনীৰ সৌন্দৰ্যত অধীৰ হৈ পৰে। কামাতুৰ শিৱই মোহিনীক পাবলৈ বলিয়া হৈ পৰে আৰু মোহিনীক খেদি লৈ ফুৰে। উপায় বিহীন হৈ মোহিনীয়ে শিৱৰ হাতত ধৰা দিয়ে আৰু তেওঁলোকৰ মাজত সম্ভোগ হয়। সম্ভোগৰ ফলত স্খলন হোৱা বীৰ্য পদুমৰ পাতত পৰি তাৰ পৰা এগৰাকী কন্যাৰ জন্ম হয় আৰু এই কন্যাগৰাকীয়ে হ'ল মনসা।

আন কোনো কোনোৰ মতে শিৱৰ মানস কন্যা আছিল মনসা। মানস কন্যা হোৱা হেতুকে তেওঁৰ নাম মনসা হয়। কিছুসংখ্যকৰ মতে আকৌ কাশ্যপ ঋষিৰ মানস কণ্যা হ'ল মনসা।

এইদৰেই সমাজত মনসাৰ জন্মক লৈ বিভিন্ন ধৰণৰ লোক কথা শুনিবলৈ পোৱা যায়।

নামনি অসমত মাৰৈ বা মাৰে পূজাৰ পৰম্পৰা ঃ

অসমত কেতিয়াৰ পৰা মনসা পূজাৰ প্ৰচলন আৰম্ভ হ'ল তাৰ কথা নিৰ্দিষ্টকৈ কোৱা টান। এই ক্ষেত্ৰত বহুত পণ্ডিতে ক'ব খোজে যে মনসা পূজা বংগৰ পৰা অসমলৈ আহিছে। সেয়া যিয়ে নহওঁক এতিয়াৰ অসম তেতিয়াৰ কামৰূপ অতি প্ৰাচীন কালৰে পৰা শক্তি সাধনাৰ অভিকেন্দ্ৰ আছিল। এই শক্তিৰ সাধনাৰ পূজা সমূহৰ ভিতৰত মনসা দেৱীৰ পূজাও আছিল অন্যতম।

সমগ্ৰ অসমতেই মনসা বা মাৰৈ পূজাৰ পৰম্পৰাৰ প্ৰচলন আছে যদিও নামনি অসমত এই পূজাৰ প্ৰভাৱ বেছি। নামনি অসম ক'লে ব্ৰহ্মপত্ৰ পশ্চিমাঞ্চলক বুজা যায়। যাৰ ভিতৰত দৰং, মঙলদৈ, গোৱালপাৰা, নলবাৰী, সৰ্থেবাৰী, আদি অঞ্চলত এই পূজাৰ প্ৰচলন অধিক। এই অঞ্চলত প্ৰচুৰ পৰিমাণে মনসা মন্দিৰ থকাৰ লগতে এই অঞ্চলত অধিকাংশ মানুহৰ ঘৰতেই মনসা পূজা পালন কৰা দেখা যায়।

নামনি অসমত মনসা পূজা এদিনীয়া, তিনিদিনীয়া, সাতদিনীয়া, নদিনীয়া, এঘাৰদিনীয়া আদি হিচাপত মনসা পূজা পালন কৰা হয়। ঘৰুৱা ভাবে কৰা মনসা পূজা সাধাৰণতে এদিনীয়া ভাবেই কৰা হয়। আগৰ দিনাখন জাগেনি অনুষ্ঠিত কৰা হয় 'জাগেৰি' বা 'জাগনি' হ'ল দেৱীক জাগ্ৰত কৰা নিমিত্তে কৰা পূজা। জাগনিৰ দিনাখন সন্ধিয়া দেৱীৰ প্ৰতিমা ঘৰলৈ অনা হয়। তাৰ পিছত গন্ধতেল লাৰা হয়। গন্ধতেল মানে সুগন্ধি তেল যিটো পূজাৰ আৰম্ভণিৰ লগে লগে মা মনসাৰ চৰণত অৰ্পণ কৰা হয়। এই সুগন্ধি গন্ধতেল বনাবলৈ লাগে মেথা, মেথি আৰু সন্দাপেৰা। তিনিওটা ভাগ পাছলে তাতে সৰিয়হ তেল দিয়া হয়। ইয়াৰ পিছতে দেৱীক সকলোৱে আগ দিয়ে। আগ মানে এখনি থালিত চাকি, ধূপ জ্বলাই লৈ আম পাতেৰে ঘটৰ পৰা তিনিবাৰ পানী ছটিয়াই দেৱীক বৰি ঘৰলৈ অনা হয়।

জাগেনিৰ পিছৰ দিনাখন মূল পূজা। এই দিনাখন পুৰোহিতে মন্দিৰৰ দুৱাৰ মুখত ডিল ওলোৱা কল দুজোপাৰ মাজত শৰ মালা আঁৰে। শৰ মালাত আমপাত, মাটিৰ চাকি, তুলা আদি দিয়া হয়। ইয়াৰ পিছতে পুৰোহিতে মণ্ডপ সাজি তাত মণ্ডল আঁকি ঘট স্থাপন কৰে। এই মণ্ডল সাজিবলৈ বিভিন্ন দ্ৰব্যৰ গুৰি ব্যৱহাৰ কৰা হয়। যেনে চাউলৰ গুৰি, ফাকু গুৰি, বেলপাতৰ গুৰি, পতানৰ গুৰি, হালধিৰ গুৰি আদি গুৰিৰে মণ্ডল অংকন কৰা হয়। এই মণ্ডল সমূহৰ বিভিন্ন প্ৰকাৰ আছে। যেনে সৰ্বতোভদ্ৰমণ্ডল, নব নভ মণ্ডল, পঙ্কজ মণ্ডল, স্বল্প সৰ্বতোভদ্ৰমণ্ডল। মণ্ডল অংকন কৰিবলৈ প্ৰথম উৰুলি ধ্বনি, মন্ত্ৰৰে আৰম্ভ কৰা হয়। তাৰ পিছত পূজা আৰম্ভ হয়।

মণ্ডল অংকন কৰাৰ পিছত তাত ঘট স্থাপন কৰে। ঘটত পঞ্চ পল্লৱ দিয়া হয়। এই পঞ্চ পল্লৱ হল আম পাত, আঁহত পাত, বটৰ পাত, ডিমৰুৰ পাত দি তাত এঘটি পানী ভৰাই ৰূপৰ টকা শিলিখা দি তাৰ ওপৰত সেন্দুৰৰ ফোঁট দিয়া নাৰিকল স্থাপন কৰি ঘট প্ৰস্তুত কৰা হয়।

ইয়াৰ পিছত বিধিমতে গৃহস্থই পানী তুলিব যায়। তুলি অনা পানীৰে দেৱীক স্নান কৰোৱা হয়। তাৰ পিছত দেৱীক পাতত উঠাই

পূজাৰম্ভ কৰা হয়। মনসা দেবীৰ পূজা এনে এখন পূজাত এবিধ প্ৰকৰণ নহ'লেও পূজা নহয়। হাঁহ কণী মনসা পূজাৰ এক প্ৰধান উপাচাৰ। পুৰোহিতে বৈদিক মন্ত্ৰৰে দেৱীৰ পূজা আৰম্ভ কৰাৰ লগে লগে ওজাপালি মনসাৰ জন্ম আখ্যান আউৰাব ধৰে। লগে লগে আন পালি সকলেও ওজাক সহযোগ কৰি আখ্যান গাবলৈ আৰম্ভ কৰে।

সাধাৰণতে আমি শক্তি পূজা বুলি কলেই মনত বলি প্ৰথাৰ ধাৰণা এটা গঢ় লৈ উঠে। এনে ভাৱ হয় যে শক্তি পূজা মানে বলি বিধান বা বলি প্ৰথা থাকিবই লাগিব। কিন্তু তেনে নহয়। শক্তি পূজাত বলি নহ'লেও হয়। শক্তি পূজা দুই ধৰণে কৰা দেখা যায় বলিৰে আৰু ফুলেৰে। ফুলেৰে কৰা শক্তি পূজাত বলি বিধান নিষেধ। অৱশ্যে বহুলোকে নিজ মনৰ প্ৰশান্তি তথা ইচ্ছা সিদ্ধিৰ বাবে জীৱ-জন্তু বলি নিদি এৰি দিয়ে।

এৰি দিয়া সমূহৰ ভিতৰত ম'হ, পাৰ, পঠা ছাগলী, হাঁহ, মাছ আদি মুকলিকৈ এৰি দিয়ে। এই পূজা কেৱল ফুলেৰেই কৰা হয়। পদুম ফুল মনসা দেৱীৰ অতি প্ৰিয় গতিকে পদুম ফুলৰ প্ৰাধান্য মনসা পূজাত অধিক।

তাৰোপৰি বলি বিধান থকা শক্তিপূজা সমূহত বা মনসা পূজাত ফুলৰো ব্যৱহাৰ কৰা হয় লগতে বলি নিদিব খোজা ভক্তই এৰি দিয়ে। মানকচু, কুহিয়াৰ, কোমোৰা, মাগুৰ মাছ, পঠা ছাগলী, ম'হ হাঁহ আদি ইচ্ছাসিদ্ধিৰ বাবে ভক্তই দেৱীৰ চৰণত বলি দি পূজা কৰে।

পূজাৰ অন্ত পৰে পুষ্পাঞ্জলি প্ৰদানেৰে। উপবাসে থকা ভক্তই পুষ্পাঞ্জলি গ্ৰহণ কৰি প্ৰসাদ খাই দেৱী মাৰ আশীষ শিৰত লৈ। পূজাৰ শেষৰ লগে লগে ঘটটো পূজা বৰণ কৰা জনে খৰাহীত ভৰাই মূৰত লৈ কোনো জলাশয়ত বিসৰ্জন দিয়ে। বিসৰ্জন দিবলৈ যাওঁতে সকলো ভক্তই নিজ নিজ ঠাইতে থিয় হৈ সেৱা জনাই মনসা দেবীক বিদায় দিয়ে। ইমানতে বেদগত পূজাৰ অন্ত পৰে যদিও সম্পূৰ্ণ পূজাখনৰ অন্ত নপৰে। ঘট বিসৰ্জনৰ তিনিদিন বা পাঁচদিন পিছত গাঁৱৰ আয়তী সকলে বিসৰ্জনী নাম গাই দেৱীক বিসৰ্জন দিবলে দুনী ভঙা নাম অনুষ্ঠিত কৰাৰ পিছতহে মনসা দেৱীৰ পূজনৰ সম্পূৰ্ণ ৰূপে অন্ত পৰে। ইয়াৰ পিছতহে মণ্ডপ উঠাৰ পাৰি। মণ্ডপ উঠোৱাৰ পিছতে পূজা শেষ হয়।

সামৰণি ঃ

'নামনি অসমৰ মাৰৈ পূজা' শীৰ্ষক এই ক্ষুদ্ৰ গৱেষণাপত্ৰ খনত অসমৰ পশ্চিমাঞ্চল বিশেষকৈ নলবাৰী, দৰং, সৰ্থেবাৰী, পাঠশালা আদি ঠাইত পৰম্পৰাগত ভাৱে চলি অহা 'মনসা দেবী জন্ম'ৰ কাহিনী, এই দেবীৰ পূজাৰ প্ৰচলন, মনসা শব্দৰ উৎপত্তিৰ লগতে মনসা পূজাত নামনি অসমৰ লোকসংস্কৃতিৰ প্ৰভাৱ যেনে ওজাপালি, দেওধনী নৃত্য, আনাকাটা চাদৰ, আয়তীৰ নাম, পানীতোলা, ৰচনা ভাব, কলগছৰ ব্যৱহাৰ আদিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ইয়াৰ লগতে নামনি অসমৰ মনসা পূজাৰ বৈদিক পৰম্পৰাৰ সম্যক ধাৰণা এটাৰ বৰ্ণনা দিবলৈ যত্নপৰ কৰা হৈছে।

গ্ৰন্থপঞ্জী

- নেওগ মহেশ্বৰ - অসমীয়া সাহিত্যৰ ৰূপৰেখা।
- বিৰিঞ্চি কুমাৰ বৰুৱা, সত্যেন্দ্ৰনাথ শৰ্মা -মনসা কাব্য।
- শৰ্মা, সত্যেন্দ্ৰনাথ - অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিহাস।
- শৰ্মা, অজিত প্ৰসাদ - অসমত মনসা পূজাৰ পৰম্পৰা।

অসমীয়া লোকগীত ঃ জুবিন-পাপনৰ সুৰত নতুন প্ৰজন্মৰ পুনৰাবিষ্কাৰ

গীতিৰূপা গোস্বামী
চতুৰ্থ ষান্মাসিক, ইংৰাজী বিভাগ

"লোক-সংগীত বুলিলে আমি সকলোৱে জ্ঞাত। কেৱল সংগীতেই নহয়; ই আমাৰ পৰম্পৰা, ইতিহাস, আৰু অনুভৱৰ এক প্ৰতিফলন। এটা সময়ত পৰম্পৰাগত লোক-সংগীত মাথোন সমাজৰ এক অংশ আছিল।" কিন্তু বিংশ শতিকাৰ মাজভাগৰ পৰা এই সংগীত নতুন ৰূপত বিকশিত হ'বলৈ ধৰিলে। বিশেষকৈ ১৯৬০ চনত বিশ্বজুৰি লোক পুনৰুজ্জীৱন (Folk Revival) নামৰ এটি সময় আছিল, য'ত আগৰ লোক-সংগীত সমসাময়িক ধ্বনি আৰু বাদ্যযন্ত্ৰৰে নতুন ৰূপ পাই বিশ্বব্যাপী প্ৰসিদ্ধ হ'ল। অসমতো এই ধাৰাৰ প্ৰতিফলন দেখা গৈছে য'ত জুবিন গাৰ্গ আৰু পাপনে অসমীয়াৰ লোক-সংগীতক নতুন ৰূপত জনপ্ৰিয় কৰি তুলিছে।

লোকসংগীতৰ উৎপত্তিঃ লোকসংগীতৰ উৎপত্তি অতি প্ৰাচীন। মৌখিক পৰম্পৰাৰ জৰিয়তে এই গীতবোৰ প্ৰজন্মৰ পিছত প্ৰজন্মলৈ প্ৰৱাহিত হৈ আছে। প্ৰাকৃতিক, ধৰ্মীয়, আৰু সামাজিক আদি বিভিন্ন প্ৰসংগত লোকসংগীতৰ উৎপত্তি হৈছিল। উদাহৰণস্বৰূপে, ভাৰতীয় লোকসংগীত আৰু অসমীয়া লোকসংগীতৰ কথা উনুকিয়াব পাৰি।

ভাৰতীয় লোকসংগীত ঃ ভাৰতীয় লোক-সংগীত দেশৰ বিভিন্ন অঞ্চলৰ সংস্কৃতি-পৰম্পৰা আৰু মানুহৰ দৈনন্দিন জীৱনৰ ওপৰত ভিত্তি কৰি গোৱা হয়। ভোজপুৰী লোক-গীত, বাউল গীত, ভাটিয়ালি আৰু মহাৰাষ্ট্ৰৰ লাবণী বিশেষভাৱে জনপ্ৰিয়।

অসমীয়া লোকসংগীত ঃ অসমীয়া লোকসংগীত অসমৰ সমাজ, পৰম্পৰা আৰু ধৰ্মীয় বিশ্বাসৰ সৈতে জড়িত। যেনে, উৎসৱমূলক বিহু গীত, বৰগীত ভক্তিমূলক, মুখুমৰ গীত শিশুসকলৰ বাবে, দেহবিচাৰ গীত দৰ্শনমূলক, আৰু টোকাৰী গীত সমাজৰ সমস্যা প্ৰতিফলিত কৰা গান।

নতুন প্ৰজন্মক আকৰ্ষিত কৰা লোকগীত ঃ এতিয়াৰ আধুনিক যুগত লোকগীত কেৱল বয়স্ক লোকৰ মাজতে সমৃদ্ধ হৈ ৰোৱা নাই, ই নতুন প্ৰজন্মৰ মাজতো আকৰ্ষণৰ সৃষ্টি লাভ কৰিবলৈ সক্ষম হৈছে। আগতে লোকগীত প্ৰধানকৈ গ্ৰাম্য সমাজত গোৱা হৈছিল। এতিয়া ইয়াৰ এক নতুন ৰূপ আহিছে যাক ফিউজন বালা হয়। ফিউজন সংগীতৰ যোগেদি লোকগীতক আধুনিক বাদ্যযন্ত্ৰ আৰু সংগীত শৈলীৰ লগত মিহলি কৰি সৃষ্টি কৰা হৈছেনতুন ধৰণৰ গীত। ইয়াৰ ফলত, যুৱ প্ৰজন্মৰ লোকসকলেও ইয়াক সহজতে আঁকোৱালি লৈছে। উদাহৰণস্বৰূপে, জুবিন গাৰ্গৰ "বুকু মন মেলেনে" আৰু পাপনৰ "কেনে সাগৰ লাগে লাগে" যেন গীতবোৰ আধুনিক সংগীত আৰু লোকগীতৰ এক অনন্য সংমিশ্ৰণ।

জুবিন পাপনৰ অৱদান ঃ জুবিন গাৰ্গ আৰু অংগৰাগ পাপন মহন্তৰ অৱদানবোৰ আমি পাহৰিব নোৱাৰোঁ। তেওঁলোকৰ প্ৰচেষ্টাৰ ফলত অসমীয়া গীত নতুন প্ৰজন্মৰ মাজত প্ৰচলিত হ'বলৈ সক্ষম হৈছে। যদি তেওঁলোক নোহোৱাহেঁতেন, তেন্তে অসমীয়া সংগীত হয়তো সীমাবদ্ধ হৈ থাকিলেহেঁতেন আৰু বহুতো নতুন শ্ৰোতাই এই গীতবোৰক অনুভৱ কৰিব নোৱাৰিলেহেঁতেন। বিহু গীত, লোকগীত, আৰু অন্যান্য অসমীয়া গীতসমূহ তেওঁলোকৰ সুৰ আৰু কণ্ঠৰ যাদুৰে নতুন ৰূপ লাভ কৰিছে। বিশেষকৈ, লোকগীতবোৰক আধুনিক সু�ৰৰ লগত মিলাই, তেওঁলোকে ইয়াক সময়োপযোগী কৰি তুলিছে। জুবিন গাৰ্গৰ এই গীতটো 'বুকু মন মেলেনে' লোকগীতৰ সুৰৰ সৈতে আধুনিক সংগীতৰ সংমিশ্ৰণ আৰু লগতে পাপনৰ 'কোন সাগৰ লাগে লাগে' একেই।

উপসংহাৰ ঃ জুবিন গাৰ্গ আৰু পাপন মহন্তৰ এনে প্ৰচেষ্টাই কেৱল নতুন প্ৰজন্মক লোক গীতৰ প্ৰতি আগ্ৰহী কৰি তোলাই নহয়, অসমীয়া সংস্কৃতিক আন্তৰ্জাতিক পৰ্যায়ত লৈ যাবলৈও সহায় কৰিছে। তেওঁলোকৰ সংগীতশৈলীয়ে লোকগীতৰ সজীৱতাৰ প্ৰমাণ দিয়ে আৰু ইয়াৰ দীপ্তি আগামীতেও জ্বলজ্বলাই থাকিব।

উৎস ঃ
http://devlibrary.in/assamese-folk-literature
http:// w.wiki/6+vc
http://w.wiki/6ubj

আলোচনী আৰু ইয়াৰ প্ৰয়োজনীয়তা

পিংকী শইকীয়া
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

আৰম্ভণি ঃ প্ৰতিভা জাগ্ৰত হ'বলৈ মাধ্যমৰ দৰকাৰ। ছাত্ৰাৱস্থাত পাঠ্যপুথিৰ জ্ঞান আহৰণৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হয় যদিও পাঠ্যক্ৰম প্ৰদত্ত শিক্ষাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীৰ মাজত সুপ্ত অৱস্থাত থকা প্ৰতিভাৰ জাগৰণ আৰু বিকাশৰ উদ্দেশ্যে খেল-ধেমালি, নৃত্য-গীত, অভিনয়, তৰ্ক, বক্তৃতা, আবৃত্তি, কুইজ, চিত্ৰাংকন, সমাজ-সেৱা, কৰ্ম-অভিজ্ঞতা, আচাৰ-পত্ৰিকা ইত্যাদি মাধ্যমসমূহো সমানেই আৱশ্যকীয় বুলি স্বীকৃত। জীবন গঢ়াৰ কমাৰশালত বিদ্যাৰ্থীসকলৰ অতিবিন্দ্ৰিয় ভাৱত নিহিত আবেগ-অনুভৱ, আলোড়ন-অনুৰাগ, কল্পনা-যুক্তিযুক্ততা, আশা-আকাংক্ষা, চিন্তা-প্ৰজ্ঞা উদ্ভাৱনী বুদ্ধিৰ বহিঃপ্ৰকাশ আৰু প্ৰতিপালনৰ অন্য এক প্ৰয়োজনীয় মাধ্যম হ'ল আলোচনী। আলোচনী বুলিলে সাপ্তাহিক, পখেকীয়া, মাহেকীয়া, ছয়মহীয়া, বছৰেকীয়া বা কোনো বিশেষ অনুষ্ঠানিকতা পালনৰ উদ্দেশ্যে বিভিন্ন লিখকৰ নিৰ্বাচিত লিখনি সন্নিৱিষ্ট গ্ৰন্থক বুজায়। সংখ্যা হিচাপে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে প্ৰকাশ পোৱা আলোচনীৰ জন্ম হয় জাৰ্মানীত। ১৬৬০ চনত প্ৰথমতে জাৰ্মানীত সাহিত্যিক আৰু দৰ্শন সম্পৰ্কীয় বিষয়ৰ ওপৰত আলোচনী প্ৰকাশ পায়। ইংৰাজী ভাষাত প্ৰকাশিত প্ৰথম আলোচনীখনৰ নাম আছিল 'Gentlemen's Magazine'। আমেৰিকাৰ মিছনেৰীসকলে অসমীয়া ভাষাৰ প্ৰথম আলোচনী 'অৰুণোদয়' প্ৰকাশ কৰে ১৮৪৬ চনত। আনহাতে ১৯১৬ চনত ইংলেণ্ডত স্কুল-কলেজত ছাত্ৰ ছাত্ৰীৰ লিখনি সন্নিৱিষ্ট আলোচনী প্ৰকাশৰ পৰম্পৰা আৰম্ভ হয়।

ভাৰতবৰ্ষতো স্কুল-কলেজত আলোচনী প্ৰকাশৰ পৰম্পৰা আৰম্ভ কৰে ইংৰাজসকলে। বৰ্তমান উচ্চ বিদ্যালয়ৰ পৰা আৰম্ভ কৰি কলেজ, ইউনিভাৰচিটি, কাৰিকৰী বিদ্যালয় আদি শিক্ষানুষ্ঠানত বছৰেকীয়া আলোচনী প্ৰকাশ কৰাটো এক পৰম্পৰাত পৰিণত হৈছে। ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে তেওঁলোকৰ কাৰণে বিদ্যালয়-মহাবিদ্যালয় সমূহে নিয়মীয়াকৈ বছৰি আলোচনী একোখন প্ৰকাশ কৰি উলিয়ায়। ছাত্ৰ-ছাত্ৰীৰ পৰা লেখনি সংগ্ৰহ কৰি স্কুল কৰ্তৃপক্ষই এনে আলোচনীসমূহ প্ৰকাশ কৰে। আজিকালি হাতেলিখা আলোচনীৰো সমাদৰ বাঢ়িছে।

আলোচনী প্ৰকাশৰ প্ৰয়োজনীয়তা ঃ আধুনিক শিক্ষাৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নতি সাধন কৰা। আধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে নিৰ্দিষ্ট পাঠ্যক্ৰম থাকে। কিন্তু কেৱল পাঠ্যক্ৰমৰ বিষয়েৰে ছাত্ৰ-ছাত্ৰীৰ বহুমুখী প্ৰতিভাৰ বিকাশ ঘটাব নোৱাৰে। সেয়ে শিক্ষাৰ্থী সকলৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ ব্যৱস্থা থাকে। যেনে, খেলা-ধূলা, যোগাসন, সাহিত্য -চৰ্চা, নাচ-গান, অভিনয়, চিত্ৰাংকন, বাঁহ-বেতৰ কাম আদি। এনে ধৰণৰ কাৰ্যসূচীয়ে শিক্ষাৰ্থীৰ দৈহিক, মানসিক বিকাশ ঘটোৱাৰ উপৰিও দেহ মনক সতেজ কৰি তোলে। সেয়ে বিদ্যালয় কৰ্তৃপক্ষই বাৰ্ষিক ক্ৰীড়া সপ্তাহ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে, বছৰি একোখনকৈ আলোচনী প্ৰকাশ কৰি মানসিক উৎকৰ্ষ সাধনৰ চেষ্টা কৰে।

অসমৰ প্ৰায় সংখ্যক বিদ্যালয় - মহাবিদ্যালয়ে নিজাকৈ একোখন আলোচনী প্ৰকাশ কৰা দেখা যায়। এজন অভিজ্ঞ শিক্ষকৰ তত্ত্বাৱধানত একোজন ছাত্ৰ-সম্পাদক নিৰ্বাচন কৰি লোৱা হয়। সম্পাদকে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰৱন্ধ, গল্প, কবিতা আদি সংগ্ৰহ কৰি উপযুক্ত লেখাসমূহেৰে আলোচনী প্ৰকাশৰ প্ৰস্তুতি চলায়। কেতিয়াবা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট লেখকৰ লেখাকো আলোচনীত স্থান দিয়া হয়। স্কুল-কলেজত আলোচনী প্ৰকাশৰ বিশেষ গুৰুত্ব আৰু প্ৰয়োজন আছে। যেনে —

প্ৰথমতে, আলোচনীত সৱহভাগ লেখা ছাত্ৰ-ছাত্ৰীসকলে লিখিব লাগে। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লিখাৰ অভ্যাস বৃদ্ধি হয়।

দ্বিতীয়তে, যিকোনো লিখনিৰ বাবে তথ্য আহৰণ কৰিব লাগে। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লিখাৰ অভ্যাস বৃদ্ধি হয়।

তৃতীয়তে, আলোচনীত লিখা ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা শক্তি, ভাষা শক্তি, কল্পনা শক্তি, উদ্ভাৱন শক্তি আদিৰ বিকাশ ঘটে।

চতুৰ্থতে, আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা উন্মোচন কৰাৰ লগতে সৃষ্টিশীল কাৰ্য কৰাৰ বাবে উদ্যোগী হয়।

পঞ্চমতে, আলোচনীত বিভিন্ন ধৰণৰ লিখনি থাকে। সেইবোৰ অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰীসকলে একেখন কিতাপৰ পৰাই বিভিন্ন বিষয়ৰ জ্ঞান লাভ কৰিব পাৰে।

ষষ্ঠতে, আলোচনী অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠন অভ্যাস গঢ়ি তোলে।

সপ্তমতে, স্কুল-কলেজৰ আলোচনীত ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰীসকল, কোনো প্ৰতিষ্ঠিত অতিথি লিখকৰ লিখনিও অন্তৰ্ভুক্ত কৰা হয়। বয়সীয়াল ব্যক্তিসকলৰ জ্ঞানগৰ্ভ লিখনি পঢ়ি ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে।

অষ্টমতে, যিসকল ছাত্ৰ-ছাত্ৰীয়ে আলোচনীত লিখা-মেলা কৰে সিহঁতৰ বাবে ভৱিষ্যত সাহিত্যিক হোৱাৰ পথ মুকলি হয়।

নৱমতে, আলোচনী এখনৰ মানদণ্ডই বিদ্যালয় এখনৰ মানদণ্ডও নিৰ্দ্ধপণ কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লিখনি মানদণ্ড সম্পন্ন হোৱাৰ বাবে শিক্ষকসকলে দিহা-পৰামৰ্শ প্ৰদান কৰে। ফলত ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ প্ৰশিক্ষণ লাভ কৰে।

গতিকে এনে সকলো দিশলৈ মন কৰিলে আলোচনীৰ বহু প্ৰয়োজন আছে।

আলোচনী প্ৰকাশত সম্মুখীন হোৱা অসুবিধাসমূহ ঃ শৈক্ষিক আৰু বৌদ্ধিক দিশৰ পৰা চাবলৈ গ'লে আলোচনীৰ গুৰুত্ব যথেষ্ট যদিও আলোচনী এখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত বহুত অসুবিধাৰ সম্মুখীন হোৱা দেখা যায়। যেনে,

প্ৰথমতে, আলোচনী এখনৰ বাবে মানসম্পন্ন লিখনিৰ প্ৰয়োজন হয়। কিন্তু বহু সময়ত দেখা যায় যে ছাত্ৰ-ছাত্ৰীসকলে লিখা লিখনিসমূহ মানসম্পন্ন নহয় আৰু আশা কৰা মতে লিখনিও পোৱা নাযায়। ফলত আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় লিখনিৰ অভাৱত আলোচনী প্ৰকাশ কৰিব পৰা নাযায় বা আলোচনীৰ মানদণ্ড অতি নিম্ন মানৰ হয়।

দ্বিতীয়তে, আলোচনীত প্ৰকাশৰ বাবে সংগ্ৰহ হোৱা লিখনিসমূহ অভিজ্ঞ লোকৰ দ্বাৰা সম্পাদনা কৰাৰ প্ৰয়োজন হয়। এনে অভিজ্ঞ লোকৰ অভাৱ দেখা যায়।

তৃতীয়তে, বৰ্তমান স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰত অনুশীলন কৰিবলৈ দিয়া কাম বৃদ্ধি পাইছে। লগতে সময়ে সময়ে গোট পৰীক্ষা অনুষ্ঠিত হৈ থাকে। ফলত সিহঁতে আলোচনীৰ বাবে লিখনি প্ৰস্তুত কৰাৰ সময় নাপায়।

চতুৰ্থতে, আলোচনী প্ৰকাশৰ প্ৰধান অসুবিধাটো হৈছে ইয়াৰ বাবে প্ৰয়োজনীয় আৰ্থিক বাজেট। এই বাজেট ছাত্ৰ-ছাত্ৰীসকলেই যোগান ধৰিব লাগে। ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ই বোজাস্বৰূপ হয়।

সামৰণি ঃ আলোচনী প্ৰকাশৰ ক্ষেত্ৰত নানান অসুবিধাৰ সম্মুখীন হ'লেও নিয়মিতভাৱে আলোচনী প্ৰকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। এইক্ষেত্ৰত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক লিখা-মেলা কৰাৰ বাবে দিহা-পৰামৰ্শ দিয়াৰ উপৰিও উদ্বুদ্ধ কৰিব লাগে। আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহত শিক্ষকসকলেও বৰঙণি আগবঢ়াব লাগে। জ্ঞান-অন্বেষণৰ ক্ষেত্ৰত গ্ৰন্থই হওঁক বা আলোচনীয়েই হওঁক সকলোৰে ভূমিকা আছে। ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰাই এনে সমলসমূহৰ সহায়ত অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব পাৰে। সৰুৰে পৰাই পাঠ্যক্ৰমৰ জ্ঞানৰ সমান্তৰালভাৱে সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিজকে ভৱিষ্যতৰ এজন সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। এই প্ৰচেষ্টাত স্কুল আলোচনীখনৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে। এখন আলোচনীয়ে কেৱল শিক্ষাৰ্থীকে নহয়, একোখন সমাজকো শুদ্ধ পথ দেখুৱাব পাৰে।

অসমীয়া সংস্কৃতিত শাক্ত ধর্মীয় পৰম্পৰাৰ ইতিবৃত্ত

অংকুৰ কলিতা
চতুর্থ ষান্মাসিক, ইংৰাজী বিভাগ



"দেৱীক্ষেত্রং কামৰূপং বিদ্যতেহন্যন তৎসমম্
অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে"
- যোগিনী তন্ত্র

অর্থাৎ, কামৰূপ হৈছে শক্তি পূজাৰ বাবে আটাইতকৈ উপযুক্ত স্থান। অন্য ঠাইত যি দুর্লভ অথবা বিৰল সেই দেৱী কামৰূপৰ ঘৰে ঘৰে পূজিতা ও বন্দিতা।

সংস্কৃতিৰ বিভিন্ন উপাদানেৰে সমৃদ্ধিশালী পূণ্যভূমি ভাৰতবর্ষৰ উত্তৰ-পূৱ প্রান্তত অৱস্থিত এটি সুবিস্তীর্ণ অঞ্চল যাক পূর্বৰ পৰাই প্রাগজ্যোতিষপুৰ বুলি জনা যায় সেই প্রাগজ্যোতিষপুৰ পৰৱর্তী সময়ত গৈ কামৰূপ নামেৰে নামাকৰণ কৰা হয়। এই পুণ্যভূমি কামৰূপ অতি প্রাচীন কালৰে পৰাই শক্তি সাধনাৰ বাবে উত্তম স্থান হিচাপে পৰিগণিত হৈ আহিছে। তান্ত্রিক পৰম্পৰাৰ কেন্দ্রস্বৰূপ ভাৰতবর্ষৰ ভিতৰতে অদ্বিতীয় কামৰূপ পীঠ তন্ত্র-মন্ত্রৰ দেশ হিচাপে অতি প্রাচীন কালৰে পৰা জনাজাত। কামৰূপ শক্তি সাধনা আৰু বিভিন্ন সিদ্ধি, মোক্ষ লাভৰ প্রশস্ত ক্ষেত্র বুলি কালিকা পুৰাণ, যোগিনী তন্ত্র, কুব্জিকা তন্ত্র, দেৱী ভাগৱত আদি গ্রন্থত স্পষ্টভাবে বর্ণনা কৰা হৈছে। গতিকে এনে এখন পুণ্যভূমিত দীর্ঘকালীন তথা ব্যাপকভাৰে শাক্ত ধর্ম চর্চিত হৈ থকাটো স্বাভাৱিক।

অসমত শাক্ত ধর্ম বা শক্তি পূজাৰ উৎপত্তি ঃ

আদিকালত মানুহে প্রকৃতিৰ পূজা অর্থাৎ প্রকৃতি জগতৰ বিভিন্ন শক্তি ক্রমে সূর্য, বায়ু, বৰুণ, অগ্নি, গছ-গছনি, নদ-নদী ইত্যাদি বিশ্বাস অনুযায়ী পূজা কৰিছিল। বহু যুগ অতিক্রম কৰাৰ অন্তত প্রাচীন ভাৰতবাসীৰ ভৌগোলিক স্থিতি, প্রাকৃতিক পৰিৱেশ, ধর্মীয় পৰম্পৰা, ধর্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি-নীতি অনুযায়ী জাতি-জনগোষ্ঠী সমূহৰ উপাস্য দেৱ-দেৱী নির্দিষ্ট হৈ পৰে। এনে প্রক্রিয়াৰ ফলস্বৰূপে অসমতো শক্তি পূজা বা শাক্ত ধর্মই গা কৰি উঠিছিল। শাক্ত ধর্মৰ মূল উপাস্য দেৱতা হৈছে শক্তিৰ অধিষ্ঠাত্রী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নাম আমি দেখিবলৈ পাইছোঁ। যেনে কাত্যায়ণ কন্যা কাত্যায়নী, নগেন্দ্রনন্দিনী পার্বতী, মহিষহন্ত্রী দুর্গা, কামৰূপাধীশ্বৰী কামাখ্যা, দক্ষিণা কালী, ভূবনেশ্বৰী, অন্নদাত্রী অন্নপূর্ণা, দেবদর্পনিসূদিনী জগদ্ধাত্রী ইত্যাদি। যুগে যুগে দুষ্টৰ দমন ও শিষ্টৰ পালন হেতু দেৱী আবির্ভূতা হৈছে নানাৰূপে। পৰাশক্তিৰ মাতৃময়ী ৰূপ উপলব্ধি কৰাটোৱেই শাক্ত ধর্মৰ প্রধান উদ্দেশ্য। অসমৰ সৈতে ওতঃপ্রোতভাবে জড়িত হৈ আছে দেৱী কামাখ্যাৰ মাহাত্ম্য। প্রাগজ্যোতিষপুৰত অতি প্রাচীন কালৰে পৰাই শক্তি সাধনা চলি আহিছে। প্রাগজ্যোতিষাধিপতি কিৰাট বংশীয় নৰকাসুৰ আছিল কামাখ্যা দেৱীৰ পৰম ভক্ত। নৰকাসুৰেই আছিল প্রথম শক্তি সাধনাৰ সেৱক আৰু তেওঁৱেই পোনপ্রথমে প্রাগজ্যোতিষপুৰত দেৱী পূজাৰ প্রচলন কৰিছিল, এই কথাৰ প্রমাণ আমি বিভিন্ন পুৰাণ শাস্ত্র আদিত পাওঁ। কালিকাপুৰাণ অনুসৰি নৰকাসুৰে ভগৱান বিষ্ণুৰ বৰাহ ৰূপৰ ঔৰসত বসুমতীৰ গর্ভত জন্মগ্রহণ কৰিছিল।

"কামৰূপ" নামৰ আঁৰৰ কাহিনী ঃ

কামৰূপ নামটোৰ আঁৰতো শক্তি মাহাত্ম্য প্রকাশ পাইছে। ভগৱান শিৱৰ প্রথমা পত্নী তথা দক্ষ ৰজাৰ জীয়ৰী সতীৰ মৃত্যুৰ পিছত মহাদেৱ শোকত ভাগি পৰিছিল আৰু সংসাৰৰ সকলো মায়া মোহ ত্যাগ কৰি তেওঁ নীলাচল পর্বতৰ এক গুহাত গভীৰ তপস্যাত

বহিছিল। জগত পিতাৰ এনে কাৰ্যত তথা দেৱী সতীৰ মৃত্যুৰ ফলস্বৰূপে প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হ'বলৈ ধৰিলে। কাৰণ প্ৰকৃতি অবিহনে পুৰুষ অসম্পূৰ্ণ আৰু পুৰুষ শক্তিয়ে এককভাৱে কেতিয়াও জগত চালনা কৰিব নোৱাৰে। মহাদেৱ হৈছে সংহাৰৰ প্ৰতীক। তেওঁ ধ্যানমগ্ন হোৱাত পৃথিৱীত মানুহৰ মৃত্যু সংখ্যা হ্ৰাস পাবলৈ ধৰিলে। কিন্তু ধ্বংস অবিহনে যে সৃষ্টি অসম্ভৱ। হিমালয় ৰজাৰ গৃহত দেৱী সতীৰ পুনৰ জন্ম হৈছিল পাৰ্বতী ৰূপে। মহাদেৱৰ হৃদয়ত দেৱী পাৰ্বতীৰ প্ৰতি প্ৰেমভাৱ উৎপন্ন কৰিবলৈ আৰু মহাদেৱৰ কঠোৰ তপস্যা ভঙ্গ কৰিবলৈ ব্ৰহ্মা, বিষ্ণু সহিতে দেৱতাসকলে প্ৰেম আৰু কামনা বাসনাৰ প্ৰতীক কামদেৱক প্ৰেৰণ কৰিছিল। কামদেৱে মহাদেৱৰ হৃদয়ত 'কামবান' বা 'মদনাস্ত্ৰ' নিক্ষেপ কৰিছিল, যাৰ ফলত মহাদেৱৰ তপস্যা ভংগ হয় আৰু ধ্যান ভঙ্গ হোৱাত মহাদেৱে ক্ৰোধত তেওঁৰ তৃতীয় নয়নেৰে কামদেৱক ভস্মীভূত কৰে। মহাদেৱে ক্ৰোধান্বিত হৈ কৰা নিজৰ ভুল বুজিব পাৰিলে আৰু তেওঁৰ ক্ৰোধবহ্নি নিৰ্বাপিত হ'ল। কামদেৱৰ পত্নী ৰতি দেৱীৰ অনুৰোধ মৰ্মে মহাদেৱে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী কামাখ্যাক কামদেৱক পূৰ্বৰূপ প্ৰদান কৰিবলৈ অনুৰোধ জনালে। দেৱী কামাখ্যাৰ আশীৰ্বাদত কামদেৱে পূৰ্বৰূপ লাভ কৰিলে আৰু কামদেৱে ইয়াত পূৰ্বৰূপ লাভ কৰাৰ বাবে তেতিয়াৰ পৰাই দেৱী কামাখ্যাৰ এই নগৰী "কামৰূপ" নামেৰে প্ৰসিদ্ধ হৈ পৰিল।

অসমৰ বিভিন্ন শক্তিক্ষেত্ৰ ঃ

ইতিমধ্যেই আমি জানি আহিছোঁ "কামৰূপ" শব্দটোৰ উৎপত্তিৰ আঁৰত আছে কামাখ্যা দেৱীৰ মহিমা। দেৱী সতীৰ যোনিমুদ্ৰা পতিত হৈছিল গুৱাহাটীৰ পশ্চিম দিশে অৱস্থিত নীলাচল পাহাৰত, দেৱী ইয়াত 'কামাখ্যা' নামে পূজিতা। 'কামাখ্যা মন্দিৰ' কেৱলমাত্ৰ এক মন্দিৰেই নহয়, ৫১ সতীপীঠৰ ভিতৰতেই সৰ্বাধিক জনপ্ৰিয় আৰু ৪খন আদি সতীপীঠৰ ভিতৰত শ্ৰেষ্ঠতম সতীপীঠ ৰূপে পৰিগণিত হৈ আহিছে। কেৱল অসমতেই নহয় ভাৰতৰ বিভিন্ন ঠাই লগতে দেশ-বিদেশতো এই শক্তিপীঠৰ মাহাত্ম্য সিঁচৰিত হৈ আছে। আহোম সকলৰ ৰাজত্বকালত উজনি অসমতো দেৱী মাহাত্ম্যৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱা দেখিবলৈ পোৱা যায়। আহোম স্বৰ্গদেউ সকলৰ পৃষ্ঠপোষকতাত বিভিন্নখন দেৱীপীঠ নিৰ্মাণ কৰা হৈছিল। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, শোণিতপুৰ জিলাৰ মহাভৈৰৱী মন্দিৰ, শিৱসাগৰৰ দেৱী দৌল, যোৰহাটৰ বুঢ়াগোঁসানী দেৱালয়, কাজিৰঙাৰ কাঁক গোঁসানী দেৱালয় আদিকে ধৰি নামনি অসমৰ গোৱালপা�ৰাস্থিত টুকেশ্বৰী দেৱালয়, ধুবুৰীৰ মহামায়া মন্দিৰ, গুৱাহাটীৰ উগ্ৰতাৰা দেৱালয়, ৰঙিয়াৰ দীপ্তেশ্বৰী মন্দিৰ, ছয়গাঁওৰ চণ্ডিকা দেৱালয় প্ৰমুখ্যে বহু কেইখন শক্তিক্ষেত্ৰই প্ৰতিষ্ঠা লাভ কৰিছিল। অসমৰ উত্তৰ পূৰ্বাঞ্চলত ত্ৰয়োদশ শতিকাতে চুতীয়া ৰাজ্য আছিল। তাৰ আগতে (প্ৰাক আহোম যুগত) শাক্ত ভূঞাসকলৰ মাজত শক্তি পূজাৰ প্ৰচলন আছিল বুলি প্ৰমাণ পোৱা যায়। চুতীয়া ৰাজ্যতো ৰাজপুৰোহিতসকলে শদিয়াৰ তাম্ৰেশ্বৰী দেৱালয়ত কেঁচাইখাইতী গোঁসানীৰ পূজা কৰিছিল আৰু দেৱীৰ সমুখত নৰবলি পৰ্যন্ত উৎসৰ্গ কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত আহোম স্বৰ্গদেউ সকলে চুতীয়া ৰাজ্য জয় কৰি চুতীয়াসকলক পৰাজিত কৰিলে, কিন্তু তেওঁলোকৰ এই নৰবলি প্ৰথা আহোমসকলে গ্ৰহণ কৰিছিল। সেয়েহে আহোম ৰাজত্বকালত অসমৰ প্ৰায় বহুকেইখন দৌল দেৱালয়তে নৰবলি প্ৰথাৰ প্ৰচলন অছিল কিন্তু যুগৰ পৰিৱৰ্তনৰ লগে লগে এই প্ৰথা বন্ধ হৈ পৰিল।

অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত শক্তি পূজাৰ প্ৰচলন ঃ

কিৰাট বংশীয় ৰজা নৰকাসুৰৰ পৰৱৰ্তী সময়ছোৱাত অসমত শাক্ত ধাৰাটো আৰ্য-অনাৰ্য সকলোৰে মাজত পৰম্পৰাগত ভাবে প্ৰচলিত হৈ আছিল। অসম বিভিন্ন জনজাতিৰ বসতি প্ৰধান অঞ্চল। অসমৰ এক বৃহৎ জনগোষ্ঠী হৈছে বড়ো-কছাৰী জনগোষ্ঠী। বড়ো সকলে ছ্ৰিাই অৰ্থাৎ শিৱৰ লগতে তেওঁৰ পত্নী ছ্ৰিুৰী অৰ্থাৎ পাৰ্বতীক প্ৰকৃতি হিচাপে পূজা কৰাৰ বিধান আছে। বড়ো-কছাৰীৰ মাজত আগতে মাৰাই (মাৰৈ) দেৱীৰ পূজাৰ প্ৰচলনো আছিল। ডিমাছা সকল প্ৰাচীন কালৰে পৰা শাক্তপন্থী আছিল বুলি ইতিহাসে প্ৰমাণ কৰিছে। ডিমাছা সকলে শিৱক শিৱ্ৰাই আৰু দুৰ্গাক মাটংমা নামেৰে পূজা কৰিছিল বা কৰে। এনেদৰে ৰাভা সকলে বায়খো আবু তামায় দেৱী, সোণোৱাল কছাৰী সকলে লখিমী আবু ভবলী হাকুবীদেৱী, তিৱাসকলে বাউলী দেৱী, আহোম সকলে সুচনী দেৱী, খাচীসকলে কা-মেই-খা (কামাখ্যা), গাৰো সকলে ফজো নামৰ দেৱীক পূজা কৰি আহিছে। পৰ্বতীয়া মিকিৰ সমাজে হাঈমু আবু বাছ্নিজা নামৰ দেৱীক পূজা কৰে।

শক্তি পূজাৰ সৈতে জড়িত অসমীয়া সংস্কৃতিসমূহ ঃ

অসমীয়া সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ হৈছে ওজাপালি। দৰঙৰ এই বিখ্যাত পৰিৱেশ্য কলাই আজি ভাৰতৰ লগতে বিদেশতো জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। ওজাপালি দুই প্ৰকাৰৰ, যেনে

১) সুকন্নানী ওজা বা মাৰৈ পূজাৰ গীত পদ গোৱা ওজা

২) ব্যাসৰ বা বিয়াহৰ ওজা, যিসকলে ৰামায়ণ, মহাভাৰতৰ বিভিন্ন গীত পদ অভিনয় আৰু ভঙ্গিমাৰ জৰিয়তে প্ৰদৰ্শন কৰে।

শাৰদীয় দুৰ্গা পূজা, কালী পূজা বাসন্তী পূজা ইত্যাদি উৎসৱত এই ওজাপালি অনুষ্ঠান দেখিবলৈ পোৱা যায়। দুৰ্গা দেৱীৰ দৌল, মঠ, মন্দিৰ, দেৱালয় সমূহত আজিও ওজাপালি অনুষ্ঠানৰ আয়োজন

কৰা হয়। ঠিক তেনেদৰে দুর্গা পূজাৰ সময়ত গোসাঁনী নাম, আই নাম, দুর্গা দেবীৰ স্তুতি গীত ইত্যাদিৰ প্ৰচলন হৈ আহিছে। শক্তি পূজাৰ সৈতে নামনি অসমৰ দৰঙ জিলাৰ প্ৰসিদ্ধ দেওধনী বা দেৱধনী নৃত্যও জড়িত হৈ আছে। কামৰূপৰ বিভিন্ন ঠাইৰ শক্তি দেৱীৰ পূজা সমূহত (বিশেষকৈ মনসা পূজাত) দেওধনী নৃত্য প্ৰদৰ্শন কৰা হয়।

অসমীয়া শাক্ত ভক্তি সাহিত্য ঃ

যিদৰে অতি প্ৰাচীন কালৰে পৰা অসমত শাক্ত ধৰ্মৰ প্ৰচলন হৈ আহিছে ঠিক তেনেদৰে ইয়াৰ ওপৰত বিভিন্ন সাহিত্যও ৰচিত হৈছে। প্ৰাচীন শিলালিপি, তামৰ ফলি, স্থাপত্য ভাস্কৰ্য আৰু পৌৰাণিক গ্ৰন্থসমূহত তাৰ স্বাক্ষৰ পোৱা যায়। শাক্ত ভক্তি তথা ধৰ্মক কেন্দ্ৰ কৰি বহুতো সাহিত্যও সৃষ্টি হৈছে য'ত দেৱীৰ মাহাত্ম্য আৰু দেৱী পূজাৰ বিধি-বিধান সম্পৰ্কে বৰ্ণনা কৰিছে। দেৱীৰ লগত জড়িত আখ্যান সম্বলিত এই সাহিত্যই ভক্তি সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অসমৰ শাক্ত ভক্তি সাহিত্যৰ শ্ৰেণীৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

শক্তিৰ মাহাত্ম্য, সাধন প্ৰণালী, দাৰ্শনিক তত্ত্ব আদিবোৰৰ সৈতে শক্তিবাদ প্ৰতিষ্ঠা কৰিবলৈ কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি কিছুমান শাক্ত ভক্তি সাহিত্য অসমত ৰচিত হৈছিল। খ্ৰীষ্টীয় পঞ্চদশ-ষোড়শ শতিকাতে মনসা কবিসকলে এই বিষয়ত কাব্য ৰচনা কৰি গৈছে। আহোম ৰাজত্বৰ শেষৰফালে অসমত শাক্ত ভক্তি সাহিত্য বিন্দু পৰিমাণে সক্ৰিয় হৈ উঠে। শিৱসিংহৰ লগতে অন্যান্য ৰজাসকলেও আনুষ্ঠানিকভাৱে শাক্ত ধৰ্ম গ্ৰহণ কৰি শাক্ত সাহিত্য ৰচনাৰ ব্যৱস্থা কৰে। সংস্কৃত শাক্ত গ্ৰন্থৰ অসমীয়ালৈ অনুবাদ কৰা সকলৰ ভিতৰত পীতাম্বৰ দ্বিজে পোন প্ৰথমে মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত শ্ৰীশ্ৰীচণ্ডী খণ্ডৰ কাব্যানুবাদ কৰিছিল। আনহাতে শ্ৰীশ্ৰীচণ্ডীৰ অসমীয়া পদ ৰচোঁতাৰ ভিতৰত আনএগৰাকী কবি হ'ল শিৱনাথ দ্বিজ। শাক্ত ভক্তি সাহিত্যৰ ৰচক হিচাপে প্ৰসিদ্ধি লাভ কৰা অন্যতম কবি হ'ল অনন্ত আচাৰ্য। আহোম স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ পত্নী ফুলেশ্বৰীৰ আজ্ঞানুসৰি শঙ্কৰাচাৰ্যৰ 'সৌন্দৰ্য লহৰী' নামৰ দীঘলীয়া স্তোত্ৰৰ অসমীয়া ভাঙনি কৰি নাম খৈছিল 'আনন্দ লহৰী'। শ্ৰীশ্ৰীচণ্ডীৰ অনুবাদক হিচাপে বুচিনাথ কন্দলীয়ে বিশেষ খ্যাতি লাভ কৰিছে। অসমীয়া শাক্ত ভক্তি সাহিত্যৰ আন এগৰাকী উল্লেখনীয় ৰচক হ'ল ৰঙ্গনাথ চক্ৰৱৰ্তী। তেওঁ মাৰ্কণ্ডেয় চণ্ডী অনুবাদ কৰিছিল। অন্যহাতে যোগিনী তন্ত্ৰৰ অনুবাদক হ'ল ৰামচন্দ্ৰ বৰপাত্ৰ। শাক্ত ভক্তি সাহিত্যৰ অন্যতম গ্ৰন্থ হ'ল পদ্মাপুৰাণ। পদ্মাপুৰাণৰ ৰচক হৈছে সুকবি নাৰায়ণদেৱ। অসমীয়া পাঁচালী কবিসকল যেনে দুর্গাবৰ, মনকৰ, সুকবি নাৰায়ণদেৱ। উল্লেখ্য তিনিওজন কবিয়ে তেওঁলোকৰ সাহিত্যৰাজিৰ মাধ্যমেৰে মনসা অথবা পদ্মা দেৱীৰ মাহাত্ম্য প্ৰকাশ কৰিছিল। অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাসত অসমৰ শাক্ত ভক্তি সাহিত্য শ্ৰেণীৰ গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

গ্ৰন্থপঞ্জী ঃ

১) অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য ঃ ড° হৰিনাথ শৰ্মাদলৈ।

২) দৰঙী লোক সাহিত্যৰ ৰূপৰেখা ঃ কনক চন্দ্ৰ চহৰীয়া

৩) অসমত শক্তিতত্ত্বৰ প্ৰাচীনত্ব ঃ https://niracharai.com

৪) অসমত শক্তি সাধনাৰ ঐতিহ্য আৰু পৰম্পৰা ঃ জুনমণি কাকতি - https://xahitye.com

৫) অসমত শাক্ত ধৰ্মৰ পৰম্পৰা ঃ https://sapatgramcollegeonline.co.in

৬) কামৰূপ জিলা / কামৰূপ নামৰ উৎপত্তি ঃ https://natunpohor.com

৭) শক্তিবাদ ঃ কামৰূপৰ ঘৰে ঘৰে - প্ৰবোধ চন্দ্ৰ মিশ্ৰ https://www.dainandinbartagroup.in

শ্রীশ্রী বটদ্রৱা থান ঃ এক চমু অধ্যয়ন

নমিতা বৰ্মন
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

আৰম্ভণি ঃ

মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ শৈশৱ, কৈশোৰ আৰু কর্মজীৱনৰ স্থলী হিচাপে অসমৰ জনমানসত বৰদোৱাৰ বিশেষ মর্যাদা আছে। ১৯ বছৰ বয়সতে ১৪৬৮ খ্রীষ্টাব্দত শ্রীমন্ত শংকৰদেৱে বৰদোৱাতে শ্রী শ্রী বটদ্রৱা থানখন স্থাপন কৰিছিল। বটদ্রৱা থান হৈছে অসমৰ বৈষ্ণৱ ধর্ম প্রচাৰৰ বীজ বিন্দু। বটদ্রৱা থানৰ আন এক বিশেষত্ব হৈছে যে এইখন মহাপুৰুষজনাই প্রতিষ্ঠা কৰা সর্বপ্রথম থান আৰু ইয়াত তেওঁ আৰম্ভ কৰা এক শৰণ নাম ধর্মৰ প্রচাৰ কৰা হৈছিল। ইষ্টদেৱতাক উপাসনা কৰা, ধর্মীয় তত্ত্ব চর্চা কৰা আৰু প্রসাৰ ঘটোৱাই এই থানৰ মূল লক্ষ্য। শ্রীমন্ত শংকৰদেৱে জন্মস্থানত স্থাপন কৰা এই বটদ্রৱা থানত বিভিন্ন সাংস্কৃতিক যেনে- গীত, নৃত্য, বাদ্য আদিৰ দ্বাৰা মুকুতিৰ পথ প্রশস্ত কৰা হ'ল। এই থানত বিভিন্ন উৎসৱ-পার্বণ উদযাপন কৰা হয়।

বটদ্রৱা থানৰ ইতিহাস ঃ

বটদ্রৱাৰ উত্তৰপাৱে অর্থাৎ বর্তমান আকাশী গঙ্গাৰ পাৱতে শ্রৱণ মুনিৰ আশ্রম আছিল। চৰিত পুথিমতে ভগৱানৰ 'বৰাহী' অৱতাৰত মাটিত লেটি লওঁতে বৰাহৰ গাৰ পৰা নোম এডাল সৰি পৰিছিল। এই নোম ডালৰ পৰাই কালক্রমত 'বটগছ' এডাল গজিছিল।

শ্রীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি দ্বাৰকালৈ যাওঁতে কিছুসময় জিৰণী লোৱাৰ মানসেৱে এই ঠাইতে থকা বটবৃক্ষৰ কাষতে বহিছিল। দুয়ো এই ভূখণ্ডৰ শোভা চাই আপ্লুত হৈ পৰিছিল। ব্রহ্মপুত্রৰ সুঁতিৰ পৰা ওলাই পশ্চিমলৈ বৈ যোৱা থান এটাৰ পাৱত বহি দুয়ো গুৱা খাইছিল। ৰুক্মিণীৰ হাচতিত থকা চূণৰ টেমিটোত পানী শুকাই যোৱাত এই জানৰ পৰা পানী ভৰাবলৈ বুলি যানত ডুবাই দিয়াত হাতৰ পৰা টেমিটো পানীত পৰি যায় আৰু পানীৰ সোঁতে টেমিটো দূৰলৈ লৈ যায়। ৰুক্মিনীৰ হাতৰ পৰা টেমিটো পৰাৰ কাৰণে সেই জানটোৰ নাম টেমিনিয়া বা টেম্বুৰনি জান বুলি জনাজাত।

শ্রীকৃষ্ণই ধনুখন বটজোপাত আওজাই থৈছিল। কিন্তু জগতৰ ঈশ্বৰৰ ধনুৰ ভৰ সহিব নোৱাৰি বটজোপা মাটিত দ্রৱীভূত হয় যাৰ বাবে ঠাইখন নাম পালে 'বটদ্রৱা'। ধনুখন যি ঠাইত পৰিছিল তাত এটা সাঁচ বহিছিল। শংকৰ অৱতাৰত ভক্তসকলে পানীৰ অসুবিধাত জীয়াতু ভুগিব লগা হোৱাৰ বাবে উক্ত সাঁচতে শংকৰদেৱে মধ্যৰাত্রি স্বর্গৰ পৰা আকাশী গঙ্গা নমাই আনিছিল।

'উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
মধ্যৰাত্রি নমাইলন্ত শ্রীমন্ত শংকৰ।।'

আকাশী গঙ্গাৰ শীতল পানী গ্রহণ কৰি ভক্তসকলে নিজৰ জীবন ধন্য কৰে। সেই বিশ্বাসকে সাৰোগত কৰি গঙ্গাক পৱিত্র আৰু মাতৃ জ্ঞান কৰে সকলোৱে।

শ্রীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি অনাৰ সময়ত এই বটদ্রৱাত জিৰণী লোৱা আন এটা সাক্ষ্য এই বটদ্রৱা ভূমিখণ্ডত ৰাখি থৈ গৈছিল। সেই সাক্ষ্য হ'ল- এজোপা ফলৰ গছ। যিজোপা গছৰ বংশ বটদ্রৱাৰ বুকুত বর্তমানো বিদ্যমান। চৰিত পুথিমতে শ্রীকৃষ্ণই খাই থকা ফলৰ গুটিটো এই ঠাইত পেলোৱাৰ বাবে ৰুক্মিণীয়ে শ্রীকৃষ্ণক সুধিছিল 'প্রভু আপুনি এই ঠাইখণ্ডত কিয় ইমানবোৰ প্রমাণ এৰি থৈ গৈছে?' তেতিয়া শ্রীকৃষ্ণই কৈছিল 'কলিত মই এই ঠাইত অৱতাৰ ধাৰণ কৰিম। এই 'ব' গ্রামত 'শ' নাম ধৰি শঙ্খ, চক্র, গদা, পদ্ম চাৰি অস্ত্রৰ পৰিবর্তে গছৰ গুটি (শিলিখা), গছৰ ছাল (শাঁচিগছৰ বাকলি), বাঁহৰ জেং আৰু মহি তৈয়াৰ কৰি শাস্ত্র সব লিখি পাষণ্ড মর্দন কৰি ভক্তসকলক উদ্ধাৰ কৰিম।' সেয়েহে উক্ত ভূমিখণ্ডক শংকৰ অৱতাৰৰ পৰবর্তী কালছোৱাতেই 'হয় বৈকুণ্ঠপুৰী' আখ্যা দিয়া হৈছে।

অতি প্রাচীন অবস্থাতে এই ভূমিখণ্ডৰ নাম 'টেম্বুৰনি' বা

'টেমিনিয়া জান' আছিল যদিও সময় পৰিৱৰ্তনৰ লগে লগে নতুন নতুন নামো পাইছিল। ভূঞাসকলে ইয়াত বসবাস কৰোতে পানী বোৱাই নিবলৈ খাল খান্দি মাটিবোৰ পাৰতে পেলাইছিল বাবে 'আলিপুখুৰী'ও হৈছিল। 'আলি' হৈছে পুখুৰীৰ পাৰত থকা ওখ ঢাপ আৰু 'পুখুৰী' আলি বান্ধিবৰ বাবে খন্দা 'দ' খাল। 'বটগছ' ডুবি যোৱাৰ বাবে 'বটদ্ৰবা' হৈছিল। এই ব্ৰহ্মপুত্ৰৰ পাৰৰ এই ঠাইখিনি বৰ 'দ' আছিল। সেই জলময় ঠাইৰ নাম বৰদোৱা আছিল। ভূমিখণ্ড বৰ 'দ' হোৱাৰ বাৰে বহু সংখ্যক লোকে 'বৰদোৱা' বুলিও কয়। উক্ত নামেৰেও জনাজাত এই ভূমিখণ্ড।

শ্ৰীকৃষ্ণ বা শ্ৰীনাৰায়ণ থকা ঠাইক 'বৈকুণ্ঠ' বোলা হয়। গুৰুজনো শ্ৰীকৃষ্ণৰ অংশ বা অবতাৰ সেইবাবে এই ভূখণ্ডক '২য় বৈকুণ্ঠ' বোলা হয়। কাৰণ শংকৰদেৱ শ্ৰীকৃষ্ণৰ কলিযুগৰ অৱতাৰ। তেখেতে ৰুক্মিণীক কোৱা এই 'ব' গ্ৰামেই হ'ল 'বটদ্ৰৱা', 'বৰদোৱা', 'আলিপুখুৰী' '২য় বৈকুণ্ঠপুৰী' একেখনি ভূ-খণ্ড। উক্ত ভূমিখণ্ডৰ প্ৰতিটো নামৰ আগতেই শংকৰদেৱৰ কোনোবা ফালৰ নহয় কোনোবা ফালেৰে যোগসূত্ৰ আছে। সেয়েহে ধন্য এই ভূমিখণ্ড।

বটদ্ৰৱা থানৰ পুনৰ উদ্ধাৰ ঃ

নগাঁও চহৰৰ পৰা ১৮ কিলোমিটাৰ নিলগত এই পবিত্ৰ থান। এই তীৰ্থস্থানলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱ, কৈশোৰ আৰু তেওঁৰ আদৰ্শৰ সত্ত্বা বিচাৰি অগণন লোকৰ সমাগম হয়। বৰদোৱাৰ সমীপবৰ্তী আলিপুখুৰীতেই গুৰুজনাৰ জন্ম হৈছিল বুলি কোৱা হয়। সেই স্থানতে ১৪৬৮ খ্ৰীষ্টাব্দত গুৰুজনাই শ্ৰীশ্ৰী বটদ্ৰৱা থানখন স্থাপন কৰিছিল। এই খনে আছিল তেওঁ স্থাপন কৰা প্ৰথমখন থান। ইয়াৰ পৰাই এক শৰণ নাম ধৰ্মৰ প্ৰচাৰ কৰিছিল শ্ৰীমন্ত শংকৰদেৱে। প্ৰায় ২৮৬ বিঘা মাটিকালি সামৰি আছে এই থানখনে। গুৰুজনাই প্ৰথম বটদ্ৰৱাতেই কীৰ্তন ঘৰ অৰ্থাৎ নামঘৰ সজাইছিল। সেই বিশ্বাস অনুসৰিয়েই এই স্থানত প্ৰতি দিনাই ১৪ প্ৰসংগ নাম চলে। শ্ৰীমন্ত শংকৰদেৱে বৰদোৱাতেই প্ৰথম 'চিহ্নযাত্ৰা' ভাওনা কৰিছিল।

অনুমান অনুসৰি ১৫১৭ খ্ৰীষ্টাব্দত আহোমসকলৰ কুপদৃষ্টি পৰাৰ ভয়ত গুৰুজনাই সেই স্থান ত্যাগ কৰিছিল। আজিৰ পৰা প্ৰায় ৩৬৬ বছৰ পূৰ্বে ১৫৭২ শকত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৰিনাতি দামোদৰ আতা আৰু নাতিবোৱাৰী আই কনকলতাই গুৰুজনাৰ পবিত্ৰ জন্মস্থান 'বটদ্ৰৱা'ক পুনৰ উদ্ধাৰ কৰে। এখেত সকলক সহায় কৰে আহোম ৰাজবিষয়া টুংচু ফুকনে। টুংচু ফুকনে স্বৰ্গদেৱক কৈ আই কনকলতাৰ পৰামৰ্শমতে দামোদৰৰ নামত নিজ ভূমি দান কৰে। সেই সময়ৰ বাৰপুজীয়াৰ মিকিৰ ৰজা চেতুৱাৰ ৰাজৰ অনুগ্ৰহ লাভ কৰি তেওঁলোক 'বটদ্ৰৱা'ক পুনৰ উদ্ধাৰ কৰে। বৰদোৱা থান উদ্ধাৰ হৈ শ্ৰীবৃদ্ধি পালে। পিছলৈ বটদ্ৰবা থানলৈ গুৰুজনাৰ উত্তৰাধিকাৰীসকলৰ মাজত কিছু বিবাদ হৈছিল। সেয়েহে বৰদোৱা সত্ৰ বৰহিচা (নৰোৱা সত্ৰ) আৰু হৰহিচা (ফুলদেৱ সত্ৰ) নামেৰে দুখন সত্ৰত বিভক্ত হয়। অৱশ্যে ১৯৫৮ চনত এই দুই সত্ৰৰ মধ্যস্থলত কীৰ্তন ঘৰ সাজি নাম প্ৰসংগ কৰি অহা হৈছে। আই কনকলতাই আইভেটিত থকাৰ পৰা বৰদোৱাক আৱিষ্কাৰৰ অভিযান চলাইছিল। আই কনকলতাৰ পৰামৰ্শত দামোদৰ আতাই মিকিৰ ৰজা চেতুৱাক শৰণ দিয়ে। ৰজাই দান দিয়া ভূমিতে শ্ৰীশ্ৰীবৈষ্ণৱপুৰ নৰোৱা সত্ৰই প্ৰতিষ্ঠা লাভ কৰে। বৰ্তমান এই সত্ৰৰ নাম 'লৰোৱা কুজি সত্ৰ' হয়। ইয়াৰ পৰা বৰদোৱালৈ অহাৰ বাটত কোৱাই কটা সত্ৰও পোৱা গৈছিল। উল্লেখযোগ্য যে একে কোৱে মাটি খান্দিছিল বাবে এই ঠাই নাম কোবাই কটা হ'ল বুলি কোৱা হয়। বৰদোৱাৰে নাতি-দূৰত বালিত সত্ৰ পাতি দামোদৰ আতাই নাম দিছিল বালিসত্ৰ। আই ভেটিত শ্ৰীশ্ৰী আইলক্ষ্মীৰ থান আছে। বটদ্ৰৱাক পুনৰ উদ্ধাৰ কৰাৰ ক্ষেত্ৰত কুজিসত্ৰ, বালিসত্ৰ, আইভেটি, কোবাই কটা সত্ৰৰ উল্লেখনীয় ভূমিকা আছে। এই কাৰ্যৰ বাবে শ্ৰীশ্ৰী আই কনকলতা আৰু শ্ৰীশ্ৰী দামোদৰ আতাৰ ভূমিকা সদায় চিৰস্মৰণীয় হৈ ৰ'ব। বৰ্তমান শ্ৰীশ্ৰী বটদ্ৰৱা থানত আইগৰাকীৰ নামত এটি মহিলা যাত্ৰী নিবাস আছে। আতা পুৰুষগৰাকীৰ নামটো এটা যাত্ৰী নিবাস আছিল যদিও ইয়াক পুনৰ নিৰ্মাণ কৰি থকা হৈছে।

বটদ্ৰৱা থানৰ ভৌগলিক বিৱৰণ ঃ

'বটদ্ৰৱা' নগাঁও জিলাৰ এখন ইতিহাস গৰকা ঠাইৰ নাম। এই বটদ্ৰৱা থানখন অসমৰ নগাঁও জিলাৰ বৰদোৱা নামৰ ঠাইত অবস্থিত। এই থানখন নগাঁও জিলাৰ সদৰৰ পৰা পশ্চিমে ১৮ কিলোমিটাৰ দূৰত অৱস্থিত।

বটদ্ৰৱা থানৰ মূল উৎসৱসমূহ ঃ

শংকৰদেৱৰ জন্মোৎসব ঃ কুৰি শতিকাৰ তৃতীয় চতুৰ্থ দশকৰ পৰা শংকবদৱৰ জন্মোৎসৱ পালন কৰা নিয়ম প্ৰবৰ্তন হয়। বৰদোৱা গুৰুচৰিত মতে ১৩৭১ শক (১৪৪৯ খ্ৰীঃ) কাৰ্তিক সংক্ৰান্তিৰ অমাবস্যা তিথিত বৃহস্পতিবাৰে মাজনিশা গুৰুজনাৰ জন্ম আৰু কেইবাখনো চৰিতৰ জন্ম তিথি বাৰ বেলেগ বেলেগ। তথাপি মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ লেখা মতে অসমত শংকৰদেৱ জন্মোৎসৱ পতা হয়।

শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত কিন্তু বহু বছৰৰ পৰায়ে জন্মোৎসৱ পালন কৰি আহিছে। ১৯৬৮ চনত বিশেষ আড়ম্বৰপূৰ্ণভাবে উৎসৱ পালন কৰিছিল। তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বৈকুণ্ঠ পুৰী

শ্রীশ্রীবটদ্রৱা থানত শংকৱদেৱৰ জন্মোৎসৱ উপলক্ষে পুৱাৱে পৱা বিভিন্ন তীর্থ যাত্রীৱে ভৱি পৱে। পুৱা খোল, তাল, কোবোৱা প্রসঙ্গৱে উৎসৱটিৰ আৱম্ভণি কৱে। তাৰ পিছত মঞ্জিৱা নাম, আইসকলৰ নাম, খোল প্রসংগ পৰিবেশন আৰু দুপৰীয়া গুৰুচৰিত পাঠ কৱা হয়। সন্ধিয়া আকাশী গংগাৰ পাৱত সত্রীয়া সাংস্কৃতিক অনুষ্ঠান আয়োজন কৱা হয়। প্রথম দিনা এইখিনি অনুষ্ঠান পৰিবেশন কৱা হয়।

দ্বিতীয় দিনা পৱম্পৱাগত মাংগলিক অনুষ্ঠান লগতে শোভাযাত্রা কৱা হয়। নিশালৈ থানৰ ৱাইজে ভাওনাৰ অনুষ্ঠানৰ ব্যৱস্থা কৱে। সেই ভাওনাৰ দ্বাৰাই, ভগৱানৰ কাহিনী পৰিৱেশন কৱে। তৃতীয় দিনা 'ধর্মালোচনী সভা' অনুষ্ঠিত কৱা হয়। এই সভাত বাজ্যৰ বিভিন্ন বিশিষ্ট ব্যক্তিক নিমন্ত্রণ জনোৱা হয়। এইদৱে গুৰুজনাৰ আবির্ভাৱ তিথিৰ সামৱণি কৱা হয়।

শ্রীকৃষ্ণৰ জন্মোৎসব ঃ শংকৱদেৱ-মাধৱদেৱৰ তিৰোভাৱ তিথিৰ লগতে ভাদ মাহৰ কৃষ্ণ পক্ষৰ অষ্টমী তিথিৰ ৰোহিণী নক্ষত্রত আৱির্ভাৱ হোৱা ৱৈষ্ণৱ ভকতৰ এক ভগৱান শ্রীকৃষ্ণৰ জন্মাষ্টমী বটদ্রৱা থানৰ এক তাৎপর্যপূর্ণ উৎসৱ। শ্রীমন্ত শংকৱদেৱৰ জন্মস্থান শ্রীশ্রীবটদ্রৱা থানত দুদিনীয়া কার্যসূচীৱে শ্রীকৃষ্ণ জন্মাষ্টমী উদযাপন কৱা হয়। উপাস্য দেৱতা পৱম পুৰুষ শ্রীকৃষ্ণৰ জন্মই থানখনত ৱৈকুণ্ঠ ৰূপ দিয়ে আৰু ভক্তই পৱমানন্দত উলহ-মালহেৰে জন্মাষ্টমী পালন কৰি জীবন সার্থক কৰি তোলে।

জন্মাষ্টমী উপলক্ষে ৱৱদোৱাত পুৱাৰ পৱা নাম কীর্ত্তনৰ ধ্বনি শুনা যায়। দুপৰীয়া ভকত ৱৈষ্ণৱ সমৱেত হৈ প্রসঙ্গীয়া নামেৰে এক গহীন পৰিৱেশৰ সৃষ্টি কৱে। বিয়লি গায়ন-বায়নৰ ন-ধেমালীৰ জোৱা গোৱা শেষ কৰি সূত্রধাৰক প্রৱেশ কৱোৱা পৱম্পৱা অনুসৰি নাটঘৰ পাচতি ভাওনাৰ পাতনি মেলা হয়। এই উৎসৱত বটদ্রৱা থানৰ পৰিচালনা সমিতিৰ উদ্যোগত নানা কার্যসূচী অনুষ্ঠিত হয়। গুৰুজনাৰ জন্মস্থানত এই বিশেষ দিনটোত চৌদিশে হৰি নামেৰে মুখৰিত হৈ থাকে।

শ্রীকৃষ্ণৰ জন্মাষ্টমী হৈছে বিষ্ণুৰ অষ্টম অৱতাৰ শ্রীকৃষ্ণৰ জন্মদিন। এই দিনটোত শ্রীকৃষ্ণৰ পূজা-আৰাধনা কৱা হয়, বিভিন্ন ধর্মীয় অনুষ্ঠান আয়োজন কৱা হয়। কৃষ্ণ ভক্তসকলে অতি আনন্দ মনেৰে এই উৎসৱৰ পালন কৱে।

দৌল উৎসৱ বা ফাকুৱা ঃ শ্রীমন্ত শংকৱদেৱৰ জন্মস্থান বটদ্রৱা অথবা ৱৱদোৱাতো অনুষ্ঠিত হয় এই দৌল উৎসৱ বা ফাকুৱা উৎসব। প্রতি বছৰে ফাগুন মাহৰ পূর্ণিমা তিথিত বটদ্রৱা থানত ডাঙৰকৈ দৌল উৎসৱ পালন কৱা হয়। ২১ বছৰ বয়সতে মহাপুৰুষ শ্রীমন্ত শংকৱদেৱে নিজে তামৰ চৰিয়াৰে মাটি কঢ়িয়াই নির্মাণ কৰিছিল দৌলৰ ভেটি। এই মাটি খান্দোতে উদ্ধাৰ হোৱা বিষ্ণু বা গোবিন্দ মূর্তি স্থাপনেৰে আৰম্ভ হ'ল দৌল গোবিন্দৰ 'দৌল উৎসৱ'। এই উৎসব প্রধানতঃ তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। প্রথম দিনা গন্ধোৎসব। সেইদিনা ৰাতি সাত মান বজাত গোবিন্দৰ মূর্ত্তি কীর্তন ঘৱৰ চোতালত আনি গা ধুৱাই দি বস্ত্র পৰিধান কৰি গন্ধ তেল গোঁসাইৰ মূৱত দিয়ে। এই তেলত বিভিন্ন সুগন্ধি দ্রব্যও থাকে। ইয়াক স্থানীয়ভাবে প্রস্তুত কৱা হয়। পিছদিনা পূর্ণিমা তিথি। সেইদিনাও গোঁসাইক গা ধুৱাই নতুন বস্ত্র পৰিধান কৱাই খোল, তাল, দবা আদি বজাই গোঁসাইৰ মূৱত ফাকু দিয়ে। গোঁসাইৰ মুৱত ফাকু দিয়াৰ পাছত ৱাইজে ফাকু খেলা দেখা যায়।

গুৰুজনাই উৱেষা কীর্তনত লিখিছে-

'ৱঙ্গে ফাকু খেলে চৈতন্য বনমালী।
দুহাতে ফাকুৰ গুণ্ডা সিঞ্চন্ত মুৱাৰী।।'

তৃতীয় দিনা গোঁসাইক দৌলত ফুৱাই পুনৰ কীর্ত্তন ঘৱলৈ অনা হয়। দৌলৰ পৱা গোঁসাই নি কীর্তন ঘৰ পাবগৈ তাত লক্ষ্মীৰ দুৱাৰ আৰু সৰস্বতীৰ দুৱাব ধৰিব, তাৰ পিছত বৰঙণি বঢ়াই দিয়াৰ লগে লগে লক্ষ্মী আইয়ে দুৱাৰ মেলি গোঁসাইক প্রবেশ কৰিব দিয়ে। গুৰুজনাই কীর্ত্তন পুথিত ইয়াৰ বর্ণনা ৱসালকৈ কৰি থৈ গৈছে।

বার্ষিক পালনাম ঃ অসমৰ ৱৈষ্ণৱ ধর্মৰ 'পাল নাম' এক শৱণ নামধর্মৰ এবিধ উৎকৃষ্ট উপাসনা প্রণালী। চাৰি প্রসঙ্গ, এক-সেৱা শ্রৱণ কীর্ত্তন, দিহানাম, উঠানাম, হীৱানাম, খোল, তাল, ডবা, কাঁহ, নাগাৰা আদি বাদ্যৰে কৱা উপাঙ্গ নামৰ জৰিয়তে কৱা উপাসনাতকৈ পাল নাম মন কৰিবলগীয়া পদ্ধতি। পালনামত সকলোৱে যোগদান কৱাৰ নিয়ম নাই, মাথোন শৱণ ভজন লোৱা ভক্তসকলেহে অংশ ল'ব পাৰে। অৱশ্যে সন্ধ্যা আৰু মধ্যাহ্ন প্রসঙ্গত সকলোৱে যোগদান কৱাত বাধা নাই।

শংকৱদেৱৰ জন্মস্থান বটদ্রৱাতো প্রতিবছৰে দৌল যাত্রাৰ পাছৰ পূর্ণিমাত বার্ষিক পালনাম অনুষ্ঠিত কৱা হয়। পাল নামৰ পূর্বে নিত্য প্রসঙ্গ সমাপ্ত কৱে। মূলত বহা আচার্যই অর্ধবৃত্তাকাৰে ভক্তসকলক লৈ নিকক্ষৱা চাৰিঘোষা একে লেঠাৰী চাৰিবাৰ উচ্চাৰণ কৰি পাঠকক দিয়া নির্দেশ মতে প্রথম চাৰিজন ঘোষাক দুবাৰলৈ পাঠ কৰি তাৰ পৱমার্থিক তত্ত্ব নাৰায়ণৰ গুৰি, দেৱ, নাম আৰু ভকত এই চাৰিৱস্তুৰ প্রকাশ ভক্তৰ অন্তৰত সাঁচ বহুৱাকৈ শুনায়। লগে লগে আচার্যই নাম ডাকি অর্ধবৃত্তাকাৰে বহা ভকত সকলক প্রত্যেকৰে মুখত একোবাৰকে

নাম উচ্চাৰণ কৰায়। তাৰ পাছত পাঠকে গোৱা চাৰিজনা ঘোষাৰ অন্তৰে অন্তৰে একোবাৰকৈ নাম উচ্চাৰণ কৰি যায়। নামচার্য, পাঠক আৰু সমজুৰী ভক্তসকলক যিকোনো এজনে নাম ডাকে। ঘোষাৰ তত্ত্ব বাখ্যা কৰি গোটেই নিশা কটায়। নির্দিষ্ট সময়ত ভকত সকলে সেৱা জনাই আশীর্বাদ লয় আৰু প্রসাদ বিতৰণ কৰি পাল নামৰ সামৰণি মাৰে।

বটদ্রৱা থানৰ বিকাশ আৰু সৌন্দর্য বর্ধনৰ বৃহৎ প্রকল্প

অসমীয়া জাতীয় সংস্কৃতিৰ প্রাণকেন্দ্র গুৰুজনাৰ জন্মস্থান বটদ্রৱা থানখনিক বিশ্বধর্মীয় পর্যটন কেন্দ্র, আধ্যাত্মিক কৃষ্টি গবেষণা স্থান হিচাপে গঢ়ি তোলাৰ আন্তৰিক প্রয়াস স্বৰূপে দেশৰ কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে শুভাৰম্ভ কৰে 'বটদ্রৱা থানৰ বিকাশ আৰু সৌন্দর্য বর্ধনৰ বৃহৎ প্রকল্প'ৰ। যাৰ পৰিপেক্ষিতত বটদ্রৱাত এক আনন্দ মুখৰ পৰিৱেশ সৃষ্টি হয়। বটদ্রৱা থানৰ কীর্তনঘৰত ভকত বৈষ্ণৱে দুপৰীয়া প্রসংগৰ শেষত হৰিধ্বনি দি প্রকল্পৰ সফল স্বৰূপায়ণৰ বাবে প্রার্থনা জনায়। আনহাতে ভকত বৈষ্ণৱৰ লগতে বটদ্রৱা থানলৈ আগমন ঘটা তীর্থযাত্রী সকলেও সন্তুষ্টি প্রকাশ কৰাৰ লগতে উৎফুল্লিত হৈ পৰে। থানখনিক আধ্যাত্মিক তীর্থ পর্যটনৰ কেন্দ্র ৰূপে গঢ়ি তোলাৰ বাবে ১৮৮ কোটি টকা ধনৰ আৱণ্টন দিয়াৰ উপৰিও অসম দর্শন আঁচনিৰ অধীনত নগাঁও বৰদোৱা সংযোগী পথটো চাৰিলেন যুক্ত কৰিবলৈ প্রায় ২০০ কোটিৰো অধিক টকা আৱণ্টন কৰি শুভাৰম্ভ কৰা ঐতিহাসিক মুহূর্তৰ বাবে বটদ্রৱাৰ স্থানীয় ৰাইজে থানৰ জাপি বাটচ'ৰাৰ সন্মুখ আৰু দক্ষিণ দিশৰ সিংহদ্বাৰৰ সম্মুখত বন্তি প্রজ্জ্বলন, আতচবাজি প্রদর্শনৰ মাজেৰে এক উৎসৱ মুখৰ পৰিৱেশৰ সূচনা কৰে আৰু আইসকলে নাম কীর্তন কৰে। সন্ধ্যা শলগুৰি আৰু নৰোৱা সত্রৰ প্রতিঘৰ পদূলিত বন্তি প্রচলন কৰি আদৰণি জনায়।

গুৰুজনাৰ আদর্শ চানেকিৰ পলস পৰা এই বটদ্রৱা থানক বিশ্বৰ পর্যটন ক্ষেত্র হিচাপে চিহ্নিত কৰিবলৈ অসম চৰকাৰে হাতত লৈছে এক বৃহৎ প্রকল্পৰ। এই প্রকল্পৰ জৰিয়তে নৱপ্রজন্মইয়ো শংকৰী কলা কৃষ্টিৰ বিষয়ে অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব।

উপসংহাৰ ঃ

মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ জীৱনী আৰু কৃতি অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে। তেখেতৰ অৱদান এটা বা দুটা বিষয়তে সীমিত হৈ থকা নাই, অসমীয়া সংস্কৃতিৰ সকলো দিশ সম্পদশালী কৰি গৈছে। তেখেতে বহুদেৱতাৰ পূজা উপাসনা কৰা ঠাইত এক ঈশ্বৰক প্রতিষ্ঠা কৰি ধর্মীয় বিক্ষিপ্ততা আৰু বামপন্থী আচাৰ অনুষ্ঠানৰ পৰা জনতাক আঁতৰাই আনি ভগৱৎমুখী কৰি তোলে। শ শ বছৰ ধৰি সমাজৰ নিম্ন স্তৰত অৱহেলিত হৈ পৰি থকা সাধাৰণ জনতাক আধ্যাত্মিক আৰু সামাজিক জীৱনৰ এক উজ্বল পৱিত্র ছবি দাঙি ধৰি তেওঁলোকক আধ্যাত্মিক সাহস প্রদান কৰে।

পঞ্চদশ শতিকাৰ ভূঞা ৰাজ্য অর্থাৎ বর্তমানৰ নগাঁও জিলাৰ ৰৰদোৱাত আবির্ভাৱ হৈ জন্মক্ষেত্রৰ পৰা উজনি নামনিৰ বিভিন্ন অঞ্চলত নানা জাতি উপজাতি, ধর্ম-বর্ণ সম্প্রদায় ভাষাৰে বহু বিভক্ত হৈ থকা সকলো লোকৰ মানৱীয় স্বত্ব সাব্যস্ত কৰি আত্মাৰ উৎকর্ষ সাধনেৰে সুশৃংখল আৰু ঐক্যবদ্ধ সমাজ গঢ়ি তুলিবলৈ শংকৰদেৱে গ্রহণ কৰা কার্যসূচীৰ ফলস্বৰূপে পোন প্রথম বটদ্রৱা থান নির্মাণ কৰিছিল। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে গুৰুৰ সহযোগত ভক্তি ধর্ম আচৰণ, প্রৱর্তন আৰু প্রচাৰৰ পাতনি মেলে নামঘৰ-মণিকূট স্থাপন কৰি। ৰৰদোৱাতে জগদীশ মিশ্রই টীকাসহ ভাগৱত গ্রন্থ অর্পণ কৰে, যাৰ ফলত ধর্ম-চর্চা আৰু ধর্মশাস্ত্র ৰচনাৰ সুবিধা হয়।

আমাৰ এই গৱেষণাপত্রৰ দ্বাৰা যুৱ প্রজন্মক শংকৰী কলা-কৃষ্টিৰ লগত পৰিচয় কৰাই দিয়াৰ বাবে গুৰুজনাৰ জন্মভূমি বটদ্রৱা থানৰ কিছু আভাস দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

গ্রন্থপঞ্জী ঃ

১) বৰুৱা, গিৰিশ - বটদ্রৱা থানৰ কিছু কথা, প্রকাশক ঃ পঞ্চৰত্ন প্রিন্টার্চ, হয়বৰগাঁও, নগাঁও (অসম), প্রথম প্রকাশ ঃ ২০২০ মার্চ

২) মজুনদাৰ, তিলকচন্দ্র - সত্র দর্পণ, প্রকাশক ঃ শৰাইঘাট অফচেট প্রেছ, বামুনীমৈদাম (গুৱাহাটী), প্রথম প্রকাশ ঃ ২০০৫-২ ডিচেম্বৰ

৩) হাজৰিকা, ভৱ - শ্রীশ্রীবটদ্রৱা থানৰ অতীত আৰু বর্তমান, প্রকাশক ঃ আমি অসমীয়া ডট কম, প্রথম প্রকাশ ঃ ২০১২-২৬ নৱেম্বৰ

উদ্যমিতাৰ জড়িয়তে মহিলা সৱলীকৰণ

চন্দন কলিতা
চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ

আৰম্ভনি ঃ "নিজৰ শক্তিত বিশ্বাস কৰক, উদ্যমিতাৰ মাধ্যমেৰে নাৰী সৱলীকৰণ কৰক!"

"মহিলা সৱলীকৰণ" বর্তমান সমগ্র বিশ্বৰেই এটা দৃষ্টি আকর্ষণ কৰা শব্দ। ১৯৮৫ চনত নাইজেৰিয়াত অনুষ্ঠিত হোৱা আন্তর্জাতিক মহিলা সম্মিলনে মহিলাসকলৰ সৱলীকৰণৰ ধাৰণা প্রচলন কৰে। নাৰী সৱলীকৰণ সমাজৰ বিকাশ আৰু প্রগতিৰ এক গুৰুত্বপূর্ণ দিশ। ইয়াৰ দ্বাৰা মহিলা সকলক সিদ্ধান্ত লোৱা, সম্পদ নিয়ন্ত্রণ আৰু নিজৰ ভাগ্য গঢ়ি তোলাৰ ক্ষমতা আৰু স্বায়ত্বশাসন প্রদানৰ প্রক্রিয়াক বুজোৱা হয়। এই সৱলীকৰণ কেৱল মানৱ অধিকাৰৰ বিষয় নহয়, বৰঞ্চ এটা সম্প্রদায়ৰ আৰু জাতিৰ সামগ্রিক মংগল আৰু সমৃদ্ধিৰ ক্ষেত্রতো এক কৌশলগত বিনিয়োগ। নাৰী সৱলীকৰণৰ ফলত অর্থনৈতিক বিকাশ ঘটাৰ উপৰিও যেতিয়া মহিলাসকলক শিক্ষা, নিয়োগ, উদ্যোগীকৰণৰ সমান সুযোগ সা-সুবিধা প্রদান কৰা হয়, তেতিয়া এটা জাতিৰ জি ডি পিত তেওঁলোকে যথেষ্ট অৰিহণা যোগায়। অধ্যয়নত দেখা গৈছে যে যিবোৰ সমাজত মহিলাসকল কর্মশক্তিত সক্রিয়ভাৱে অংশগ্রহণ কৰে, সেইবোৰ সমাজত উৎপাদনশীলতা আৰু উদ্ভাৱনৰ মাত্রা যথেষ্ঠ পৰিমানে বৃদ্ধি পায়।

মহিলা সবলীকৰণৰ প্রধান উদ্দেশ্য হৈছে তেওঁলোকক অর্থনৈতিকভাৱে স্বয়ংপূর্ণ আৰু আত্মনির্ভৰশীল কৰি তোলা। মহিলাসকলে পৰিয়ালৰ এগৰাকী উৎপাদনশীল আৰু দায়িত্বশীল সদস্যৰূপে অর্থনৈতিক দায়বদ্ধতা গ্রহণ কৰি উঠিব লাগিব আৰু এই ক্ষেত্রত মুখ্য ভূমিকা গ্রহণ কৰে 'উদ্যমিতাই'। 'উদ্যমিতা' শব্দৰ ইংৰাজী প্রতিশব্দ হৈছে 'Enterprenurship'। ই এটা ফৰাচী শব্দ। যাৰ অর্থ 'গ্রহণ কৰা' বা 'লোৱা'।

উদ্যমিতা হ'ল অর্থিক কাম-কাজৰ এটা সংহতি য'ত উদ্যমীজনে বিপদাশংকা বহন কৰে, প্রত্যাহ্বানৰ মুখামুখী হ'বলৈ সাজু থাকে, নতুন কিবা সৃষ্টি কৰে, নবীনত্বৰ ওপৰত গুৰুত্ব প্রদান কৰা আৰু সম্পদ সংগঠিত আৰু সমন্বায়িত কৰে।

নাৰী সৱলীকৰণত উদ্যমিতাৰ ভূমিকা ঃ

নাৰী সৱলীকৰণত উদ্যমিতাৰ ভূমিকা বিশেষ গুৰুত্বপূর্ণ। উদ্যমিতা মানে হৈছে স্বতন্ত্রতা আৰু আগ্রহৰ সৈতে নিজৰ লক্ষ্যৰ পিছত ধাৱিত হোৱা এক প্রক্রিয়া। নাৰী সৱলীকৰণত উদ্যমিতাৰ ভূমিকা সম্পর্কে বিশ্লেষণ কৰিলে তলত দিয়া দিশবোৰ দেখিবলৈ পোৱা যায়।

(১) আত্মবিশ্বাস বৃদ্ধি ঃ উদ্যমিতাৰ সহায়ত মহিলাই নিজৰ সক্ষমতা বিশ্বাস কৰে আৰু যিকোনো ক্ষেত্রত সফল হ'বলৈ আগ্রহী হয়। ই তেওঁলোকৰ আত্মবিশ্বাস আৰু মানসিক শক্তি বৃদ্ধি কৰে।

(২) শিক্ষা আৰু কৌশলৰ উন্নতি ঃ উদ্যমিতাই নাৰীসকলক নতুন নতুন দক্ষতা অর্জণ কৰিবলৈ অনুপ্রাণিত কৰে। যাৰ ফলস্বৰূপে মহিলাসকল সবল আৰু আৱিষ্কাৰশীল হৈ উঠে।

(৩) নতুন সঁচা নির্মাণ ঃ উদ্যমিতাই মহিলা সকলক নিজৰ চিন্তা আৰু দৃষ্টিভংগী প্রকাশ কৰাৰ পথ মুকলি কৰি দিয়ে। ই তেওঁলোকক নতুন সৃষ্টি আৰু উদ্যোগৰ প্রতি আগ্রহী কৰে।

(৪) সমাজৰ পৰিৱর্তন ঃ উদ্যমিতাৰ জৰিয়তে মহিলাসকলে সমাজখনৰ পৰিৱর্তন সাধন কৰিব পাৰে। তেওঁলোকে বিভিন্ন ক্ষেত্রত কর্মঠ আৰু প্রভাৱশালী ভূমিকা গ্রহণ কৰে।

(৫) আর্থিক সৱলীকৰণ ঃ উদ্যমিতাই নাৰীসকলৰ আর্থিক স্বাধীনতাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই তেওঁলোকক নিজৰ উদ্যোগ আৰম্ভ কৰাত সহায় কৰে, যাৰ ফলত তেওঁলোকে আর্থিকভাৱে স্বাৱলম্বী হয়।

গতিকে আমি ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰো যে, উদ্যমিতা নাৰী সৱলীকৰণৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰেৰণাদায়ী শক্তি, যাৰ মাধ্যমেৰে মহিলা সমাজে প্ৰতিটো ক্ষেত্ৰত উন্নতি আৰু বিকাশ সাধন কৰিবলৈ সক্ষম হয়।

উদ্যমিতাৰ জৰিয়তে নাৰী সৱলীকৰণত চৰকাৰৰ ভূমিকা ঃ

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল যে, "you can tell the condition of a nation by looking at the status of its Women"- সঁচা অৰ্থত মহিলাৰ সৱলীকৰণেহে এখন দেশৰ প্ৰগতিৰ ৰথৰ ঘোঁৰাক সঠিক দিশত চালিত পৰিব পাৰে।

এই কথাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে নাৰী সৱলীকৰণৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰিছে। নাৰীসকলৰ স্বাৱলম্বী আৰু স্বনিৰ্ভৰ হৈ উঠাৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ কাৰ্যসূচী আৰু নীতি গ্ৰহণ কৰিছে। উদ্যমিতাৰ জৰিয়তে নাৰী সৱলীকৰণত চৰকাৰৰ ভূমিকা সম্বন্ধে তলত আলোচনা কৰা হ'ল—

(১) আৰ্থিক সহায় আৰু ঋণৰ ব্যৱস্থা ঃ চৰকাৰে মহিলাসকলৰ বাবে বিশেষ ঋণ প্ৰদান ব্যৱস্থা আৰু কাৰ্যকৰী উদ্যোগসমূহ আৰম্ভ কৰিছে। যাতে তেওঁলোকে নিজৰ ব্যৱসায় আৰম্ভ কৰিব পাৰে।

যেনে ঃ "মহিলা সঞ্চয়ী স্কিম"

(২) শিক্ষা আৰু প্ৰশিক্ষণ ঃ মহিলা সকলৰ শিক্ষাৰ বাবে অসম চৰকাৰ, ভাৰত চৰকাৰে বিভিন্ন আঁচনি আৰম্ভ কৰিছে। যেনে ঃ "বেটি বাঁচাও বেটি পঢ়াও" যাৰ মাধ্যমেৰে মহিলাৰ শিক্ষা আৰু কৰ্মদক্ষতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ দিয়া হয়।

(৩) স্বাস্থ্য আৰু সুৰক্ষা ঃ চৰকাৰে মহিলাৰ স্বাস্থ্য আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে একাধিক স্বাস্থ্য পৰিসেৱা কাৰ্যসূচী গ্ৰহণ কৰিছে। যেনে ঃ প্ৰজনন স্বাস্থ্য সেৱা, কেন্সাৰ স্ত্ৰীণিং ইত্যাদি।

(৪) আইনী সহায় ঃ চৰকাৰে মহিলাসকলৰ ওপৰত হোৱা সামাজিক, আৰ্থিক আৰু শাৰীৰিক শোষণৰ বিৰুদ্ধে আইনী সহায় প্ৰদান কৰে। আইনী সাহায্যৰ বাবে ন্যেশনেল লিগেল চার্ভিচ আৰু মহিলা প্ৰত্যাহাৰ কেন্দ্ৰৰ দৰে ইনষ্টিটিউট স্থাপন কৰা হৈছে।

(৫) সামাজিক সজাগতা আৰু প্ৰচাৰ ঃ চৰকাৰে মহিলা সৱলীকৰণৰ ক্ষেত্ৰত জনসচেতনতা বৃদ্ধি কৰিবলৈ বিভিন্ন অভিযান চলায়। এইবোৰৰ মাধ্যমেৰে মহিলাৰ অধিকাৰ সম্পৰ্কে জনসাধাৰণক সজাগ কৰা হয়।

এনেদৰে চৰকাৰে উদ্যমিতাৰ জৰিয়তে মহিলাৰ সামাজিক আৰ্থিক আৰু সাংস্কৃতিক উন্নতিৰ বাবে এক উপযুক্ত পৰিৱেশ গঢ়ি তুলিছে।

সামৰণি ঃ

"যত্ৰ নাৰ্যস্তু পূজযন্তে ৰমন্তে তত্ৰ দেৱতাঃ। যত্ৰৈতাস্তু ন পূজযনে সৰ্বাস্তত্ৰাফলাঃ ক্ৰিযাঃ ।।"

— এই সংস্কৃত শ্লোকটিৰ অৰ্থ এয়ে যে য'ত নাৰীসকলক পূজা কৰা হয়, সেই স্থানতে দেৱতা বসবাস কৰে। আনহাতে যি স্থানত নাৰীক পূজা কৰা নহয়, তাত সমগ্ৰ কৰ্ময়ে বিফল হয়।

গতিকে আমি ক'ব পাৰো যে নাৰী সকলৰ উন্নতি অবিহনে আমাৰ ৰাষ্ট্ৰখনৰ বিকাশ কেতিয়াওঁ সম্ভৱ নহয়। এই কথাক সৰোগত কৰি হেমচন্দ্ৰ বৰুৱাই 'অসমত স্ত্ৰী-শিক্ষা' পাঠটিত স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে উল্লেখ কৰি কৈছে যে— "যেতিয়ালৈকে তিৰোতাসকলক বিদ্যা শিক্ষা দিয়া নহয়, তেতিয়ালৈকে দেশৰ মংগল হোৱাৰ সম্ভৱনা নাই। এখন দেশক আৰু এখন ৰাষ্ট্ৰক আগু�ৱাই নিয়াৰ এক ডাঙৰ সম্পদেই হৈছে নাৰী।"

অসম চৰকাৰে আৰু ভাৰত চৰকাৰে আমাৰ ৰাষ্ট্ৰখনৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰাযুক্তিক ইত্যাদি দিশৰ বিকাশ সাধনৰ বাবে উদ্যমিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। কিয়নো দেশৰ উন্নতি হ'বলৈ হ'লে মহিলাসকলৰ সৰ্বাংগীন বিকাশ হ'ব লাগিব আৰু এই বিকাশ, উন্নতি সম্ভৱ হ'ব উদ্যমিতাৰ জৰিয়তে।

উদ্যমিতাই সমাজৰ লিংগ বিভাজনৰ সমাপ্তি ঘটাই মহিলাসকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা পৰিয়ালৰ মাজত স্থিতি উন্নত কৰাত এক সুন্দৰ আৰু প্ৰশংসনীয় ভূমিকা পালন কৰিছে।

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। 'শিক্ষা' উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পাঠ্যপুথি
২। Women and Society - Dr. K. Anil Kumar

অসমীয়া সমাজত তামোল-পাণৰ প্ৰাসংগিকতা

ধ্ৰুৱজ্যোতি কলিতা
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

আৰম্ভণি ঃ

তামোল-পাণ হ'ল অসমীয়া সমাজ জীৱনৰ এক অপৰিহাৰ্য উপাদান। তামোল এবিধ গছত লগা ফল আনহাতে পাণ হ'ল এবিধ লতাজাতীয় উদ্ভিদ। তামোল-পাণে অসমীয়া জাতীয় জীৱনত কিমান যে অৰিহণা যোগাইছে তাৰ সীমা-সংখ্যা নাই। ঔষধ, সামাজিক-ধৰ্মীয় আদি ক্ষেত্ৰত তামোল-পাণৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। ক'বলৈ গলে তামোল-পাণ অবিহনে যেন সকলো মাংগলিক কাৰ্যই আধৰুৱা হৈ পৰে। সাধাৰণতে অসমৰ গাঁওবোৰত ইয়াৰ অধিকতম প্ৰাসংগিকতা দেখা পোৱা যায় যদিও চহৰ অঞ্চলতো ইয়াৰ ব্যৱহাৰ কম নহয়। বৰ্তমান অসমত বহুলোকেই তামোল-পাণ বিক্ৰী কৰিয়েই জীবন নিৰ্বাহ কৰি আছে।

অসমীয়া সমাজত তামোল-পান ঃ

পাণ-তামোল অসমীয়া সংস্কৃতিৰ প্ৰাণ। ই আমাৰ আবেগ। ইয়াৰ অবিহনে আমি অসম্পূৰ্ণ। পাণে হাড়ে-হিমজুৰে অসমীয়া স্বকীয় সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে। খ্ৰীষ্টীয় দ্বাদশ শতিকাত ৰচিত কালিকা পুৰাণত পোন-প্ৰথমবাৰৰ বাবে ধৰ্মীয় দক্ষিণা হিচাপে তামোল-পাণ দিয়া উল্লেখ আছে। প্ৰাগজ্যোতিষপুৰ নগৰখনৰ ৰজা বলবৰ্মনে তামোল-পাণৰ গছ ৰুই সজোৱা বুলি বৰ্ণনা আছে। সপ্তম শতিকাত পোৱা শিলালিপিতো লৌহিত্যৰ পাৰত তামোল-পাণ থকাৰ উল্লেখ আছে। জনশ্ৰুতি মতে, তামোল-পাণেৰে আগুৰি থকা বাবেই প্ৰাগজ্যোতিষপুৰ নাম পাছলৈ গুৱাহাটী (গুৱা-তামোল) হয়। বাৰীত তামোল-পাণ বোৱা অসমীয়া গাঁৱলীয়া মানুহৰ যেন ধৰা-বন্ধা ৰীতি। প্ৰত্যেক অসমীয়া মানুহৰ প্ৰিয় কথা এফাঁকি মন কৰিবলগীয়া 'আগফাল শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ।' তামোল বোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে ডাক পুৰুষৰ অলেখ অমূল্য বচন আছে। তামোল-পাণে যেন ডাকৰ বচনৰ ভঁৰালকো মেটমৰা কৰিছে। পূজা-পাতলে, দায়-দোষ মুচনাৰ্থে সভা ৰভা সকলোতে ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য্য। প্ৰত্যেকজন অসমীয়াৰ ঘৰত ভাত খোৱাৰ পিছত তামোল এখন নোখোৱালৈ তৃপ্তিৰে ভাতসাজ হজম নহয়।

অসমীয়া সমাজত তামোল খোৱা অভ্যাসটো প্ৰাক আৰ্য সংস্কৃতিৰ পৰা অহা বুলি পণ্ডিতসকলে অনুমান কৰিছে। গতিকে ই আমাৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে মিলি গৈছে। বাংলা সমাজতো ইয়াৰ বহুল ব্যৱহৃত ৰূপ লক্ষণীয়। হোম-যজ্ঞত গোটা তামোল জুইত অৰ্পণ কৰা নিয়ম তেওঁলোকৰ ধৰ্মত আছে। কিন্তু বৰ্তমান আধুনিক সমাজৰ পাকচক্ৰত ইয়াৰ ব্যৱহাৰতো যেন আধুনিকতাৰ চাপ পৰিল। আজিকালি বিয়া এখনলৈ গ'লে তাহানিৰ সেই তামোল-পাণৰ বটাখনত পাণ-তামোল দেখা নাযায়। চফেৰে পৰিপূৰ্ণ বটাখন আগবঢ়াই দিয়ে। নোসোধালৈ পাণ-তামোল হাতত নপৰে। আমাৰ পৰম্পৰাগত সাংস্কৃতিক আধুনিকতাৰ ধামখুমীয়াই গ্ৰাস কৰিবলৈ উপক্ৰম হৈছে। এনেকৈ অব্যাহত থাকিলে পাণ-তামোল কেৱল ইতিহাসব পৃষ্ঠা দখল কৰিবলৈ সক্ষম হ'ব।

এইবোৰ দৃশ্যই জানিবলৈ দিয়ে অসমীয়া সমাজ আৰু তামোল-পাণৰ নিবিড় সম্পৰ্কৰ কথা। শংকৰ-মাধৱ দুজনা গুৰুৱে প্ৰৱৰ্তন কৰা নৱ বৈষ্ণৱ ধৰ্মতো তামোল-পাণক নৈবেদ্যৰ স্থান দিয়া হয়। সনাতন বৈদিক তথা বৈষ্ণৱ সমাজ ব্যৱস্থাত ঈশ্বৰ উপাসনাৰ পৰা প্ৰতিটো মাংগলিক কাৰ্য, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আৰু সেৱা-সকামত নৈবেদ্য ৰূপতো ব্যৱহাৰ কৰা হয় তামোল-পাণ। তদুপৰি মুখশুদ্ধি ৰূপতো ব্যৱহৃত এই গুৱাপাণ গৃহস্থী ঘৰত অতিথি আপ্যায়ণৰ প্ৰথম ব্যঞ্জন।

অতিথি পৰায়ণ অসমীয়া সমাজত গৃহস্থই গুৱাপাণৰ বটা আগবঢ়াই প্ৰথমে অতিথিক আপ্যায়ন তথা সেৱা-সকাম, মাংগলিক কাৰ্য, বিবাহ অনুষ্ঠান আদিত বাৰেগএগ ভকতক তামোল-পাণৰ শৰাই আগবঢ়াই নিমন্ত্ৰণ জনোৱা হয়। তাৰোপৰি কাৰোবাৰ বিপদ-আপদত

তামোল-পাণৰ শৰাই আগবঢ়াই ৰাইজৰ সহায় মাগিলে গাঁৱৰ ৰাইজে পৰিয়ালটোক সর্বতোপ্রকাৰে সহায়-সহযোগ কৰি উদ্ধাৰ কৰে।

সামাজিক অপৰাধ, দায়-জগৰ নিষ্পত্তিৰ ক্ষেত্ৰত গ্ৰাম্য সমাজত মোক'দ্দমা প্ৰয়েই গুৰা দণ্ড লৈ নিষ্পত্তি কৰা হয়। মেলত দণ্ডণীয় অপৰাধত অর্থসহিত গুৰাদণ্ডক গুৰু শাস্তিৰূপে বিবেচনা কৰা হয়। যাৰ বাবে সমাজত গুৰা দণ্ড দিব লগা হোৱাটো সকলোবে বাবে এক চৰম অপমান। আনহাতে তামোল-পাণে গ্ৰাম্য অর্থনীতিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। এটা পৰিয়াল এখন তামোল-পাণ বাৰীৰ পৰা হোৱা উপার্জনে পৰিয়াললৈ জীৱন নির্বাহৰ সকাহ দিয়ে। এবাৰ ৰোপণ কৰাৰ পাছত বহু বছৰলৈ ফল দিয়া তামোল গছতে পাণ খেতি কৰি বছৰ বছৰ ধৰি উপার্জন লাভ কৰিব পাৰি। যাৰ বাবে তামোল-পাণে গ্ৰাম্য অর্থনীতিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। গ্ৰামাঞ্চলৰ প্ৰতিটো কৃষিজীৱী পৰিয়ালে বাসগৃহৰ লগতে পাতে পাণ-তামোলৰ বাৰী। অসমীয়া সমাজ ব্যৱস্থাত প্ৰতিটো ক্ষেত্ৰত অপৰিহার্য বহু ঔষধি তামোল-পাণৰ এখন সুকীয়া বজাৰ আছে বাজ্যৰ সকলো স্থানত। এসময়ত অসমৰ তামোল-পাণ আৰু চুপাৰি বহিঃৰাজ্যলৈও বপ্তানি কৰা হৈছিল। সাম্প্ৰতিক সময়ত বানপানী আৰু আন বহু কাৰকৰ বাবে গ্ৰামাঞ্চলত তামোল-পাণৰ উৎপাদন ক্ৰমাৎ হ্ৰাস হ'বলৈ ধৰিছে। যাব বাবে বহিঃৰাজ্যৰ তামোল-পাণে দখল কৰিছে অসমৰ বজাৰ। ফলস্বৰূপে আৰম্ভ হৈছে চুপাৰি ছিণ্ডিকেটৰ দৰে কলা বেপাৰ।

ইয়াৰ মাজতো গ্ৰাম্য অর্থনীতিৰ ভেটিস্বৰূপ তামোল-পাণৰ আদৰ-সম্মান কোনো গুণে ম্লান হোৱা নাই।

ধর্মীয় ৰীতি-নীতি আৰু তামোল-পাণ ঃ

পূজা-উপচাৰৰ অন্যতম উপকৰণ স্বৰূপে দশম শতিকাত ৰচিত কালিকা পুৰাণেই সর্বপ্রথম তামোলক গণ্য কৰিছে (তাম্বুল দক্ষিণা)। সপ্তম শতিকাৰ আদিত্যসেনৰ তাম্ৰলিপিত লৌহিত্যপাৰৰ ৰমণীয় তামোল-পাণৰ বাৰীৰ ছাঁত সিদ্ধসকলে শয়ন কৰা বুলি উল্লেখ আছে। সংস্কৃত সাহিত্যত কর্পূৰ, কংকাল, লবঙ্গ জাতি ফলৰ লগত মহিলাই তামোল খোৱাৰ নিয়ম বুলি কোৱা হৈছে। এই আটাইকেইটা মিলি হৈছে-'পঞ্চসুগন্ধিকম'। ভাৰতীয় ধর্ম আৰু সংস্কৃতিত পঞ্চ শব্দটিৰ যাদুকৰী প্ৰভাব পঞ্চামৃত, পঞ্চগব্য, পঞ্চপল্লৱ, পঞ্চৰত্ন, পঞ্চশৰ, পঞ্চগুণ, পঞ্চসৌন্দর্য (চুলি, মাংস, অস্থি, ছাল আৰু যৌৱন), পঞ্চযজ্ঞ, পঞ্চ মহাশব্দ (এই শব্দটো ভাস্কৰবর্মাৰ নিধনপুৰ লিপিত আছে) আদি নামৰ পৰাই উপলব্ধি হয়। আয়ুর্বেদ শাস্ত্ৰ পঞ্চমূলৰ (পাঁচবিধ মূলৰ সংমিশ্ৰণ) উল্লেখ আছে। ইয়াৰ ভিতৰত পঞ্চকোল (পিপলি, আদা আদি), পঞ্চতিক্ত (নিম, বাহক ইত্যাদি), পঞ্চমূল কন্টক (লেটাগুটি, শতমূল আদি), তৃণ পঞ্চমূল (কুশ, কহুৱা, কুহিয়াৰ আদি), পঞ্চলবণ (সৈন্ধৱ, ভোট, লোণ আদি) পঞ্চবল্কল (আঁহত, ডিমক, বেত আদিৰ ছাল)ৰ উল্লেখ আছে।

তামোল হ'ল ৰোল মাৰিৰ দৰে এডাল দীঘল গছ আৰু পাণ হ'ল তামোল গছত বগোৱা এডাল লতা জাতীয় গছ। তামোল গছৰ ওপৰত পাতৰ তলতে লগা এটি ফল আৰু পাণ হ'ল লতাডালৰ পাত। তামোল-পাণ এটা আনটোৰ পৰিপূৰক। এটাৰ অবিহনে আনটো নিষ্ফল। শাস্ত্ৰ অনুসৰি তামোল-পাণৰ এটি আখ্যানো পোৱা যায়। এদিন কৃষ্ণই ৰাধাক নোকোৱাকৈ বিজেতাৰ ঘৰলৈ গ'ল। ৰাধাই জানিব পাৰি কথাৰ সত্যতা প্ৰমাণ ল'বলৈ বিজেতাৰ ঘৰ ওলোৱাত শ্ৰীকৃষ্ণই ৰাধা আগমনৰ গম পাই তেওঁ নিজৰ ৰূপ সলাই তাতে এজোপা তামোল গছ হৈ পৰিল আৰু বিজেতায়ো সেই জোপা তামোলতেই-পাণে গছ হৈ বগাই পৰিল। তামোল গছৰ ফল 'তামোল' আৰু পাণ গছৰ 'পাণ' হয়। তামোলক যোৱা (দুটা) বা হালি (চাৰিটা) বুলি গণনা কৰা হয়। আনহাতে পাণক বিজেতাৰ পৰা হোৱাৰ বাবে বীৰা হিচাপে গণনা কৰে। উক্ত ফল বৈকুণ্ঠৰ, আৰু দেৱ-ভোগ্য দেৱতাৰ বস্তু হয়। নাৰদ মুনিয়ে এই ফল বৈকুণ্ঠৰ পৰা মানৱৰ ভোগৰ বাবে পৃথিৱীলৈ আনি পৃথিৱীত বিলাই দি এক উচ্চ মানদণ্ডৰ সামগ্ৰী কৰিলে।

ধর্মীয় আৰু সামাজিক অনুষ্ঠানসমূহত গুৰাপাণ বা তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত অপৰিহার্য। তামোল-পাণ আগবঢ়াইহে যিকোনো ধর্মীয় আৰু সামাজিক অনুষ্ঠান আৰম্ভ কৰা হয়। আনকি আলহী-অতিথিকো অতি সন্মানৰ চিন উৎসব-পার্বণৰ বাবে গায়ন-বায়নৰ দল নিমন্ত্ৰণ কৰি আনোতে আৰু সেইদৰে গায়ন-বায়নৰ বা নাম-কীর্ত্তন আৰম্ভ কৰোতে তামোলৰ শৰাই আগবঢ়োৱা নিয়ম আছে। বিহুৰ দিনা মান্য লোকক সেৱা-সৎকাৰ কৰোতে, শিক্ষাগুৰুক সেৱা কৰোতে তামোল-পাণৰ ব্যৱহাৰে গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আহিছে। বহাগ বিহুৰ সময়ত গৃহস্থই বিহুৱা দল বা হুচৰি দলক ফুলাম গামোছাৰে সৈতে তামোল-পাণ এথোক দি সেৱা কৰে আৰু বিহুৱা দল বা হুচৰি দলে মঙ্গলাশীর্বাদ দিয়াৰ প্ৰথা অতীতৰ পৰা প্ৰচলিত হৈ আহিছে।

ধর্মীয় কার্যৰ পূজা-পার্বণ, নাম-প্ৰসঙ্গ আদিৰ বাবে যি নৈবেদ্য আগবঢ়োৱা হয় সেই নৈবেদ্যৰ লগতো তামোল-পাণ অপৰিহার্য। পূজাৰ পুৰোহিত আৰু নামৰ পাঠকক তেখেতসকলৰ দায়িত্ব অর্পণ কৰাৰ সময়ত তামোল-পাণ আগবঢ়োৱা হয়। দীক্ষা লোৱাৰ সময়ত গুৰুৰ ঘৰলৈ গৈ তামোল-পাণৰ শৰাই আগবঢ়োৱাৰ উপৰি পৰৱর্তী সময়ত গুৰুক সাক্ষাৎ কৰোতেও তামোল-পাণ আগবঢ়াই মান ধৰাৰ নিয়ম

আছে। বেজ, ওজা, জ্যোতিষী আদিৰ ওচৰতো তামোল-পাণ আগবঢ়াব লাগে। অসমীয়া লোকে দৈৱ ভাগ্য আদি বিশ্বাস কৰে। ভাগ্যচক্রত পৰি কোনো বিপদ-আপদ, অপায়-অমঙ্গলৰ সন্মুখীন হ'লে সেই বিলাকৰ পৰা পৰিত্রাণ পাবলৈ কোনো দেৱ-দেৱী পূজা-অর্চনা বা নাম-প্রসঙ্গ আদিৰ বাবে মানস কৰে। মানস কৰাৰ সময়ত তামোল-পাণ এযোৰ কলপাতেৰে মেৰিয়াই থৈ দিয়ে আৰু যথা সময়ত মানস কৰা শুভকার্য ফেৰা সম্পন্ন কৰে।

তামোলে অসমীয়া সমাজখনত ইমানেই প্রভাৱ পেলাইছে যে যাৰ লগত উপমা দি বিহুগীত ৰচিত হৈছে —

'দেখিবলৈ শুৱনি তোমাৰ বুকুখনি
কুমলীয়া তামোলৰ থোক।
মিচিকিয়া হাঁহিটি লাহৰী ওঁঠতে
কোনসতে এৰি যাওঁ তোক।।

তোমাৰ কটা তামোল নেখাও ঐ লাহৰী
আমাৰে মৰিব কুল।

থুৰিয়াই কাটিলা তামোল তিনিখনি
নুৰিয়াই বান্ধিলা পাণ।
তামোল তিনিখনি খাবৰে পৰা
পাহৰি থকাটো টান।।

কাতি বিহুৰ দিনা পথাৰত আকাশ বাতি দিওঁতে প্রথমে কেঁচা তামোল ব্যৱহাৰ কৰা হয়। আৰু সেইদিনাৰ পৰাই কেঁচা তামোল খোৱাৰ নিয়ম। পকা তামোল মাটিত পুতি থৈ সাঁচি থোৱাৰো নিয়ম আছে।

লখিমী সবাহৰ নামতো তমোল-পাণৰ বিষয়ে উল্লেখ আছে-

ঠায়ে মচি দিয়া পাতে পাৰি দিয়া
লখিমী আই আহিলে বুলি
ৰঙালী ৰঙা পাণ গুৱা মাটি দিয়া
গুৱা ভালে কৰি তুলি।।

এনেদৰে বিভিন্ন পৰিৱেশত বিভিন্ন ধৰণৰ বিহুগীতত তামোল-পাণৰ উল্লেখ আছে।

প্রেম নিবেদনৰ ক্ষেত্রত তামোল-পাণ ঃ

প্রেমৰ ক্ষেত্রটো তামোল-পাণে বিশেষ তাৎপর্য বহন কৰি আহিছে। তামোল-পাণে ডেকা-গাভৰুৰ হিয়াৰ আদান-প্রদানৰ মাধ্যম হিচাপে কাম কৰে। তামোলে আনকি ডেকাৰ অন্তৰৰ বেদনাও প্রকাশ কৰে। 'লোকলৈ চুপতি কৰা নাই লাহৰী মনত কথাষাৰ আহে, তামোল হোৱা হ'লে ফালি যেন দেখুৱাম ভিতৰত কি কথা আছে।' অসমীয়া সংস্কৃতিৰ অন্যতম লোকগীত সমূহত বহল অংশত তামোলক প্রেম-ভালপোৱাৰ প্রতীক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।

লোহাৰ শিকলিৰে বান্ধি ৰাখিব নোৱাৰা ডেকা-গাভৰুৰ অফুৰন্ত যৌৱনৰ মনটো মাত্র তামোল খনেই বান্ধিব পাৰিছিল। এই তামোলখনেই প্রেমত বলিয়া ডেকা-গাভৰুৰ যৌৱনৰ অফুৰন্ত ভাৱ প্রকাশ কৰিব পাৰিছে। অতীতত ডেকাই-গাভৰুক তামোল এখন খোজাৰ কৌশলেৰে প্রেম যাচিছিল আৰু গাভৰুৱেও কটা তামোলখনি দি হিয়া উবুৰিয়াই যচা প্রেমৰ আশা দিছিল। কোনো কালেই ডেকাক নিৰাশ নকৰিছিল। থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিল, তাৰ মাজতে দিছিল লং আদি বিহুগীতৰ মাধ্যমেদি ডেকা-গাভৰুক পৰস্পৰে-পৰস্পৰক নিচেই কাষলৈ চপাই আনে। ডেকাই গাভৰুৰ পৰা নিজে কটা তামোল পালে মনৰ আনন্দত আত্মহাৰা হয় আৰু জীৱনত সার্থকতা পাইছো বুলি বিশ্বাস কৰে।

থুৰিয়া তামোলখনিত নিহিত যাদু আছে, অকৃত্রিম ভালপোৱাৰ চেনেহ আছে, যুৰীয়া জীৱনৰ সুৰীয়া মাত আছে, যৌৱনৰ বিজয় ডংকা আছে, নিষ্কলংক প্রেমৰ অমোঘ অস্ত্র আছে। তেনে মন্ত্রাবৃত্ত তামোলখনি ডেকাই নাখাই থাকিব নোৱাৰে আৰু খালেও হেপাঁহ নপলায়।

নেখায়ো নোৱাৰো খালেও নামোৱায়।
চেনাইৰে তামোল খনি
থুৰিয়া তামোলেৰে আহুদি কৰিলি
মোৰ গাত লাগিছে শনি।।

অতীজত তামোলৰ লগত আহুদি দি মানুহৰ মন ভোলাইছিল। যাৰ ফলত মৰমৰ গাভৰুজনীৰ বাবে অলিয়া-বলিয়া হৈ পৰিছিল, যাৰ ৰাগি কিমান নিয়ম, কিমান অসহ্য বেদনাসিক্ত। কিমান কর্কশ, কিমান কঠোৰ সেয়া বিহুগীতত সুন্দৰকৈ প্রতিফলিত হৈছে-

কি কথা কৰিলা কি বুদ্ধি কৰিলা
থুৰিয়া তামোলৰ লগত।
খাওঁতে শোওঁতে উঠোতে বহোতে
সদায় পৰি থাকে মনত।।

বিয়া-বাৰুৰ ক্ষেত্রটো তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত এৰাব নোৱাৰা। আগৰ দিনৰ ল'ৰাৰ ঘৰৰ ফালৰ পৰা ছোৱালী বিয়াৰ প্রস্তাৱ দিয়া অর্থাৎ ছোৱালী খুজিবলৈ যাওঁতে দৰা ঘৰৰ মানুহে লগত

থোক তামোল নিয়াৰ নিয়ম আছে। তাৰ পিছতহে দুয়োপক্ষৰ মাজত মত বিনিময়ৰ অন্তত ল'ৰা-ছোৱালীৰ মাজত বিয়াৰ বন্দোৱস্ত হয়। গৃহস্থজনৰ কাৰণে অকলে ৰভা-পৰলা দি, নিমন্ত্রিতক আদৰ-আপ্যায়ন কৰি বিবাহৰ সকলো কার্য এককভাৱে সমাধান কৰাটো সম্ভৱ নহয়। তেনে ক্ষেত্রত তামোল-পাণৰ শৰাইৰে সৈতে সমাজৰ লোক সকলৰ আগত আঁঠু লৈ সহায় বিচাৰিলে, বিবাহনুষ্ঠান সুকলমে সমাধা কৰাত সকলোৱে লগ লাগি সহায় কৰি দিয়ে।

বিবাহ, উপনয়ন আদি অনুষ্ঠানলৈ অভ্যাগত নিমন্ত্রণ কৰোতে আগ-গুৰি কটা তামোল-পাণ শৰাইত সজাই শৰাই ঢকাৰে ধাকি সম্ভ্রমেৰে নিমন্ত্রণ কৰাৰ নিয়ম আছে। বর্তমান যুগত ছপা চিঠিৰ প্রচলন যদিও বিশেষ-বিশেষ ব্যক্তিক নিমন্ত্রণৰ ক্ষেত্রত তামোল-পাণৰ ব্যৱহাৰ এতিয়াও প্রচলিত। নিমন্ত্রিত অতিথিক আহি পোৱাৰ লগে লগে আৰু যোৱাৰ সময়ত কটা তামোল-পাণ আগবঢ়োৱাটো প্রচলিত ৰীতি।

বিবাহনুষ্ঠানত দৰাৰ ঘৰৰ পৰা কইনাক জেৰোণ পিন্ধাবলৈ যাওঁতে দৰাঘৰৰ মানুহে লগত থোক তামোল-পাণ লৈ যায়। পদুলিমুখত কইনাঘৰৰ লোকে দৰাঘৰীয়া জোৰোণৰ দলটোক আদৰোতে থুৰীয়া তামোলেৰে ভৰা শৰাই সলনা-সলনি কৰে। বিবাহৰ কাৰণে দৰা-কইনাৰ ঘৰলৈ আহোতে পদুলি মুখত কইনাৰ ঘৰৰ পৰা দৰাক আদৰিবলৈ থুৰীয়া তামোল-পাণৰ প্রয়োজন হয়। দৰা-কইনা ঘৰ গৈ পোৱাৰ পিছত ঘৰৰ ভিতৰত থকা কইনাজনীক ৰভাতলৰ বিবাহস্থলীলৈ উলিয়াই দিবলৈ দৰাঘৰৰ ফালৰ পৰা কইনাঘৰক অনুৰোধ জনাব লগা হয়। তেতিয়াও তামোল-পাণৰ শৰাই প্রয়োজন হয়। দৰাৰ সম্বন্ধীয়া জ্যেষ্ঠ জনক কইনাৰ ফালৰ পৰা আৰু কইনাৰ সম্বন্ধীয়া জ্যেষ্ঠ জনক দৰাৰ ফালৰ পৰা সন্মান জনোৱাটো এটা পৰম্পৰা। ইয়াক 'মান ধৰা' বুলি কোৱা হয়। এই মানধৰা পর্ব পালন কৰোতে মান্যানুসাৰে চাদৰ, গামোছা আদি বস্ত্রৰ লগতে গোটা তামোল-পাণ আগবঢ়াই সন্মান জনোৱা হয়। বিবাহকার্য সম্পন্ন হোৱাৰ পিছত কইনাক দৰা ঘৰলৈ উলিয়াই পঠিওৱা হয়। বিয়াৰ দিনা পুৱতি নিশা দৰাৰ ঘৰত দৰাক আৰু কইনাৰ ঘৰত কইনাক ঘৰৰ দুৱাৰ মুখত ভিতৰমুৱাকৈ বহুৱাই আয়তী সকলে দুখন পাণত দৈ লগাইলৈ দুয়োখন পাণ দুহাতত লৈ দৰা-কইনা উভয়ৰে গাল-মুখ, হাত-ভৰি আদি বিভিন্ন অংশত সানি দিয়ে। ইয়াক দৈয়ন দিয়া বুলি কয়। বিবাহ-কার্যৰ অন্যান্য পর্বতো তামোল-পাণৰ ব্যৱহাৰ হয়। বিবাহ কার্য আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে দৰা-কইনা উভয়েই এযোৰ তামোল-কটাৰী ৰখাৰ বিধি। আনকি বিবাহ কার্যত কইনাক পাণ গছ কাই পিতৃৰ গোত্র ত্যাগ কৰি স্বামীৰ গোত্র গ্রহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত গ্রহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত পাণ ছিণ্ডি দৰা-কইনাৰ বিবাহ বিচ্ছেদ ঘটোৱা প্রথা প্রচলিত।

আহোম চকলং বিবাহ পদ্ধতিতো তামোল-পাণৰ প্রয়োজনৰ বিষয়ে বুৰঞ্জীত আছে। কাঁহৰ বাটি এটা ভৰাই দৈ, আৰাঁ গাখীৰ, মৌ, ঘিঁউ মিহালোৱা পঞ্চামৃত এবাটি আনি ৰজাৰ ওচৰত দিব। তাৰে পৰা আঙ্গলী লগাই আনি মুখলৈ টোৱাই সুঙ্গি পেলাই খৰিকা লৈ মুখে পানী লৈ তামোল চোবাব। এইদৰে পুনঃ পুনঃ ঐকৈশ বেলি পঞ্চামৃত সুঙ্গি ২১ ডাল খৰিকা, ২১ চলুপানী, ২১ খন থুৰীয়া তামোল চোৱাই পেলাব পায়।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া গাঁৱলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া মানুহৰ প্রিয় কথা এফাঁকি মন কৰিবলগীয়া। ছোৱালীজনী বিয়া দিওঁতে সকলোৰে দুখ লাগে। সেয়ে বিয়ানামত গোৱা হয়, 'আগফাল শুৱনি ককিনী তামোলে পাছফাল শুৱনি পাণ, বৰঘৰ শুৱনি জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান।'

ইয়াৰ উপৰিও দৰৱ আৰু মন্ত্র হিচাপেও তামোল পাণৰ ব্যৱহাৰ কৰা হয়। মানুহৰ উপৰিও কের্কেটুৱা, বান্দৰ, বাদুলি আদিৰ বাবে তামোল এক উপাদেয় আৰু মুখ্য খাদ্য। পৰুৱা, টোকোৱা চৰাই আদি বিভিন্ন জীৱ-জন্তুৰ উপৰিও তামোল গছে মানুহৰ বাবে অতি মূল্যৱান কপৌফুল, পান আৰু জালুকৰ দৰে প্রয়োজনীয় উদ্ভিদকো আশ্রয় প্রদান কৰে। শেষত ক'ব পাৰি যে, তামোল-পাণৰ স্থান অসমীয়া সমাজ জীৱনত ইমানেই উচ্চ যে ই লোক-সংস্কৃতিৰ প্রতিটো দিশৰ সৈতে সংলগ্ন হৈ আছে। তামোল-পান অবিহনে যেন অসমীয়া সমাজৰ জীৱন অচল।

সহায়ক গ্রন্থপঞ্জী ঃ

১) বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি - বীণা লাইব্রেৰী, গুৱাহাটী, অসম।

২) গগৈ, চাও লোকেশ্বৰ ঃ অসমৰ লোক-সংস্কৃতি (২) ক্রান্তিকাল, প্রথম প্রকাশ, ফেব্রুৱাৰী ২০১১ চন।

৩) বর্মন, সদানন্দ ঃ অসমৰ ভিন্ন গোষ্ঠীৰ সংস্কৃতি প্রথম প্রকাশ, ২৬ নৱেম্বৰ ২০০৩ চন।

৪) দাস, অংশুমান (সম্পা) ঃ অসমৰ জনগোষ্ঠীৰ লোক খাদ্য প্রথম প্রকাশ, চেপ্তেম্বৰ ২০২১ চন।



গল্প

"এমুঠি বালিয়ে যেনেকৈ চাহাৰাৰ বার্তা বহন কৰে
তেনেকৈ নব তাৎপর্যমণ্ডিত সাধাৰণ প্রতীতিয়ে গল্পকাৰৰ কলমৰ মাজেদি কোনো সমাজ,
জাতি বা কোনো দেশৰ বিপুল সত্যক ব্যক্ত কৰে। "

— নাৰায়ন গঙ্গোপাধ্যায়

মন মৰা তৰা

জিন্তু গীতার্থ
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয় তথা বিশিষ্ট গল্পকাৰ

মোৰ পেছা বুলিবলৈ একো নাই। বাৰে ভচহু গাজা কথা লিখা, গল্প গুজৰ কৰি ভালপোৱা মানুহ। মই বহুদিন অ'ত ত'ত ঠেকি ঠেকি অৱশেষত ঘূৰি আহিছোঁ মোৰ নিজৰ ঠাইখনলৈ। ইয়াতো আহি এতিয়া ধদুৱা নামটোহে পাইছোঁ। দিনৰ দিনটো তিনি আলিত আড্ডা বহে। আড্ডাবোৰকেই ৰাতি ৰাতি কলম পিহি পিহি কাগজত মলো; আৰু আলোচনী পেপাৰলৈ পঠিয়াই দিওঁ। ঘটনাটো হোৱাৰ আজি কেইবাদিনো হ'ল। সেইদিনা আড্ডাৰ পৰা উঠি আহোতে মুনিচুনি বেলা বাটতে মই লগ পাই গ'লো ভদ্রে ছাৰক। আমাৰ একালৰ অংকৰ শিক্ষক ভদ্রে ছাৰ। অঘটনটো ঘটিল ঠিক সেইখিনিতে। আৰু তাৰ পৰাই এই ওলাও ওলাও কৰা ফুটা নুফুটা এটা গল্পৰ আৰম্ভণি।

ৰ'দ হালি পৰিছিল। ফেৰফেৰ কৰে বাঢ়ছিল ফাগুনমহীয়া বতাহ। ভদ্রে মাষ্টৰৰ গাল মুখ একেবাৰে ৰঙা পৰি আহিছে,। লাফ মাৰি নামি চাইকেলখন আওজাই থৈ মানুহটো একেবাৰে কাঁথিতে বহি পৰাৰ উপক্রম হ'ল। ঠিক পিয়াহ নে ঊশাহ ল'ব নোৱৰা কষ্ট এটা ডিঙিলৈ উজাই আহিল, মাষ্টৰে ধৰিব নোৱাৰিলে। কাঁথিৰ ছাঁডোখৰত বহি তেওঁ ছার্টৰ বুটামকেইটা কোনোমতে খুলিলে। মাষ্টৰে দীঘল দীঘলকৈ ঊশাহ ল'বলৈ চেষ্টা কৰিছিল।

দীঘলকৈ ঊশাহ লৈ আছিল মাছকেইটায়ো।

পুৱাই বাৰী পাছৰ খালটোত কুঢ়িমাছ কেইটামান টুপাই থৈছিল। তাকে চালনিখনেৰে ঢাকোন দি ওপৰত মৈদাখন থৈ মাষ্টৰ গৈছিল টাউনলৈ চুগাৰ জুখিবলৈ বুলি। এইদৰে চুগাৰ জুখিব যোৱাৰ দিনা মাষ্টৰৰ বৰ কষ্ট হয়। হ'বৰে কথা। প্রথমে একো নোখোৱাকৈ এবাৰ ব্লাড দিয়ে; আকৌ কিবা এটা খাই উঠি আধা ঘন্টা ৰৈ ব্লাড দিয়া — কষ্ট হয়, মাষ্টৰৰ কষ্ট হয়। ভাগৰ লাগি আহে। হাত ভৰি জিনজিনাবলৈ ধৰে।

জিনজিননি এটা বাঢ়ি আহিছে চুবুৰীটোতো ।

মানুহমখাই কোৱাকুই কৰিছে, স্কুল এইবাৰ নাথাকিব কিজানি।

দুই একে কয় - 'আই চিকো, বেৰা চাইৰখানে দি স্কুল কেইদিন চইলবু এ !'

মাষ্টৰে পাৰে মানে চকু কাণ মুদি ৰাখিব যতন কৰে। আজিকালি বেছি ভাব চিন্তা কৰিলেই কিবা কিবা গধুৰ গধুৰ ভাৰ এটাই হেচা মাৰি ধৰিব খোজে। বুকুত শিল এটা বহি ৰোৱা যেন লাগে।

মাষ্টৰে লাহেকৈ উঠি দমকল মাৰি দুইহাতেৰে পানী খালে।দেহাটো অলপ শাঁত পৰাত কাপোৰযোৰ সলালে। আঢ়ৈহতীয়া গামোছাখন পিন্ধি এইবাৰ দমকলৰ পাৰত মাছকেইটা বাছিবলৈ ধৰিলে। এনেদৰে মাছ বাছিবলৈ ল' লেই ভদ্রেশ্বৰৰ মনত পৰে বাপেকলৈ। বাপেক কান্তিকান্তক এইখণ্ডৰ ল'ৰা ছোৱালীয়ে ভূত দেখা দিছিল। কান্তিকান্তহঁতেই লাগিভাগি চুবুৰীটোতে স্কুলখন পাতিছিল। বাপেকৰ কথামতে সি টাউনৰ কলেজখনৰ পৰা অংকশাস্ত্রত বি এচি কৰিছিল আৰু গাওঁতেই পতা স্কুলখনত সোমাইছিল। পাছত এদিনীয়া জ্বৰত বাপেক ঢুকোৱা আৰু তাৰো পাছত সবিতাক নিজৰ কৰি লোৱা- সেয়া আছিল অন্য কাহিনী। অথচ মাকৰ শেষ সময়ৰ কেঞ্চাৰত একো কৰিব নোৱৰা দুখটোৱে এতিয়াও তাক শেলাইৰ দৰে ছানি ধৰিব খোজে।

শেষ সময়ত বৰ কষ্ট খালে মানুহজনীয়ে। শুকাই খীনাই জেং খৰিৰ ৰূপ লৈছিল একেবাৰে। আৰু সি? সি একোৱেই কৰিব নোৱাৰিলে মানুহজনীক জুই দিয়াৰ বাদে। সেইকুৰা জুয়ে আজি পর্যন্ত তাৰ চেতনাৰ নৈৰাজ্যত ফুঁহি ফুঁহি জ্বলি থকা নাই নে! তাৰ ঘৰত? বাহতলত? চুবুৰীটোত ? দেশত?

মাজতে ভাবিছিল টাউনলৈ গৈ গুমটি দোকান এখনকে দিব। স্কুলখনত এতিয়া মৰি গ'লেও আৰু কোনেও ল'ৰা ছোৱালী নপঠিয়াই। গাওঁখনৰ ল'ছালি মখাই জোতা মোজা পিন্ধি গপগপ কৰে টাউনৰ স্কুললৈ যায়। কাগজে কলমেহে ল'ৰা ছোৱালী দেখুৱাই চলি আছে।

দৰমহা নাপালে কি হ'ল ! ছাত্র ছাত্রীৰ নামত মাহে অহা ৰেচনখিনিতো আটি যায়। তাকে মনু মাষ্টৰে ভাগ কৰে। হেডমাষ্টৰ মনুৰ নামেদি সকলোৱে কয় এতিয়া মনুৰ স্কুল। মনুৰ স্কুলত এতিয়া চাৰিবেৰৰ শূন্যতাৰ বাদে আন একো নাই। তথাপি; তথাপি ভদ্রে মাষ্টৰে মনে মনে আশা এটা কৰি চায়; বোলে আন নহ'লেও অতদিনে খাতি থকা পইচাকেইটা পালেও বহুত। মাজতে ভাবিছিল গধুলিবেলা তিনি আলিটোতে চাহ পকৰীৰ দোকান এখন বহুওৱাৰ কথা। পাছে মাষ্টৰে টিউচন দুটাৰ মোহ এৰিব নোৱাৰিলে। পায়নো কেই পইচা ? ৰাতকুছিৰ দখেইনীৰ পুতেকক আৰু গণেশৰ পুতেকক অংক পঢ়ুৱায় মাষ্টৰে। মাহৰ মূৰত টকা দুশ হাতত পৰেহি। মাষ্টৰৰ পেডেল মাৰোতে ক্ষয় যোৱা চেণ্ডেলযোৰো এতিয়া সেই দুশ টকাত পোৱা যায় নে ?

—নাই নাই; ভাবিবলৈ মন নাযায় মাষ্টৰৰ ।

হেৰুকত শিয়ালৰ হোৱা শুনা গ'ল।

এই অপস্তকত শিয়ালৰ হোৱা শুনি মাষ্টাৰৰ সচকিত হৈ উঠিল। কিবা এটা হ'ব। নিশ্চয় কিবা এটা হ'বলৈ গৈ আছে। এই কিবা এটাৰ আশাতেইতো অতদিন ৰৈ থাকিল মাষ্টৰমখা। সেই জুমটোৰ মাজতে সকলোৰে দৰে ৰৈ আছে ভদ্রে মাষ্টৰ।

মাষ্টৰে মাছকেইটা ধুই মেলি চালনিখনত পানী সৰকিব দিলে। এইবাৰ ৰ'দ পৰা ডোখৰতে আঠু মেলি বহিল। আঠুৰ ঘিলা দুটা টনটনাই উঠিল।

আজিকালি এনেকৈ বহিলে আৰাম লাগে মাষ্টৰৰ। মাষ্টৰে মনতে হিচাপ এটা কৰি চাব খোজে। কিমান বছৰ ? কিমান বছৰ হ'ল এনেদৰে কিবা এটা হ'ব বুলি ৰৈ থকা। যোৱাবাৰ আকৌ সেই এসোপামান ধন ভৰি ডি এল এডতো নাম লগালে। মাষ্টৰে শুদ্ধকৈ হিচাপটো উলিয়াব নোৱৰা হয়।

বেলিটো বাৰীৰ একেবাৰে পাছফাল পাইছিলগৈ। বতাহৰ সো সো শব্দৰ লগত শুকান বাঁহ পাত ভাঁহি ফুৰিছিল।

মাষ্টৰে মানুহজনীলৈ ৰৈ নাথাকো, মাছকেইটা ভাজোগৈ বুলি উঠিব খোজতেই ফোনটো বাজি উঠিল। সিমূৰত স্কুলৰ হেডমাষ্টৰ মনু। - 'ভদ্রে আছ ক'ত ?'

-'ঘৰতেই ৰ'ব।' মাষ্টৰৰ মাতটো ভাগৰুৱা শুনা গৈছিল।

-'গম পাইছ নাহ নাই ? গুণোৎসৰৰ কথা যি চল্‌ছি।'

-'শুনাতে শুন্‌ছু। কি বা হয়ে ইতিয়া।'

-'ইবাৰ যি ৰাখ্‌বা পাৰিম আশা দেখা নাই দে আৰ। গেল আৰ সৰ ভাঁহি।' মনু মাষ্টৰৰ মাতটো বৰ কৰুণ শুনা গৈছিল। ফাগুনমহীয়া বতাহৰ হৰহৰ শব্দ আৰু শুকান পাতৰ মাজত ভদ্রে মাষ্টৰ পোত যাব খোজে। বেলাটো পৰি আহিল।

ভদ্রে মাষ্টৰৰ গা একেবাৰে ভাল নহয় ।

গা নে মন ?

দুপৰীয়া ভাতকেইটাও ভালদৰে খাব নোৱাৰিলে। সবিতাই দোকান এৰা দি আহি ঘৌৰাদৌৰা দি ভাত খাইছে আৰু দোকানলৈ লৰ মাৰিছে।তাইৰ চাবলৈ, ৰ'বলৈকে সময় নোহোৱাৰ উপক্রম হৈছে।বিয়াৰ চিজন চলিছে। মানুহৰ ব্লাউজ, মেখেলা চিলাই চিলাই তাইৰ হাতত বেজীৰ চিন ভৰি যোৱা অৱস্থা হ'ব লাগিছে।

মাষ্টৰৰ মুখখন সহানুভূতিত ওলমি পৰিব খোজে।

অর্থ-কঢ়িৰ অভাৱত মাষ্টৰৰ স্বাস্থ্য একেবাৰে পৰি আহিছিল। এইদৰে সপ্তাহে পযেকে চুগাৰ চেক আপ কৰাবলৈ গৈ থকা মাষ্টৰৰ পক্ষে দুৰ্ব্বহ হৈ আহিছিল। তাৰপাছতো আশাৰ এধানি চাকি জলক তবক জলক তবক কৰি থকা নাছিলনে ক'ৰবাত ?

আছিল। আছিল।

কিয়, সেইবাৰ ভেন্সাৰ স্কুলৰ মাষ্টৰমখাক চৰকাৰে গাইপতি পইচা দিয়া নাছিল নে ? হিচাপৰ জোখেৰে মাষ্টৰে পাইছিল পঞ্চল্লিশ হাজাৰ টকা। সেইখিনিৰেই সবিতাই তিনি আলিতে আহল বহলকৈ খুলি ল'লে সবিতা টেইলৰিং। তাৰ পাচত আৰু জমা জড়ি বুলি কিবা আছেগৈ নে ? মাষ্টৰৰ ভাবিলেই ভয় লগা হয়।

খুলি থোৱা নঙলাইদি ছাগলমখাই ঘৰ লয়হি। সিহঁতক চাং গোহালিটোত বান্ধি মাষ্টৰ নামি আহে।দীঘলকৈ হুমুনিয়াহ এটা এৰি মাষ্টৰে আকাশলৈ মূৰ তুলি চায়। কজলা বৰণে ছাটি ধৰিব খোজা আকাশত অকলশৰীয়া তৰা এটাই জলমলাবলৈ ধৰা মাষ্টৰৰ চকুত পৰে। তাৰ তলেদিয়ে গধুৰ গধুৰ ডেউকা মেলি বাদুলিৰ জাক উৰে। ঠিক এই বাদুলিৰ পাখিৰোৰৰ দৰেই গধুৰ ভাৰ চিন্তাই মানুহটোক কাবু কৰি পেলোৱা নাই নে ?

এই যে দিনৰ পাছত দিন ধৰি মাষ্টৰে আশা কৰি আছিল; কিবা এটা হ'ব; ঠিক এনে এক দিনলৈয়ে বগলীৰ দৰে বাট চাই আছিল নে ?

এইবাৰ আৰু বাট নাই। স্কুলখন এইবাৰ যে নাবাচে, এই কথাত মাষ্টৰৰ আৰু সংশয় নাথাকিল। মাষ্টৰে পুনৰ হিচাপ এটা কৰিবলৈ চায়। বস্তিৰ পাছতে লাগি আছে এডোখৰ মাটি; তাতে চাৰিডাল লতা পাণ। তাৰ অলপ আগলৈ কৰ্দৈজোপাৰ গুৰিৰ পৰা সৰু খালটো। তাৰ পৰা সিপাৰে খইৰাতলৰ মাটিখিনি বন্ধকত দি থোৱা নাছিল নাহ !

নোৱাৰে। মাষ্টৰে সুকলমে হিচাপটো উলিয়াব নোৱৰা হৈ পৰে। আউল লাগে। মাষ্টৰৰ হিচাপত। মাষ্টৰৰ জীৱনত । মাষ্টৰৰ সংসাৰত। খালৰ শাঁইৰ মাজত বৰশী দৰক খাই আউল লগাৰ দৰে মাষ্টৰৰ

সকলোতে আউল লাগি আহিব ধৰে।

আউল এটা লাগিছে সবিতাৰো।

পইচাৰ হিচাপটো খেলিমেলি হৈছে। তাতে পিঠিৰ বিষটো একেবাৰে গলধনলৈকে শিপাইছে। বিষত গল-কান্ধ টনটনাই উঠিছে। দিনৰ দিনটো তলমুৰা হৈ মেচিন চলোৱা কি সহজ কথা? আঙুলিৰ পেটা ফুলি ভিণ্ডাকাৰ দিয়াৰ উপক্রম হৈছে। সেইদেখি মাছ জাল দিয়াৰ ছলতে তাই আঙুলিৰ পেটাত মিঠাতেল অকণ সানি জুইৰ তাপত সেক দিছে। জুই একেবাৰে ৰঙা পৰি আহিছে। চিলিণ্ডাৰ শেষ হ'বৰ হৈছে। তাই মাষ্টৰক উদ্দেশ্যি গেৰিয়াই উঠিল- 'ক'ত হে! গেছ শেষ হবু হান পাওঁ। কালিক লগি পৰেশক কৈ আনবু কিন্তু।'

মাষ্টৰ বহি আছিল আন্ধাৰ কাঁথিখনত।

কাষৰ ঘৰবোৰত দুই একৰ ইনভার্টাৰ লাইটৰ পোহৰৰ ছটা একা বেকাকৈ ৰাস্তাত পৰিছেহি। তাই জাল দিয়া সামৰি ওলাই আহিল আৰু মাষ্টৰৰ কাষতে বহি পৰিল। চিনাকি শৰীৰী গোন্ধ এটা আহি মাষ্টৰৰ নাকত লাগিলহি।

-'ভাল হছি। মাছকেইটা খাৰ দি থছু। দেউ না কি ভাত?'

মাষ্টৰে একো নামাতিলে।

তাৰ সলনি চিনাকি গোন্ধটো উজাই উজাই আকাশলৈ চালে। আকাশত এটা মাত্র তৰা একোণত ওলমি আছে। যেন এটা মন মৰা তৰা। মাষ্টৰৰ এনে লাগিল যেন বুকুখনৰ লগতে মূৰটোও গধুৰ হৈ গৈছে। ঠিক বেছি সময় যেন এইদৰে ওপৰলৈ চাই থাকিব পৰা নাযায়।

-'মুখৰ মাত নাই দেখোন হে । কিনো ভাবি আছে?:

-'এস্।' — মাষ্টৰৰ মুখৰ পৰা হুমুনিয়াহ এটা সৰি পৰিল ।

-জানো জানো-মই আগতেই জানো-কিমান আৰু কাগজে কলমে ছলি দেখে থাকিম।---- ইবাৰ গুণোৎসৱ হবু--- চৰকাৰৰ মানহুই নিজে চাবা আইহবু। ----তাৰ পাছত আৰু ইস্কুল থাকবু! -ভচু উঠ্বো- ভচু উঠবো।'

অনেক কথাই আহি মাষ্টৰৰ গলাত ভৰ কৰিলেহি। অথচ মাষ্টৰৰ মুখৰ পৰা হুমুনিয়াহ এটাৰ বাদে আন একো নোলাল। তাৰ লগত সবিতাৰ মুখৰ পৰা সৰি পৰা যন্ত্রণাদগ্ধ উস্ আস্ শব্দহে শুনা গ'ল।

-'কি হছি?' — মাষ্টৰৰ মাতটো বৰ শুকান শুনা গ'ল

-'কি আৰ হবু। আজি দেখোন ধৰডাল বিহোবা ধৰ্ছি।----আহক আহক। ভাত সাজো।'

তাৰপাছত সবিতাই মাষ্টৰে জাল দিয়া মাছেৰে ভাত খাইছে। বিছনা তৰিছে। কাৰেন্ট অহাৰ আশা বাদ দি চার্জিং লাইটটো নুমুৰাই পেলাইছে আৰু বিছনাত পৰিছে। দিনটোৰ ভাগৰ আৰু বিষে সবিতাক ইতিমধ্যে কাবু কৰি পেলাইছিল। আৰু মাষ্টৰ! চিনাকি গোন্ধটোত মুখ গুজি বুকুখন শাঁত পেলাই লওঁ বুলি ভাবিও মাষ্টৰ ৰৈ গ'ল। নাই নাই, মাষ্টৰৰ চকুৰ নিমিও কঢ়া নগ'ল।

ৰাতিতো ক্রমে ডাঠ হৈ আহি থাকিল।

ঠিক এনে অশান্তিকৰ ৰাতি এটা কটাব লাগিব বুলি মই ভবা নাছিলোঁ। একধৰণৰ অস্থিৰতাৰ লগত মোকাবিলা কৰি কৰি মই ধৰাশায়ী হৈ পৰিলোঁ।অৱশেষত কাগজখিলা নুৰা কৰি পকেটত ভৰাই মই উঠি আহিলোঁ আৰু টহল দিবলৈ ধৰিলোঁ।

চৌপাশ নিজান জান। সকলো মানুহ শুই নিঃপালি দিছে।

মই বাৰীয়ে বাৰীয়ে যেন পৰমার্থহে সন্ধান কৰি ফুৰিলোঁ। ঠিক তেতিয়াহে কোনোবাই যেন মোক টুকুৰিয়াই দিলে। এয়াতো মাজৰাতিৰো পাছৰ সময়। আমাক ঘৰত কয়, এইসময়ত প্রেত ওলায় হেনো। মোৰ পেছাব লাগিল। বাৰীৰ ভিতৰতে চৰচৰাই পেছাব কৰি কৰি সমুখলৈ চকু থাপিলোঁ। আন্ধাৰত বুৰ গৈ আছে জগত। কাষত কোনোবাই থিয় হৈ থাকিলেও ধৰিব নোৱৰা অৱস্থা। মই থিক কাৰ বাৰী আহি পাইছিলোঁহি অনুমান কৰিব পৰা নাছিলোঁ।

পেণ্টৰ চেইনডাল মাৰিছিলোঁহে মাত্র। হঠাৎ এটা মৃদু খৰমৰণি শুনা পালোঁ । যেন কোনোবাই খুব লাহে লাহে সাৱধানে এইফালে আহি আছে ।

দ'ত? ৰৱহমদইত? প্রেত? মোৰ বুকু ধপধপাবলৈ ধৰিলে । হাতৰ তলুৰা ঘামি উঠিছে। তথাপি সাহ কৰি ম'বাইলৰ ফ্লাচটো জ্বলাই দিলোঁ। সমুখৰ মানুহটো হতচকিত হৈ এক মূহূর্তৰ কাৰণে ৰৈ দিলে। এয়া দেখোন ভদ্রে ছাৰ। আপোনালোকৰ পৰিচিত ভদ্রেশ্বৰ মাষ্টৰ। হাতত সৌডাল পঘা কৰিবলৈ অনা ৰছী।

ভদ্রে মাষ্টৰে মোলৈ কেৰেপ নকৰি আন্ধাৰ ফালি গপগপাই আগলৈ খোজ দিয়ে। এনে লাগিছে যেন তেওঁ একেবাৰে বৰ জৰুৰী কামলৈহে ওলাইছে। মই মাষ্টৰৰ পিছ ল'লো। এটা সময়ত মাষ্টৰ গৈ বাৰী মূৰৰ কৰ্দেজোপাৰ তল পালেগৈ। মই একপ্রকাৰ মানুহটোক জোকাৰ মাৰিয়েই কৈ উঠিলোঁ - 'কি কৰে? কি কৰে?'

তেওঁ উচপ খাই উঠিল। তেওঁ কৰ্দেজোপাৰ গুৰিতে ধপকৈ বহি পৰিল আৰু হুকহুকাই কান্দি পেলালে। মই লাহেকৈ কাষতে বহিলোঁ। মাষ্টৰে হুকহুকাই কৈ উঠিল —

'তুমি জান নাহ বাপু, ইস্কুলখেন ভচু উঠ্বা যাই আছে। আজি চাৰি বছৰে এটা ছলি নাই ইস্কুলত- সব ছলিগিলা প্রাইভেট স্কুলক যায়- -আমি কাগজে কলমে হলিও চলে আছিলু বাপু-ইবাৰ আৰ

নাথকে বাপু--- অৰাই কি কৰোঁ ? কি কৰবা পাৰোঁ অৰাই ? -গত্যন্তৰ নাই বাপু- গত্যন্তৰ নাই- গলত কলহ লাগ্ছি-'

মাষ্টৰৰ মাত একেবাৰে থোকাথুকি হৈ পৰিল।

মই লাহেকৈ ক'লো —'সবিতা বাইদেউৰ বিষটো হেনো বেছি হৈ আহিছে। পাৰিলে কাইলৈ মানে একবাৰ ডিচপেনচাৰীকে লৈ যাওঁক। আপোনাৰ বাদে তেওঁৰনো আছে কোন আৰু ?'

মাষ্টৰে একো নকৈ হা কৰি আকাশৰলৈ চাই ৰ'ল।

মেঘ বাঢ়ি আহিছিল আকাশত। মন মৰা তৰাটো এতিয়াও কিন্তু ঢাক খোৱা নাছিল।

বাট হেৰুওৱা মানুহে হঠাৎ বাটৰ আঁত পোৱাদি ভদ্রে মাষ্টৰে নিজকে কৈ উঠিল — অস্, পালোঁ পালোঁ। মিলিব; হিচাপটো মিলি যাব। এই খালটোতে মাছ কেইটামান দিবা পাৰিম। সেই অলপ আগক লগিন জ্বালা পলি কেটামান লগ'ম। কিবা এটা কৰবা লাগ্বু। কিবা এটা কৰবা লাগবু-

আকাশত পাতল পোহৰ বিয়পিব ধৰিছিল।

ঘৰমুৰাকৈ বাট লোৱা ভদ্রে ছাৰলৈ চাই মই পকেটত কঢ়িয়াই ফুৰা কাগজৰ নুৰাটো মেলিলোঁ। দেখিলোঁ। ভদ্রে মাষ্টৰে কাগজৰ নুৰাটোৰ পৰা কেতিয়াবাই ওলাই ঘৰমুৰা বাট এটা লৈছে। কাগজখিনি এতিয়া অপুষ্টি আৰু বিকাৰত মলঙা আঁক বাঁক কিছুমানৰ বাদে আন একো নহয়।

ঠিক তেতিয়াই ভদ্রে মাষ্টৰে পাছলৈ ঘূৰি চালে; আৰু গেৰিয়াই কৈ উঠিল - 'তুমি গল্প কৰা হয় না ! জীৱনতকৈ ডাঙৰ গল্প আৰু একো নাই বাপু। একো নাই।'

কাঁইট অথবা গোলাপ

পঞ্চানন হাজৰিকা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদর্শ মহাবিদ্যালয়, কাকপথাৰ, তথা গল্পকাৰ

সেইবোৰ আছিল সি নামচাই টাউন ক্লাৱৰ হৈ ষোল্ল অনুর্ধ্বৰ ফুটবল খেলা দিন। উজ্জ্বল আৰু সপ্রতিভ দিন। ডিৰাক হায়াৰ চেকেণ্ডাৰীত পঢ়ি থকা এটা তজবজীয়া, প্রাণময় ল'ৰা সি। ন-দিহিং নদীখন পাৰ হ'লেই ডিৰাক মিচিং গাঁও। ন-দিহিঙৰ সোঁত কোবাল। ক্ষিপ্র। কিন্তু নৈ-পৰীয়া কৈশোৰৰ নৈৰ লগত থাকে সদায়ে আজন্ম গোপন বুজাবুজিৰ সম্পর্ক। নদীৰ লগত খেলোঁতেই প্রথম যৌৱনৰ উন্মোচন—নদীতেই প্রেম— নদীতেই কৈশোৰ পাৰ হ'ব খোজা শৰীৰৰ প্রথম শিহঁৰণ। বিনোদ খুড়াই নাও বাই সিপাৰলৈ যায়। কঁকালত আঠুলৈকে পৰা গামোচা— হাত কটা বনিয়ন। নাওঁৰ এমূৰে গৌতম বহি যায়— ব'ঠা মাৰোতে উঠা নমা কৰে বিনোদ খুড়াৰ আটিল বাহু— নৈৰ বালিত এশটা বুক ডাউন মাৰি দিব পৰা বিনোদ খুড়া গৌতমহঁতৰ কৈশোৰৰ বিস্ময়কৰ আকর্ষণ— কেনে এক সুগঢ়, কেনে এক স্থাপত্যৰ দৰে শৰীৰ। বিনোদ খুড়াৰ প্রেমিকা আছে মিচিং গাঁৱত— ইভাৱতী। ইভাৱতীৰ কলাফুলৰ তলত পৰি থকা চুলি। তেনেই কণমানি চকু— যেন ফুটুকানিৰ জোপোহাৰ পৰা সন্ধ্যাবেলিকা ওলাই অহা দুটা জোনাকী পৰুৱা। সেই ইভাৱতীকে লগ কৰিবলৈ চলাৎ চলাৎ ব'ঠা মাৰি বিনোদ খুড়াৰ নাওঁ ন-দিহিঙৰ সিপাৰলৈ যায়। সিপাৰেই অৰুণাচল। কেৱল ইভাৱতীৰ বাবেই যায়নে সিপাৰলৈ বিনোদ খুড়া? নৈখন পাৰ হ'ব পাৰিলেই পাহাৰৰ পৰা নামি অহা ল'ৰাবোৰ পুলিচ-আর্মীৰ অপাৰেশ্যনৰ পৰা বাচি যায়। হাতত বন্দুক থকা, কেম'ফ্লেজ পেন্ট আৰু বুট জোতা পিন্ধা ল'ৰাবোৰ। কাৰোবাৰ চাংঘৰত এৰাতি কটাই সেই কণ কণ চকুৰ ওখ-পাখ হটঙা ল'ৰাবোৰ অৰুণাচলৰ অটব্য অৰণ্যত অদৃশ্য হৈ যাব পাৰে— অৰুণাচলৰ পৰা ম্যানমাৰ সীমান্ত— তাৰ পৰা সেয়া এক অন্য পৃথিৰী— যুদ্ধোন্মাদ সময়—

গৌতমে কথাবোৰ ইমান আঁত মাৰি, ইমান বেহা লগাই কোৱা নাছিল। সি খৰকৈ কথা কয়। খপ জপকৈ। ন-দিহিঙৰ পাৰত ডিৰাকমুখত , সীমান্তৰ পৰা অসমৰ ফালে নতুনকৈ এখন ৰিৰ্জট হৈছে। অশান্ত-বীভিষিকাময় সময়ৰ পৰা ওলাই অহা প্রজন্মটোৱে নতুনকৈ কিছু কথা ভাবিবলৈ লৈছে। সেই নতুনকৈ ভবা প্রজন্মটোৰ ল'ৰা গৌতম। প্রথমে মৃগনাভৰ লগত অপৰা এই ৰিৰ্জটখনলৈ আহিছিল। অসমৰ পৰা অৱসৰ বিনোদনৰ বাবে যোৱা পর্যটকে বন্ধৰ দিনত গিজগিজাই থকা অৰুনাচল প্রদেশৰ নামচাই বা ডিগাৰুৰ ৰিৰ্জটবোৰতকৈ ইয়াত ভিৰ কম। শান্ত। নদীখনো নিলগত। নদীলৈ তাইৰ অদ্ভুট আকুলতা। উজান বজাৰৰ ককাকহঁতৰ পুৰণি ঘৰৰ পৰা দেখা বিশাল-বিৰাট ব্রহ্মপুত্রৰ অনেক স্মৃতি তাইৰ মনত ৰৈ যোৱাৰ বাবেই। মৃগনাভৰ বাবে নদীবোৰ কেৱল মাথোঁ নদী— কেৱল এক ভৌগোলিক অবয়ব ('অপ্রাপ্তি' কবিতাৰ দৰে?)। মৃগনাভক তাই এক স্মৃতিহীন মানুহ বুলি ভাবে। "স্মৃতি নাই বাবেই মোৰ স্মৃতিভ্রংশ নহ'ব কেতিয়াও"— তাইৰ অভিযোগৰ উত্তৰত মৃগনাভে হাঁহি হাঁহি কয়। পুলিচৰ কি স্মৃতি নাথাকে? চাকৰিৰ হেঁচা আৰু দৈনন্দিন দৌৰাদৌৰিত মৃগনাভে বহু কথাই পাহৰি থাকে— সিঁহত প্রথম লগ পোৱা দিনটো, সিঁহতৰ বিয়াৰ তাৰিখ, কেতিয়াবা নিজৰো জন্মদিন। পাকঘৰৰ চাউল-দাইলৰ হিচাপ মৃগনাভে কেতিয়াও কৰি পোৱা নাই। তাই নাথাকিলে দুভাগ ৰাতি থানাৰ পৰা আহি সি ব্রেডৰ লগত ফ্রীজত থকা ঠাণ্ডা দাইল এবাটিকে খাই শুই থাকিব— কিন্তু পাকঘৰত সোমাবলৈ মৃগনাভ অপ্রস্তুত, অনিচ্ছুক। দাইলৰ বাতিও বেড চাইড টেবুলৰ পৰা উঠি ডাইনিং টেবুল বা পাকঘৰৰ বেচিন নাপায়গৈ। তাৰপিছতো সেই মানুহটোকে তাই ভাল পালে আৰু বিয়া পাতিলে। সেই মানুহটোৰ পছন্দ হোৱাকৈ সদায়েই বেলেগ বেলেগ ৰেচিপিৰে গাহৰিৰ মঙহ ৰান্ধিলে— কেতিয়াবা খাটি গোবৰতে কৰা লাই শাক, কেতিয়াবা বাঁহৰ গাজ বিচাৰি অৰুণাচলৰ পৰা অহা পোহাৰীজনীৰ বেহাৰ সন্মুখত বহি পাছলিবোৰ লিৰিকি বিদাৰি তাই চাই থাকিলে। মৃগনাভে ভাল পাইছিল জলফাইৰ আচাৰ।

কেতিয়াবা ঘৰতে দুই-এক অতিথি-অভ্যাগতৰ উপস্থিতিত হোৱা সৰু-সুৰা পার্টিবোৰত মৃগনাভে ড্রিংকচৰ লগতো জলফাইৰ আচাৰহে বিচাৰিছিল।

"এহ! মদৰ লগতনো টেঙা খাইনে কোনোবাই"!— সন্মুখত থকা ফ্রাইড চিকেন বা পোৰা গাহৰিৰ প্লেটটলৈ আঙুলিয়াই মৃগনাভৰ সহকর্মী বন্ধুসকল জকজকাই উঠিছিল। কৈ উঠিছিল— কিমান সৌভাগ্যশালী স্বামী তুমি। কি সুন্দৰী পত্নী তোমাৰ, আন্তৰিক আতিথ্যৰে সকলোকে মুগ্ধ কৰা পত্নী—কেনে এক সুস্বাদু ৰন্ধন-প্রকৰণ— কেনে প্রজ্ঞা আৰু ৰুচিবোধ— আৰু স্বামীৰ চকীত ভেঁজা দি চফ্‌ট ড্রিংকচ হাতত লৈ থাকিব পৰাকৈ, বার্তালাপৰ মাজত আকর্ষণীয় আৰু ৰসাল টিপ্পনী দিব পৰাকৈ কেনে এক মুকলি, আধুনিক মন — তাইৰ প্রশংসা কৰিবলৈ মৃগনাভৰ বন্ধুবোৰে কেতিয়াও কৃপণালি কৰা নাছিল। কিন্তু মৃগনাভে প্রশংসা কৰিছিলনে?

কৈলাশপুৰৰ পৰা অহা পদ্মিনী বাইয়ে তাইলৈ বুলি লৈ অহা এখৰাহি জলফাইৰে তাই সৰহকৈ সৰিয়হ আৰু জলকীয়া দি আচাৰ কৰিছিল। মৃগনাভৰ কোৱার্টাৰ সৰু, ঠেক। ইমান সৰু ঘৰত থকাৰ অভ্যাস তাইৰ নথকাৰ বাবেই মৃগনাভে এই এমহলীয়া পুৰণা আৰ চি চি ঘৰটো ভাড়া লৈছিল। ট্রেন্সফাৰেবল চাকৰি। কিন্তু খুউব কমেওতো তিনিবছৰ থাকিব লাগিব— সেই ভাবিয়ে কোৱার্টাৰ নলৈ এই ঘৰটোলৈ গুচি আহিছিল সিহঁত। সেই ঘৰৰে ছাদত বান্দৰ খেদি খেদি জলফাই শুকুৰাবলৈ বহি আছিল অপৰা— শীতৰ দুপৰীয়া চুলি মেলি মুঢ়া এটাত বহি কেতিয়াবা তাই গান শুনিছিল, কেতিয়াবা লেপটপ খুলি কৰিম বুলি ভাবি থকা ডকুমেন্টৰীখনৰ খচৰা লিখিছিল।

আৰেগ প্রকাশত মৃগনাভ অলপ নির্লিপ্ত আছিল। ঠিক হয়তো এনেকৈ ক'ব পাৰি— সি আৰেগ প্রকাশ কৰিব ভালদৰে নাজানিছিল। তাৰ বিপৰীতে মৃগনাভে হাঁহিছিল। প্রথম লগ পোৰা দিনবোৰতো তাই দেখিছিল— মৃগনাভৰ চকু দুটাই আচলতে অনবৰতে হাঁহি থাকে। তেতিয়া সি নতুন পুলিচ অফিচাৰ। একেবাৰে ফিটফাট চেহেৰা— নতুনকৈ ৰখা গোঁফ— খুউব চুটিকৈ কাটি থোৱা পাতল ঠৰঙা চুলি। তাৰ প্রথম প'ষ্টিং গুৱাহাটীত। শ্বিলঙৰ নেপাত নমহীয়া ট্রেইনিং শেষ কৰি সি লতাশিল আৰক্ষী থানাত জইন কৰিছিলহি। তাই তেতিয়া উজান বজাৰত— ককাঘৰ ঘৰত। অসুখীয়া আৰু মৃত্যুৰ ক্ষণ গণি থকা ককাকৰ ঘৰখন বিক্রী কৰি এপার্টমেন্ট কমপ্লেক্স নির্মাণৰ সিদ্ধান্ত লবলৈ ইতিমধ্যে দুজন মোমায়েক আৰু মাকৰ মাজৰ ৰুদ্ধদ্ধাৰ বৈঠক বহি গৈছে কেইবাখনো। শণিবাৰৰ দিন এটাত ব্রহ্মপুত্রক দূৰৈৰ পৰা দেখি থকা সেই পুৰণি ঘৰখনৰ সমস্ত নথি পত্র ৰিয়েল ষ্টেট কোম্পানী এটাৰ হাতত তুলি দিয়াৰ শেষ সিদ্ধান্তত ঐক্যমত পোষণ কৰি মাক আৰু মোমায়েকহঁত কাহিলী পুৰাতেই নিজৰ নিজৰ সাম্প্রতিক আৰু স্থায়ী ঠিকনালৈ গুচি গৈছিল। তাইহে থাকি গৈছিল ককাকৰ ঘৰত— ককাকৰ মাজত লাহে লাহে আলঝাইমাৰৰ লক্ষণ দেখা দিছে। দুবছৰ আগতে ককাকৰ জীৱনৰ আটাইটকৈ প্রিয় আৰু প্রাচীন সংগী আইতাক এই পৃথিৰী এৰি গুচি গৈছে। ককাকলৈ তাইৰ বুকুত বেথা আৰু বিষাদ একেলগে জমা হৈছিল— এই যে তেওঁৰ হেপাঁহৰ ঘৰখন নোহোৱা হৈ যাব, এই কথা তেওঁ ভালদৰে বুজি পোৱা নাই। পুতেকহঁতে ঠিক কৰি দিয়া পৰিচাৰকৰ প্রতিপালন আৰু শুশ্রূষাক কেন্দ্র কৰিয়েই তেওঁৰ বাকী থকা জীৱনৰ আৱর্তন। সেইদিনা তাই বহু দেৰি আৰামী চকীত হেলান দি বহি ৰোৱা ককাকৰ কোলাত মুখ থৈ মাটিত আঁঠু কাঢ়িছিল। তেওঁ তাইক 'মা' বুলি মাতিছিল আৰু সজল চকুৰে চাই আছিল দূৰৈৰ ব্রহ্মপুত্রলৈ—তেওঁ তাইৰ মূৰটো মৰমেৰে পিহি দিছিল। বয়স্ক মানুহজনৰ হৃদস্পন্দন স্বাভাৱিকতকৈ বেছি দ্রুত যেন লাগিছিল অপৰাৰ। আগতেও তাই এইখন ঘৰত থাকে। সৰুৰে পৰা থাকে। মাকেও যিহেতু চাকৰিৰ দায়িত্বত উজনি-নামনি ঘূৰি ফুৰিবলগীয়া হৈছিল, তাইৰ গ্রীষ্ম আৰু শীতৰ বন্ধুবোৰত বেছিকৈ ককাক আৰু আইতাকৰ লগতেই তাইক থৈ গৈছিল। বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনবোৰতো প্রতি শণিবাৰে তাই ককাক আৰু আইতাকৰ ঘৰলৈ আহিছিল। আইতাকে জী-পুতেকহঁতৰ বাবে ডলাই ডলাই বগৰী শুকুৰাইছিল। মে' মাহত কেঁচা আম কাটি কাটি বৈয়ামে বৈয়ামে আচাৰ তৈয়াৰ কৰাৰ যো-জা কৰিছিল। ঠাণ্ডাৰ দিনবোৰত আইতাকৰ কোঁচত বহি আছিল সদায়ে ৰং-বিৰঙী ঊলৰ বল। মস্ত পাৰাৰৰ চশমা পিন্ধিও তেওঁ নাতি-পুতিৰ বাবে মোজা আৰু মাফলাৰ গুঁঠাৰ পৰিকল্পনা কৰিছিল। তাইৰ মাক আইতাকৰ দৰে নাছিল। আনকি দুয়োজন মোমায়েকো তাইৰ ককাক বা আইতাকৰ দৰে নাছিল। কিন্তু তাইৰ এনে লাগে— তাই ছাগে' অলপ আইতাকৰ দৰে আছিল। আৰু অলপ ককাকৰ দৰেও। গুৱাহাটীত থকা সেই দিনবোৰত হেৰাই যাব খোজা অসম আর্হিৰ ঘৰবোৰক লৈ ডকুমেন্টৰী এখন কৰিম বুলি ঘূৰি ফুৰোঁতেই তাই প্রথম মৃগনাভক লগ পাইছিল। যদিও প্রেম প্রথম দেখাত হোৱা সম্মোহন বা আকর্ষণ বুলি জীৱনৰ অভিজ্ঞতা আৰু প্রজ্ঞাই তাইক ভাবিবলৈ নিশিকায়— কিন্তু মৃগনাভৰ লগত হোৱা প্রথম সাধাৰণ মুখামুখিতেই সঁচাই এক চুম্বকীয় অসধাৰণত্ব আছিল। বহু ভিৰৰ মাজত সি যেতিয়া তাইলৈ চাইছিল— তাৰ চকু দুটাই কেৱল হাঁহি আছিল। এযোৰ তীব্র উজ্জ্বল চকু। হাঁহিলে মুদ খাই যোৱা উজনি অসমৰ আহোম ল'ৰাৰ সেই পৰম্পৰাগত চকুহাল নাছিল মৃগনাভৰ, যদিও শিৱসাগৰৰ এখন সৰু গাঁওৰ সি

আছিল এটা আহোম সম্প্রদায়ৰে ল'ৰা। তাই বৰ ভাল দেখা তেনে এহাল চকু আছিল আচলতে আদিত্যৰহে, কিন্তু আদিত্যৰ সম্প্রদায় আহোম নাছিল! আস! আদিত্য! কিন্তু মৃগনাভৰ চকুহালত আছিল এটা কঁপনি তুলিব পৰা তিৰবিৰণি— শিশুৰ সাৱল্য আৰু নতুন কৈশোৰৰ কৌতুক একেলগে ভিৰ কৰা চকু এহাল আছিল মৃগনাভৰ।

গৌতমে কথা কওঁতে চকুলৈ নাচায়— আজিও গৌতমৰ সন্মুখত বহি তাই এই কথা আকৌ এবাৰ বুজিলে। মৃগনাভ লগত থাকিলে গৌতম সন্মুখত বহিবও নিবিচাৰে। আজি তাই অকলে আহিছে— তাইৰ অনুৰোধ ৰাখি কিছু সংকোচেৰে হ'লেও গৌতম তাইৰ সন্মুখত বহিল।

"বিনোদ খুড়াই নৈ পাৰ কৰোৱা ল'ৰাবোৰৰ কথা তুমি কৈ আছিলা..."— তাই গৌতমৰ কাহিনীটোলৈ উভতি যোৱাৰ যত্ন কৰিলে।

যদিও তাইৰ বাবে গৌতমে কৈ থকা কাহিনী আছিল ৰোমাঞ্চ, উত্তেজনা আৰু আশ্চর্যৰে বিৱৰণী, কিন্তু গৌতমহঁত সদায়েই সেই বহু প্রচলিত বিৱৰণীৰ পৰা মুক্ত হ'বহে খুজিছিল। তাইৰ গৌতমৰ পৰা জানিবলৈ মন গৈছিল— আদিত্য নামৰ কোনোবা এটা ল'ৰা— অদ্ভুট ধুনীয়া চকুৰ এটা ল'ৰাও আজিৰ পৰা এঘাৰ অথবা বাৰ বছৰৰ আগতে কি এইখন ঠাইলৈ আহিছিল? এনে প্রশ্ন আচলতে অনর্থক আৰু অবান্তৰো— আজিৰ পৰা এঘাৰ বা বাৰ বছৰ আগতে গৌতমে ছাগে হাইস্কুলতে পঢ়ি আছিল। সেই সময়ত গৌতমে আদিত্য নামৰ কাৰোবাক লগ পোৱাৰ কোনো প্রায়োগিক সম্ভাৱনা আচলতেই নাথাকে। থাকিলেও মনত ৰখাৰ প্রয়োজন নাথাকে। এই অঞ্চলৰতো ঘৰে ঘৰে আছিল হেৰাই যোৱা ল'ৰাৰ কাহিনী। মানুহ হেৰুৱাৰ, পৃথিৱী হেৰুৱাৰ মর্মন্তুদ আখ্যান— তাত কেনেকৈ ৰৈ যাব কেৱল এটা নাম— যদি সেই নাম নহয় কোনো ব্যক্তিগত স্মৃতিৰ বাহক বা একান্তই আত্মজ? কিন্তু তাইৰ মনত, চেতনাত আদিত্যৰ নাম ৰৈয়েই গৈছিল—খোপনি পুতি ৰৈ গৈছিল। ব্রহ্মপুত্রৰ বালিত বান্ধৰীৰ সৈতে ধেমালিতে লিখা কলেজীয়া দিনৰ ক্রাছৰ নামেইটো নাছিল কেৱল আদিত্য ।বুকুৰ ভিতৰতো যদি এখন পাতাল থাকে— সেই পাতালৰ গহ্বৰত মণি মুকুতাৰে খাজি থোৱা এটা নাম আছিল সি। আজিৰ পৰা পোন্ধৰ বছৰ আগতে যিটো ল'ৰা মহং নামৰ এক অখ্যাত, প্রত্যন্ত, সীমামূৰীয়া অঞ্চলৰ পৰা গুৱাহাটীৰ কলেজত পঢ়িবলৈ গৈছিল। গোটেই অঞ্চলটোৰ পৰা গুৱাহাটীত পঢ়িবলৈ যোৱা সি একমাত্র ল'ৰাই আছিল। সিঁহতি—অপৰা আৰু তাইৰ লগৰবোৰে যেতিয়া শুক্রেশ্বৰ ঘাটৰ সূর্যাস্ত চাই ব্যস্ত আছিল ভৱিষ্যতৰ সংৰচনাত, সেই সময়ত কলেজৰ লাইব্রেৰীত সি কিতাপ এদ'ম খুচৰি আছিল— সি আছিল সিঁহতৰ সময়ৰ কলেজৰ আটাইটকৈ ইন্টেলেকচুৱেল ল'ৰাটো। সেই আদিত্যৰ অদ্ভুট ধুনীয়া চকুৰ অন্তৰপ্রদেশত কেতিয়াবা ঔদাস্য আৰু কেতিয়াবা প্রাচীন এক ক্ষোভ, তাই একেলগে দেখিছিল। চৌপাশৰ বর্ণাঢ্য পৃথিৱীৰ সমস্ত উদ্দীপনাৰ প্রতি অস্বাভাৱিকভাৱে সি উদাস আছিল আৰু তাৰ পৃথিৱীৰ লগত, সি প্রতিনিধিত্ব কৰা জগতখনৰ লগত গুৱাহাটীত পঢ়িবলৈ অহা কেৰিয়াৰকাংক্ষী আৰু মার্কশ্বিট প্রিয় সমনীয়াবোৰৰ পৃথিৱীখন নিমিলে বুলি এক অবুজ ক্ষোভ আছিল। তেনে সময়বোৰতে সি অপৰাৰ বন্ধু হৈছিলহি। দীঘলীপুখুৰীৰ প্রাচীনতম গছবোৰৰ তলেৰে খোজ কাঢ়োতে এদিন সি তাইক হেমাংগ কুমাৰ দত্তৰ কবিতা মাতি শুনাইছিল। সেই কবিতা— "মনালিছা, বহুত যন্ত্রণা, মানুহ সলনি হয়"—সেই কবিতা।'

"কোন আছিল হেমাংগ দত্ত?"— তাই হেমাংগ কুমাৰ দত্তৰ কোনো কবিতা তেতিয়ালৈকে পঢ়ি পোৱা নাছিল। সেই দিনত প্রনৱ কুমাৰ বর্মনহে আছিল তাইৰ প্রিয় কবি। "তেওঁ আছিল এজন নিৰুদ্দিষ্ট কবি"— সি কৈছিল। এদিন হোষ্টেলৰ পৰা উজান বজাৰৰ ককাক-আইতাকৰ ঘৰলৈ তাই লৈ গৈছিল আদিত্যক। আইতাকে আলহ-উদৰ কৰি, ইবিধ-সিবিধ ৰান্ধি সিঁহতক খুৱাইছিল। ভাত খাওঁতে তাৰ গালে-মুখে হাত ফুৰাই মৰম কৰি আছিল। প্রাচীন বাৰাণ্ডাৰ আৰামী চকীত চিগাৰ জ্বলাই ককাকে দূৰৈৰ ব্রহ্মপুত্রলৈ চাই নাতিনীয়েকৰ কলেজীয়া বন্ধুৰ সৈতে কথা পাতিছিল গুৰু-গম্ভীৰ স্বৰত। ৰাষ্ট্রপতিৰ পৰা সাহসিকতাৰ স্বর্ণপদক গ্রহণ কৰা উচ্চপদস্থ সামৰিক বিষয়াৰ কর্মজীৱনৰ গর্বিত স্মাৰক আৰু প্রশংসাপত্র বৈঠকখানাত সজাই থোৱা হৈছিল। এসময়ত বংগত নক্সাল আন্দোলন দমন কৰি অপৰাৰ ককাকে বিৰাট সাহসিকতাৰ পৰিচয় দিছিল।

"ইমান এৰিষ্ট্র'কৈচি মোৰ ভাল নালাগে। ইমান মৰমো মোৰ ভাল নালাগে। আৰু সকলো আর্মী অফিচাৰকে মোৰ মহাশ্বেতা দেৱীৰ 'দ্রৌপদী'ৰ আর্মী অফিচাৰ যেনেই লাগে।"— ককাকৰ ঘৰৰ পৰা উলটি আহি আদিত্যই কোৱা বহুকেইটা কথাৰ মাজত এইকেইটা কথা মনত ৰৈ গৈছিল অপৰাৰ। ইমান ধুনীয়া চকুহালৰ মাজত ইমান খং আছিল— ইমান ক্ষোভ আছিল! আৰু তাতকৈ আচৰিত আৰু হতভম্ব কৰি চৌধুৰী ছাৰে গ্রামচিৰ 'হেজিমনি' বুজাই থকা অর্নাছৰ ক্লাছৰ পৰা ওলাই সি এদিন তাইক সুধি পেলাইছিল— "তুমি কাহানিও নাভাবানে, তোমাৰ ককায়ে চাকৰিৰ ত্রিশবছৰত কাকো ৰেপ্ কৰা নাই? কাকো ফূর্তিতে গুলীয়াই মাৰি পোৱা নাই?"

তাই আচলতে তাক সেইদিনা ঠাচ্ ঠাচ্ কৈ দুই চৰ মাৰি দিব খুজিছিল। কিন্তু তাই নামাৰিলে। "তুমি মোক আঘাত কৰি সদায়েই

এক চেডিষ্টিক প্লিজাৰ পোৱা” বুলি তাই কান্দিলে আৰু হিন্দী চিনেমাৰ নায়িকাৰ দৰে দোপাত্তা উৰুৱাই দৌৰি দৌৰি হোষ্টেললৈ গুচি আহিলে। তাৰ পিছত তাই বহুদিন তাক লগ কৰা নাছিল। সেইবছৰ কলেজৰ ইলেকছনত বহুত কাজিয়া হৈছিল আৰু আদিত্যহঁতৰ বিপৰীত হোষ্টেলৰ প্ৰাৰ্থীজন জিকাৰ পিছত হকীষ্টিকেৰে হৰা হোষ্টেলটোৰ ল’ৰাই গৈ জিকা হোষ্টেলৰ ল’ৰাক মাৰ-পিট কৰাৰ অভিযোগ উঠিছিল। আন আঠটা ল’ৰাৰ লগতে তিনিমাহৰ বাবে সিও হোষ্টেল আৰু কলেজৰ পৰা সাময়িকভাৱে বহিস্কৃত হৈছিল। পিছদিনাই সি হোষ্টেল এৰি গুচি গৈছিল। তাৰ দুমাহ পিছতেই আৰম্ভ হৈছিল ফাইনেল ইয়েৰৰ পৰীক্ষা। স্নাতক শ্ৰেণীত সিঁহতিয়ে আছিল বাৰ্ষিক মহলাৰ শেষৰটো বেট্‌ছ। তাৰ পিছৰ পৰা দেশৰ সকলো স্নাতক শ্ৰেণীতেই ষাণ্মাসিক পদ্ধতি আৰম্ভ হৈ গৈছিল। পৰীক্ষা দিবলৈ গৈহে তাই গম পাইছিল, আদিত্যই পৰীক্ষা দিবলৈ অহা নাই। সি তাৰ ঘৰৰ পৰাই উভতি অহা নাই। সি ঘৰলৈ গৈছিলনে আচলতে? ক’ত গ’ল সি! ইমান পঢ়া-শুনা কৰা, ইমান চোকা ল’ৰা এটাই হোষ্টেলৰ সাধাৰণ ইলেকশ্যনৰ হৰা-জিকাৰ কাজিয়াত মাৰ-পিট কৰিব বুলি তাই একেবাৰেই মানি লোৱা নাছিল! কিন্তু কিবা এক অদ্ভুট অভিমানত তাইৰ আদিত্যৰ খবৰ ৰখা নহ’ল। এবাৰ ফোন কৰিবলৈ লৈও তাৰ ফোন অফ পাইছিল অপৰাই! প্ৰায়ে ৰিচাৰ্জ নথকাৰ অজুহাতত ফোন অফ কৰিয়েইতো ৰাখিছিল সি! চিঠি লিখিবলৈ তাৰ সম্পূৰ্ণ ঠিকনা তাইৰ লগত নাছিল। তিনিচুকীয়াৰ মহং নামৰ এখন ঠাইৰ খুউব সৰু গাঁওখনৰ পৰা ভেঞ্চাৰ স্কুলৰ শিক্ষক দেউতাকে তাক গুৱাহাটীৰ আটাইটকৈ ডাঙৰ কলেজখনত পঢ়িবলৈ পঠিয়াইছিল। হায়াৰ চেকেণ্ডাৰীত ষ্টেণ্ড কৰিবলৈ তাৰ মাত্ৰ সাত নম্বৰ কমিছিল। স্কুলত তাৰ আটাইটকৈ ভাল লগা ছাৰজন আছিল—দিব্যেন্দু ছাৰ। তেওঁ তাক তেতিয়াই পঢ়িবলৈ দিছিল ‘ইয়াৰুইংগম’, ‘ছাংলট ফেনলা’ আৰু ‘কালান্তৰৰ গদ্য’। তাইৰ দৰে তাৰ জীৱনৰ প্ৰথমখন উপন্যাস নাছিল ‘অসীমত যাৰ হেৰাল সীমা’ । তাই এদিন যেতিয়া তাক কৈছিল ‘চাহেবপুৰাৰ বৰষুণ’ পঢ়ি গোটেই ৰাতি কন্দাৰ কথা, সি তীর্যক হাঁহি এটাৰে কৈছিল যে, উপন্যাস পঢ়ি সি কেতিয়াও নাকান্দে। সিঁহতৰ গাঁওবোৰৰ পৰা দলে-দলে ল’ৰাবোৰ এসময়ত— জুঁই-পানীৰ লগত খেলা কৰিব খোজা বয়সত আলফাত গৈছিল। আৰ্মীৰ অপাৰেশ্যনৰ সময়ত তাৰ পেহীয়েক এজনী গৰ্ভৱতী হৈছিল। গাঁওখনে জহৰা বুলি কোৱা কাণসমনীয়া পেহীয়েকৰ পুতেকটোৰে ক্লাছ নাইনৰ পৰীক্ষা দি গাঁওখনৰ আটাইটকৈ প্ৰকাণ্ড আৰু পুৰণা গছজোপাত পুৱতি নিশা ওলমি দিছিল। সি এদিন এয়াও কৈছিল যে— গছৰ ফেৰেঙণিত জোন দেখিলে তাৰ সেয়া চিপ লৈ ওলমি পৰা কাজিনটোৰ দীঘল জিভাখন ওলাই যোৱা মুখ যেনহে লাগে। তাৰ মুখত এনে বীভৎস চিত্ৰকল্পৰ কথা শুনোতে ওকালি আহো যেন লাগিছিল অপৰাৰ— সেইদিনা যোৰপুখুৰীৰ হাঁহৰ জাকটোৱে জোনৰ প্ৰতিবিম্বটো একেবাৰে ঘোদালি থকাও তাইৰ মনত পৰে।

“‘আৰ্মীয়ে কেইবাদিনো পথাৰত শাৰী পাতি আমাৰ দেউতাকো আঁঠু কঢ়াই থৈছিল। দেউতা ভেঞ্চাৰ স্কুলৰ মাষ্টৰ আছিল। কিন্তু গাঁওখনৰ সৰ্বজন শ্ৰদ্ধেয় মানুহ আছিল। গিপ গিপাই থকা ইণ্ডিয়ান আৰ্মীৰ বুটজোতাবোৰৰ সন্মুখত তেওঁ আৰু তেওঁৰ প্ৰাক্তন ছাত্ৰবোৰে একেলগে আঁঠু কাঢ়িছিল। দেউতাৰ মুখখন ৰঙা পৰি গৈছিল। তেওঁৰ কোনোবা ছাত্ৰই হুকহুকাই কান্দিছিলোঁ। এনে কষ্ট, এনে অপমান তুমি ছাগে কাহানিও নুবুজিবা।”— এটা যুগৰ আগত ৰেৱতীত চাওমিন খাই উভতি অহা পাণবজাৰৰ কোনোবা এটা গলিত সি তাইক কৈছিল।

উপন্যাসতকৈ জীৱন্ত, নিৰ্মম আৰু মৰ্মান্তিক আছিল আদিত্যই পাৰ কৰি অহা সময়। আৰু সেই আদিত্যকেই কি তাই বুজিবলৈ বিচাৰিছিল? যৌৱনৰ সম্মোহন, উচ্ছাস আৰু মোহময় আৱেগেৰে? ককাক আছিল ইণ্ডিয়ান আৰ্মীৰ উচ্চস্তৰৰ বিষয়া, দেউতাক আছিল অইলৰ অভিযন্ত্ৰা, শিক্ষয়িত্ৰীৰ চাকৰি এৰি মাক হৈছিলগৈ বিদ্যালয় পৰিদৰ্শক— সেই সমৃদ্ধ পৰিয়াল, সেই বৌদ্ধিক -আৰ্থিক আভিজাত্যৰ পৰা অহা অপৰাই বুজিব পাৰিছিলনে আদিত্যক?

বুজিবৰ বাবেই তাই কি ইয়ালৈ আহিলে? মৃগনাভৰ পত্নী হৈ? আদিত্যৰ গাঁওখনৰ পৰা নিকট দূৰত্বত থকা এখন আৰক্ষী থানাৰ দায়িত্ববাহী বিষয়াৰ পত্নী হৈ? অৱচেতনৰ অদ্ভুট আকাংক্ষাই কি কেতিয়াবা কিছুমান আশ্চৰ্যকৰ সংযোগৰো দুৱাৰ মুকলি কৰে?

“অহ! গৌতম...তুমি ফুটবল খেলাৰ কথাও কৈছিলা?” — অৱচেতনৰ পৰা তাই চেতনলৈ উভতি আহিব খোজে। ন-দিহিঙৰ পানীত এতিয়া সন্ধ্যাৰ বৰণ—আকাশৰো একেই ৰং। নাওৰ ব’ঠা মাৰি মাৰি অৰুণাচলৰপাৰলৈ যোৱা মেথনি মৰা মহিলাগৰাকীৰ কায়া লাহে লাহে ক্ষীণ হৈ আহে।

“এসময়ত বহুত খেলিলোঁ বাইদেউ, এতিয়া ব্যৱসায় আৰম্ভ কৰিছোঁ, ক’ত আৰু খেলাৰ সময়! আপুনি ফুটবল ভাল পায়? ছাৰ যে ফুটবল বলিয়া— ডিৰাক ফিল্ডত ছাৰে এদিন ইউনিৰ্ফমৰ সৈতেই ফুটবল খেলি আছিল...আমি দেখিছিলোঁ।” — গৌতমৰ মাতত মৃগনাভৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰশংসা।

“আদিত্যইও ফুটবল খেলিছিল...”— হঠাৎ, অকস্মাত তাইৰ মুখেৰে ওলাই আহে আদিত্যৰ নাম।

"আদিত্য ?"

অপৰা হতচকিত হয়। তাই মৃগনাভৰ পত্নী। এই অঞ্চলৰ বহু ব্যৱসায়ী,সংগঠক,ৰাজনীতিকৰ লগত স্বাভাৱিকভাৱেই মৃগনাভৰ কিছু বৃত্তিগত সম্পৰ্ক আছে। দক্ষ আৰু কৰ্মতৎপৰ আৰক্ষী বিষয়া হিচাপে তেওঁৰ প্ৰতি ৰাইজৰ স্নেহ আৰু শ্ৰদ্ধাও আছে। তেনে সময়ত এই অঞ্চলৰ কোনো তৰুণ উদ্যোগীৰ সন্মুখত তাই লোৱা উচিতনে আদিত্যৰ নাম ? তাইৰ এসময়ৰ বন্ধু অথবা প্ৰাক্তন প্ৰেমিক— যি উগ্রপন্থাত গ'ল বুলিয়েই সকলোৱে ভাবিবলৈ লৈছিল, আৰক্ষীয়ে প্ৰমাণো পাইছিল— সেই আদিত্যৰ নাম এনেকৈ তাই উচ্চাৰণ কৰাটো একেবাৰেই স্বস্তিদায়ক কথা হোৱা নাই।

"তেওঁ মোৰ বন্ধু আছিল, কলেজত। ফুটবল ভাল পাইছিল। তুমি ফুটবল বুলি কওঁতে মনলৈ আহিল।"— তাই কথাটো সহজ কৰি পেলাব খুজিলে। অৱশ্যে এই কথা কোৱাৰ পাছতো গৌতমৰ মুখত কোনো অহেতুক কৌতুহলৰ ছাঁ দেখা পোৱা নগ'ল। এই অঞ্চলৰ মানুহৰ এয়া এক আশ্চৰ্যকৰ আৰু প্ৰশংসনীয় গুণ— তেওঁলোক মনে প্ৰাণে সৰল আৰু বিশ্বস্তও। সন্মুখৰজনে যি কয় তাকেই শুদ্ধ আৰু সত্য বুলি মানি লোৱাটোও কি একধৰণৰ ব্যক্তি নিৰ্বিশেষ জনজাতীয় সাৰল্য? এনে সৰলতা—গৌতমৰ মুখৰ সৰলতা আদিত্যৰ আছিল জানো ? সমস্ত পাৰিপাৰ্শ্বৰ প্ৰতি বিক্ষোভ আৰু বিদ্রোহৰ বহ্নিশিখা লৈ ফুৰা আদিত্যৰ মাজত ?

সেইদিনা গধুলিলৈ অসম-অৰুণাচল ব'ৰ্ডাৰত কিছু গণ্ডগোল হোৱাৰ খবৰ আহিল। অপৰাক ৰিজৰ্টত নমাইয়ে মৃগনাভ থানালৈ গুচি আহিছিল। সীমান্তত গণ্ডগোল হোৱাত তাইক নিবলৈ সি আহিব নোৱাৰিলে। অৰুণাচলত থকা অসমৰ এক ভূমিপুত্ৰ জনগোষ্ঠীয়ে স্থায়ী বাসিন্দাৰ প্ৰ-পত্ৰ বিচাৰি কৰা আন্দোলনে হিংসাত্মক ৰূপ লোৱাৰ ফালে আগবাঢ়িছিল। প্ৰ-পত্ৰ প্ৰদানৰ বিৰুদ্ধে আছিল অৰুণাচল প্ৰদেশৰ ছাত্ৰ সমাজ । ৰাজনীতি আৰু ভূগোলক লৈ হোৱা অঁৰিয়াঅৰিয়ে কিদৰে যে জীৱন আৰু সময় বিপন্ন কৰে— কলেজত ৰাজনীতি বিজ্ঞান আৰু বিশ্ববিদ্যালয়ত সাংবাদিকতা পঢ়াৰ অভিজ্ঞতাৰে উপলব্ধি কৰিবও পাৰিছিল অপৰাই। নতুন ৰাষ্ট্ৰ বা ৰাজ্য গঠনৰ সময়ত মানচিত্ৰত আঁকি পেলোৱা কেইডালমান আঁচে কিদৰে যে ৰাখি যায় ঐতিহাসিক বিবাদ আৰু বিদ্বেষ অনির্দিষ্ট কাললৈ ! মৃগনাভৰ গাড়ী আহিব নোৱাৰাত তাইক থবলৈ গৌতম সেয়ে নিজেই গাড়ী লৈ ওলাল। এনে হুলস্থুল আৰু সংঘাতৰ মাজেৰে মৃগনাভ ক'ৰবাত কৰ্তব্য পালনৰ হকে ওলাই যাবলগীয়া হ'লে তাইৰ সদায়েই উদ্বিগ্নতা হয়। অহাৰ বাটত গৌতমৰ সৈতে সেইদিনা তাই বিশেষ কথা নাপাতিলে। গৌতমে মাজে মাজে তাইলৈ চালে। চিগাৰেটৰ গিলিপ মাৰি থোৱা গোন্ধ এটাই তাৰ গাড়ীখনত স্থায়ীকৈ ঘৰ কৰি পেলাইছে। গাড়ীৰ সন্মুখৰ ছিটত অপৰা বহিলত এক অনন্য, মায়ামদিৰ সুগন্ধিয়ে সেই গিলিপ মাৰি থোৱা বিষাক্ত গোন্ধৰ লগত যুদ্ধ কৰিব লগা হ'ল। সি গাড়ীৰ খিৰিকী খুলি দিলে— পথৰ কাষৰ সুবিস্তীৰ্ণ পথাৰবোৰৰ পৰা ধান পকাৰ গোন্ধ সোমাই আহিছিল।

"আপুনি শ্যুটিং কেতিয়া আৰম্ভ কৰিব বাইদেউ ?"— সি সুধিছিল। নতুন ডকুমেন্টৰীখনৰ কথা গৌতমক কৈছিল অপৰাই। গৌতমে দুবছৰ আগত বিশ্ববিদ্যালয়ত পাৰফৰ্মিং আৰ্টচৰ ডিপ্লা'মা লৈ আহিছে।

"নাটক কৰিবহে খুজিছিলোঁ বাইদেউ, কিন্তু জীৱিকাই বেপাৰীহে কৰিলে। মোৰ ৰিজৰ্টত মদ বেচোঁ। ফুৰ্তি -ফাৰ্তাৰ বাবে কাষ্টমাৰে মদ বিচাৰেই। কাষ্টমাৰৰ এক্সপেকটেশ্যন আৰু ডিমাণ্ডক লৈহে আমাৰ ব্যৱসায়। দেউতাই বেয়া পাই এইটো কথা।"— অলপ অসহায়তা আৰু অলপ কাৰুণ্য একেলগে গৌতমৰ মাতত শুনা গ'ল।

"যি কৰা ভালকৈ কৰা। নৈতিকাতাৰ সীমাৰেখাডাল সদায় আপেক্ষিক বা সময় সাপেক্ষ। তোমালোক এক বেয়া সময়ৰ পৰা ওলাই আহিছা। স্বাৱলম্বী হোৱাৰ যুঁজ দিছা— গাঁওৰ ল'ৰাবোৰক সংস্থাপন দিয়াৰ কথা ভাবিছা। এইবোৰো জানো ডাঙৰ কথা নহয় ?"

— অপৰা সহজ আৰু ইতিবাচক হ'বলৈ বিচাৰিছিল। যুদ্ধক্লান্ত সময় পাৰ হৈ অহা নতুন ল'ৰা এটিৰ সন্মুখত উৎসাহী কণ্ঠ হৈ উঠিব খুজিছিল। এনে উৎসাহ কি কেতিয়াবা আদিত্যৰো প্ৰাপ্য আছিল ? নিজৰ আভিজাত্য আৰু উচ্চাকাংক্ষাই বান্ধি থোৱা পৰিসীমা ভাঙি আদিত্যৰ হাতখন খামুচি ধৰা হ'লে আদিত্য কি নগ'লহেতেঁন ? তাইৰ অলপমান যত্ন আৰু দায়িত্বই কি তাক থার্ড ইয়েৰৰ পৰীক্ষা হলৈ উভতাই আনিলেহেতেন ? কিন্তু অপৰাৰনো তেতিয়া কিমান বয়স ! কলেজত পঢ়ি থকা এজনী স্বপ্নবিলাসী ছোৱালীয়ে কিমাননো বুজি পায় এইবোৰ কথা—পায়নে ?

"আৰু ফিল্ডৱৰ্ক থাকিলে কব বাইদেউ। ছাৰৰ ড্রাইভাৰৰ সময় নাথাকিলে মই লৈ যাম। মহঙত আমাৰ ঘাই ঘৰ। বাইছাই আপোনাক বহু...ত কাহিনী ক'ব"— ল'ৰাটোৱে বিনম্রতা আৰু হেপাঁহেৰে ক'লে। অপৰাৰ বুকুত একমূহুৰ্তৰ বাবে জোকাৰণি এটা উঠিল— যেন শুই থকা ঢৌ এটাই হঠাৎ গর্জন তুলিব খুজিলে। নে হৃদয়ৰ সাঁচতীয়া স্বর্ণমুদ্রা কেইটামান ঝণঝণাই বাজি উঠিল ! মহং ! আদিত্যৰ মুখত প্ৰথম শুনা ঠাইখন— তাতে আছে আদিত্যৰ গাঁও— আদিত্যৰ ঘৰ !

"আপোনাৰ ডকুমেন্টৰীখনৰ কি নাম হ'ব— সোধাই নাই নহয়..."— গৌতমৰ মাতত এতিয়াও ছাত্ৰৰ দৰে আগ্ৰহ।

"সীমান্তৰ সাধুকথা।"— তাই ক'লে আৰু গৌতমে খুলি দিয়া গাড়ীৰ পৰা আথে বেথে নামিল। গৌতমৰ গাড়ী ওখ— দৰ্জাৰ তলত বোকাও বহুত। গাড়ীৰ ভিতৰৰ এছট্ৰেত বহুত চিগাৰেটৰ টুকুৰা। তাই জোখতকৈ বেছিকৈয়ে শাড়ীখন উজাই নামিব লগা হ'ল।

গেট খোলাৰ চাবি উলিয়াবলৈ তাই বেগৰ চেইন টানি থাকোঁতেও গৌতম একান্ত বাধ্য, অনুগত, নিষ্ঠাৱান ছাত্ৰৰ দৰে তাইৰ পিছত থিয় হৈ থাকিল। তাই মাত্ৰ মৰমেৰে ক'লে— 'তোমাৰ ছাৰেও বহুত চিগাৰেট খায়। ইমান চিগাৰেট নাখাবা। সৰু হৈ আছা। স্বাস্থ্য ভাগি যাব একেবাৰে।'

তাই ঘৰলৈ সোমাই গ'ল।

তাই দৰ্জা বন্ধ কৰালৈকে পদুলি মুখত বৈ থাকিল গৌতম।

এই বৈ থকাৰ নাম দায়িত্ব নে মুগ্ধতা— গৌতমেও নাজানিলে।

—

অপৰা নিৰুদ্দিষ্ট হোৱাৰ খবৰটো কোনোবা এটা ৰেব পৰ্টেলত মই প্ৰথম দেখিছিলোঁ। সততে ম'বাইল স্ক্ৰীণত আহি থকা অলেখ আগ্ৰহহীন খবৰৰ দৰেই এই খবৰটোও স্কীপ কৰিব খোজোঁতেই একপ্ৰকাৰৰ তধা-মধা খাই বৈ গৈছিলোঁ মই। অপৰা বৰুৱাৰ সৈতে ম'বাইল স্ক্ৰীণত ওলাই আছে সেয়া মৃগনাভ গোহাঁইৰ ফটো। ঘোষিকাই বাৰে বাৰে উচ্চৰিছে মৃগনাভ কৰ্মৰত থানাখনৰ নাম। মই সেই সময়ত কলেজৰ বিভাগত। গধূলি সময় যদিও অহা মাহত হ'বলগীয়া নাক মূল্যায়নৰ বাবে কলেজত নিশালৈকে কাম চলি আছিল। একপ্ৰকাৰৰ উধাতু খাই কোঠাৰ পৰা ওলাই আহি মৃগনাভক ফোন কৰিবলৈ বিচাৰিলোঁ। কিন্তু ফোন সংযোগ সীমাৰ বাহিৰত আছিল তেতিয়া।

আমাৰ উমৈহতীয়া দুই-এক বন্ধুৰ সৈতে কথা পাতিলোঁ— সকলো অস্পষ্ট, বিভ্ৰান্ত। অবাক আৰু বিস্মিত।

বিয়াৰ মাত্ৰ দুবছৰ হৈছিল মৃগনাভ-অপৰাৰ। বিয়াৰ পাছতেই তাৰ গুৱাহাটীৰ পৰা ট্ৰেন্সফাৰ হৈছিল আৰু সিঁহত তিনিচুকীয়াৰ এখন সীমান্তৱৰ্তী ঠাইলৈ গুচি গৈছিল। বিয়াৰ অভ্যৰ্থনাতেই আমি শেষবাৰৰ বাবে লগ পোৱা। বিয়াৰ আগত প্ৰায় নিয়মীয়াকৈ মৃগনাভৰ লগত থকা যোগাযোগ যোৱা দুবছৰত কিছু কমি আহিছিল। যোগাযোগ ৰখাত মৃগনাভ বৰ পটু নাছিলেই। সম্পৰ্কত ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰাত ব্যস্ততা যদিও এক অজুহাত, কিন্তু তাৰ চাকৰিটোৱেও হয়তো তাক সেইদৰেই গঢ়ি পেলাইছিল— কৰ্মজীৱনত ক্ষিপ্ৰ আৰু তীক্ষ্ণ হোৱাৰ পিছতো ঘৰুৱা জীৱনত যেন অলপ নিৰুদ্বেগ আৰু কেজুৱেল ব্যক্তিত্ব। শেষলৈ টেলিফোনিক বাৰ্তালাপ নোহোৱা হৈ হোৱাটছএপ ষ্টেটাছত ৰিয়েক্ট দিয়াতেই আমাৰ যোগাযোগ ৰৈ গৈছিলগৈ। অপৰাক মই কাহানিও ওচৰৰ পৰা লগ পোৱা নাছিলোঁ। খুউব কম সময়ত লগ পাই, প্ৰেম হৈ সিঁহতে বিয়াৰ সিদ্ধান্ত লৈছিল। সেইফালৰ পৰা ময়েই নহয়, মৃগনাভৰ আন কোনো পুৰণি বন্ধুৱেও অপৰাক ওচৰৰ পৰা লগ পাইছিল যেন নালাগে। গণসংযোগ আৰু সাংবাদিকতা পঢ়ি অহা অপৰা ইণ্ডিপিন্ডেণ্ট ডকুমেন্টৰী মেকাৰ বুলি জানিছিলোঁ। অসম আৰ্হিৰ ঘৰৰ ঐতিহ্যক লৈ অপৰাই কৰা এখন ডকুমেন্টৰী ইউটিউবত এবাৰ চাবলৈও পাইছিলোঁ। অপৰা সম্পৰ্কে মোৰ ধাৰণা সিমানতেই শেষ আছিল। মৃগনাভ গাঁৱৰ এক সাধাৰণ মধ্যবিত্তীয় পৰিয়ালৰ পৰা কষ্ট কৰি ওলাই আহি সফল হোৱা ল'ৰা হোৱাৰ বিপৰীতে অপৰা ঐতিহ্যমণ্ডিত, সম্পদশালী পৰিয়ালৰ ছোৱালী আছিল। বিয়াৰ পিছত মৃগনাভৰ পৰা এবাৰেই মই মাত্ৰ জানিবলৈ বিচাৰিছিলোঁ— কেনেকুৱা চলিছে সংসাৰ! মৃগনাভৰ উত্তৰত সন্তোষ, উচ্চাস আৰু গৰ্ব কেউটাই আছিল। অৰ্থাৎ অপৰাৰ দৰে পত্নী লাভ কৰি মৃগনাভ সুখী আৰু আনন্দিতই হৈছিল!

কিন্তু নিউজত বাজি আছিল সেইদিনা অন্য কিবা— অপৰা বৰুৱাৰ নিৰুদ্দেশ! আৰক্ষী বিষয়াৰ পত্নীৰ নিষিদ্ধ ঘোষিত সংগঠনত যোগদানৰ সন্দেহ! পূৰ্ব প্ৰেমিকক বিচাৰি উগ্ৰবাদেৰে গ'ল নেকি অপৰা বৰুৱা? লিংকমেনৰ সন্দেহত দুজনক আটক!

স্ক্ৰীণত আহি আছিল ইটোৰ পিছত সিটো বাক্যৰ উত্তেজনাপূৰ্ণ উপস্থাপন। নেপথ্যত থ্ৰিলাৰ চিনেমাৰ দৰে আৱহ সংগীত। সেইদিনা কেনেকৈ গাড়ী চলাই ঘৰ পাইছিলোঁহি, মোৰ মনত নপৰে। নিশাৰ নিয়মিত ড্ৰিংকচ হাতত লৈ মই একপ্ৰকাৰৰ হাহাকাৰ কৰি উঠিছিলোঁ। মৃগনাভ এসময়ত মোৰ যে কিমান মৰমৰ মানুহ আছিল! মৃগনাভক দেখিলে নিৰাৱেগিক আৰু সংবেদনশূন্য মানুহ যেন লাগিব পাৰে— ৰৰ্কহলিক আৰু কেৰিয়াৰিষ্ট মানুহ যেন লাগিব পাৰে— কিন্তু একেজন মানুহৰে ভিতৰত যে ব্যক্তিত্বৰ ভিন্ন তৰপ থাকে, মৃগনাভক কাষৰ পৰা পালে সেয়া বুজি পোৱা যায়। মই সততে কোৱাৰ দৰে কোনো মানুহকে মৃগনাভে 'মিছ কৰোঁ' বা 'ভাল পাওঁ' বুলি কব নোৱাৰে— আত্মপ্ৰকাশৰ এনে অভিব্যক্তিত সি বাৰুকৈয়ে অসহজ আৰু উদাসীন— কিন্তু ইউনিফৰ্মৰ বাহিৰত মুষ্টিমেয় দুই এক কমফৰ্টেবল মানুহৰ আৰেষ্টনীৰ মাজত সি সঁচাই এটা অন্য মানুহ। মই সেই অন্য মৃগনাভক দেখিছিলোঁ— পুলিচৰ

চাকৰিলৈ প্ৰস্তুতি চলাই থকাৰ দিনবোৰতে। যদিও সি মোক দাদা বুলিয়েই মাতিছিল, দৰাচলতে আমি ছাগে' ক্ৰমান্বয়ে বন্ধু হৈহে উঠিছিলোঁ। তেতিয়া আমি একেটা ভাড়াঘৰত থাকোঁ— মই আৰু কল্প একেলগে। মৃগনাভ আৰু চন্দন একেলগে। সিঁহতি সেই দিনবোৰত চাকৰি-বাকৰিৰ বাবে প্ৰিপেৰেশ্যন চলাই আছে। মোৰো কলেজত তেতিয়া কন্ট্ৰেকছ্যুৱেল চাকৰি। সংগ্ৰাম আৰু সপোনে হাতে হাত ধৰি গৈ থকা দিন। পকেটত পইছা কম থাকিলেও বুকুত উলাহ বেছি থকা দিন। আহি থকা চাকৰিৰ ফিজিকেল টেষ্টবোৰৰ প্ৰস্তুতিৰ বাবে ৰাতিপুৱা সিঁহত ফিল্ডত দৌৰিবলৈ যায়। গধূলি কেতিয়াবা এটা হাফ্আনি চাৰিটাৰ আড্ডা— ৰাতিলৈকে পঢ়া-শুনা, ব্ৰেক আপৰ পিছৰ ট্ৰেজেডি, এটা চিগাৰেট চাৰিওটাই হুপা—কত গল্প, কত কথা। কল্প মোৰ ৰুমমেট আছিল। কিন্তু সকলোৱে কৈছিল— মৃগনাভক মই বোলে সিঁহততকৈ বেছিকৈ মৰম কৰিছিলোঁ। মৰম তুলনাৰ বস্তু নহয়—তাৰ পিছতো সন্মুখৰজনৰ উপস্থিতি আৰু উপলব্ধি ভেদে যে মৰমৰ তীব্ৰতাৰ কম-বেছি হয়, সেই কথা মই মানিও লওঁ। বয়সত ডাঙৰ আছিলোঁ— বহু সময়ত কেউটাৰে অভিভাৱকৰ দৰেহে আছিলোঁ। সাধাৰণতে সকলো মেচ কৰি থকা ল'ৰাৰ ভাড়াঘৰত হোৱাৰ দৰে দুটা পাকঘৰ থকাৰ পিছতো আমি এটা পাকঘৰতেই প্ৰায়েই ৰন্ধা-বঢ়া কৰিছিলোঁ।

অতদিনৰ পিছত সেই মৃগনাভৰ জীৱনলৈ নমা সেই অভাৱনীয় বিপৰ্যয়ত মই স্বাভাৱিকভাৱেই বিতত হ'লোঁ। পিছদিনাই ৰাজধানী এক্সপ্ৰেছত টিকট কৰি মই তিনিচুকীয়ালৈ অহাৰ কথাও ভাবিলোঁ, কিন্তু বৃত্তিগত-ব্যক্তিগত জীৱনৰ অলেখ দায়-দায়িত্ব সামৰি (নে সেয়াও অজুহাত?) যাওঁ বুলিয়েই ওলাই যাব পাৰিনে ৰাতিৰ ভিতৰতে ক'ৰবাত? আমাৰ মাজত সঘণ যোগাযোগ কমি আহিছিল— কিন্তু স্নেহ-দায়িত্ব-ভালপোৱাৰ যি বান্ধোন বহু বছৰৰ আগেয়ে আমি বান্ধি লৈছিলোঁ আমাৰ মাজত— ঠাই আৰু পৰিস্থিতি সলনি হোৱাৰ পিছতো সেই বান্ধোন আচলতেই হুলকি পৰা নাছিল। সকলো মানুহক আনকি মোকো প্ৰায়ে 'টেকেন ফ'ৰ গ্ৰান্টেড' লোৱা বুলি মৃগনাভৰ প্ৰতি হয়তো মোৰ কেতিয়াবা আক্ষেপ আৰু অভিমান হৈছিল— কিন্তু মৃগনাভৰ মাজত সদায়েই থকা সেই অনুচ্চাৰিত শুভেচ্ছা আৰু আপোনত্ব বুজি পোৱাত মোৰ কাহানিও ভুল হোৱা নাছিল।

ৰাতিৰ টোপনি চিলমিল আছিল। সপোনত চকা মকাকৈ মৃগনাভক দেখিছিলোঁ। পুলিচ হোৱাৰ আগৰ মৃগনাভক। আৰু দেখিছিলোঁ— বৃহৎ বৃহৎ পাহাৰ বগাই পিঠিত মস্ত বেগ বান্ধি গুচি যাব খোজা এজনী ছোৱালী। সেইজনী কি অপৰা আছিল? যিজনী ছোৱালীক বিয়াৰ অভ্যৰ্থনাতেই ওচৰৰ পৰা মই প্ৰথম আৰু শেষ দেখা— আৰু জন্মদিন নে বিবাহ বাৰ্ষিকীত পৃষ্ঠভূমিত পাহাৰ ৰাখি একেলগে থিয় হৈ থকা এখন ফটো মৃগনাভৰ ষ্টেটাচত আহিছিল। সেয়াই। মৃগনাভে কাহানিও নিজৰ ব্যক্তিগত ফটো আদি ৰাজহুৱা কৰা নাছিল— আগৰে পৰা। মৃগনাভ-অপৰাৰ ফটো আদিও বেছিকৈ দেখা সেয়ে মোৰ মনত নপৰে।

প্ৰায় এসপ্তাহ অস্থিৰতাৰে পাৰ হোৱাৰ পিছত এদিন মৃগনাভ ৰঙা পৰা চকু, নুখুৰোৱা দাঢ়িৰে মোৰ ঘৰ ওলাইছিলহি। পুৱতি নিশা। তিনিচুকীয়াৰ পৰা সি অকলে নিজে গাড়ী চলাই আহিছিল। ইতিমধ্যে মৃগনাভৰ গোৱালপাৰালৈ বদলিৰ জাননী ওলাইছিল। মোৰ সন্মুখৰ মৃগনাভ আছিল এক বিধ্বস্ত আৰু ভগা-ছিগা মানুহ। প্ৰেমহীনতা-প্ৰতাৰণা-বিশ্বাসভংগ-ক্ষোভ নে জীৱন আৰু সম্পৰ্কৰ জটিল সাঁথৰবোৰ ভাঙিব নোৱাৰাৰ অসামৰ্থৰ বেদনাৰে সি কোঙা হৈ আহিছিল— মই জনা নাছিলোঁ। ৰাতিপুৱাই প্ৰিন্সিপাললৈ মেইল পঠিয়াই সেইদিনা নৈমিত্তিক ছুটী ল'লো। মই অকলে থকা ঘৰটোৰ বৈঠকখানাৰ চোফাত বহি, শোৱা ৰুমৰ বিছনাত পেট পেলাই আৰু আবেলি বেলকনিত চাহ আৰু চিগাৰেট লৈ আমি গোটেই দিনটো কথা পাতিলোঁ।

"অপৰাই মোক ভাল পাইছিল দাদা। তাৰ পিছতো অপৰা গুচি গ'ল।"— বাৰে বাৰে এই কথাই কৈছিল মৃগনাভে। "বিয়াৰ দুবছৰ হৈ গ'ল। অথচ আজিলৈকে মই অপৰাৰ মুখত শুনা নাছিলোঁ কোনো আদিত্য দহোতীয়াৰ নাম। কিন্তু সকলোৱে কৈ আছে আলফা নেতা আদিত্য অপৰাৰ খুউব ঘনিষ্ঠ বন্ধু আছিল। অথবা প্ৰেমিকো আছিল। অথচ সদায়েই মোৰ কাষতে থকা, মোৰ লগতে শুৱা, মোলৈ ভাত ৰান্ধি দোভাগ ৰাতিলৈ ৰৈ থকা মানুহজনীৰ মাজত এনে এক ভাবিব নোৱাৰা অতীত আছিল, এই কথা মই একোৱেই জনা নাছিলোঁ।" — মৃগনাভ একেবাৰে ভাগি পৰিছিল।

দাম্পত্য জীৱনত অসুখী বহু নাৰী আৰু পুৰুষৰো বিবাহ-বৰ্হিভূত প্ৰেমৰ কথা মই জানো। ঘৰ-সংসাৰ এৰি কম বয়সীয়া প্ৰেমিকৰ লগত পলাই যোৱা, ভিন্ন চহৰত গৈ আত্মগোপন কৰা বহু অশিক্ষিতা-অৰ্ধশিক্ষিতা নাৰীৰ খবৰ সংবাদ মাধ্যমত আহিয়েই থাকে। আনকি ডাঙৰ নগৰ আৰু মহানগৰত আমি যি সংস্কৃত-সম্ভ্ৰান্ত প্ৰগতিশীল পৰিমণ্ডলত থাকোঁ বুলি ভাবো— তাতো এনে প্ৰকাশ্যে গোপন অলেখ সম্পৰ্কৰ খবৰ গছিপ হৈ ঘূৰি থাকে। পত্নী-সন্তানক এৰি পৰস্ত্ৰীৰ সৈতে ৰাত্ৰিবাস কৰা এক উচ্চপদস্থ বিষয়াক বিচাৰি আমাৰ এপাৰ্টমেন্টতে সাংবাদিকৰ দল লৈ অধ্যাপিকা পত্নীয়ে দুদিন আগত হৈ চৈ লগাই গৈছে। কিন্তু অপৰাই যি সিদ্ধান্ত ল'লে—

সেয়াটো গছিপ নহয় ! মুখৰোচক তৰল খবৰ নহয় ! ৰাজ্যৰ গৃহদপ্তৰত কঁপনি উঠা খবৰ— এক প্ৰান্তীয় আৰু এসময়ৰ অশান্ত অঞ্চলত চাকৰি কৰিবলৈ যোৱা স্বয়ং আৰক্ষী বিষয়াৰ সুন্দৰী, প্ৰজ্ঞাৱতী, সৃষ্টিশীল পত্নী গুচি গৈছে দুৰ্গম, বিপন্ন বাটেৰে— যি বাট এতিয়া কেৱল বিদেশৰ পৰা অহা প্ৰেছ বিজ্ঞপ্তিতেই জীয়াই আছে বুলি আমাৰ নগৰবোৰৰ, মহানগৰবোৰৰ আছে বদ্ধমূল ধাৰণা !এয়া উগ্ৰপন্থী সংগঠনৰ ট্ৰেপিং আছিল নেকি ? গম নোপোৱাকৈয়ে তেওঁলোকৰ চলনা আৰু কৌশলত ভৰি দিছিল নেকি অপৰা বৰুৱাই? কিন্তু অপৰাই কৈ থৈ গৈছিল অন্য কথাহে।

ইতিমধ্যেই গৌতম আৰু তেওঁৰ দুই বন্ধুক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। গৌতমৰ সৈতে ডকুমেন্টৰীৰ সমল বিচাৰি অপৰা অসম-অৰুণাচলৰ সীমান্তৰ গাঁওবোৰত ঘূৰি ফুৰাৰ খবৰ আৰক্ষীৰ হাতত পৰিছিল। আদিত্য দহোতীয়াৰ ঘৰো বোলে এদিন অপৰাই বিচাৰি উলিয়াইছিলগৈ। থান-বান সময়ৰ অলেখ জোৱাৰ আৰু ধুমুহা পাৰ হৈ অহা আদিত্যৰ বৃদ্ধা মাকক সাৱটি হেনো অপৰাই কান্দিছিল। কাহানিও লগ নোপোৱা, কাহানিও সংযোগ নোহোৱা দুজনী মানুহে এজনীয়ে আনজনীক সাৱটি ধৰি কান্দিছিল। পুলিচ-মিলিটেৰীয়ে এসময়ত দপদপাই থকা ঘৰখনৰ উদং চোতাল গচকি গৈ বৰঘৰৰ জুহালৰ সন্মুখত বহি এজন সাহসী আৰু প্ৰতাপী বুলি সুখ্যাতি অৰ্জন কৰা আৰক্ষীৰ পত্নীয়ে এজন নিৰুদ্দিষ্ট বিদ্ৰোহীৰ মাকক সাৱটি ধৰি কান্দিছিলগৈ। গৌতম একপ্ৰকাৰৰ বিস্ময়াভিভূত হৈ থিয় হৈ ৰৈছিল— জীৱন ইমান ৰহস্য আৰু ব্যখ্যাহীন বিস্ময়ৰ সমাহাৰ বুলি ইয়াৰ আগতে তাৰ সঁচাই ধাৰনা নাছিল। তাৰ পিছত কেইবাবাৰো অপৰা সেইখন ঘৰলৈ গৈছিল। "আপুনি ইয়ালৈ এনেকৈ আহি থাকিলে ছাৰে ভাল নাপাব বাইদেউ" বুলি গৌতমে দুবাৰমান সকীয়নিও দিছিল। এইখিনি আছিল গৌতমে আৰক্ষীৰ জিম্মাত কোৱা কথা।

তাৰ পিছতো অপৰা সেই ঘৰখনলৈ গৈ থাকিল।

অপৰা স্বাধীনচিতীয়া আৰু মুকলি চিন্তাৰ নাৰী বুলিয়ে মৃগনাভে সদায়েই ভাবিছিল। অপৰাই নিজে নকলেহি অপৰানো ক'ত গৈছে, সেই কথা জানিবলৈ মৃগনাভে বৰ ইচ্ছা প্ৰকাশো কৰা নাছিল। কিন্তু দেখাত ইমান পৰিপূৰ্ণ যেন লগা, সমাজ-ৰাজনীতিৰ সাম্প্ৰতিক খবৰ ৰখা অপৰাই কিয় ল'লে সেই সিদ্ধান্ত— কিয় লিখি গ'ল সেই চিঠি—

... মৃগনাভৰ চকুত চকুপানী। মই চকী এৰি মৃগনাভৰ কাষলৈ উঠি গ'লোঁ। ইমান শূন্যতা— ইমান বেদনা আৰু বিমৰ্ষতাৰ সন্মুখত কি সান্ত্বনাই কাম কৰে, মোৰ অতবছৰৰ শিক্ষকতাৰ অভিজ্ঞতাৰেও বুজিব নোৱাৰিলোঁ। কি আছিল চিঠিখনত ? অপৰাই যি সময়ত এই বাটেৰে গ'ল— সেয়াতো আদৰ্শৰ বাবে যোৱা সময় নহয়। যোৱা শতিকালৈকে যি আস্থা আৰু প্ৰত্যয়েৰে ভবা গৈছিল তেওঁলোকে আঁকিব খোজা উদিত্য সূৰ্যৰ কথা— সেই সূৰ্যৰ সমস্ত কিৰণ আৰু উত্তাপ এতিয়া একেবাৰেই ম্লান আৰু স্তিমিত। তাৰ বিপৰীতে সেই অস্ত্রধাৰী সংগ্ৰামৰ বিফল পৰিণতিৰ কাৰুণ্যই হতাশা আৰু হুমুনিয়াহৰ যুগ যন্ত্রণাহে এৰি থৈ গৈছিল। এইবোৰতো অপৰাই নজনা কথা নহয়। বিলাস আৰু স্বাচ্ছন্দ্যৰ সৈতেই অপৰাৰ আশৈশৱ জীৱন অভ্যস্ত, পৰিচালিত। তাৰ পিছতো অপৰাৰ মাজত এনে কি উত্তাল আৱেগৰ আলোড়ন— যাৰ বাবে সমস্ত ঐশ্বৰ্যৰ জগত এৰি দুৰ্গম, ভয়ানক, ভৱিষ্যতহীন আৰু তাতোকৈও বেছি ৰক্তক্ষয়ী বাটেৰে গুচি যোৱাৰ কথা ভাবিলে অপৰাই ?

"মই তোমাক ভাল পাওঁ। কিন্তু মোৰ আদিত্যক এবাৰ লগ কৰিবলগীয়া আছিল। এবাৰ কথা পাতিবলগীয়া আছিল। এই বাট কষ্ট আৰু কাঁইটৰ। কিন্তু কি আক্ষেপ আৰু অভিমানত, ক্ষোভত, প্ৰতিবাদত মানুহ গুচি যায় এই বাটেৰে, সেই কথাও মোৰ জানিবলগীয়া আছিল ওচৰৰ পৰা। হয়তো মই উভতিও আহিম। অহালৈ তুমি মোৰ বাবে একেদৰে থাকা নে নাথাকা, মই নাজানোঁ।"

— মৃগনাভ-অপৰাৰ শুৱনি কোঠাৰ ড্ৰেচিং টেবুলৰ আইনাত গোট গোট ধুনীয়া আখৰেৰে লিখা হালধীয়া কাগজ এখনত কথাকেইটা জিলিকি আছিল। নিশা বহু পলমকৈ ড্ৰাগছৰ কেচ এটাৰ পৰা উভতি আহি অপৰা বিহীন ঘৰখনৰ বন্ধ লাইটবোৰ উদ্বিগ্নতাৰে জ্বলাবলৈ গৈ হতভম্ব চকুৰে এই আখৰ কেইটা দেখিছিল মৃগনাভে। অবিশ্বাস্য ! অদ্ভুট ! বোধাতীত ! কিন্তু মৃগনাভৰ জীৱন ধূলিসাৎ কৰিব খোজা সেই ঘটনা ভয়ংকৰ শীতলতাৰে ঘটি গৈছে। মৃগনাভৰ প্ৰিয়তমা পত্নী গুচি গৈছে কন্টকাকীৰ্ণ বাটেৰে— যি অনিশ্চিত বাটৰ পৰা কেনেবাকৈ উভতি অহাৰ পিছতো জুঁই আৰু যাতনাৰ বাহিৰে আন বিশেষ একো নাথাকে !

তিনিমাহৰ পিছত গৌতমৰ জামিন মঞ্জুৰ হৈছিল। সেই অঞ্চলটোৰ আটাইটকৈ সংখ্যাগৰিষ্ঠ খিলঞ্জীয়া জনগোষ্ঠীটোৰ ছাত্ৰ সংগঠনৰ আইনী পৰামৰ্শদাতা হৈ থকা অধিবক্তাজনে সেই কেচটো লৈছিল। গৌতম সম্পূৰ্ণ দোষমুক্ত প্ৰমাণিত হোৱা নাছিল— কিন্তু এই অঞ্চলৰ ল'ৰাবোৰক এতিয়াও জোৰজবৰদস্ত 'আলফা সজোৱা'ৰ যত্ন হৈ আছে বুলি অধিবক্তা স্বপ্নীল ফুকনে ক'ৰ্টত যুক্তি প্ৰদৰ্শন কৰাৰ কথা সংবাদ মাধ্যমত ওলাইছিল। " পৰকীয়া প্ৰেমৰ বাবে পুলিচৰ পত্নী নিৰুদ্দেশ হ'লেও কি আমাৰ ল'ৰাবোৰ জগৰীয়া ?"— অধিবক্তাই হেনো ক'ৰ্টত চিঞৰিছিল।

মৃগনাভ ইতিমধ্যে গোৱালাপাৰালৈ গুচি গৈছিল। মাজে মাজে

আমি ফোনত কথা হৈছিলোঁ। অপৰাৰ কথা সি কমকৈ কৈছিল। সি বেছিকৈ মদ খালে, মোৰ সদায়েই ভয় লাগিছিল। সেই ভয়, সি কমৰত বান্ধি থোৱা চার্ভিছ পিষ্টলটোৱে বঢ়াইছিল। মই বিচাৰিছিলোঁ— তাৰ নতুনকৈ প্ৰেম হওঁক। নতুনকৈ কাৰোবাক ভাল লাগক। অন্ততঃ নতুন এটা সম্পৰ্কৰ উত্তেজনাৰ মাজেৰে পাৰ হৈ অহা সময়ৰ ক্লেশ অথবা কাঠিন্য ক্ৰমান্বয়ে লঘু হৈ আহিব। নিজক চম্ভালি লোৱাটো নিশ্চিতভাৱে তাৰ বাবে আছিল কষ্টকৰ কথা! ডিপার্টমেন্টত, সহকৰ্মীৰ মাজত, নিজৰ নতুন কৰ্মস্থানতো তাৰ প্ৰতি মানুহৰ সহজাত কৌতুহল আছিল— সন্মুখত নাপাতিলেও আঁৰত গৈতো সকলোৱে তাৰ কথাই পাতিছিল! অপৰাৰ কথাই পাতিছিল! ডিপার্টমেন্টত নিজৰ বিশ্বস্ততা আৰু গোটেই ঘটনাক্ৰমত তাৰ অজ্ঞতা প্ৰতিপন্ন কৰিবলৈও সি যুঁজ এখন দিব লগীয়াত পৰিছিল।

অপৰাক নিষিদ্ধ ঘোষিত সংগঠনৰ লগত যোগাযোগ কৰাই দিয়া বুলি পুলিচে সন্দেহ কৰা গৌতমৰ বিষয়ে জানিবলৈও মই আচলতে খুউব ইচ্ছুক আছিলোঁ— গৌতমে সঁচাকৈয়ে কি একো নাজানিছিল? নে অপৰাৰ প্ৰতি বাঢ়ি অহা মুগ্ধতা-আকৰ্ষণ-অনুৰাগৰ বাবে গৌতম নিশ্চুপ হৈ আছিল! একো নজনাৰ দৰে আছিল?

অপৰাৰ বিষয়ে আমি কোনেও এতিয়া একো নাজানো। সশস্ত্ৰ সংগঠনটোৰ পৰা সংবাদ মাধ্যমত অহা বিজ্ঞপ্তিবোৰ আজিকালি মই স্কিপ নকৰাকৈ পঢ়ো। ইয়াত ক'ৰবাত অপৰাৰ খবৰ আছেনে? অপৰাই কি সংগঠনত যোগদান কৰিলে? অপৰাই আদিত্যক বিচাৰি পালেনে? নে দুৰ্গম-বিপদসংকুল-কন্টকাকীৰ্ণ বাটেৰে যাওঁতেই হেৰাই থাকিল অপৰা?

অপৰা সম্পৰ্কে নিমাতে থাকিল উগ্ৰবাদী সংগঠনৰ নেতৃত্বও।

অপৰা অথবা আদিত্য দহোতীয়াইহে ইয়াৰ পিছৰ কাহিনী আমাক ক'ব পাৰিব।

এই গল্প আচলতে কাঁইটৰ নে গোলাপৰ— সেই সিদ্ধান্ত লবলৈ আপোনালোকৰ লগতে মোৰো আচলতে কিছু সময় লাগিব।

অন্তৰা

মিণ্টু ঠাকুৰীয়া
কনিষ্ঠ সহায়ক



দূৰৈৰ পৰা ৰিণিকি-ৰিণিকি ভাঁহি অহা বিবিধ চৰাইৰ মাতবোৰ শোৱাপাটীৰ পৰা চকু মুদিয়েই দেৱাশীষ শইকীয়াই শুনি আছে। এই মাতবোৰে দেৱাশীষক যেন গোটেই দিনটোৰ দুঃখ-ভাগৰবোৰ পাহৰাই তুলিব পাৰে। দেৱাশীষ শইকীয়া গুৱাহাটীৰ এজন প্ৰসিদ্ধ ব্যৱসায়ী। পত্নী পল্লৱী শইকীয়া গৌহাটী হাইকৰ্টৰ উকীল আৰু জীয়ৰী এখিলা এইবাৰ পঞ্চম শ্ৰেণী পাইছে। এক ব্যস্ততাপূৰ্ণ জীৱন। তাৰ মাজতে ছোৱালী এখিলাক যিমান পাৰে সময় দিবলৈ যত্ন কৰে দুয়োৱে। মাজে মাজে দেৱাশীষে ঘৰৰ পৰা পাঁচ কিলোমিটাৰমান নিলগৰ আশ্ৰম এখনলৈ যায়, অলপ সময় কটায়। আশ্ৰমৰ চোৱা-চিতা কৰা যাদৱককাৰ লগত প্ৰায়ে কথা-বতৰা পাতে। যাদৱকাকাই বহুবছৰ আগৰ কিছুমান ঘটনা-পৰিঘটনা বৰ ৰস লগাই কয়, দেৱাশীষেও শুনি বৰ আমোদ পায়।

এটি দেওবাৰৰ আবেলি প্ৰায় চাৰে তিনিমান বজাত দেৱাশীষ আশ্ৰমত অলপ সময় কটাও বুলি ভাবি ওলাই গ'ল। আজিকালি বৰ্দ্ধিত গাড়ী-মটৰৰ শব্দ, লাহে লাহে খালী ঠাইবোৰ কমি যোৱা, গছ-গছনি ধ্বংস হৈ যদিও চহৰখনক নতুন ৰূপ দি থকা হৈছে, তথাপিও মাজে-মাজে গাঁৱৰ দৰে মুকলি পৰিৱেশ এটা বিচাৰি মনটো হাহাকাৰ কৰি উঠে। আশ্ৰমত কিছুসময় থকাৰ পিছত যাদৱককা আহি দেৱাশীষৰ ওচৰত বহিলহি। দুয়ো কথা পাতি থকাৰ মাজতে দেৱাশীষে যাদৱকাকাক সুধিলে, "যাদৱকাকা, আজি আশ্ৰমত নতুন আলহী আহিছে যেন পাইছোঁ।" যাদৱকাকাই পিছমুৱাকৈ চাই ক'লে, "এহ্‌হে, কি কম আৰু, যোৱাকালি আশ্ৰমত আহি এই মহিলাজনী বহি আছিল, যাব ক'লেও নাযায়, কথা পাতি বৰ অসহায় যেন লাগিছে। অলপ থকাৰ ব্যৱস্থা কৰি দিছোঁ। দুই-তিনিদিন পিছত গুচি যাব বুলি কৈছে।" এইখিনি কৈ দূৰৈত বহি থকা মহিলাগৰাকীক যাদৱকাকাই মাতি দিলে, — "অ'ই ভণ্টী, অলপ এইফালে আহিবিতো।" দাদা, আপুনি অলপ কথা পাতি চাওঁকচোন বুলি দেৱাশীষৰ ফালে চাই যাদৱকাইয়ে ক'লে। মহিলাগৰাকী ওচৰত অহাত দেৱাশীষে অলপ কথা পাতি আকৌ যাবলৈ ক'লে।

"কিবা বুজিছে নেকি দাদা?" যাদৱকাকাই দেৱাশীষৰ ফালে কৌতূহলেৰে চাই সুধিলে। দেৱাশীষে অলপ চিন্তা কৰি ক'লে, "কথা-বতৰা ভালেই। বেছি একো ধৰিব পৰা নাই। কিন্তু কোনোবা ভাল ঘৰৰ মহিলা যেন লাগিছে। আশ্ৰমৰ কিবা কামত লাগিলে ৰাখিব পাৰে আৰু নহ'লে যদি কিবা অসুবিধা পায় পঠাই দিব।" এইবুলি কৈ পকেটৰ পৰা ফোনটো উলিয়াই ৰিচিভ কৰিলে। পল্লৱীয়ে ফোনত কৈছে, — "এখিলাই আপোনাক বিচাৰি আছে, সোনকালে আহক।" দেৱাশীষে ততাতৈয়াকৈ ঘৰ পাই জীয়েক এখিলাক লগত লৈ স্কুলৰ পৰা দিয়া গৃহকৰ্মত চকু ফুৰাবলৈ ধৰিলে।

দুয়ো নিজৰ নিজৰ কামত ব্যস্ত থকাৰ বাবে কেতিয়াবা ঘৰখন পৰিপাটিকৈ থ'বলৈ, এখিলাক অলপ চোৱা-চিতা কৰিবলৈ এগৰাকী

মানুহৰ প্ৰয়োজন অনুভৱ কৰে। কিন্তু বিশ্বাসী মানুহ পোৱা টান। সেয়েহে অলপ কষ্ট হ'লে দুয়ো ঘৰখন চলাই লৈ গৈছে।

দেৱাশীষ শইকীয়া আশ্ৰমলৈ নোযোৱা প্ৰায় তিনিমাহ মান হ'ল। যাদৱকাকাইয়ো কথাটো চিন্তা কৰি আছে। এদিন দেৱাশীষ, পল্লৱী আৰু এখিলা তিনিগৰাকী আশ্ৰমলৈ ওলাল। যাদৱকাকাই দূৰৰ পৰাই চিঞঁৰি ক'লে, "আৰে দাদা, মই সদায় আশ্ৰমৰ গেটৰ ফালে চাই থাকোঁ আপুনি আহিব বুলি, আহি থকা আৰু লগ পাই থকা মানুহক হঠাৎ নেদেখা হ'লে অলপ বেয়া লাগে।" তিনিও গৈ বহিল। বহুদিনৰ আগতে দেখা মহিলাগৰাকী তিনিওকে পানী দিলে। দেৱাশীষে যাদৱকাকাক সুধিলে, "এওঁ যোৱাই নাই নেকি?" যাদৱকাকাই ক'লে, "নাই, একো দিগদাৰী দিয়া নাই, ভালেই মানুহ, আশ্ৰমৰ কাম কৰি আছে।" পল্লৱীয়ে মহিলাগৰাকীৰ লগত কথা পাতি চালে, ভালেই পাইছে। কিছুসময় যোৱাৰ পিছত পল্লৱীয়ে দেৱাশীষক ক'লে, "এটা কাম কৰিব পাৰি নেকি বাৰু? এই বাইদেউ গৰাকীক আমাৰ ঘৰত ৰাখিব পাৰি নেকি? আমাৰো সুবিধা হ'ব আৰু এখিলাকো চাব পাৰিব।" দেৱাশীষে অলপ চিন্তা কৰি লাহে লাহে উত্তৰ দিলে, — "পাৰি, কিন্তু তেওঁৰ বিষয়ে আৰু অলপ জানিব লাগিব, তেওঁৰ লগত কিবা নথি-পত্ৰ আছে যদি সেইবোৰ চাই ল'ব লাগিব।" এইবুলি কৈ যাদৱকাকাকো কথাটো জনালে। যাদৱকাকাই ক'লে, "দাদা, মই তো তিনিমাহৰ বেছি দেখিলোঁ। অসুবিধা হ'ব যেন লগা নাই, তথাপিও ভালদৰে ভাবি-চিন্তি মোক জনাব, মই পঠাই দিম।"

দেৱাশীষহঁত ঘৰলৈ উভতি আহিল। কিছুদিন পিছত পল্লৱী আৰু দেৱাশীষে আলোচনা কৰি থকা মহিলাগৰাকীক ঘৰলৈ অনাৰ সিদ্ধান্ত ল'লে। এদিন দেৱাশীষ আৰু পল্লৱী গৈ আশ্ৰমৰ পৰা মহিলাগৰাকীক নিজৰ ঘৰলৈ লৈ আহিল। মহিলাগৰাকীক তেওঁৰ দায়িত্বৰ বিষয়ে বুজাই দিলে। মহিলাগৰাকীৰ নাম অন্তৰা বৰুৱা। দেৱাশীষ আৰু পল্লৱীয়ে তেওঁক অন্তৰা বাইদেউ বুলি মাতে। অন্তৰা বাইদেউক অনাৰ পৰা দেৱাশীষ আৰু পল্লৱীৰ বৰ সকাহ হৈছে। তেওঁ নিজৰ দায়িত্বখিনি নিয়াৰিকৈ পালন কৰে আৰু এখিলাৰো ভালদৰে যত্ন লয়।

বিহুৰ বতৰ। বিহু বুলি অলপ কাপোৰৰ বজাৰ কৰিবলৈ দেৱাশীষ আৰু পল্লৱী ওচৰৰে বজাৰলৈ ওলাই গ'ল। এখিলা শুই থকা বাবে অন্তৰা বাইদেউক চাবলৈ কৈ গ'ল। এখিলাই ডেৰ ঘণ্টামানৰ পিছত শুই উঠি মুখ-হাত ধুই অন্তৰা বাইদেউৰে বনাই দিয়া জলপান খাই পঢ়া টেবুলত বহিল। দেৱাশীষ আৰু পল্লৱী সোনকালে বজাৰৰ পৰা আহিব বিচাৰিছিল যদিও মানুহৰ ভিৰৰ বাবে অলপ পলম হ'ল। ঘৰলৈ আহি দুৱাৰমুখৰ পৰা দেৱাশীষে পল্লৱীক ইংগিত দি অলপ ৰ'বলৈ ক'লে — "মই যি শুনিছোঁ, তুমিও শুনিছা নে?" পল্লৱীয়ে অলপ আচৰিত হৈ ক'লে — "অ' শুনিছোঁ।" অন্তৰা বাইদেউৰে এখিলাক ইংৰাজী কবিতা এটি বুজাই আছে। দেৱাশীষ আৰু পল্লৱী দুয়ো-দুয়োৰ মুখলৈ চাই একো গমকে নোপোৱাৰ ভাওঁ জুৰি ভিতৰলৈ গৈ এখিলাই ভালপোৱা চক্‌লেট এটি হাতত দি এখিলাৰ লগত কথা পাতিলে, কি পঢ়িছে চালে। ইতিমধ্যে দেৱাশীষ আৰু পল্লৱীৰ মাত শুনি অন্তৰা বাইদেউ এখিলাৰ ওচৰৰ পৰা উঠি পাকঘৰলৈ গুচি গৈছিল। এখিলাই দেউতাক দেৱাশীষৰ ফালে চাই ক'লে, — "দেউতা, তোমালোকে ইমান দেৰি কৰিছা, স্কুলত মেথ্‌চ আৰু ইংলিছ হোমৱৰ্ক দিছিল। মই অসুবিধা পোৱাত অন্তৰা খুড়ীয়ে বুজাই দিলে।" পল্লৱীয়ে লগে লগে মেথ্‌চ আৰু ইংৰাজীৰ বহী দুটা চালে। চব শুদ্ধকৈ কৰিছে। ঠিকেই আছে। পল্লৱী আৰু দেৱাশীষ দুয়োৰে কৌতূহল দুগুণে বাঢ়িল। কেতিয়াবা অন্তৰা বাইদেউক কথা কিছুমান শুধিব পাৰে, তালৈ বাট চাই ৰ'ল। ৰাতি ভাত-পানী খাই উঠাৰ পিছত এখিলা টোপনি গ'ল। দেৱাশীষ আৰু পল্লৱীয়ে বিহু বুলি অন্তৰা বাইদেউক উপহাৰ এটি দিয়াৰ পিছত দেৱাশীষে ক'লে, "বাইদেউ, বহক, অলপ কথা পাতোঁ।" অন্তৰা বাইদেউ আচৰিত হৈ সুধিলে, "কি কথা ছাৰ?" "আমি দুয়োৱে আজি এখিলাক তুমি পঢ়াই থকা শুনিছিলো। সেয়েহে কথাটো নুসুধি নো�ৰাৰিলোঁ। তোমাৰ প্ৰকৃত পৰিচয় কি? ইমান ধুনীয়াকৈ এখিলাক হোমৱৰ্ক কৰাত সহায় কৰিছা?" অন্তৰা বাইদেউ তলমূৰকৈ থাকিল, টোপ-টোপকৈ মজিয়াত চকুপানী পৰি থাকিল। পল্লৱীয়ে অন্তৰা বাইদেউৰ হাতত ধৰি ক'লে "কিয় কান্দিছা অন্তৰা বাইদেউ? আমিতো একেখন ঘৰতে নিজৰ দৰেই আছোঁ, আৰু তুমি একো ভয় নকৰিবা, কোৱাচোন, যিখিনি ক'ব পাৰা।" অন্তৰাই দেৱাশীষ আৰু পল্লৱীৰ ফালে চাই থোকাথুকি মাতেৰে আৰম্ভ কৰিলে, — "মোৰ আপোনালোকৰ দৰেই পৰিয়াল আছিল। মই, মোৰ স্বামী আৰু মোৰ এজন ল'ৰা আছিল। মোৰ স্বামী স্বাস্থ্য বিভাগত চৰকাৰী চাকৰি কৰিছিল। মোৰ ল'ৰা স্নাতক বিজ্ঞান বিভাগত পাছ কৰি গৌহাটী ইউনিভাৰ্চিটিত এম.এছ.চি. পঢ়ি আছিল।" দেৱাশীষ আৰু পল্লৱী আচৰিত হৈ শুনি গৈ আছে, এযাৰো মাত ওলোৱা নাই। অন্তৰা বাইদেউৰে আকৌ আৰম্ভ কৰিলে, "মই হায়াৰ চেকেণ্ডাৰী স্কুল এখনত চাকৰি কৰিছিলোঁ। চাকৰি আৰু পোন্ধৰ বছৰমান আছিলেই। এদিন ধাৰাসাৰ বৰষুণ ....., মোৰ স্বামীয়ে ফোনত আমাক ঘৰত জনালে যে, বৰষুণৰ বাবে অফিচৰ পৰা ওলাব পৰা নাই, অলপ দেৰী হ'ব। ইতিমধ্যে গোটেই চহৰখন পানীয়ে বুৰাই পেলাইছিল। বহু ৰাতিলৈকে দেউতাক ঘৰলৈ নহাত চিন্তাও হৈছিল। গোটেই ৰাতি বৰষুণ দি আছিল আৰু মই আৰু মোৰ ল'ৰাই মোৰ স্বামীৰ বাবে বাট চাই উজাগৰে আছিলোঁ। কেতিয়ানো ৰাতি পুৱাল ধৰিবই নোৱাৰিলোঁ। ৰাতিপুৱা বৰষুণ এৰাত পানী এগিলাচ খাই মোৰ ল'ৰাই দেউতাকৰ অফিচলৈ গ'ল। অফিচৰ

পৰা নাতিদূৰৈত মানুহৰ জুম বান্ধি আছিল। ওচৰলৈ গৈ মোৰ ল'ৰাই মানুহৰ জুম ভেদি আগবাঢ়ি গৈছিল। হঠাৎ দেউতাকৰ মুখখন দেখা পাই সি মোক কান্দি কান্দি ফোনত জনাইছিল, "ৰাতি কৃত্রিম বানপানীত কাৰেণ্টৰ তাঁৰত দেউতাক বিদ্যুৎস্পৃষ্ট হৈছে।" তাৰ বাহিৰে একো ক'ব নোৱাৰিলে। সি দেউতাকক সাৱতি ধৰি চিঞৰিবলৈ ধৰিলে, — 'দেউতা উঠা, দেউতা উঠা না, মই আহিছোঁ, মই এতিয়া হাস্পতাললৈ লৈ যাম, কিন্তু বহুসময়ৰ আগতেই দেউতাকৰ মৃত্যু হৈছিল। খবৰটো বিয়পি পৰাত ময়ো সেই ঠাইলৈ গৈ পালোঁ। দুয়ো অসহায় হৈ কান্দি কান্দি দেউতাকৰ মুখলৈ চাই আছিলো। তেনেতে পুলিচ আৰু অন্য মানুহৰ সহযোগত আমি মৃত্যুৰ পিছৰ কামখিনি কৰিলোঁ। আৰু শুনিবনে ছাৰ?" অন্তৰা বাইদেউৱে দেৱাশীষ আৰু পল্লৱীৰ ফালে চাই সুধিলে। "তুমি যি ক'ব বিচাৰিছা, ক'ব পাৰা অন্তৰা বাইদেউ" — পল্লৱীয়ে অন্তৰা বাইদেউৰ হাতখনত ধৰিয়েই ক'লে। অন্তৰা বাইদেউ এইবাৰ হুকহুকাই কান্দিবলৈ ধৰিলে, দেৱাশীষে এইবাৰ ক'লে, "যদি বেছি অসুবিধা হৈছে, পিছত ক'বা অন্তৰা বাইদেউ।" অন্তৰা বাইদেউয়ে একো উত্তৰ নিদিয়াকৈ আকৌ ক'বলৈ ধৰিলে, "মোৰ স্বামীৰ মৃত্যুৰ এমাহ হৈছিল। গধূলি ছয় মান বজাত এখন ডাঙৰ বগা গাড়ী আহি আমাৰ পদূলিমুখত ৰৈছিল। আলহী অহা বুলি বাহিৰলৈ ওলাই গৈছিলো। কেইজনমান ল'ৰাই গাড়ীৰ পৰা নামি আহিল। দুজনক চিনি পাওঁ, মোৰ ল'ৰাৰ বন্ধু। বাকী তিনিজনমানে এটি ডাঙৰ টোপোলা নমাই আনিলে। পৰিৱেশটো মই ধৰিব পৰা নাছিলোঁ। লাহে লাহে সকলোকে সুধিব ধৰিলো, কি হৈছে নো? এজন পুলিচ গাড়ীৰ পৰা নামি আহি জনালে যে মোৰ ল'ৰাৰ মৃত্যু হৈছে এটা এক্সিডেণ্টত.....। তাৰ পিছত মই একো গম নাপাওঁ। বহুদিনৰ পিছত চকু মেলি হস্পিতালত কোনো চিনাকি মানুহ পোৱা নাছিলোঁ। এগৰাকী নার্চে মূৰত হাত ফুৰাই আছিল। আন এগৰাকী নার্চে সুধিছিল — 'আপোনাৰ ঘৰ ক'ত ক'ব পাৰিবনে, আমি থৈ আহিম গৈ।মোৰ একো মনত নপৰিল। বহু চেষ্টা কৰি বহু সময়ৰ মূৰত ঘৰৰ ঠিকনাটো মনত পৰিল। কিন্তু ঘৰলৈ গৈ কি কৰিম? কাৰ লগত থাকিম? তথাপিও হস্পিতালৰ মানুহে কষ্ট কৰি ঘৰত থৈ আহিছিল। কিন্তু মাত্র এদিনহে বহু চেষ্টা কৰি ঘৰত থাকিব পাৰিলোঁ। আকৌ ওলাই আহিলোঁ। ৰাস্তাৰ কাষতে বেছি সময় থকা হ'লোঁ। ৰাতিটোও ৰাস্তাৰ দাঁতিতে থাকোঁ। মানুহে নাম দিলে 'পাগ্‌লী'। তাৰ পিছত ঘূৰি ঘূৰি যাদৱকাকাৰ আশ্রমখনলৈ গৈ পালোঁ। তাত কিছুদিন কটোৱাৰ পিছত আপোনালোকে লৈ আহিলে। এইয়াই মোৰ জীৱন। আৰু একো নাই।" আপোনাৰ আন ঘৰৰ মানুহ? চাকৰিটো? — দেৱাশীষে সুধিলে। 'কাকো লগ পোৱা নাই, চাকৰি কি হৈছে তাকো নাজানোঁ, ঘৰটো আছে নে নাই সেইটোও নাজানোঁ।' পল্লৱী আৰু দেৱাশীষে আৰু একো নুসুধি ৰাতিৰ আহাৰ সকলোৱে একেলগে গ্রহণ কৰিলে। ভাতসাঁজ পল্লৱীয়ে সাজি দি ক'লে, 'অন্তৰা বাইদেউ, কথাবোৰ যে ইমান গভীৰ আমি জনা নাছিলোঁ। আপুনি চিন্তা নকৰিব, এতিয়া শুৱকগৈ।'

ৰাতি দেৱাশীষ আৰু পল্লৱীয়ে কিছু কথা আকৌ আলোচনা কৰি শুই থাকিল। ৰাতিপুৱা অন্তৰা বাইদেউক চাহ একাপ বিচাৰি দেৱাশীষে মাত লগালে, পল্লৱীও লগতে বহি আছিল। অন্তৰা বাইদেউ চাহ লৈ অহাত দেৱাশীষে তেওঁক সুধিলে, "আমি যদি তোমাৰ চাকৰিটো ঘূৰাই আনিব পাৰোঁ, তুমি যাবা নে?" "মই নাযাওঁ" — অন্তৰাই লাহেকৈ উত্তৰ দিলে। দেৱাশীষে আকৌ ক'লে, "নহয় বাইদেউ, আপুনি আমাৰ লগতে থাকিব, কিন্তু আপুনি চাকৰিটো ঘূৰাই পালে আমাৰো ভাল লাগিব আৰু আপুনিও ল'ৰা-ছোৱালীবোৰক পঢ়ুৱাই তেওঁলোকৰ জীৱন গঢ়াত চেষ্টা কৰিলে এটা নতুন জীৱন পাব। আপোনাৰ দৰে মানুহ এনেকৈ থকাটো উচিত নহয়।" এনেকৈয়ে কোৱাত অন্তৰা বাইদেউয়েও মানি ল'লে আৰু দেৱাশীষ শইকীয়াই যাৱতীয় কামখিনি কৰিবলৈ আগবাঢ়িল। এমাহৰ অন্তত বিভিন্ন প্রক্রিয়াৰ মাজেৰে গৈ অন্তৰা বাইদেউক দেৱাশীষ শইকীয়াই পুনৰ আগৰ চাকৰি কৰা স্কুলৰ চাকৰিত যোগদান কৰালে। অন্তৰা বাইদেউ আকৌ স্কুলৰ চাকৰিত যাব ওলাল, পল্লৱীয়ে আহি অলপ পইচা হাতত তুলি দি ক'লে — "আপোনাৰ আৰু এটা নতুন দায়িত্ব বাঢ়িল অন্তৰা বাইদেউ। মই সৰুতে মাক হেৰুৱাইছোঁ। বর্তমান দেউতাও নাই, গতিকে আপোনাক মই "মা" বুলি মাতিম আজিৰ পৰা।" অন্তৰা বাইদেউৱে যোৰকৈ পল্লৱীক সাৱতি ধৰিলে।

সঁহাৰি

জেনিফাৰ আহমেদ
ষষ্ঠ ষান্মাসিক, হিচাপ বিদ্যা বিভাগ

দশৰথ মাঝিৰ দৰে ধৈর্য্য আৰু মহৎ গুণ থাকিলে তাইও হাতুৰি-বটালি লৈ সমান কৰিলে হয় বাটটো। কিন্তু তাই নহয় দশৰথ মাঝি। মাজে মাজে মোৰ বেয়াই লাগে ৰাস্তাটোৰ বাবে। অনিতাৰ ভৰি পৰাৰ লগে লগে ৰাস্তাটোৱেও কেঙাব লয়। আৰু নো কি কৰিব? ওৰে বাটচোৱা তাই ৰাস্তাটোক গালি-শপনি পাৰি, ভোৰভো�ৰাই আহি থাকে। মই ৰাস্তাটোৰ ঠাইত হোৱা হ''লে কিজানি তাইক দুটা ঘোঁচা মাৰিলোহেঁতেন! কিন্তু ৰাস্তাটোৰ ধৈর্য্যশক্তি ভাল, সি একো নকয়।

অৱশ্যে তাইৰ গালি পৰাৰো কাৰণ আছে। ৰাস্তাটো বহুত ওখো�ৰা-মোখোৰা, মাজে মাজে আছে খাদ। বৰষুণৰ বতৰৰ কথাই ক'ব নালাগে, একেবাৰে পানীৰে চপ্‌চপীয়া হৈ থাকে। ৰাস্তাৰ দুয়োটা পাৰে কিছু জংঘলও আছে। গাড়ী-ৰিক্সাৰ আহ্‌-জাহ্‌ও খুব কম। এইবোৰ কাৰণতে এনেই দীঘল ৰাস্তাটো আৰু দীঘল হৈ পৰে আমাৰ 'খোজৰ Usain Bolt' অনিতাৰ বাৰে। এই নামটো দিছে তাইৰ সহকর্মীসকলে। এই ৰাস্তাটোত খোজ দিয়াৰ পিছৰ পৰাই তাই হৈ পৰে শ্লথ। আগতেও দৌৰা-দৌৰি কৰি উজুতি খাই পৰি ২-৩ বাৰ ভৰিত চিলোৱাৰ সুখকৰ অভিজ্ঞতা আছে তাইৰ। তাৰ ভয়তেই তাই এই ৰাস্তাটোত চাই-চিতি খোজ দিয়ে। বেলেগ পথেৰে অহাৰো তাইৰ উপায় নাই। অফিচৰ পৰা ঘৰ যাবলৈ হ'লে সেই ফালেৰেই আহিব লাগিব। দীঘল এই ৰাস্তাটো আহি লগ হয় এটা সৰু চাৰিআলি য'ৰ পৰা অট' বা ৰিক্সাবোৰ পায়। কর্মস্থলীত ওপৰৰালাৰ হেঁচা পাই আহি যেতিয়া এই ৰাস্তাটোত খোজেপতি থেকেচা খাব লগা হয়, তেতিয়া অনিতা হৈ পৰে ১০০° চে.ত বক্‌বকাই উতলি থকা পানী আৰু সেই পানী তাইৰ মুখেৰে গালি হৈ বৰষে ৰাস্তাটোৰ ওপৰত।

আজিও তাৰে ব্যতিক্রম নহয়। অফিচৰ কাম সামৰি চিন্তাৰ টোপোলাটো মূৰত লৈ অনিতাই সেই বিশেষ ৰাস্তাটোৰে যাত্রাৰ শুভাৰম্ভণি কৰিলে। লগতে ভোৰভোৰানিও। এনেতে তাইক এটা মাতে বাধা দিলে।

'এক্সকিউজ মি, এই ৰাস্তাটোৰে নন্দনপুৰ চাৰিআলি ওলাব পাৰি নে?

অনিতা ৰৈ গ'ল। পিছফালৰ পৰা পিঠিত বেগ ওলোমাই অহা তজবজীয়া যুৱক এজনে আহি তাইক আগচি ধৰি আকৌ সুধিলে, 'এইফালেৰে নন্দনপুৰ চাৰিআলি ওলাব পাৰিম নে?'

'পাৰিব।' অনিতাৰ সহজ উত্তৰ।

'তাৰ পৰা হাতিমখানালৈ চিধা গাড়ী-চাৰি পাম নে?'

'এই গধূলি আপুনি হাতিমখানা যাব? বহুত দূৰচোন!'

'আহ্‌! হয় নেকি?'

'উম্‌। আৰু চিধা কোনো গাড়ীয়ে তালৈ নাযায়। আপুনি নন্দনপুৰৰ পৰা অট'ৰে গৈ আকৌ এখন গাড়ী সলাব লাগিব। ভালেখিনি সময় লাগে তালৈ যাবলৈ আৰু আপুনি এই গধূলি আহিছে? তালৈ গৈ পাওঁতে আপোনাৰ আজি ৰাতি ভালেমান বাজিব।'

'বৰ বেয়া হ'ল কথাটো।' যুৱকজনৰ মুখখন ক'লা পৰি গ'ল।

'আৰু যদি এনেদৰে এই ৰাস্তাটোৰে গৈ থাকে তেনেহ'লে আৰু কোনোদিনে আপুনি গৈ নাপাব।' ভাগৰুৱা অনিতাই অলপ বিৰক্তিৰে কথাষাৰ ক'লে।

'অহঃ, হয় হয়। ঠিক কৈছে আপুনি। সিও অলপ সহজ হ'ল এইবাৰ।

পুনৰ দুই যাত্রীৰ যাত্রাৰ আৰম্ভ হ'ল। মৌনতা ভাঙি পৰিবেশটো পাতল কৰিবলৈ যুৱকে একমাত্র পথসংগীৰ উদ্দেশ্যে ক'বলৈ ধৰিলে, 'আচলতে মই প্রথমবাৰ হাতিমখানালৈ যাম। তাত মোৰ জেঠাই থাকে। গতিকে মই তাৰ বিষয়ে বৰ ভালদৰে নাজানো।'

'অহঃ, তেন্তে ঘৰৰ কোনোবা জনা মানুহৰ লগত আহিব লাগিছিল, তেতিয়া আপোনাৰ ইমান দিগ্‌দাৰী নহ'লহেঁতেন।' এইবাৰ অলপ

কোমল সুৰত ক'লে অনিতাই। আগৰবাৰ বিৰক্তিৰে কোৱা কথাষাৰৰ বাবে তাইৰ অলপ বেয়া লাগিছিল।

'আচলতে কাকো নোকোৱাকৈ আহিছোঁ। জেঠাইহঁতেও নাজানে।'

অনিতাই কিবা সুধিম বুলি ভাবিও নুসুধি অন্য এটা কথাহে ক'লে, 'অলপ সোনকাল হ'লহেঁতেন যদিহে এই ৰাস্তাটো ভাল হ'লহেঁতেন, তাতে আকৌ ভূতৰ ওপৰত দানব পৰা দি এই ৰাস্তাটো ইমান দীঘল কি ক'ব আৰু।'

'হয় দিয়ক, মইও মন কৰিছোঁ ৰাস্তাটোৰ অৱস্থাটো খুবেই বেয়া। ওচৰৰ মানুহে কিয়নো ভাল কৰিবলৈ দৰ্খাস্ত এখন নিদিয়ে?' যুৱকে প্ৰশ্ন কৰিলে।

'ৰাস্তাটোৰ আশেপাশে মানুহ নাইয়েই বুলিব পাৰি, বেছিখিনি জংঘলেই। গাড়ী-মটৰৰো আহ্-জাহ্ কম। চাৰিআলিটো পাৰ হ'লেহে মানুহৰ বসতি ঘন হ'বলৈ লয়। সেইবাবেই চাগে চৰকাৰ আৰু জনতাৰ চকুৰ আগেৰে ৰাস্তাটোৰ অৱস্থা সৰকি গৈছে।'

'সঁচা কওঁ, চকু সকলোৰে পৰিছে, ৰাস্তাটোৰ ওপৰত কিন্তু কথা হ'ল কোনেও মাত মাতিব নোখোজে। কিমানে এই পথেৰে কিমানবাৰ অহা-যোৱা কৰি আছে, পথৰ অৱস্থাৰ বাবে অসুবিধাও পাইছে, কিন্তু কোনেও এখন দৰ্খাস্ত লিখিবলৈ আগবাঢ়ি নাহে। সকলোৰে ভাৰে, মই কিয় কৰোঁ? বেলেগেও তো এই পথেৰে গৈ আছে, তাৰে মাজৰে কোনোবাই কৰিব। ফলত ৰাস্তাটোৰ আজিও এই অৱস্থা।'

অনিতাই একো ক'ব নোৱাৰিলে। তাইওতো একেই। আজিলৈ ৰাস্তাটোক গালি পাৰিহে কটালে, কেতিয়াও সমাধানৰ কথা নাভাবিলে।

'নিজে আগবাঢ়ি নগ'লে একোৰে নহয় কোনোদিনে। মানুহে সদায় সমস্যাৰ পৰা পলাবলৈ বিচাৰে, আনকি কেতিয়াও সমাধান বিচৰাৰ উদ্দেশ্যে অলপ সঁহাৰিও জনাব নিবিচাৰে। এনেদৰে প্ৰথম সঁহাৰিৰ অভাৱত সম্পৰ্কবোৰো ক্ষয় যায়। লাগিলে সেয়া জনতাৰ চৰকাৰৰ লগতে হওঁক, দুই বন্ধুৰ হওঁক, এহাল প্ৰেমী যুগলৰ হওঁক, নতুবা .....' সি কৈ কৈ ৰৈ গ'ল।

'নতুবা?' অনিতাই যুৱকলৈ চালে।

'নতুবা ঘৰৰ মানুহৰ সম্পৰ্কই হওঁক।'

অনিতাই লক্ষ্য কৰিলে যে তাৰ দৃষ্টি মনৰ কোনোবা অজান কোণত নিৰদ্ধ হৈছে, যেন সি অতীতৰ কাহিনী লুটিয়াই চাই আছে।

মৌনতাৰ মাজেৰে ৰাস্তাটো শেষ হ'ল।

'এইটোৰেই নন্দনপুৰ চাৰিআলি। আপুনি এতিয়া চিধাই গৈ থাকিব। গধূলি হোৱা বাবে গাড়ী-মটৰ অলপ কম হৈছে তথাপিও আগবাঢ়ি গ'লে আপুনি দুই-এখন গাড়ী পাব।' অনিতাই মৌনতা ভাঙিলে।

'আহ্, আহি পালোহি নেকি? ৰাস্তাটো বৰ বেছি দীঘল যেন নালাগিলচোন!'

'কথা পাতি অহা বাবেই আমাৰ এনেকুৱা অনুভৱ হৈছে।'

যুৱকেও হয়ভৰ দিলে।সি ক'লে, 'তেন্তে আজিলৈ বিদায় লওঁ। আপোনাৰ লগত কথা পাতি ভাল লাগিল।'

'মোৰো। আশাকৰোঁ, আমি যেন আকৌ কেতিয়াবা লগ পাওঁ।'

'নিশ্চয়।' যুৱকে বৰ ধুনীয়াকৈ এটা হাঁহি মাৰি দিলে আৰু চিধাই যাবলৈ খৰ খোজ ল'লে।

এনেতে অনিতাই ডাঙৰ মাতেৰে ক'লে, 'মই ভাবিছোঁ দৰ্খাস্তখন ময়ে লিখিম। ময়েই প্ৰথম সঁহাৰি আগবঢ়াম।'

সি উভতি চালে। তাৰ মুখখন উজ্জ্বল হৈ উঠিল আৰু ক'লে 'সুন্দৰ। আজি ময়ো প্ৰথম সঁহাৰি আগবঢ়াম।'

জীৱন

ৰশ্মি ৰেখা ডেকা
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

ৰাস্তাৰ সিটো পাৰে মানুহৰ জুমটো দেখি আচৰিত হ'লো। মনত যেন হাজাৰটা প্ৰশ্নই ভুমুকি মাৰিলে কি বা হ'ল ? কিয় বাৰু সকলোৱে এনেকৈ জুম বান্ধি ৰৈ আছে? মনৰ কৌতূহল সমাপ্ত কৰিবৰ বাবে মইয়ো ক্ৰমান্বয়ে জুমটোৰ পিনে আগুৱাব ধৰিলোঁ। জুমটোৰ পৰা অলপ আঁতৰত জাবৰৰ দমটোৰ ওচৰত আউলি-বাউলি চুলিৰে বহি থকা মহিলাগৰাকীক দেখি শিহৰিত হৈ উঠিলো। নিজৰ চকুযুৰিকে অবিশ্বাস কৰিবৰ মন গ'ল। হয় ঠিকেই ভাবিছো, মহিলা গৰাকী বৰুৱানী। এসময়ত আমাৰ প্ৰতিবেশী আছিল।

আজিৰপৰা কিছু বছৰ আগলৈ এখন সুন্দৰ সংসাৰৰ গৰাকী বৰুৱানী আমাৰ অঞ্চলটোৰ সকলোৰে প্ৰিয় আছিল। ঘৰখনৰ লগতে সমাজৰ সকলো কামতে নিজৰ দায়িত্বশীলতাৰ পৰিচয় দিছিল। স্বামী অলকেশ বৰুৱা এজন ব্যৱসায়ী আছিল। কলেজীয়া শিক্ষাৰ পাতনি মেলা বৰপুত্ৰ মানৰ আৰু হাইস্কুলত পঢ়ি থকা প্ৰণৱৰ স'তে দুটা কোঠাৰ ঘৰটোত থকা বৰুৱানীৰ ঘৰখনলৈ যেন কেতিয়াও ভুমুকি মৰা নাছিল।

কিন্তু হঠাতে এদিন স্বামীৰ মৃত্যুৰ খবৰে যেন বৰুৱানীৰ ঘৰখনলৈ অমানিশা কঢ়িয়াই আনিলে। হেঁপাহৰ ঘৰখন ভাঙিবলৈ নিদি অতি সাহসেৰে দুই পুত্ৰৰ সৈতে সপোনবোৰ পূৰ্ণ কৰিবলৈ অহৰহ চেষ্টা কৰি গ'ল। কলেজীয়া শিক্ষা শেষ কৰি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ বৰপুত্ৰ মানৰেও এদিন দিল্লীলৈ উৰা মাৰিলে। অশেষ কষ্ট আৰু সাধনাৰ বলত মানৰে এদিন সফলতাৰ দুৱাৰদলিত খোজ পেলাবলৈ সক্ষম হৈছিল। মনত পুহি ৰখা অলেখ সপোন পূৰ্ণ কৰাৰ হাবিয়াসত এদিন সি নিজ মাতৃ আৰু ঘৰখনৰ প্ৰতি থকা তাৰ দায়িত্বক পাহৰি গ'ল। এনেদৰে এবুকু দুখেৰে জীয়াই থকা বৰুৱানীৰ ঘৰখনত এতিয়া সৰু পুত্ৰ প্ৰণৱৰ বাহিৰে আন কোনো নাই। সময় কি যে নিষ্ঠুৰ! এদিনাখন এই ঘৰখনৰ চাৰিওফালে কেৱল হাঁহি আৰু আনন্দ, কিন্তু আজি সকলোবোৰ পাহৰণিৰ গৰ্ভত।

সময়ৰ লগত সকলোৰে আগুৱাই যাব লাগে, কথাষাৰকে মনত ৰাখি বৰুৱানীয়েও অশেষ কষ্টৰে দিনবোৰ অতিবাহিত কৰিব ধৰিলে। সৰু পুত্ৰ প্ৰণৱে কোম্পানীৰ চাকৰি এটা পোৱাত মাকৰ শোঁতাপৰা ওঁঠযুৰিত হাঁহি বিৰিঙি উঠিল। আন্ধাৰৰ মাজত যেন কোনোবাই অকণমান পোহৰ ছটিয়াই দিলে। কিন্তু কোম্পানীৰ কামত প্ৰণৱ বাহিৰত থাকিবলগীয়া হোৱাত বৰুৱানী অকলশৰীয়া হৈ পৰিছিল। শূন্যতাৰ প্ৰভাৱত যেন মানুহজনী ভাঙি পৰিছিল।

জীৱনৰ লগৰী বুলিবলৈ ঘৰত থকা পুৰনি ফোনটোত মাজে মাজে ভাহি অহা সৰু পুত্ৰক কণ্ঠস্বৰৰ বাহিৰে অইন একো নাছিল। অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰি সপোনৰ জগতত খোজ পেলাব খোজা সময়তে ফোনৰ ট্ৰিং ট্ৰিং শব্দত যেন বৰুৱানী উচপ খাই উঠিল। বহু দিনৰ মূৰত পুত্ৰৰ লগত কথা পতাৰ হেঁপাহেৰে ফোনটো উঠালে। কিন্তু ফোনৰ সিটো ফালৰ পৰা সৰু পুত্ৰ প্ৰণৱৰ কণ্ঠত ভাঁহি অহা কথাখিনিয়ে 'মা মই আৰু ঘৰলৈ নাযাওঁ, মই ইয়াতেই সপোনৰ ঘৰখন আৰম্ভ কৰিলোঁ। তুমি... বেয়া নাপাব। তুমি থাকিবা।' বৰুৱানীক জীৱন্তে শেষ কৰি দিলে। প্ৰণৱৰ অতিটো শব্দই মাকৰ অন্তৰ ভেদি গ'ল। দুচকুৰ টোপালবোৰেও যেন বাহিৰলৈ আহিব পাহৰি গ'ল। সম্মুখত থাকি গ'ল কেৱল অন্ধকাৰ। দুই পুত্ৰৰ বিশ্বাসঘাতকতাই যেন বৰুৱানীৰ অতীতৰ সকলো স্মৃতি মোহাৰি পেলালে। আজি বৰুৱানীৰ জীবনত কোনো নাই। ঠিকনা মাত্ৰ পদপত্ৰ...।

বৃদ্ধ পিতা

চন্দন কলিতা
চতুর্থ ষান্মাসিক, অসমীয়া বিভাগ

তাৰ প্ৰমোচন হ'ল। প্ৰমোচনৰ খবৰ পাই তাৰ পিতৃ বৰ আনন্দিত হৈছে। সেই উপলক্ষে এজন বৃদ্ধ পিতৃক তেওঁৰ সুযোগ্য সন্তান ৰবিয়ে ৰাতিৰ সাজ খুৱাবৰ বাবে এখন ৰেস্তোৰাঁত লৈ গ'ল। খাই থাকোঁতে বৃদ্ধ মানুহজনে কেইবাবাৰো নিজৰ কাপোৰত খাদ্যবোৰ পেলাইছে। ওচৰত খাই থকা আন মানুহবোৰে তেওঁলৈ ঘৃণাৰ দৃষ্টিৰে চাইছে। বৃদ্ধজনৰ পুতেকে কিন্তু এই সকলোবোৰত অলপো অস্বস্তিবোধ কৰা নাই। দেউতাকে খাই উঠাৰ পাচত কোনো সংকোচ নকৰাকৈ তেওঁ দেউতাকৰ হাত-মুখ ধুৱাই দিলে আৰু দেউতাকৰ কাপোৰত পৰি যোৱা খাদ্যবোৰ চাফা কৰি দিলে। তাৰ পাছত তেওঁ বিল পৰিশোধ কৰি দেউতাকৰ সৈতে তাৰ পৰা ওলায়। আহিব ধৰোঁতে পিছফালৰ পৰা এজন বয়সস্থ লোকে মাত লগালে - বোপাই তুমি ইয়াত এটা বৰ ডাঙৰ বস্তু এৰি থৈ গৈছা। লৰাজনে ক'লে, নাই খুড়া মই ইয়াত একো এৰা নাই। মানুহজনে আকৌ ক'লে- নহয়, বোপাই, তুমি ইয়াত থকা প্ৰত্যেকজন পুৰুষৰ বাবে এটা শিক্ষা আৰু প্ৰত্যেকজন পিতৃৰ বাবে এটা আশা এৰি থৈ গৈছা।

সাধাৰণতে আমি নিজৰ বয়সীয়াল পিতৃ-মাতৃক লগত লৈ ঘৰৰ বাহিৰলৈ যাবলৈ বেয়া পাওঁ। বৃদ্ধ হোৱাৰ লগে লগে তেওঁলোকৰ চাল-চলন আমাৰ লগত অমিল হোৱাৰ বাবে আমি তেওঁলোকক কওঁ — "মোৰ লগত গৈনো কি কৰিবা?" কিন্তু আমি পাহৰি যাওঁ যে যি পিতৃ-মাতৃক আমি আজি নিজৰ লগত লৈ যাবলৈ সংকোচ কৰোঁ সেই পিতৃ-মাতৃয়েই এদিন আমাক নিজৰ কোলাত তুলি বাহিৰত ফুৰিবলৈ যাবলৈ পালে মনত আনন্দ পাইছিল। যেতিয়া আমি ভালকৈ খাবলৈ নাজানিছিলোঁ তেতিয়া আমাক মৰমেৰে খুৱাইছিল। তেনেহ'লে আজি কিয় সেই পিতৃ-মাতৃ সন্তানৰ বাবে বোজা হৈ পৰিছে। আমি কিয় চিন্তা কৰিব নোৱাৰো যে এদিন আমি যেতিয়া বুঢ়া হ'ম আমাৰ সন্তানেও যদি আমাক অৱহেলা কৰে!

সন্ধ্যা

নেহা হাজৰিকা
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

স্থান ঃ ৰাজুৰ চাহ দোকান

ৰাজু আৰু এজন গ্ৰাহকৰ মাজত কথোপকথন।

— " সেইযে মানুহজন দেখিছে, বৰ ভাগ্যবান বুজিছা। তেওঁৰ পত্নীৰ কথা তেওঁ মোক ভালকৈ প্ৰায়েই কয়। দুয়োৰে মাজত বৰ মিলা-প্ৰীতি, মৰম চেনেহ। দুয়ো ভাল পাই বিয়া হৈছিল। তেওঁৰ কথাবিলাক শুনিলেই মনটো ভাল লাগি যায়।"

— " সচাঁয়ে বৰ ভাগ্যবান। পিছে তুমিনো তেওঁৰ বিষয়ে ইমান কেনেকৈ জানিলা?"

— " দুমাহ হ'ল তেওঁ মোৰ দোকানলৈ আহি থকা। আগতে বৰকৈ চিগাৰেট খাইছিল। মোৰ দোকানত প্ৰায় আধাঘন্টা বহিছিল। আহি মাথো চাহ আৰু লগত চিগাৰেট খাইছিল। সেই আধাঘন্টাত তেওঁ কমেও পোন্ধৰটামান চিগাৰেট খাইছিল। দেখি মই আচৰিত হৈছিলোঁ, কিন্তু মইনো কি ক'ম, বেপাৰী মানুহ। কিন্তু বহুদিন তেনেদৰেই দেখাত এদিন তেওঁক কলো দাদা ইমান চিগাৰেট কিয় খায় বুলি। তেওঁ মাথো মোৰ ফালে চালে আৰু একো নকৈ গুচি গ'ল। তেওঁ পিছদিনা আকৌ আহি মোৰ পৰা চাহ বিচাৰিলে, কিন্তু আচৰিত কথা চিগাৰেট নিবিচাৰিলে। সেইদিনা তেওঁ নিজৰ পত্নীৰ কথা মোৰ আগত ক'লে। বহু কথাই কৈছিল সেইদিনা। পাছদিনাও তেওঁ আহি তেনেদৰেই মাথো চাহ খুজিলে। মই আচৰিত তেওঁক সেইদিনা সুধিলোঁ চিগাৰেট এৰিলে নেকি বুলি। তেওঁ ক'লে এই চিগাৰেটৰ কাৰণে পত্নীৰ গালি বহুদিনৰ পৰাই খাই আছিল, বিয়াৰ আগৰ পৰাই। সেয়ে বাদ দিছে চিগাৰেট সেৱন। তেনেদৰেই তেওঁলোকৰ কথা বিলাক কয় মোৰ আগত কয়। মোৰো ভাল লাগে তেওঁৰ কথাবিলাক শুনি, কেতিয়াবা অৱশ্যে বিৰক্তি লাগে, কিন্তু মই তেওঁক বাধা নিদো। মাথো শুনি যাঁও ..... তেওঁৰ কথা। আজিৰ দিনতো এনে প্ৰেম সম্ভৱ, ভাবিয়ে ভাল লাগে। আজি তেওঁৰ পত্নীৰ জন্মদিন। সেয়ে দামী শাৰী এখন লৈ গৈছে উপহাৰ দিবলৈ। মোক দেখুৱাইছিলে। সেয়ে আন দিনাতকৈ সোনকালেও গ'ল আজি।" — "হমমমম, এইবিলাক মানুহেইতো পৃথিৱীখন এতিয়াও ধুনীয়া কৰি ৰাখিছে। হ'ব দিয়া চাহ একাপ বনোৱা"।

তেনেতে বহুপৰ তেওঁলোকৰ কথা শুনি থকা কাষৰে ধোবীৰ দোকানখনৰ ল'ৰাটোৱে মাত লাগালে,"— এইবিলাক আপোনাক কৈছে নেকি মানুহজনে? কিন্তু মই জনাত তেওঁৰ পত্নীৰ তিনিমাহ আগতেই এক্সিডেন্ট এটাত মৃত্যু হৈছিল। আগতে প্ৰায়ে তেওঁৰ পত্নীয়ে আমাৰ দোকানত কাপোৰ দিবলৈ আহিছিল। মই তেওঁৰ ঘৰত কাপোৰ দিবলৈ প্ৰায়ে গৈছিলোঁ।"

বেলিটো লাহে লাহে পশ্চিম আকাশত ডুবিবলৈ ধৰিছিল, সন্ধ্যা নামি আহিছিল আৰু ৰাজু...

তাৰ চকু তেতিয়া সেই মানুহজন যোৱা পথটোৰ পিনে...

মানৱ নে দানৱ

ৰশ্মি ৰেখা ডেকা
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

হঠাৎ হুৱাদুৱা লাগিল। পুৱাতেই লখৰা চাৰিআলিত মানুহৰ লৰাৰো চিঞৰ বাখৰ। ভালকৈ গম গতি লৈ বুজিলে এটা আকস্মিক দুর্ঘটনা। পুৱাতেই অহা-মাছৰ ভেনখনৰ সৈতে দ্রুতবেগত অহা ট্রেকাৰখনে মুখামুখি খুন্দা মাৰিলে। ফলত দুয়োখন গাড়ীৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে ট্রেকাৰখনৰ যাত্রীসকলৰো চাব নোৱাৰাকৈ ক্ষতি হ'ল। এক শিহৰণকাৰী দৃশ্য। মাছৰ ভেনৰ পৰা যেনি-তেনি সিঁচৰিত হৈ পৰিল গছবোৰ। আনফালে যাত্রীসকলৰ কোনোজনৰ হাত ভাগিল, কোনোজনৰ মূৰ ফাটিল, আকৌ কোনোজন থিতাতেই মৃত্যু হ'ল। তেজৰে লুতুৰি-পুতুৰি হৈ তেওঁলোকে চিঞৰ বাখৰ কৰি তাত পৰি আছে। ইফালে দানৱৰূপী এজাক মানুহে বাঘে সম্মুখতে পোৱা চিকাৰৰ দৰে মাছবোৰ পিন্ধি থকা কামিজ খুলি টোপোলা-টোপোলাকৈ ভৰাবলৈ ধৰিলে। আনফালে দানৱৰূপী মানুহকেইজন মৃত্যুৰ সৈতে আর্তনাদৰে যুঁজি সেই ঠাইত পৰি থকাসকলক চিকিৎসালয়লৈ নিয়াটো দূৰৰ কথা ট্রেকাৰৰ চেপাত সোমাই থকা মানুহবোৰক উলিয়াৱলৈও সিহঁত যেন পিছপৰি থাকিল। পুৱাতেই হাজিৰা কামৰ বাবে ঘৰৰ পৰা অহা ৰহমান, ৰংমন, ৰংপিহঁতে ধৰা ধৰিকৈ মানুহবোৰক দুর্ঘটনাস্থলীৰপৰা কাৰোবাক অটোৰিক্সাৰে চিকিৎসালয়লৈ লৈ গ'ল। পুলিচ শেষ সময়ত আহি কিছু তৎপৰতা দেখুৱালে যদিও তেতিয়ালৈ ৰংমনহঁতে কাম শেষ কৰিলে। আনফালে ড্রাইভাৰ, হেণ্ডিমেনে ৰাজহুৱা মাৰ খোৱাৰ আগতে নিৰাপদ স্থানলৈ পলাল। পিছে দানৱবোৰৰ কর্মকাণ্ডই সাধাৰণ শ্রেণীৰ ৰংমন ৰংপি হাচিনাহতঁৰ চকু কপালত তুলিলে। তেওঁলোকে মৃত ব্যক্তিসকলক পুলিচৰ মানুহৰ সৈতে ধৰাধৰিকৈ পুলিচৰ ভেনখনত উঠাই দি আঁতৰি আহিল। পিছত তেওঁলোকে কর্মস্থলীলৈ বহু দেৰিকৈ পালেগৈ। যিহেতু ঠিকাদাৰৰ অধীনত ৰাস্তা বনোৱা কাম আজি এমাহ ধৰি তেওঁলোকে কৰি আছে।

ঠিকাদাৰে ইমান দেৰিকৈ কর্মস্থলীত উপস্থিত হোৱাৰ বাবে ৰহমান, ৰংমন, ৰংপি, হাচিনাহঁতক বহু গালি-গালাজ পাৰিলে আৰু দেৰি হোৱাৰ কাৰণ জানিব বিচাৰিলে। ৰংমনহঁতে সকলো কথা বুজাই কোৱাৰ পিছত ঠিকাদাৰ কিছু শান্ত হ'ল যদিও সিহঁতৰ এবেলাৰ হাজিৰা কাটিলে। পিছ বেলাৰ যি হাজিৰা সিহঁতে পায়, সিহঁতক কামৰ শেষত দিলে। সিহঁতেও প্রতিবাদ নকৰিলে, তথাপি সিহঁতে মনত এটাই আনন্দ আৰু সুখ পালে। অন্ততঃ সিহঁতে সেই দানৱবোৰৰ তুলনাত মানৱৰ পৰিচয় দিবলৈ সক্ষম হ'ল। কিছু ত্যাগৰ বিনিময়ত অন্ততঃ সেই দুর্ঘটনাত পতিত হোৱা মানুহবোৰৰ অন্তৰ-আত্মাৰ পৰা অলপ হ'লেও আশীর্বাদ পালে।

কবিতা

“হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্ন!

বতাহৰ শূন্যতাৰ গভীৰত
নিশাৰ উন্মুক্ত বাঁহী

কাহানিও নিনাদিত হৈ নুঠা ঝিঙুমান শব্দৰ
হে প্রাচীন শীতলতা!”

— নীলমণি ফুকন

সপোন-বাস্তৱৰ দীঘলীপুখুৰী

ধৰিত্রী ঠাকুৰীয়া
সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

ৰজা ভগদত্তৰ দান দীঘলীপুখুৰী,
শত-সহস্ৰৰ স্মৃতি সাৱটি
ৰৈ আছে স্থিতপ্ৰজ্ঞ হৈ
সন্দিকৈ-কটনৰ
সোণালী-ভৱিষ্যতৰ গুৰি ধৰোতা
যুৱক-যুৱতীৰ পদ সঞ্চালন
তোমাৰ দাঁতিয়েদি।
তোমাৰ চৌদিশৰ সেউজীয়াখিনি
তোমাৰ নীল আকাশ প্ৰতিবিম্বিত জলধাৰা
সপোন-দিঠকৰ ছাত্ৰী নিবাসৰ সান্নিধ্যত
পালো মই পূৰ্ণতা।
যৌৱনৰ আদি প্ৰহৰত
অংকুৰিত মোৰ প্ৰেমৰ
তুমিয়েতো প্ৰধান সাক্ষী!
প্ৰেমৰ পূৰ্ণৰূপ প্ৰাপ্তিৰ পিছতো
এৰাব নোৱাৰিলো তোমাৰ সান্নিধ্য।
দুটা যুগেইচোন তোমাৰ
সেউজীসম্ভাৰৰ অম্লজানে
মোক কৰিছে পুষ্ট।
পাৰিমনে সুজিব তোমাৰ এই ঋণ ?
জীৱন পৰিক্ৰমাৰ সুদীৰ্ঘ সময়ৰ,
যৌৱন প্ৰেমৰ, সাংসাৰিক প্ৰেম বান্ধোনৰ
তুমি যে জলন্ত সাক্ষী!
হে দীঘলীপুখুৰী...
তুমি যে চিৰন্তন সজীৱ মোৰ হৃদয়ত।।

অনুভৱ

ড° মালবিকা ভট্টাচার্য্য
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

হৃদয় মন্থন হ'লে অন্তৰ ভৰে
অধৰে অধীৰ হৈ শিকলি খোলে।
বান্ধোন খুলি জিনিব পাৰি
কাৰোবাৰ মনৰ স্বাধীনতা।
সম্ভৱ বা অসম্ভৱ এটি ভাৱ মাত্ৰ!
সময় আৰু স্থিতি মিলিলে
শিকলি ছিঙিবলৈ কেতেপৰ ?
অৱশ্যে চেতন অচেতনৰ পার্থক্য আছে।
আকৃতি থাকিলেই মনুৰ সন্তান হ'ব নোৱাৰি!
মন, আত্মা আৰু বুদ্ধি বিবেক লগত লৈ
প্ৰেমৰ গান গাব নোৱাৰি।
পাগল মন আৰু মন্থৰ গতিত প্ৰেমৰ
বীজ পালিত হয়।
সেয়া চেলফোন বা ডি এচ এলাৰৰ
কাহিনী নহয়।
চকুৰ কেমেৰাত ফটো লাগিব—
যদি মনৰ ফ্ৰেমত বন্ধাব পাৰা ...
প্ৰেম যুগমীয়া হ'ব ।



মানুহ বিচাৰি

অজিত প্ৰসাদ শর্মা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

এখন আকাশ হ'ব খোজোঁ মই
বিশালতা যাৰ পৰিচয়
এখন নদী হ'ব খোজোঁ মই!!
যাৰ গতি মোৰ মন
চৰাই হ'ব খোজোঁ মই!
মুক্ত আকাশত সীমাৰ সন্ধান কৰাৰ হাবিয়াস
জুই হ'ব খোজোঁ মই!
যাৰ উত্তাপে মোক দিয়ে জীৱনৰ সত্তা!
তাৰ পিচতো মই মানুহ হ'ব খোজোঁ
জীৱন মোৰ পৰিধিৰ পৰীসীমা!।

তথাপি মোৰ সন্ধান
মানুহৰ পৰা মানুহলৈ
জীৱনৰ পৰা জীৱনলৈ।

আশা

ড° অজয় মিত্র
সহকাৰী অধ্যাপক, বিত্ত বিভাগ

মনত আশা আছিল
তোমাক ভাল পোৱাৰ
হিয়াৰ পৰশ দিম
পাওঁ যদি অৱকাশ
কাষত বহাৰ।
শৰতৰ সুখ দিম
আপোন কৰি লৈ
তোমাৰ বসন্ত
চকুলো গুচাই
মৰম দিম অনন্ত।
সাজিলেও অশ্রু মুক্তা
কমল পাতত ক্ষণে ক্ষণে
সপোনৰ ৰাণী হৈ থাকিবা
নয়নৰ দলে দলে।
নয়নৰ জোনাক
শেৱালী শৰাই
কুৱঁলী ভৰা আকাশ
আনন্দৰ লহৰী হৈ
সংগী হৈছে আজি
তোমাৰ আগমনৰ বাট চাই ।

সময়ৰ খোজ

ড° মনালিছা ভট্টাচার্য্য
সহকাৰী অধ্যাপক, অর্থনীতি বিজ্ঞান বিভাগ

পূর্ণিমাৰ জোনৰ স্নিগ্ধতা চাবলৈও যেন
চকুযুৰিৰ আৰু অৱকাশ নাই।
কৃষ্ণচূড়াৰ ফুলেৰে জকমকাই থকা
বসন্তৰ ৰঙীন আবেলি উপভোগ কৰিবলৈও
আহৰি নাই ...
কেঁচুৰাৰ আবেগ সনা কলকলনিৰেও ৰখাব
নোৱাৰে জীৱন যাত্রাৰ তীব্র গতিৰ খোজ।
গধূলি পৰত মৃদু সংগীতৰ মাজত বুৰ গৈ
চাহৰ কাপত সোহা মাৰি
দুয়ো দুয়োৰে সৈতে একাত্ম নোহোৱাৰ
কিমান দিন যে হ'ল ...
অঙ্গৰা, অনুৰাধা, উদেষ্ণত
শাৰীপাতি টিকট কাটি বোলছবি উপভোগ
এতিয়া আৰু সপোন সপোন লাগে !
প্রত্যাশা আৰু প্রাপ্তিৰ মাজৰ দৈর্ঘ্য হ্রাস
কৰাৰ প্রচেষ্টাত সন্তর্পণে সোমাই গ'ল
জীৱন যাত্রাৰ পথ।

নাৰী তুমি অনন্যা

লীমা কলিতা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, দিশপুৰ মহাবিদ্যালয়

নাৰী,
তুমি শৰতৰ শেৱালি,
তুমিয়েই আঘোণৰ কুঁৱলী।
তুমি অবিনাশী,
তুমিয়েই বিপ্লৱী।
প্ৰজন্মৰ ৰূপান্তৰিতা,
তুমিয়েই বিশ্ব সেনানী।
তথাপি তুমি নোপোৱা
মৰ্যাদাৰ সুৰক্ষা বাহিনী।
তোমাক ব্যৱহাৰ কৰে নৰধামে,
বিলাসিতাৰ সামগ্ৰী ভাবি,
অপ্ৰয়োজনীয়তাত পেলাই দিয়ে
পৃথিৱীৰ অথৰ্ব পদাৰ্থ কৰি।
নাৰী,
তুমি শক্তিশালী,
পুৱাৰ আদিত্যৰ দৰে হৈ থাকিবা
জাগ্ৰত প্ৰহৰী।
বিলাব লাগিব তুমি
বিশ্বত সৌৰভ জ্যোতি।।
নেভাৱিবা নিজকে কেতিয়াও
অৱহেলিতা বুলি,
নিজৰ অধিকাৰৰ বাবে
আহা আগবাঢ়ি।
নাৰী,
তুমি বিশ্ব বিজয়িনী,
নৈতিকতাৰ প্ৰতিমূৰ্ত্তি
আত্ম সন্মানৰ এনাজৰী।
নাৰী,
তুমি আকাশ লঙ্ঘিণী
আগুৱাই যোৱা
পৱিত্ৰতাৰে অহোৰাত্ৰি।।

কল-ধ্বনি

গীতিলেখা দেৱী ভাগৱতী
প্ৰৱক্তা, দিশপুৰ মহাবিদ্যালয়

সেয়া অবিৰত কিহৰ ধ্বনি ?
ৰজনীৰ নিজান- নিস্তব্ধতা ভেদি—
মধ্যৰাত্রি নিমাত-নিফুট সকলো।
এয়াটো নহয় কৃষ্ণ অবিহনে ৰাধাৰ উচুপনি,
নতুবা অশোক বনত সীতাৰ বিননি !
নাইবা অগ্নিগড়ত বন্দী ঊষাৰ ক্রন্দন,
অথবা মহাৰাজ বিক্রমাদিত্যৰ
প্রাচীৰৰ বাহিৰত লখিমী দেৱীৰ ৰোদন !
নহয় এয়া জয়মতী, মূলাগাভৰুৰ হৃদয়ৰ নিনাদ !
আনকি এয়াটো নহয়
প্রকৃতি -জগতত বিচৰণ কৰা
কুলিৰ 'কুউ-কুউ', কুকুৰাৰ 'কুক্ -কুক্-কুউ' বা
কেকোঁ সর্পৰ সুৰধ্বনি বা
নিশাচৰ পশুৰ আৰ্ফালন !
কেউফালে মাথোঁ জ্যোৎস্না;
কিন্তু কর্ণত বাজে কিহৰ কম্পন !
মধ্যনিশাৰ গভীৰতা ভাঙি
কিহে কঁপাই হৃদয় দুৰু-দুৰুকৈ !

জগাই শিহৰণ এক অচিনাকি আশঙ্কাই !
সন্ধান ল'বলৈ হলোঁ অগ্রসৰ
যেন এটি জঁয়াল পথত —
আকস্মাৎ হ'ল দৃষ্টিগোচৰ
দীঘল দীঘল খোজেৰে
বগা চিহ্নৰ ধূসৰ বৰণেৰে
জলাশয়ৰ পাৰে পাৰে
'কেক্- কেক্-কেক্' কল-ধ্বনিৰে
এটি সৰু পক্ষীৰ বিচৰণ।
উদাস ভয়াবহতাৰ মানসিকতা লৈ
আছিলোঁ যে কত ক্ষণ স্বপ্নৰ আৱেশনত।
অৱগত হলোঁ, এয়া যে আন একো নহয়
যামিনীৰ সৌন্দর্যক আকোঁৱালি লৈ
কল-ধ্বনি কৰা ই এটি ডাউক পক্ষীহে।

ভাৱনাৰ শুকান বনত

ব্ৰজেন শর্মা
কার্যালয় সহায়ক, দিশপুৰ মহাবিদ্যালয়

ইতিহাসে গৰকি যোৱা
হেজাৰ প্ৰশ্নৰ উত্তৰ বিচাৰি
আছো নিসংগতাৰ ঘাটত
নীৰৱে অকলশৰে বহি
ঘনে ঘনে চাও শুভ্ৰ মেঘৰ আঁৰত
অস্ত সুৰুজৰ তেজ গৰা ৰহণ।
মৰমৰে আঁকোৱালি লব বিচাৰে
সেউজীয়া ঘাঁহনিক পুৱতিৰ নিয়ৰে
ক্ষন্তেকৰ বাবে মনত জাগে আশা
সু-সজ্জিত নতুন বেশভূষা
অপৰূপ ৰূপ লাৱণ্য
শুকাই প্ৰতিদিনে তীক্ষ্ণ ৰদৰ চুই চৰণ।।
ইকাতি সিকাতি কৰি জীৱনৰ বাকৰি
চাবলে আহৰি নাই সময়ৰ শিকলি
যান্ত্ৰিক যুগৰ ধুনীয়া ধৰণীৰ বুকুত
ব্যস্ততাৰে পৰিপূৰ্ণ মোৰ এই জীৱনশৈলী
খ...ব...ৰ.....খ...ব...ৰ..... খবৰ দাৰ
আহ এই যুদ্ধ,
কোনো ৰম্ভা কিম্বা মেনকাৰ বাবে নহয়
এমুঠি অন্নৰ বিচাৰি
ক্ষুধাৰ তাড়নাত এই জীৱন যুদ্ধ ..... !!!

আজি ...
সেমেকা দুচকুত তিৰবিৰ কৰে
মনৰ বিশাল আকাশৰ তৰা জাকে
আশাৰে ভৰা কোমল দুটি ওঁঠত
চুম্বন আঁকি দিয়ে হাতীপটিয়ে।
ভাৱনাৰ বিশাল সাগৰৰ তীৰত
নাচে জিৰ্‌জিৰ্‌ প্ৰতিধ্বনি তুলি
শিলে শিলে ঢৌৰ ছেৰে ছেৰে
ফিৰ্‌ফিৰ্‌ বতাহৰ হিমচেঁচা কঁপনি।।

পদুলি মূৰত চিৰযুগমীয়া চিৰসেউজীয়া গান বাজে

নিশাৰ নীৰৱতা

উপাসনা বৰ্মন
বাণিজ্য শাখা, পঞ্চম যান্মাসিক

দিনতকৈ বেছি ৰাতি ভাল লাগে !
পোহৰতকৈ বেছি আন্ধাৰ ভাল লাগে।
ভাল লাগে ক'লা ডাৱৰৰ মাজৰ জোনাক
আৰু তাতোকৈ ভাল লাগে নীৰৱ নিস্তব্ধ দূৰ-দূৰণি।

ব্যস্ততাৰ অজুহাত দেখাব জানে দিনৰ পোহৰবোৰে,
কিন্তু নিশাৰ আন্ধাৰে মৌনতা ঢালিব জানে।
দিনৰ পোহৰে সপোন কাঢ়িব জানে;
নিশাৰ আন্ধাৰে সাপোন ৰচিব জানে।
পোহৰত জানো পাৰি নিজৰ অন্তৰত আবেগবোৰ পোহৰাই তুলিব ?
ৰাতিহে পাৰি অন্তৰখন খুলি সকলো আবেগ উজাৰি চকুলো সৰাব।
সূর্যলৈ জানো হেঁপাহেৰে চকু মেলি চাব পাৰি ?
হ'লেও জোনলৈ যে চাই চাই হেঁপাহেই পলোৱাব নোৱাৰি।

আনে পোহৰত ভাল পালেও মই কিন্তু আন্ধাৰ ভাল পাওঁ।
দিন পোহৰৰ কোলাহল এৰি ৰাতিৰ নীৰৱতা ভাল পাওঁ।
ৰাতিপুৱাৰ সৰাফুল বুটলিব জানিলেও ৰাতি সুগন্ধি বিলোৱা
ফুলৰ চৌপাশ বেছি ভাল পাওঁ।
সকলোৰে মাজত থাকিও অকলশৰীয়া অনুভৱ হোৱাতকৈ;
অকলে থাকি অধিক ভাল পাওঁ

ব'হাগ তুমি অনন্য

তৃষ্ণামণি নাথ
চতুর্থ ষান্মাসিক

প্রকৃতিৰ মতলীয়া সুৰত।
ব'হাগে নাচিব হালি-জালি।
হাত বাউল দি মতা বৰষুন জাকে
ঘন মেঘৰ মাজেৰে নিগৰি নিগৰি
ধৰণী সেউজ কৰি ব'হাগৰ গীত জুৰিব।

ব'হাগ তুমি অনন্য...
আলফুল কপৌফুলৰ সুবাসে
চাৰিওদিশে সুশোভিত কৰি
প্রকৃতিক আলিংগনৰ বার্তা দিব।
দেহ-মন ত্বৰান্বিত কৰি
আশাৰ ৰেঙণি তুলিব।

সঁচাই ব'হাগ তুমি অনন্য...
ডেকা-গাভৰুৰ জাকে হিলদ'ল ভাঙি
প্রকৃতিক জগাব
প্রেমৰ হেন্দোলনি তুলি,
আশাৰ বীজেৰে প্লাৱন বোৱাই
ধৰণী পুলকিত কৰিব।

সঁচাই ব'হাগ তুমি অনন্য...
সাৱুৰা পথাৰ
ককাইৰ হাতৰ মুঠিৰ নাঙলৰ সীৱলুত
হুৱহুৰাই গায়
আশাৰ গান
আবেগৰ গান
চিঞৰি চিঞৰি
আহা ব'হাগ
তুমি আহা
আশাৰ বীজ সিঁচি যোৱা
কৃষকৰ শইচ সঁজাল ধৰাই
সেউজ কৰা
সঁচাই ব'হাগ তুমি অনন্য...।

মই এতিয়া Busy

চিৰঞ্জীৱ বৰ্মন

এতিয়া মই মই নহয়,
কিয়নো এতিয়া মই busy।
লুকা-ভাকু, মাৰ্বল ..... নেখেলা আৰু,
মই mobile game তেই busy।
এতিয়া গধূলি বাকীবোৰৰ লগত TV ও নাচাও
মই অকলেই reel scroll কৰাত busy।
আইতাৰ লগত অলপ সময় উলিয়াই ধেমালি
কৰাৰো সময় নাই,
মই কাৰোবাৰ message ৰ reply দিয়াত busy।
এতিয়া যে লগৰবোৰৰ লগত আড্ডা বোৰো
নজমে,
হাঁহিব লাগিলে অকলেই meme চাই হাঁহো,
চাগে সিহঁতেও মোৰ দৰেই busy।
..... " মা লাইট টো on নকৰিব না"
ভাল লাগে এতিয়া এন্ধাৰ,
কিয়নো এতিয়া মই মোৰ লগতেই busy।

ভোক

ভনিস্মিতা বৈশ্য
ষষ্ঠ যান্মাসিক, কলা বিভাগ

তাড়না পেটৰ
জীৱনৰ যে অন্ত নাই
ভোক লগাৰ বাবে হয়তো সি
ডাষ্টবিনৰ পৰাও তুলি খায়।
এই যে মায়াৰী পৃথিৰীৰ মায়া ....
বাৰে বাৰে মৃত্যু দিও
জীৱনৰ বাবে সাহস
যোগাই.....
আপুনি মই খোৱাৰ
দৰে সি নাখায়,
কি কৰিব ?
জেপত যে পইচা নাই ...
ভোক আছে বাবে সি
বিলাসী হোটেলৰ বাট চিনি নাপায়,
আমাৰ দৰে ভোক তাৰ নাই
জীয়াই থাকিবলৈ হে খায় !!!

বিনন্দীয়া ফাগুন

অংকুৰ কলিতা
চতুর্থ ষান্মাসিক, ইংৰাজী বিভাগ

উতনুৱা ফাগুনৰ কোনো ৰং নাই,
কৃষ্ণচূড়াই হে ৰঙাবোৰ কঢ়িয়ায়।

সোণাৰুৰ হালধীয়াবোৰৰ স্পর্শত,
উদ্ভাসিত আজি মোৰ হৃদয়ৰ দুৱাৰদলি।

নাহৰ গছবোৰে সযতনে সামৰি ৰাখিছে,
বুকুৰ গভীৰত পুঞ্জিভূত বার্তাবোৰ।

কমলা ৰঙী পলাশবোৰেও ভাঙিছে,
গোপনে সাঁচি থোৱা অভিমানৰ বান্ধ।

গোলাপী কাঞ্চনৰ আভাই আঁকি দিছে,
মোৰ দুটি ওঁঠত তুমি নামৰ এক সলাজ হাঁহি।

পছোৱা বতাহচাটিয়ে উৰুৱাইছে শিমলু তুলাবোৰ,
বাটে-পথে ধূলিকণাবোৰে কৰিছে উদ্যাম নৃত্য।

নানাৰঙী ফুলবোৰে বিলাই দিছে আবিৰৰ ৰং,
প্রণয়ৰ সৌৰভেৰে সুৰভিত মোৰ মনৰ ভড়াঁল।

দশেদিশে গুঞ্জৰিত সৌৱা সুৰৰ মায়াৰী লহৰ,
এয়া দেখোন আজি বিনন্দীয়া ফাগুনৰ বতৰ।

কল্পনা

বিক্ষিতা দাস
দ্বিতীয় ষান্মাসিক, ইংৰাজী বিভাগ

কল্পনাৰ আকাশত শব্দৰ মৰীচিকা,
কাহিনী ৰচি বাস্তৱ হোৱাৰ সপোন,
কিন্তু নাই অপক্ষো
এই কল্পনা পূৰণৰ।
ই যে এক সামান্য ভাৱ মাথোঁ।
আছে বহুতো কথা, আছে বহুত ব্যথা
আছে নীৰৱ ৰাতিৰ পিছত পুৱাৰ কোলাহল,
আছে জীপাল বৰষুণৰ পিছত জেকামুয় আলি,
আছে সুগন্ধি ফুল এপাহিৰ
পিছত মৰহি যোৱাৰ দুখ,
কিন্তু, ই যে এক কল্পনা মাথোঁ।
কল্পনাৰ সাগৰত উটি, বাস্তৱতাৰ পাৰত
অহা বাঞ্ছনীয়
কল্পনাৰ ৰঙত ৰঙীন হৈ
ময়াময় পৃথিৱীত বেৰঙীন হৈ
অন্ত পৰে, প্রতিটো প্রিয় কল্পনাৰ।
ৰৈ যায় কেৱল অপ্রিয় বাস্তৱতা।

বুঢ়া অভাৱব্রীজ

ৰিসভ ৰাজবংশী
চতুর্থ ষান্মাসিক, বাণিজ্য শাখা

মই হেনো আৱেগৰ পথ... ?
কিমানৰ আৱেগ ?
ক'তনা মানুহ দেখিলোঁ,
কিমান জনতা পাৰ হৈ গ'ল
তাৰ কোনো হিচাপ নাৰাখিলো
কিমান প্রেমৰ সাক্ষী হৈ ৰ'লো
তাৰ ঠিকনাও নাজানিলো।
মানুহৰ যে সময়েই নাই,
মোৰ ওপৰত সময় কটাই সঁচা
কিন্তু মোৰ সৈতে নহয়।
পাহৰি নাযাবা ....
কিছুমান মানুহ বৰ মিছা
কিমান মানুহৰ যে জীৱনৰ কথা শুনিলোঁ
সচাঁ মিছা বন্ধুত্বৰ প্রমাণ দেখিলোঁ।
দেখিলে হাঁহি উঠে,
হাঁহি উঠে সেইবোৰ মানুহৰ ওপৰত
যিয়ে দুই চৰিত্রত অভিনয় কৰে।
পিছে বেয়াক কিয়নো আকোৱালি ল'ব লাগে ?
সুখী হোৱা,
ময়ো সুখী হওঁ, কিন্তু তেওঁৰ বাবেহে
যিয়ে মোৰ কোলাত নিজৰ মূল্যবান সময়ৰ
অংশভাগ উপভোগ কৰে।
সুখী হওঁ তেওঁলোকক দেখি
যিয়ে সততাৰে সমাজৰ সংশোধন কৰে।
সংযোগৰ মাধ্যম মই
সুখী হওঁ সেই ল'ৰা-ছোৱালীজাকৰ বাবে
যাৰ সপোনৰ যাত্রাত মোৰ কিঞ্চিৎ অৱদান
প্রতিজন প্রেমিকৰ সন্ধিয়াৰ সাক্ষী মই।
কেতিয়াবা তলেৰে যোৱা ৰেলকেইখনক সোধোঁ
সুখী নে নিজক লৈ ?
উত্তৰ আহে,
নিজক ভাল পালে এনেই সুখী হ'ব পাৰি।
ময়ো সুখী, মই যে বহুতৰ আবেগ
বহুতৰ চিনাকি মই।
চিনি পাইছানে বাৰু
ময়েই, সেই চান্দমাৰীৰ বুঢ়া অভাৱব্রীজ।

প্ৰিয়

বিশাল পৰাশৰ
চতুৰ্থ যান্মাসিক, বিত্ত বিভাগ

আপুনিয়ে সুধিছিল,
ৰঙা ৰং মোৰ কিয় প্ৰিয় ?
সৌ শিমলুজোপালৈ চাওঁক চোন
তেজৰঙা সেই পুষ্পমঞ্জৰী
বুকু ফাঁটি ওলাই অহা বিৰহ বেদনাৰ দৰে
সেই শুকুলা তুলাৰ পাহি,
সেইখন এখন সুকীয়া পৃথিৱী জানে ?
মইয়ো তাৰেই বাসিন্দা
প্ৰবুদ্ধ নহয় মই, কবিও নহয়
নাইবা কোনো গীতিকাৰ, সুৰকাৰ।
কিন্তু এয়াই মোৰ প্ৰিয় কবিৰ প্ৰসিদ্ধ কবিতা
মোৰ প্ৰিয় গানৰ প্ৰিয় সুৰ
ক্লেদাক্ত পৰিৱেশ মোৰ প্ৰিয় নহয়
মোৰ প্ৰিয়বোৰ মোৰ শান্তিৰ থল
আঘাত লাগিলে ক্ষণিকতে বোৱাই অশ্ৰুজল
অশ্ৰুজলৰ নিৰ্দিষ্ট ঠিকনা নাই, জানেনে ?

এই যে মাঘমহীয়া নেৰা-নেপেৰা বৰষুণজাক
মেঘস্নিগ্ধ অভ্ৰত বিজুলীৰ গৰ্জন
আৰু নিষ্প্ৰভ এটি ৰাতিপুৱা
আপোনাৰ প্ৰিয়নে বাৰু ?
এই সমস্ত অক্ষয় পুৰুষৰে সৃষ্টি
এটি ভাললগা ৰাতিয়ে
পুৱা হ'বলৈ পাহৰি থাকিলে
মেঘাস্পদৰ পৰা আবেগবিহীন মেঘ
আঁতৰিবলৈ পাহৰি থাকিলে
প্ৰিয়বোৰৰ মাজতে ...
অশিষ্ট প্ৰকৃতিৰ ধুমুহাই হ'ল জীৱন।।

পৰিচয়

বেদান্ত বিকাশ গোস্বামী
ষষ্ঠ যান্মাসিক, বাণিজ্য বিভাগ

ঐ শুনা না
এটা কথা কওঁ,
শুনিবা ?

সুখ-দুখেৰে সংমিশ্রিত
কিছু অভিজ্ঞতা আছে,
শ্রোতা হ'ব খুজিবা ?

পৰিচয় বুলিবলে মা-দেউতাই দিয়া এটা নাম,
ওপজা ঠাইডোখৰৰ নাম,
এতিয়া মোৰ মুখস্থ।

ভয় কৰল সেই পৰিচয়ে
ব্যক্তিত্বক সীমাবদ্ধ কৰাৰ সম্ভাৱনাৰ।
বুজিব পৰিছা ?

জীৱনটো এটা গান,
যাৰ তানযুক্ত ৰাগৰ বন্দিছ
গাব সময় সাপেক্ষে টান !

সেয়ে চেষ্টা মোৰো সদায় সেইজন
"শিলক পানী কৰি খাব পৰা" শিল্পী হোৱাৰ
যাৰ সুৰত উদয় হয় চিন্তা, প্রশ্ন আৰু অর্থ জীৱনৰ।

বাৰু, বহুত ক'লো মোৰ কথা
কিছু তোমাৰ শুনিব বিচাৰো,
শুনাবা ?

ক’ৰবাতে ৰৈ থাকিল

ভনিস্মিতা বৈশ্য
ষষ্ঠ যান্মাসিক, কলা বিভাগ

এই যান্ত্রিকতাৰ জগতখনত
মাথোঁ প্রতিযোগীসকলৰ তোলপাৰ,
যিয়ে যেনেকৈ পাৰে মাথোঁ দৌৰিছে।
কাৰো ৰৈ চোৱাৰ সময়ে নাই।
এতিয়া কোনে কাক চিনি পায়?
মাথোঁ চশমাৰ ফাঁকেৰে জুমি গুচি যায়।
এই কংক্রিটৰ দেশত
আছে মাথোঁ ব্যস্ততাৰ বীণ,
য’ত নোহোৱা হ’ল সুখৰ মাদকতা।
আপোনাক একাষৰীয়া কৰি
পাহৰিলে বাস্তৱতা
আৰু সেই অবিৰত সংগ্রাম
কেনিবাই নোহোৱা হ’ল।
নাই কোনো লক্ষ্যস্থান, আছে বহুত সপোন
তেওঁ দৌৰিব জানে ময়ো দৌৰিব লাগিব।
তাকে থিৰাং কৰি প্রতিযোগিতাত নামিছে।
সেই হেজাৰ সপোন, মনত ভবাবোৰ
ক’ৰবাতে ৰৈ ৰৈ ভাহি গ’ল।
মাথো বুকুত জুই একুৰা লৈ
সময়ৰ স’তে দৌৰি ফুৰিছে।

মহীয়সী নাৰী

চন্দন কলিতা
চতুর্থ যান্মাসিক, অসমীয়া বিভাগ

হে, মহীয়সী নাৰী।
তুমি কিয় নিজকে ভাবা দুর্বল বুলি ?
তুমি মাত্র এবাৰ ভাবি চোৱা নাৰী
তুমিয়েইটো হোৱা জনমভূমি।
হে নাৰী, তুমিয়েইটো জ্ঞানৰ দেৱী
তুমিয়েইটো লক্ষ্মী, সৰস্বতী, কালিৰূপে পূজিতা।
তেন্তে তুমি নাভাবিবা নিজকে দুর্বল বুলি।
তোমাৰ গর্ভতে এই পৃথিৱীৰ জন্ম
তোমাৰ মনলৈ যদি,
কেতিয়াবা ভাৰ আহে দুর্বল বুলি।
তেতিয়া তুমি
ইতিহাসৰ পাত দোহাৰি চাবা।
জয়মতী, কনকলতা, অৰুণিমা সিন্হা
আদি মহীয়সী নাৰীসকলে, তেওঁলোকৰ
সাহসিকতাৰ পৰিচয় বহন কৰি গৈছে।
আজিৰ নাৰী
আত্মনির্ভৰশীল, শক্তিশালী আৰু সাহসী।
তেন্তে কিহৰ ভয়,
মহীয়সী নাৰী !

(গুৱাহাটী কর্মশ্রী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু সান্ত্বনা বৰুৱাৰ পৰিয়ালৰ সহযোগত সদৌ অসম ভিত্তিক কবিতা প্রতিযোগিতাত ‘মহীয়সী নাৰী’ কবিতাটোৱে দ্বিতীয় স্থান লাভ কৰিছে।)

ফাগুনৰ প্ৰথম ৰৱষুণজাক

পিংকী শইকীয়া
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

ফাগুনৰ প্ৰথম ৰৱষুণজাকে
গাটো তিয়াই নিয়াৰ লগতে
মনটোও তিয়াই নিলে
যেন কাৰো প্ৰতি আক্ষেপ নাই ...
যেন কাৰো প্ৰতি অভিমান নাই...
ৰৱষুণৰ প্ৰতিটো টোপোলাৰ লগত
বৈ আহে অহৰহ চকুলো
নাই সময় নাই
বৈ যাব দিছোঁ ...
ধৰিবলৈ আৰু যেন শকতিও নাই
মানুহৰ প্ৰতাৰণাবোৰো আজি বৈ
যাব দিছোঁ ৰৱষুণৰ প্ৰতিটো টোপোলাৰ লগত
দুখ পাতলাই আজি হাঁহিছো
ফাগুনৰ প্ৰথম ৰৱষুণজাকৰ লগত ।।

এক মিঠা অনুভূতি

নিশামনি দাস
ষষ্ঠ ষান্মাসিক , অসমীয়া বিভাগ

"আকাশলৈ কিয় চাই আছা ?"
নাজানো, আকাশখন ৰৱ ধুনীয়া—
ৰতাহৰ লগত ডাৰৰে নাচিছে
ৰতাহে শৰতৰ গছবোৰক চুমা খাইছে।
কোৱা, তুমিও দেখিছানে ?
কাৰণ মই দেখিছোঁ, অ' মই দেখিছোঁ।
দিগন্তই লাহে লাহে আকাশৰ লগত মিলি যায়
নীলা ৰঙৰ ছাঁত এটা নিস্তব্ধ চুমা।
তোমাৰো মোৰ দৰে অনুভৱ হয়নে ?
গোলাপী ৰং কমলাত কেনেকৈ মিলি যায়,
কমলা ৰং ৰঙৰ লগত কেনেকৈ মিলি যায়।
তাৰ পিছত ম্লান হৈ পৰে আৰু বাকী থাকে
মাথোঁ গাঢ় শীতল নালা।
কোৱা, তুমিও দেখিছানে ?
মোৰ দৰে অনুভৱ হয়নে ইয়াৰ কোমল সৌন্দৰ্য্য ?

বসন্তৰ এনিশা

ৰবিতা হাজৰিকা
ষষ্ঠ ষান্মাসিক , অসমীয়া বিভাগ

বসন্তৰ এনিশা
সোণৰ দৰে উজ্জ্বল,
যেতিয়া জোনাকৰ পোহৰ পৰে
মনোমোহা ফুলবোৰত
বিয়পি পৰে চাৰিওফালে
সুগন্ধ আৰু মাদকতা
পোহৰত জিলিকি উঠা
নদীৰ শীতল বতাহজাকে
সহস্ৰ শৰীৰত জগাই তোলে
এক শিহৰণকাৰী কোমলতা।



ফ্রেম

জেনিফাৰ আহমেদ
ষষ্ঠ ষান্মাসিক, বাণিজ্য বিভাগ

হঠাতে বিচাৰি পালোঁ জানা,
ধুলিৰ গোন্ধত পোত খোৱা
ফ্রেমখনি।
তুমিয়েই দিছিলা নহয়,
খালী ফ্রেম খনি সিদিনা।
কৈছিলা;
"ৰাখি থোৱা,
সমাজে স্বীকৃতি দিয়া আমাৰ সুন্দৰ ফটো এখন ভৰাম।
বাচ্, কিছু পৰ ৰোৱা, আৰু কিছু পৰ!"
ৰৈ আছিলোঁ মই;
আৰু
ৰৈ থাকিলা এখনি ফটোবিহীন ফ্রেম!

সমাজৰ জয় গান

ঋষভ বৰা
ষষ্ঠ ষান্মাসিক, শিক্ষা বিভাগ

সুধিব নাহিবা মই কোন,
তুমি নিজক জানানে তুমি কোন,
এই মাটি কাৰো পৈত্রিক সম্পত্তি নহয়,
সদায় নাথাকে কোনো,
বেছিদিন নাই, হ'ব সূচনা নৱ অধ্যায়ৰ,
আহিব নতুন চৰিত্র, সময় আহিব সকলোৰে বাবে,
পুৰণি পাহৰি নতুনক ল'ব আদৰি।
মোক নুসুধিবা মই কোন,
ৰাস্তাত হাতী দেখিলে কুকুৰে ভুকেই
আৰু মনত ৰাখিবা উপকাৰীক সদায় অজগৰে খায়
নগ্নতা নহয় সভ্যতা
হয় ই পৰম সত্যতা
কিন্তু সত্যৰ হয় বলি
দাগৰ উপৰত পৰে আৰ্হি,
প্রলোভন বাঢ়ি যায় ক্ষমতা লোভিৰ,
এই মায়াত পৰি আপোনক দিয়ে বলিদান
এয়ে হৈছে বর্তমান সমাজৰ জয় গান ।।

অচিন্তনীয়

ঋষভ বৰা
ষষ্ঠ ষান্মাসিক, শিক্ষা বিভাগ

সুন্দৰ হাঁহি দেখি
চকুত উঠে সপোন জাগি ,
গোলাপৰ গোন্ধ চৌপাশত পৰিছে বিয়পি,
সূর্য্য ৰ কিৰণত গোলাপ ৰ পাহিবোৰ, ৰংতেই আছে উমলি ;
পখিলাও সেই ৰঙতেই মৌ চুহি কৰিছে ধেমালি;
এইয়া কি মোৰ 'প্রেমৰ অনুভূতি' ।
কহুৱা বতাহ জাক জোৰ কৈ বব ধৰিলে ,
গোলাপৰ পাহি বোৰ সৰিব ধৰিলে ,
মোৰ প্রেমৰ সূর্য্য অস্ত ,
মোৰ সকলো অনুভূতি নষ্ট,
হয় টো মোৰ ,নৱ পথৰ প্রশস্ত;
অনুভূতি বোৰ হ'ল স্পষ্ট,
'সপোন বোৰ চিগাৰেটৰ ধোঁৱাত অস্পষ্ট,'
টিম টিমাই থকা তৰা বোৰক আজি ডাৱৰে আঁ�ৱৰিছে,
লাহে লাহে দিন বাগৰি ৰাতি হ'ব ধৰিছে,
ধুমুহাই উৰুৱাই নিলে ৰঙা ৰুমাল খন,
আশা বোৰ মৰহি,
বেদেনা মোৰ চিৰ'লগৰী;
নিসংগতাই ঠাই পোৱা জীৱনৰ এই বিয়লি,
থাকিবা তুমি মোৰ ছিটাৰ জুইত উমলি ,
চন্দ্রৰ শীতল কিৰণত থাকি ,
নহাকৈ নাথাকিবা মোৰ অন্তিম দিনৰ কথা শুনি ,
কবলৈ অহিবা 'চিৰবিদায়' বুলি ।।

দিশপুৰ মহাবিদ্যালয়

ইছমাইল আলী
বানিজ্য বিভাগ, ষষ্ঠ যান্মাসিক

দিশপুৰ মহাবিদ্যালয় গৌৰৰৰ গাঁথি
১৯৭৮ৰ পৰা জ্ঞানৰ পাঁথি ।
গনেশগুৰীৰ হৃদয়ত জ্বলিছে জ্যোতি
প্রেম, গৌৰৱ, আলোকে কৰে প্রভাবিস্তৃতি ।
সুন্দৰ পৰিৱেশ , মনোমোহা স্থান,
জ্ঞানৰ জ্যোতিৰে পৰিপূর্ণ প্রাণ ।
শিক্ষক সকলৰ দয়া- স্নেহ,
তেওঁলোকৰ আশীর্বাদত সুখৰ দেহ ।
কলা, বাণিজ্যৰ ধ্বজা,
শিক্ষাৰ ক্ষেত্রত অপৰাজেয় সাজা ।
ভৰিষ্যৎ গঢ়াৰ এক পূণ্যস্থান,
প্রেম , সন্মান, জ্ঞানৰ গান ।
এই বিদ্যা মন্দিৰক জনালোঁ প্রণাম,
অজ্ঞান আঁতৰাই দিঁও নতুন দিশৰ আহ্বান ।
অৰুণোদয়ৰ সপোনত ঠাই,
দিশপুৰ মহাবিদ্যালয়, মোৰ মৰমৰ ঠাই ।

ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে কথোপকথন



সাহিত্য আৰু বিজ্ঞান দুয়োখন জগততে ড° অমৰজ্যোতি চৌধুৰী এটি সুপৰিচিত নাম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সহ উপাচাৰ্য চৌধুৰী দেৱ একাধাৰে শিক্ষাবিদ, বিজ্ঞানী, অভিনেতা, আবৃত্তিকাৰ, নাট্যকাৰ, কবি, ঔপন্যাসিক আৰু বক্তা। 'ৰামানুজন', 'সত্যেন্দ্ৰ নাথ বসু' আৰু 'দ্য শ্ৰিংকিং ইউনিভাৰ্ছ', 'নেন'টেকন'লজী' বিষয়ক গ্ৰন্থ ৰচনাৰে বিজ্ঞানৰ জগতখনলৈ অৱদান আগবঢ়োৱাৰ লগতে 'ট্ৰিল'জী', 'ভয়ৰ টণ্ডীঘৰত তৰা', 'এতিয়া তেজত', 'আন একুৰা মেজি', 'গছৰ নিচিনা সাঁকোখন','ৰ'দ কাঁচলিৰ মানুহ' আদি সৃষ্টিশীল সাহিত্য ৰচনাৰে সাহিত্য জগতখনলৈও তেখেতে অৱদান আগবঢ়াইছে। ড° ভূপেন হাজৰিকা দেৱৰ মৃত্যুত তেখেতে আগবঢ়াই দিয়া স্বৰচিত কবিতাটো আবৃত্তি জগতখনত এক মাইলৰ খুঁটি স্বৰূপ।

সাক্ষাৎকাৰটো যুগুতাইছে-দীপমনি কলিতা আৰু সম্পাদকে।

দিশপুৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা পোনপ্ৰথমতে আপোনাক নমস্কাৰ জনাইছোঁ।

প্ৰশ্ন ঃ শিক্ষাবিদ, সাহিত্যিক, নাট্যকাৰ, বিজ্ঞানী, আবৃত্তিকাৰ হিচাপে অসমীয়া সমাজত আপোনাৰ এখন বিশেষ আসন আছে। অসমৰ এগৰাকী বহুধা প্ৰতিভাধৰ ব্যক্তি লক্ষ্যধৰ চৌধুৰীৰ পুত্ৰ হিচাপে আপোনাক শৈশৱ আৰু কৈশোৰৰ বিষয়ে ব্যক্ত কৰিব নেকি?

উত্তৰ ঃ মোৰ শৈশৱৰ লগত পুৰণি গুৱাহাটীখনৰ ছবি জড়িত হৈ আছে। পুৰণি গুৱাহাটী বুলিলে গুৱাহাটী বোলা ঠাইখিনি কম আছিল আৰু ইয়াত বেছি মানুহ নাছিল। এইফালে চান্দমাৰিৰ পৰা ইফালে ভৰলুমুখতেই গুৱাহাটীৰ সীমা বুলি ধৰিব পাৰি। গতিকে তেনেকুৱা পৰিবেশতেই আমি ডাঙৰ হৈছিলো। তেতিয়া ভৰলুনদীখনত মানুহে সাতোঁৰে। লগৰ ল'ৰাবোৰে তাতে খেল-ধেমালি কৰে। আমিও এবাৰ তাত সাঁতুৰিছিলো। কিন্তু মূল কথাটো হ'ল এতিয়া যিটো প্ৰদূষণ ভৰলুত হৈছে তেতিয়া ভৰলুত একেবাৰে প্ৰদূষণ নাছিল। আৰু এইটো ক্ৰমান্বয়ে মানুহৰ ভুলৰ কাৰণেই হৈছে। আমি সৰুতে উজান বজাৰৰ ওচৰত দেউতাৰ খুৰীয়েকৰ ঘৰত আছিলে আৰু সেই ঘৰটোৰ পৰা ব্ৰহ্মপুত্ৰ নৈখন তেনেই ওচৰতে। নৈৰ পাৰত বহুতো গছ-গছনি আছিল। সেই গছবোৰৰ বহু ওপৰলৈ নগ'লেও গছবোৰ বগাইছিলোঁ, পানীত ধেমালি কৰিছিলোঁ, বালিত খেল-ধেমালি কৰিছিলোঁ, পানীত কাগজৰ নাও উটুৱাইছিলোঁ। এইবোৰ কৰি ভাল পোৱা ল'ৰা আছিলো মই। কিন্তু হঠাৎতে এদিন তাৰ পৰা নি মোক স্কুলত সোমাৱাই দিলে। স্কুলত সোমোৱাই দিওঁতে স্বাভাৱিকভাৱেই মোৰ মনত এটা বিদ্ৰোহৰ ভাৱ অহাৰ নিচিনা হ'ল। ইমান দিনে এনেকে খেলি আছিলো। এতিয়া মোক এটা বন্ধ কোঠাত সোমোৱাই দিছে।

গতিকে সেইটো কাৰণতেই প্ৰথমতে মই ছাৰৰ কথাবিলাক শুনা নাছিলোঁ। নুশুনিলেতো তাৰ ফলাফল কি হ'ব আমি জনোৱেই। গতিকে পঢ়া-শুনাত মই ভালে কিছুদিন খুব বেয়া হৈ আছিলোঁ। 'অংক'ত গ্ৰেছ মার্ক লৈ যেনেতেনে পাছ কৰি আছো তেতিয়া একো কথা মোৰ মনত নাথাকে। মই ভাবো যে মোৰ আত্মবিশ্বাস খুব কম তেতিয়া। কিন্তু এনেকৈ চলি থাকোঁতেই হঠাৎ এদিন এটা ব্যতিক্ৰম ঘটিল। আমাক এদিন শিক্ষকে গছৰ তলত নেওতা মাতিবলৈ দিলে। তেওঁ সুৰ লগাই মাতিলে। এটা ছন্দত কয় নহয় "একে একে দুই, একে দুয়ে তিনি...।' এনেকৈ। মইতো ভাবি আছিলোঁ মোৰ মনত একো নাথাকে। কিন্তু সেই দিনাখন মোৰ মনত থাকি গ'ল। শিকাই থাকোতেই মোৰ মুখস্থ হৈ গ'ল। তাকে দেখি ছাৰে খুব ভাল পালে আৰু মোক মাতি নি ক'লে — "কথাবোৰ ছন্দত থকা বাবে ছাগে তোৰ আজি মনত থাকিল।

গতিকে তই দেউতাৰাক ক'বি যে, তোৰ কাৰণে কবিতা লিখিবলৈ আৰু তই সেইবোৰ আওৰাই থাকিবি। তেতিয়া আমি গম পাম তই মনত ৰাখিব পাৰিবি নে নোৱাৰ।" সকলোৰে সন্দেহ আছিল মই পাৰিম নে নোৱাৰিম? মই দেউতাক গৈ ছাৰে কোৱা কথাটো ক'লো আৰু সেইখিনি সময়তে মোৰ জন্মদিন আছিল। মোৰ জন্মদিনত দেউতাই এটা কবিতা লিখি দিলে। কবিতাটোৰ নাম আছিল 'মোৰ লক্ষ্য'। 'মই গান্ধীজীৰ দৰে হ'ম, সদায় সত্য পথত ৰ'ম, অহিংসা ব্ৰতেৰে জগত জিনিম, সত্য কথাহে ক'ম, মই গান্ধীজীৰ দৰে হ'ম।" এই কবিতাটো পিছত বিদ্যালয়ৰ পাঠ্যপুথিতো সন্নিৱিষ্ট হৈছিল। প্ৰথমতে মোৰ সন্দেহ আছিল মনত থাকিব নে নাথাকে? কিন্তু মায়ে ওৰে ৰাতি কবিতাটো মোৰ লগত গাই থাকে। গাওঁতে গাওঁতে মোৰ যেনিবা মনত থকা হ'ল। মোৰ মনত আছে সিদিনা আমাৰ ঘৰলৈ দেউতাক লগ পাবলৈ সেইখিনি সময়ৰ গুৱাহাটীৰ সাংসদ হেম বৰুৱা ডাঙৰীয়া আহিছিল। আহোঁতে দেউতাই ক'লে, "ই কবিতা গাব পৰা হৈছে।" মোক তেওঁ কবিতাটো গাবলৈ দিলে। কবিতাটো গোৱাৰ পিছত হেম বৰুৱা ডাঙৰীয়াই ওচৰৰ দোকানৰ পৰাই চিংৰা, জিলাপি আনি খুৱালে। সেয়াই মোৰ প্ৰথম বঁটা পোৱাৰ নিচিনা। এনেকৈয়ে মই কবিতা আবৃত্তি কৰিবলৈ ল'লো। লাহে লাহে কথাবোৰ মনত ৰাখিব পৰা হৈছোঁ। নাটক কৰিব পৰা হৈছোঁ। চবিএবোৰ মনত ৰাখিব পৰা হৈছোঁ। চৰিএবোৰৰ কথাবোৰো মনত ৰাখিব পৰা হৈছোঁ। নিপ বৰুৱা বুলি এগৰাকী মানুহ আছিল। তেওঁ চিনেমা কৰে। তেওঁ মোক এনেকৈ নাটক কৰা দেখি এদিন দেউতাৰ ওচৰলৈ আহিল আৰু ক'লে, " ইয়াক মই চিনেমা কৰিবলৈ লৈ যাম।" আচৰিত কথা আৰু তেতিয়া চিনেমা বিলাক কলিকতাত হয়। মোক লৈ গ'ল তালৈ। চিনেমাখন হৈ গ'ল। তাৰ পিছত পোষ্টাৰ মাৰিছে বিহুৰ সময়ত। খুব ফুৰ্তি লাগিলে মোৰ নিজকে পোষ্টাৰত দেখা পাই কিন্তু সমস্যাটো হ'ল এনেই মই পঢ়া-শুনাত বেয়া তাতে চিনেমা কৰা ল'ৰা। সেইখিনি সময়ত চিনেমা কৰিলে মানুহে ভাল চকুৰে নাচায়। আগৰ দিনৰ কথা কৈছো— চিনেমাখন কৰা সময়টো আছিল ১৯৫৭ চন। তেতিয়া মাক-দেউতাকে ল'ৰা-ছোৱালীক ক'বলৈ ধৰিলে, " ইয়াৰ লগত নেখেলিবি, ই চিনেমা কৰা ল'ৰা।" গতিকে মাক-দেউতাকক দেখুৱাই আবেলি সময়ত সিহঁতে মোৰ লগত নেখেলে। স্কুলত আমি একেলগে খেলো। কিন্তু আবেলি যেতিয়া মই ঘৰৰ কাষৰ ফিল্ড খনত খেলিবলৈ যাওঁ, তেতিয়া মোক সিহঁতে খেলিবলৈ নিদিয়ে। গতিকে মই 'ফিল্ড'ৰ কাষত ৰৈ থাকোঁ। বলটো যেতিয়া ফিল্ডৰ কাষলৈ আহে তেতিয়া চুব পাওঁ। সেইটোৰেই খুব ফূৰ্তি আৰু এনেদৰে প্ৰায় এমাহমান ফিল্ডৰ কাষত বহি আছিলোঁ আৰু তেনেদৰে বহি থাকোঁতেই এদিন মোৰ লাজ অনুভৱ হ'ল। মই

কি কৰি আছোঁ, তাকে ভাবিলোঁ। মই বলটো খেলিবও নোৱাৰোঁ। মই ঠিক কৰিলোঁ যে মই আৰু এইখন পথাৰলৈ খেলিবলৈ নাহোঁ। মই ঘৰলৈ গুচি আহিলোঁ। মা হঁত আচৰিত হৈছে, আবেলিতে আহিলোঁ। সাধাৰণতে খেলি-ধূলি গধূলি আহো। 'কি হ'ল ?' বুলি সুধিলে। নাই মই আৰু খেলিবলৈ নাযাওঁ বুলি ক'লো। লাহে লাহে মাহঁতে কথাটো গম পালে। সেইদিনা উভতি আহি পাঁচ-ছয়বছৰীয়া ল'ৰা এটাই আবেলি সময়ত কি কৰি থাকিব ? গতিকে আহি একো উপায় নাপাই মাৰ গোঁসাই ঘৰত থকা কীর্তন খনৰে পাত লুটিয়াবলৈ ধৰিলোঁ। একো বুজি পোৱা নাছিলোঁ, কিন্তু পাত লুটিয়াই আছিলোঁ। এই কথাটো মোৰ মনত পৰে। এনেকৈ থাকোঁতে থাকোঁতে পিছত আবেলি পৰত মই একো উপায় নাপাই বাতৰিকাকত পঢ়িবলৈ ল'লোঁ। দেউতাক খুজি সৰু সৰু কিতাপো পঢ়িবলৈ ল'লোঁ। সেয়া পঢ়ি থাকোঁতেই পাঠ্যপুথিও আগতকৈ আগ্রহেৰে পঢ়িবলৈ ল'লো। তেনেকৈয়ে সেইবছৰ যেতিয়া দ্বিতীয় শ্রেণীৰ পৰীক্ষাৰ ৰিজাল্ট ওলাল, তেতিয়া মই 'গ্রেছ মার্ক' পোৱা ল'ৰাটোৱে হঠাৎ গৈ বছৰেকীয়া পৰীক্ষাত তৃতীয় হ'লো। আচৰিত কথা। মইতো আচৰিত হৈছোৱেই মাহঁতো আচৰিত হৈছে। যিজন মোৰ বন্ধু সাধাৰণতে তৃতীয় হয় সিটো এইবাৰ চতুর্থ হ'ল। সি খুব কান্দি আছে। স্কুলত দীঘল চিৰি এটা আছিল সি তাতে বহি কান্দি আছে। ময়ো বহুত সময় তাৰ কাষতে বহি আছিলোঁ। সি কান্দি থকা দেখি মোৰো চকুপানী ওলাই গ'ল। তেতিয়া আমাৰ প্রধান শিক্ষক আহি পালে আৰু তেওঁ তাক সুধিলে, "তই কিয় কান্দিছ?" সি ক'লে, "মই এইবাৰ চতুর্থ হ'লো।" তেতিয়া তাক ছাৰে বুজাইছে, "এইটো একো ডাঙৰ কথা নহয়, অহাবাৰ ভালকৈ পঢ়িলে তৃতীয় কিয় প্রথমো হ'ব পাৰিবি।" ছাৰ যাবলৈ ওলাই হঠাৎ মোৰ ফালে চাই তেওঁ ক'লে, "তই আকৌ কিয় কান্দিছ?" তেতিয়া মইতো একো ধৰিব পৰা নাই মই কিয় কান্দিছোঁ। মই ক'লো আৰু ই কান্দিছে কাৰণে ময়ো কান্দিছোঁ। তেতিয়া ছাৰে ক'লে, "অফিচ ৰুমলৈ আহ।" মই ভাবিলোঁ আজি মোক বেত দিব আৰু ছাৰৰ ওচৰত গৈ হাতখন পাতি দিলোঁ। ছাৰে সুধিলে, "হাতখন কিয় পাতিছ?" তাৰ পিছত ছাৰে কিতাপ এখনত কিবা লিখি কিতাপখন মোক দিলে। তাতে লিখা আছে "আনৰ কাৰণে কন্দাৰ বাবে (মোৰ নামটো আছে) অমৰজ্যোতি চৌধুৰীক এই কিতাপ খন দিয়া হ'ল।" তাৰ আগতে মই কোনো বঁটা বিতৰণী সভাত বঁটা পোৱা নাই। কন্দাৰ বাবে এইয়া প্রথম বঁটা পালোঁ। লাহে লাহে মোৰ পঢ়া-শুনা আগতকৈ ভাল হ'বলৈ ধৰিলে আৰু মই পৰীক্ষাত দ্বিতীয়-তৃতীয় হ'বলৈ ধৰিলোঁ। মই তেতিয়া মাণিক চন্দ্র বৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত সোমাইছোঁ। নিপ দাদা আকৌ আহিল চিনেমা এখন কৰিবলৈ। প্রথমতে মোৰ ভয় লাগিছিল, আকৌ যদি লগৰবোৰে মোৰ লগত নেখেলা হয়। মায়ে ক'লে, "একো নহয় যা, কিতাপবোৰ লৈ যাবি আৰু পঢ়ি থাকিবি, ভালকৈ পঢ়া-শুনা কৰিবি।" দেউতাইয়ো উৎসাহ দিলে। আকৌ চিনেমা কৰিবলৈ গ'লো। এইবাৰ চিনেমা কৰোঁতে মই কিন্তু সদাই পঢ়োঁ। সুযোগ পালেই পঢ়োঁ। যেতিয়াই মোৰ দৃশ্যগ্রহণ নাথাকে তেতিয়াই পঢ়োঁ। এনেকৈ আহি আহি এইবাৰ যেতিয়া চতুর্থ শ্রেণীৰ পৰীক্ষা হ'ল মই প্রথম হ'লো। সেইবাৰ যে প্রথম হ'লো, বহুদিনলৈ মই প্রথম হৈয়েই থাকিলোঁ। তেনেকৈ মেট্রিক পৰীক্ষাতো অসমৰ ভিতৰতেই মই প্রথম হ'লোঁ। যিদিনা মোৰ মেট্রিকৰ ৰিজাল্ট ওলাইছে ওচৰ-চুবুৰীয়া মানুহ-দুনুহ আহিছে, মিঠাইলৈ। তেতিয়া ইমান হুলুস্থুল নাছিল। টিভি নাছিল। ৰেডিঅ' আছিল যদিও ৰেডি'অ মানুহ অহা নাছিল। মই ভাবি আছোঁ নিপ দাদা কেতিয়া আহিব ? কিয়নো নিপ দাদাই আগতেই মোক কৈছিল, "তই যেতিয়া মেট্রিক পাছ কৰিবি তেতিয়া তোক হিৰ' কৰি এখন ছবি কৰিম।" আগৰ বোৰতো সৰু ল'ৰা হিচাপেই অভিনয় কৰিছিলোঁ। নিপ দাদাই লগ পালেই "তই হিৰ" হ'ব লাগিব দেই" বুলি কৈ থাকে। গতিকে মইতো ভাবিয়েই আছোঁ মই হিৰ হ'ম, চিনেমা কৰিম। এটা সময়ত মিঠাই লৈ নিপ দাদা আহিল আৰু আহোঁতে মই লগে-লগেই বেলেগে কথা পতাই নাই মই সুধিলোঁ, "চিনেমাখন কেতিয়া কৰিব ?" তেতিয়া নিপ দাদাই ক'লে, "চিনেমা কৰাৰ কথা নক'বি আৰু দেই। পৰীক্ষাত ভাল কৰিছ' নহয়। তই ভালকৈ পঢ়। এতিয়া তোক চিনেমা কৰিবলৈ নিলে মানুহে মোক হে বেয়া বুলিব।" এইবুলি কৈ নিপ দাদা গুচি গ'ল। মোৰ মূৰত আকাশখন ভাঙি পৰা যেন হ'ল। মোৰ মনত আছে মই গৈ নৈৰ পাৰত বহুত সময় অকলে বহি আছিলোঁ। কি কৰোঁ ? মইতো চিনেমা কৰিব বুলি ভাবি আছিলোঁ। তাৰ পিছত ভাবিবলৈ ধৰিলোঁ— মইতো প্রথম হৈছোঁ, কথাটো একে বাৰেতো পেলাই দিবলগীয়া নহয়। গতিকে পঢ়া-শুনাই এতিয়া ভালকৈ কৰিব লাগিব। সেই তেতিয়াৰ পৰাই ভালকৈ পঢ়াৰ বাবে দৃঢ়প্রতিজ্ঞ হ'লো।

কটন কলেজৰপৰা পদার্থ বিজ্ঞানত বি.এছ.চি পাছ কৰিলোঁ। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা সেই বিষয়তে এম.এছ.চি. পাছ কৰিলোঁ। তাৰ পাছত স্কলাৰ শ্বিপ পাই অক্সফ'র্ড বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি. ডিগ্রী লাভ কৰিলোঁ। এইখিনিয়েই যাত্রা। গতিকে পঢ়িম বুলিয়েই মোৰ আগৰ পৰা লক্ষ্য নাছিল। এনেকৈয়ে খুন্দা খাই-খাই শিক্ষা জগত খনত সোমালোগৈ। শৈশৰ আৰু কৈশোৰ বুলি ক'লে এইখিনিয়েই মোৰ পঢ়া-শুনাৰ কথা।

প্রশ্ন ঃ আপোনাৰ পঢ়াশলীয়া জীৱনৰ শিক্ষা আৰু বর্তমান সময়ছোৱাৰ শিক্ষানীতিৰ মাজত কেনেধৰণৰ পার্থক্য বিচাৰি পায় ?

উত্তৰ ঃ শিক্ষাৰ ক্ষেত্রত বিশেষকৈ সেইখিনি সময়ত কিছুমান অসাধাৰণ শিক্ষক আছিল। এতিয়াও আছে, বহুত ভাল শিক্ষক আছে। অসাধাৰণ শিক্ষক মানে কেনেকুৱাধৰণৰ ? মই এটা উদাহৰণ দিছোঁ—

মই মানিক চন্দ্র বৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত চতুর্থ মান শ্রেণীৰ পৰা ষষ্ঠ শ্রেণীলৈকে পঢ়িছিলোঁ। সেইখনত স্কুলত পঢ়োঁতে তাতে কামেশ্বৰ দেৱ শর্মা বুলি আমাক অংক শিকোৱা শিক্ষক এগৰাকী আছিল। তেওঁ আমাক অংকৰ লগতে ভূগোলো শিকায়। মই ভূগোল বিষয়টো বুজি পোৱাত সহজ হ'ব বাবে সেইটোৱেই এটা উদাহৰণ দিওঁ। আমি পঞ্চম মানত থাকোতে ইউৰোপৰ মানচিত্রৰ বিষয়ে পঢ়িব লগা হৈছিল। ছাৰে ইউৰোপৰ মানচিত্রখন নিজৰ পাছফালে আঁৰি লৈছিল। ছাৰৰ হাতত সদায় ডাঙৰ বেত এডাল থাকে। কোনোবাই উৎপাত কৰিলে সেইডালেৰে মাৰে। আমাক আকর্ষণ কৰোৱাৰ বাবে ছাৰৰ বুদ্ধিটো হ'ল, সেইখিনি সময়ত আমাক সুধিব ছাৰে— "বুদাপেষ্ট ক'ত?" আমি দেখুৱাম কেনেকৈ? আমিতো নাজানোৱেই। ছাৰে কৰে কি, ছাৰটো বহি থাকে আৰু ছাৰে পাছফালে ঘূৰি নোচোৱাকৈয়ে বেতডালেৰে পাছফালে থকা মানচিত্রত ঠাইখিনি দেখুৱাই দিব পাৰে। বেতডাল ঠিক সেইখিনি ঠাইতেই পৰে। এইটো কৰিবৰ কাৰণে চাগে ছাৰে খুব প্রেক্টিচ কৰিছিল আৰু এইটোৱে আমাক ৰৰকৈ আকর্ষণ কৰিছিল। আমি যিটো চাই ক'ব নোৱাৰো ছাৰে সেইটো নোচোৱাকৈয়ে ক'ব পাৰে। এইটো ছাৰৰ কাৰণে আমাৰ প্রথম আকর্ষণ। সেইবোৰৰ বাবেই ক্লাছত যাবৰ মন যায়। আৰু বহুতো আছে। বুদাপেই পঢ়াওঁতে আৰু কথা কৈছিল ছাৰে। তেওঁ আমাক কৈছিল বুদা আৰু পেষ্ট নামৰ দুখন চহৰ আছিল। তাৰ মাজেদি ডানিয়ুব নামৰ এখন নদী বৈ গৈছে। এই বুদা আৰু পেষ্ট চহৰ দুখন যিহেতু একেলগে আছে সেইকাৰণে ইয়াক একেলগে বুদাপেষ্ট বুলি কয়। তেতিয়া তেওঁ আমাক জোহান স্ট্রেস নামৰ এজন সংগীতজ্ঞৰ কথা কৈছিল। ডানিয়ুব নৈ খন খুব নীলা। জোহান স্ট্রুসে সেই নীলা নৈখনক লৈ 'ব্লু ডানিয়ব' বুলি এটা মিউজিকেল পীস লিখিছিল। সেইটো সেইখিনি সময়ত খুব জনপ্রিয় আছিল। এতিয়াও জনপ্রিয়। সেইটো ছাৰে আমাক শুনাইছিলহি। সৰু এটা গ্রামোফোন আনি আমাক তাৰ সুৰটো ক্লাছতে বজাই শুনাইছিল। ছাৰে ক'ৰপৰা গ্রামোফোনটো আনিছিল আমি গম নাপাওঁ। আমাৰ মনত আছে, কাৰণ সুৰটো একেবাৰে নিমিলে। যেতিয়া মই অক্সফ'র্ডত পি.এইচ.ডি. কৰিবলৈ গ'লো তেতিয়া এটা আচৰিত ঘটনা হ'ল। তাতে এদিন এটা বক্তৃতাৰ আয়োজন হৈছে। বক্তৃতাৰ বিষয় হ'ল পশ্চিমীয়া সংগীতৰ আধুনিক ইতিহাস। সেই বিষয়ে এজন ভাল পণ্ডিতে ক'বলৈ আহিছে। আহিয়েই তেওঁ আৰম্ভনিতে এই ব্লু ডানিয়ুব পীসটো বজাই দিলে আৰু সুধিলে, "কোনোবাই জানে নেকি এইটোৰ বিষয়ে। এইটো ক'ৰ পীস।" সেই সভাখনত সকলো বগা চাহাবৰ ল'ৰা-ছোৱালী বহি আছিল। মইয়েই একমাত্র ক'লা মানুহ। কোনেও তেওঁৰ উত্তৰ দিব পৰা নাই। আমাকতো ছাৰে শিকাইছিলে মইতো সুৰটোৰ বিষয়ে জানো, মই হাত দাঙি দিলোঁ। তেওঁ মোক কি হয় বুলি সুধিলে? মই ক'লো এইটো 'ব্লু ডানিয়ুব, জোহান স্ট্রস'। তেওঁ খুব ভাল পালে। ভাল পাই মোক সুধিলে, "তুমি মিউজিকেলৰ ইচ্টুডেন্ট?" মই ক'লো- নহয় মই ফিজিক্সৰ ছাত্র। তেওঁ অলপ আচৰিত হ'ল। ক'ত শুনিলা তুমি? কোনে শিকাইছে? মই ক'লো যে, আমাৰ স্কুলত ভূগোল পঢ়াওঁতে শিক্ষকে শিকাইছিল। তেতিয়া মানুহজন থিয় হৈ ক'লে, "মই তেওঁক চেল্যুট জনাইছোঁ। তুমি যেতিয়া ইয়াৰ পৰা যাবা সেইগৰাকী শিক্ষকক মো�ৰ চেল্যুট দিবা।" মোৰ খুব ভাল লাগিল। তাৰ পিছত পি.এইচ.ডি. কৰি ঘূৰি আহি ছাৰক বিচাৰি গৈছিলোঁ কিন্তু ইতিমধ্যে ছাৰ ঢুকাইছে। মোৰ কথাখিনি কোৱা নহ'ল আৰু ছাৰক। তেওঁলোকৰ পৰিয়ালৰ মানুহে জানে। গতিকে তাকে ক'ব বিচাৰিছো যে সেইখিনি সময়ত এনেকুৱা কিছুমান শিক্ষক আছিল যি কেৱল পাঠ্যপুথিত কি আছে সেইখিনি শিকোৱাই নহয়, আমি আজিকালি নতুন শিক্ষানীতিত যিটো ইন্টাৰডিসিপ্লিনেৰিৰ কথা কওঁ সেই সকল শিশুকে আমাক তেতিয়াই শিকাইছিল। সেইবোৰ কথা সেইসকল শিক্ষকে কেনেকৈ জানিছিল নাজানো। কাৰণ তেওঁলোকৰ বেছি শিক্ষাও নাছিল। কেৱল নর্মাল পাছ আছিল। কিন্তু তেওঁলোকে এইবোৰ কথা কেনেবাকে জানি লৈছিল, শিকি লৈছিল আৰু আমাক শিকাইছিল। তেওঁলোকে আমাক খুব মৰমো কৰিছিল। সেইকাৰণে মই তেওঁলোকক অসাধাৰণ শিক্ষক বুলি কৈছে। সেইসময়ছোৱাৰ শিক্ষক বর্তমান অলপ দেখিবলৈ পোৱা টান। আমাৰ দুর্ভাগ্য যে আমি সেইসকল শিক্ষকক তুলি ধৰিব নোৱাৰিলোঁ। গাঁৱে ভূঞেও এনেকুৱা বহুত ভাল শিক্ষক আছিল আৰু সেইসকলে আমাৰ সমাজখনক তুলি ধৰিছিল। এতিয়াও বহুতো ভাল শিক্ষক আছে কিন্তু এতিয়াতো শিক্ষক সকল শিক্ষাৰ লগতে অন্যান্য বহুতো কামত জড়িত হৈ থাকিব লাগে। গতিকে সম্পূর্ণকৈ শিক্ষা প্রদান কৰিবৰ বাবে হয়তো সময় সুবিধা নাপায়। এই পার্থক্যটো মই দেখা পাওঁ।

প্রশ্ন ঃ নতুন শিক্ষা নীতি ২০২০ ৰ সংলগ্নৰ ফলত বর্তমান ছাত্র-ছাত্রীসকল কিদৰে লাভান্বিত হ'ব? আপোনাৰ দৃষ্টিত নতুন শিক্ষা নীতি ২০২০ ৰ কিবা আসোঁৱাহ আছে নেকি?

উত্তৰ ঃ সকলো শিক্ষানীতিৰে কিছুমান ভাল ফল থাকিব আৰু কিছুমান অন্ধকাৰ দিশো থাকে, যিটোৰ পৰা সমাজখনৰ ভালো নহয়। কাৰণ এটা নীতি প্রচলন কৰিবলৈ যাওঁতে সকলোকে শিক্ষাৰ প্রতি আগ্রহী কৰি তোলা বা শিক্ষাৰ প্রতি অনুৰাগ জগাই তোলা সেইটো কোনো শিক্ষানীতিত নহ'বও পাৰে। সেইবুলি শিক্ষা নীতিটো ভাল বা বেয়া বুলি আমি ক'ব নোৱাৰো। আমি শিক্ষা নীতিত এইটোৱেই চাওঁ আগতকৈ ভালকৈ কৰিব পাৰিছে নে নাই? মই ভাৱোঁ নতুন শিক্ষানীতিয়ে আগতকৈ ভালকৈ কৰিছে। এই শিক্ষা নীতিত আমাক

সকলো কথা মিহলাই শিক্ষা দিবলৈ কৈছে। উদাহৰণস্বৰূপে কথাটো এনেকুৱা এই নতুন শিক্ষানীতিত কেৱল পদার্থবিজ্ঞান নহয় কেৱল ৰসায়নবিজ্ঞান নহয়, কেৱল অসমীয়া নহয়, কেৱল অর্থনীতি নহয়, অর্থনীতিও থাকে, ৰাজনীতিও থাকে, সমাজ নীতিও থাকে — সেই সকলোবোৰ থাকে। যিহেতু সকলোবোৰ মিলিহে জীৱন হয় গতিকে জীৱনৰ সকলোবোৰ কথাই ইয়াত থাকে। সকলোবোৰ কথাটো শিকিব নোৱাৰি কিন্তু আগ্রহী কৰি তুলিব পাৰি। এটা সমস্যাৰ সৃষ্টি হ'লে কেনেকৈ তাৰ সমাধান কৰিব পাৰি সেই বাটতো নতুন শিক্ষানীতিয়ে দিছে আৰু সেইটো ভাল কথা।

প্রশ্ন ঃ বর্তমান ছাত্র-ছাত্রীসকলে নিজৰ সর্বাংগীন বিকাশ সাধন কৰিবৰ বাবে শিক্ষাৰ লগতে আৰু কোনবোৰ দিশত গুৰুত্ব দিয়া উচিত?

উত্তৰ ঃ মই ভাৱোঁ, আগতে আমাৰ সময়ত আমাক কৈছিল যে অকল পঢ়িব লাগে। হয় পঢ়িব লাগে, ছাত্র-ছাত্রী হিচাপে পঢ়াটো প্রয়োজন। কিন্তু পঢ়াৰ লগতে আমি খেলা-ধূলাও কৰিব লাগে। খেলা-ধূলা কৰিলেহে আমি ইটোৱে-সিটোৰ কথা বুজিব পাৰোঁ, যেনে ইয়াৰ সোঁ ভৰি খন ভালকৈ নচলে, ই সোঁ ভৰিৰে শ্বট মাৰিব নোৱাৰে, বাওঁ ভৰিয়েহে শ্বট মাৰিব পাৰে। তাৰ দুর্বলতাও বুজি পাওঁ, শক্তিও বুজি পাওঁ। ইয়াৰ আমাৰ প্রতি মৰম আছে দেই সি পাৰিলে হয় গ'লটো দিবলৈ কিন্তু নিদিলে। এনেকুৱা ধৰণৰ কথাবিলাক আমি খেলা-ধূলাৰ মাজেৰে জানিব পাৰোঁ। ইয়াৰ উপৰি নাটকৰ যোগেদিও আমি এই কথাসমূহ জানিব পাৰোঁ। নাটকত আমি আনৰ চৰিত্র লওঁ, আনৰ চৰিত্র ল'লে সেই মানুহটোৰ সুখ-দুখ বিলাক লাহে লাহে অনুভৱ কৰিব পাৰো। গতিকে এইবোৰ কৰিলে সমাজখনৰ প্রতি আমাৰ যি দায়িত্ববোধ থাকিব লাগে সেই দায়িত্ববোধটো ক্রমান্বয়ে নিজে নিজেই আহিবলৈ লয়। আমাক কোৱা হয় যে সমাজখনৰ সকলোকে সহায় কৰিব লাগে কিন্তু সেইটো নিজে নিজে উপলব্ধি হোৱাটো বহুত ডাঙৰ কথা। এই সহানুভুতিৰ ভাবটো উপলব্ধি হোৱাত আমাক খেলা-ধূলাই সহায় কৰে, নাটকে কৰে, গানে কৰে। গতিকে পঢ়াৰ লগতে পাৰিলে এইবোৰ কৰিব লাগে।

প্রশ্ন ঃ ভাৰতীয় জ্ঞান পৰম্পৰা (IKS)ৰ অতীত, বর্তমান আৰু ভৱিষ্যত সম্পর্কে আপোনাৰ মতামত কি ?

উত্তৰ ঃ ভাৰতীয় জ্ঞান পৰম্পৰা বহু পুৰনি। পৃথিৱীৰ অন্যান্য ঠাইবিলাক যেতিয়া অন্ধকাৰত আছিল, শিক্ষাৰ পোহৰ পোৱা নাছিল সেইখিনি সময়তেই ভাৰতীয় মানুহবোৰে কিছুমান প্রশ্ন কৰি লৈছিল। যেনে- বিশ্ব-ব্রহ্মাণ্ডৰ সৃষ্টি কেনেকৈ হ'ল? ঋকবেদত এনেকুৱা কিছুমান কথা আছে যিবোৰ সমসাময়িক বিজ্ঞানৰ লগত কিছু পৰিমাণে মিলি যায়। সেই অতীততেই ভাৰতীয় লোকসকলে এনেকুৱা ধৰণৰ কথা ভাবিবলৈ আৰম্ভ কৰিছিল। নালন্দা বিশ্ববিদ্যালয়, তক্ষশিলা বিশ্ববিদ্যালয় অতি প্রাচীন কালতেই পাতিছিল। এনেকৈয়ে মানুহৰ মাজত জ্ঞান কেনেকৈ বিলাই দিব লাগে সেই পৰম্পৰা এটাৰ সৃষ্টি হৈছিল। গতিকে আমি এটা খুব চহকী পৰম্পৰাৰ পৰা অহা। মধ্যযুগত আমাৰ বিভিন্ন কাজিয়া পেচাল আক্রমণৰ ফলস্বৰূপে এই জ্ঞান চর্চা কিছু সীমিত হয়। তাৰ পিছত পৰাধীন যুগত আহিল। এই পৰাধীন যুগৰ পিছতেই ভাৰততে আকৌ নতুন দিগন্তৰ সূচনা হৈছে। বিজ্ঞানৰ জগতখনলৈ যদি চাওঁ চি.ভি. ৰমন আহিছে, সাহিত্যত ৰবীন্দ্র নাথ ঠাকুৰে সাহিত্যৰ নৱেল বঁটা পাইছে। গতিকে ভাৰতীয় প্রতিভা এটা আছে। সেই প্রতিভাৰ ইতিহাস জানিলে আমি গৌৰৱ কৰিব পাৰো। অকল গৌৰৱ কৰাই নহয় আমি বুজি পাওঁ যে এই প্রতিভা অতীজৰে পৰা আমাৰ মাজলৈ সঞ্চাৰিত হৈ আছে, আমি কেৱল তাক ব্যৱহাৰ কৰিব পাৰিব লাগে। ধাতুৰ বিষয়ে গ্রহ-নক্ষত্রৰ গতি সম্পর্কে, অংক আদি বিষয় সমূহৰ জ্ঞান ভাৰতীয় লোকসকলৰ মাজত প্রাচীন কালৰ পৰাই আছিল। সেইবোৰৰ ইতিহাস যদি আমি জানো, তাৰ ধৰণটো যদি আমি জানো তেতিয়া হ'লে নিজকে জনাৰ দৰে হ'ব। গতিকে ভাৰতীয় জ্ঞান পৰম্পৰাৰ বিষয়ে জনাটো নিতান্তই প্রয়োজন।

প্রশ্ন ঃ আপোনাৰ সময়ছোৱাৰ শিক্ষাৰ কোনবোৰ দিশ বর্তমান নাইকিয়া হৈছে বুলি আপুনি ভাবে? যিবোৰ থাকিলে বর্তমানৰ শিক্ষার্থীসকল লাভান্বিত হ'লহেতেঁন।

উত্তৰ ঃ প্রায়বোৰ দিশেই আছে কিন্তু কিছুমান কম হৈ আছে। উদাহৰণস্বৰূপে আমাৰ সময়ত আমি যেতিয়া স্কুল-কলেজত পঢ়ো সেইখিনি সময়ত স্কুল-কলেজত খুব বেছিকৈ তর্ক প্রতিযোগিতা, আকস্মিক বক্তৃতাৰ আয়োজন হৈছিল। মই কোৱা নাই যে এতিয়া এই প্রতিযোগিতাবোৰ নহয় কিন্তু আগৰ তুলনাত কম বুলি ক'ব লাগিব। আমাৰ সময়ত খুব বেছিকৈ হৈছিল। সকলোৱে যে কৰিব লাগিব এনেকুৱা কোনো বাধ্যবাধকতা নাছিল। যিসকলে কৰে কৰাৰ ধৰণটো ভালকৈ জানি ল'ব পাৰিছিল। আনৰ কথা শুনি মানুহজনক ব্যক্তিগত আক্রমণ নকৰাকৈ যুক্তিৰে সেই কথা কেনেকৈ কাটিব পাৰি সেইবোৰৰ জ্ঞান আমি তর্ক প্রতিযোগিতাৰ যোগেদি পাইছিলো। আমাৰ সময়খিনি আছিল মোটামুটি আশী দশকৰ সময়ছোৱা। সেইখিনি সময়ত কুইজো খুব বেছিকৈ হৈছিল। গতিকে সেইবোৰ বর্তমান সময়ত আৰু অধিক ভাৱে তুলি ধৰিলে বোধকৰোঁ ছাত্র-ছাত্রী সকল বেছিকৈ উপকৃত হ'ব।

প্রশ্ন ঃ আপোনাৰ দৃষ্টিত বর্তমান শিক্ষাৰ ক্ষেত্রত AI-ৰ নেতিবাচক প্রভাৱ সমূহ কি কি ?

উত্তৰ ঃ এটা হৈছে AI ৰ যোগেদি প্রচণ্ড সুবিধা হ'ব। আমি

যিকোনো এটা বিষয় জানিবলৈ হ'লে বহুত পঢ়া-শুনা কৰিব লাগে। বহুতো সময়ৰ প্ৰয়োজন। কিন্তু কথাবোৰ যেতিয়া ডিজিটেল মাধ্যমত ক'ৰবাত সঞ্চিত হৈ থাকে তেতিয়া আমি সেই তথ্যবোৰ শীঘ্ৰেই লাভ কৰিব পাৰোঁ। খুব কম সময়ৰ ভিতৰতেই এটা বিষয়ৰ সাৰমৰ্ম খিনি জানিব পাৰোঁ। উদাহৰণস্বৰূপে — ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ কৃতিত্ব কি ? ইয়াৰ বিষয়ে আমি কিতাপত বিচাৰি উলিয়াব পাৰোঁ কিন্তু সময়ৰ প্ৰয়োজন। অনলাইন মাধ্যমত এক মুহূৰ্তৰ ভিতৰতে আমি সেই তথ্য লাভ কৰিব পাৰোঁ। মই ChatGPT মাৰি চাইছো বা Meta AIত গৈ চাইছো এই তথ্যসমূহ সুন্দৰকৈয়ে লাভ কৰিছোঁ। গতিকে এইধৰণৰ তথ্যসূমহ জনাৰ ক্ষেত্ৰত AI য়ে আমাক সহায় কৰিব। এই AI ৰ ইতিবাচক দিশ বহুত আছে। যদি তাক ভালকৈ ব্যৱহাৰ কৰিব পাৰি তেন্তে তাৰ সুফল লাভ কৰিব পৰা যাব। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে তাৰ ব্যৱহাৰ কেনেকৈ কৰিছে সেই দিশটো মনকৰিব লগীয়া। যদি ভালকৈ ব্যৱহাৰ কৰে তেন্তে ঠিকেই আছে। কিন্তু যদি শিক্ষক এজনে ৰচনা এখন লিখিবলৈ দিছে, ছাত্ৰ-ছাত্ৰীয়ে যদি Chat GPTৰ পৰা লিখি আনে তেতিয়া হ'লে ছাত্ৰ-ছাত্ৰীৰ বিকাশ সাধন নহ'ব। গতিকে AIৰ কিছুমান নেতিবাচক দিশো আছে। কোনো বিয়োগাত্মক চিন্তাধাৰাৰ ব্যক্তিৰ হাতত যদি AI System থাকে তেন্তে তেওঁ সমাজখনক বিপথে পৰিচালিত কৰিব। AI য়ে ব্যক্তি জীৱনক ৰাজহুৱা কৰি ব্যক্তি স্বাধীনতা খৰ্ব কৰাত সহায় কৰিব। যাৰ ফলত কোনো ব্যক্তিৰ বিৰুদ্ধে আক্ৰোশ থাকিলে তেওঁক আক্ৰমণ কৰাত সুবিধা হ'ব। এনেকুৱা বহুত সম্ভাৱনা আছে আৰু সেইকাৰণে মানুহে ভয় কৰে। আমাৰ শিক্ষিত সমাজো ইয়াক লৈ খুব চিন্তিত। আনটো হৈছে যে এনেদৰে চলি থাকিলে যন্ত্ৰই মানুহক নিয়ন্ত্ৰণ কৰাৰ পৰিবেশ আহিব পাৰে। Science Fictionত যিটো এতিয়াই আছে। এইবোৰ যাতে নহয় AIৰ সৎ ব্যৱহাৰ হয় তাৰ বাবে আমি অহৰহ প্ৰচেষ্টা চলাব লাগিব।

প্ৰশ্ন ঃ এগৰাকী বিজ্ঞানৰ ছাত্ৰ হৈ সাহিত্যৰ প্ৰতি আপোনাৰ আগ্ৰহ কেনেকৈ জন্মিছিল ?

উত্তৰ ঃ মোক সৰু ল'ৰা হিচাপে অস্তিত্ব দিছিল কবিতাই। কবিতা আবৃত্তি কৰিয়েই মই প্ৰথমতে মানুহৰ মাজত থিয় দিছো। গতিকে কবিতাৰ প্ৰতি মোৰ আগ্ৰহ স্বাভাৱিক। তাৰ পিছত নাটক কৰি থিয় হৈছো। গতিকে নাটকৰ প্ৰতিও মোৰ আগ্ৰহ স্বাভাৱিক। এনেকৈয়ে ইয়াৰ বিস্তৃতি হৈ সাহিত্যৰ জগতখনলৈ মই ক্ৰমান্বয়ে আকৰ্ষিত হ'লো।

প্ৰশ্ন ঃ আপোনাৰ সৃষ্টিশীল ৰচনাত কোনটো বিষয়বস্তুৱে বেছি প্ৰাধান্য পায় ?

উত্তৰ ঃ যদি মোৰ প্ৰবন্ধৰ কথা কওঁ প্ৰৱন্ধৰ কথা লিখিলে বিজ্ঞানৰ শেহতীয়া ক্ষেত্ৰখন কেনেকুৱা হৈছে সেই সম্বন্ধে লিখোঁ। মই দেউতা লক্ষ্যধৰ চৌধুৰীৰ সন্তান হোৱাৰ কাৰণেই সেইখিনি সময়ত মোৰ এটা সৌভাগ্য হৈছিল যে অসমৰ যিসকল অতি মুধাফুটা সাহিত্যিক, সংগীতজ্ঞ আছিল সেই সকলোবোৰৰ আমাৰ ঘৰলৈ আহ-যাহ আছিল। দেউতাৰ লগতহে তেওঁলোকৰ সম্পৰ্ক আছিল, মোৰ লগত একো নাছিল। আৰু এই সম্পৰ্কৰ জৰিয়তেই মই তেখেত সকলৰ সান্নিধ্য পাইছিলো। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হেম বৰুৱা, ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা তেখেতসকলৰ সান্নিধ্য মই একেবাৰে সৰুৰে পৰাই পাইছিলো। গতিকে অসমৰ যিসকল নতুন চিন্তাধৰাৰ ব্যক্তি আছিল তেখেতসকলক মই কাষৰ পৰাই পোৱাৰ সৌভাগ্য হৈছিল আৰু এইবোৰে মোৰ জীৱন সমৃদ্ধ কৰিছে। আন যিসকলে বহু পঢ়ি-শুনি জানিব পাৰিছে মই সেই কথাবোৰ তেখেতসকলৰ পৰা এনেকৈ বহি চাহ খাই থাকোতেই শুনিছিলোঁ সেইকাৰণে মই সংস্কৃতিৰ কথাও বহু সহজতেই জানিব পাৰিছিলো। বিহুত ঢোলটো কিয় বজায় ? বা পেঁপা, গগনা কিয় বজায় ? এটা অৰ্থ হৈছে যে ফূৰ্তি কৰিবৰ কাৰণে বজায়। কিন্তু তাৰ কিছুমান গভীৰ অৰ্থ আছে। আমাক বিহুতলীতেই বিষ্ণুৱাভাই ইয়াৰ গুঢ়ার্থ ব্যাখ্যা কৰিছিল। তেওঁ 'ঢোল'ৰ উৎপত্তি ব্যাখ্যা কৰিছিল এনেদৰে— মেঘে খুন্দা খালে ঢেৰেকনি মাৰে। ঢেৰেকনি শব্দটো অসমীয়া মানুহৰ প্ৰাণৰ বস্তু। কিয়নো ঢেৰেকনিৰ পৰাই বৰষুণ হয়, বৰষুণে মাটিখিনি জীপাল কৰে আৰু এই জীপাল মাটিতেই শস্য কৰি অসমীয়া মানুহে জীৱিকা উপাৰ্জন কৰে। গতিকে ঢেৰেকনি শব্দটোক ধৰি ৰাখিবৰ কাৰণে ঢোল নামৰ যন্ত্ৰটো মানুহে সৃষ্টি কৰিলে। সংস্কৃতিৰ কিছুমান কথা মই এনেকৈয়ে জানিছিলোঁ বিশেষকৈ তাৰ ইতিহাসটো জানিব পাৰিছিলোঁ। গতিকে সেই বিষয়েও মই লিখোঁ। মানুহৰ সুখ-দুখৰ কথা স্বাভাৱিকভাৱেই সংস্কৃতিৰ লগত জড়িত হৈ থাকে। এই সুখ-দুখক লৈয়ো মই গল্প, উপন্যাস লিখোঁ।

প্ৰশ্ন ঃ নতুন প্ৰজন্মৰ শিক্ষাৰ্থীসকলক আপুনি কি উপদেশ দিব বা কি বাৰ্তা তেওঁলোকলৈ প্ৰেৰণ কৰিব বিচাৰিব ?

উত্তৰ ঃ উপদেশ নিদিওঁ, নতুন প্ৰজন্মক লৈ মই আশাবাদী বহুতো বয়সস্থ লোকে কয় যে আমাৰ ভৱিষ্যতটো অন্ধকাৰ কিন্তু মই তাৰ সম্পূৰ্ণ বিপৰীত পক্ষ। মই কওঁ যে আমাৰ অসমৰ ভৱিষ্যত খুব সুন্দৰ, খুব উজ্জ্বল। তাৰ কাৰণটো হৈছে মই যেতিয়া মোৰ পুৰণি দিনলৈ উভতি চাওঁ তেতিয়া দেখিছোঁ, হয় মই অসমক ভালপাওঁ, ভাৰতক ভাল পাওঁ, পৃথিৰীক ভাল পাওঁ আৰু তাৰ প্ৰতি কিবা কৰিবলৈ আগ্ৰহীও আছিলোঁ। কিছু পৰিমাণে কৰিছোঁও। কিন্তু নতুন প্ৰজন্মৰ একাংশই অসমৰ ভাষা-সংস্কৃতিৰ প্ৰতি, অসমীয়া সমাজখনৰ প্ৰতি তেওঁলোকৰ কৰ্তব্য যেনেদৰে কৰি আছে সেয়া নিস্বাৰ্থভাৱে কৰা

মইদেখিছোঁ। হয় মই এইটোও স্বীকাৰ কৰিছোঁ যে নতুন প্ৰজন্মৰ একাংশ বিপথে পৰিচালিত হৈছে আৰু তেওঁলোকক যে উদ্ধাৰ কৰি আনিব পৰা যাব সেইটোও মোৰ সন্দেহ। বহুতে মোক সুধিব নহয় নতুন প্ৰজন্মৰ একাংশই নিস্বাৰ্থভাৱে কাম কৰা আপুনি ক'ত দেখিছে? উদাহৰণস্বৰূপে এইটোৱে কৈছো যে মই যেতিয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আছিলোঁ ৰজনীকান্ত বৰদলৈৰ বিষয়ক আলোচনাচক্ৰ এখনৰ বাবে ৰজনীকান্ত বৰদলৈৰ জীৱনী জানিব বিচাৰিছিলো। তেতিয়া তেওঁৰ সম্পৰ্কে জানিবলৈ হাবাথুৰি খাব লগা হৈছিল। বিশ্ববিদ্যালয়ৰ পুথিভঁৰালতো কোনো তথ্য ভালদৰে বিচাৰি পোৱা নাছিলোঁ। এতিয়া আমি মাত্ৰ অনলাইনত এটা ক্লিক কৰিলেই সকলোবোৰ তথ্য আহি যায়। এতিয়া প্ৰশ্ন হ'ল এইবোৰ কোনে লিখিছে? মোৰ নিচিনা বয়সীয়া মানুহে লিখিছে জানো! নাই লিখা। এইবোৰ লিখিছে আমাৰ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰে। মই এইটোৱেই আচৰিত হওঁ তাত তেওঁলোকৰ নাম নাথাকে, তথাপিতো অসমীয়া ল'ৰা-ছোৱালী খিনিয়ে লিখি আছে। তেওঁলোকে পইচাও নাপায়। এই নিস্বাৰ্থ কাম যে তেওঁলোকে আমাৰ কাৰণে কৰিছে, মই ভাবোঁ সেইবোৰ আমি আমাৰ দিনত কৰিব পৰা নাছিলোঁ। আনটো হ'ল যে এতিয়া ল'ৰা-ছোৱালীবোৰে যিধৰণেৰে গল্প উপন্যাস লিখিবলৈ আৰম্ভ কৰিছে আমি সেইধৰণেৰে লিখিব পৰা নাছিলো। অপ্ৰিয় হ'লেও এইটো সত্য। এতিয়া বহুত ভাল লিখিব পৰা ল'ৰা-ছোৱালী ওলাইছে, সাহিত্যিক ওলাইছে, বিজ্ঞানী ওলাইছে।

গতিকে মই ভাবোঁ এটা সময়ত আমাৰ সমাজখন বহুত উজ্জ্বল হ'ব। এই উজ্জ্বল দিনবোৰ আৰু উজ্জ্বল হিচাপে চাবলৈ মই অলপদিন জীয়াই থাকিব বিচাৰোঁ আৰু সেইটোৱেই মোৰ আশা।

অনুভৱ

ৰূপকোঁৱৰৰ কাৰেঙৰ লিগিৰী ঃ অভিনয় আৰু অনুভৱ

মানস তালুকদাৰ
চতুর্থ ষান্মাসিক, শিক্ষা বিভাগ

স্কুলীয়া দিনৰ পৰাই শুনি অহা শ্রদ্ধাৰ এখন কালজয়ী নাট হৈছে 'কাৰেঙৰ আগৰৱালাদেৱৰ আন আন নাটসমূহৰ নাটখন মোৰ অন্যতম প্রিয়। মোৰ আপোন নাটকখনৰ এজন সদস্য হ'বলৈ পাই নিজকে জ্যোতিপ্রসাদ আগৰৱালা দেৱৰ 'কাৰেঙৰ মহাবিদ্যালয়ত মঞ্চস্থ কৰাৰ পৰিকল্পনা চলি পৰিণত হল বিগত বর্ষৰ মে' মাহৰ ১২ পৰিচালক মানিক আহমেদ ডাঙৰীয়াৰ নৱজ্যোতি বৰা ছাৰৰ প্রযোজনাত আৰু আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শর্মা ছাৰৰ শ্রদ্ধাৰ মানিক ছাৰে আমাৰ সকলো ছাত্র-কথা নিয়াৰিকৈ শিকাই দিছিল আৰু মই বহুতো নজনা কথা তেখেতৰ পৰা জানিব

ৰূপকোঁৱৰৰ জ্যোতিপ্রসাদ আগৰৱালা দেৱৰ লিগিৰী'। মই জ্যোতিপ্রসাদ বিষয়ে জ্ঞাত যদিও 'কাৰেঙৰ লিগিৰী' মহাবিদ্যালয়ৰ উদ্যোগত মঞ্চস্থ হোৱা এই ধন্য মানিছোঁ। জানিব পৰা মতে, লিগিৰী' নাটকখন বহুদিন আগৰে পৰা আছিল কিন্তু সেই পৰিকল্পনা বাস্তৱত তাৰিখে। ১২ মার্চ তাৰিখৰ পৰা বিশিষ্ট নাট পৰিচালনা, প্রধান অধ্যক্ষ মহোদয় ড° দিশপুৰ মহাবিদ্যালয়ৰ ড্রামাটিক সোসাইটিৰ নেতৃত্বত আখৰা পূর্ণগতিত চলিবলৈ ধৰে। ছাত্রীকে নাটকখনৰ বিষয়ে সকলোখিনি এই আখৰাৰ জৰিয়তে নাটকৰ বিষয়ে পাৰিছোঁ। নাটকখনত মই 'চাউদাঙ'ৰ চৰিত্রত অভিনয় কৰাৰ সৌভাগ্য হৈছিল। মই যদিও চাউদাঙৰ চৰিত্রত অভিনয় কৰিছিলো কিন্তু বাকী চৰিত্রসমূহো মই বহুত ওচৰৰ পৰা জানিব পাৰিছিলোঁ। মোৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্র-ছাত্রীসকলো এই নাটকখনৰ লগত জড়িত হৈছিল। আমি আখৰাৰ মাজত সকলোৱে একত্রিত হৈ বহুতো স্ফূর্তি কৰিছিলোঁ। যেন আখৰাৰ মাজতেই আমাৰ এটা পৰিয়ালৰ জন্ম হয়। অবশেষত ২ মাহ জুৰি হোৱা আখৰাৰ অন্তত ১২-০৫-২০২৪ ইং দেওবাৰে শ্রীশ্রী মাধৱদেৱ আন্তর্জাতিক প্রেক্ষাগৃহত অসমৰ নাট্য সাহিত্যৰ জনপ্রিয় নাটক ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা দেৱৰ সৃষ্টি 'কাৰেঙৰ লিগিৰী' মঞ্চস্থ হয়। উক্ত দিনটোত সন্ধিয়া অসমৰ মাননীয় শিক্ষামন্ত্রী শ্রীযুত ৰণোজ পেগু ডাঙৰীয়াৰ দ্বাৰা নাটখনৰ শুভ উদ্বোধনী অনুষ্ঠান সম্পন্ন হয়। নাটকখন উপভোগ কৰি সকলোৱে শলাগ লয় আৰু এটা সফল অনুষ্ঠান হিচাপে পৰিগণিত হয়। নাটকখনৰ জৰিয়তে মোৰ বহুতো বিশিষ্ট ব্যক্তিসকলৰ সৈতে সাক্ষাৎকাৰ হৈছিল, যি সকলৰ পৰা মই বহুতো নজনা কথা শিকিব পাৰিছোঁ আৰু বহুতো অভিজ্ঞতা বুটলিছোঁ।

অৱশেষত মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, দিশপুৰ মহাবিদ্যালয়ৰ ড্রামাটিক ছোচাইটিৰ সমূহ সদস্যসকল তথা আমাৰ পৰিচালক মহোদয়ক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো মোক মোৰ আটাইতকৈ প্রিয় নাটকখনত এটা সুন্দৰ চৰিত্র আৰু এখন প্রভাৱশালী মঞ্চ দিয়াৰ বাবে, ধন্যবাদ। ■■

অনুভৱৰ একলম ঃ অনুৰাধাৰ দেশ

অংকুৰ কলিতা
চতুর্থ ষান্মাসিক, ইংৰাজী বিভাগ

সময় তেতিয়া ২০২১ চনৰ নৱেম্বৰ মাহ। কলেজীয়া জীৱনত প্রথমটো খোজ আগবঢ়োৱাৰ সময়তেই মহাবিদ্যালয়ৰ পুথিভঁৰালত স্বনামধন্য সাহিত্যিক ফণীন্দ্র কুমাৰ দেৱচৌধুৰী দেৱৰ সৃষ্টি 'অনুৰাধাৰ দেশ' উপন্যাসখনৰ লগত মোৰ পৰিচয় ঘটে। মই নৱম শ্রেণীতে অধ্যয়ন কৰি থাকোঁতে 'ৰচনা বিচিত্রা'ত উপন্যাস সম্রাট ৰজনীকান্ত বৰদলৈ দেৱৰ এখন কালজয়ী উপন্যাস 'মিৰি জীয়ৰী'ৰ বিষয়ে অৱগত হৈছিলোঁ যদিও, জীৱনত প্রথমবাৰৰ বাবে পূর্ণাংগভাৱে পঢ়া উপন্যাসখনেই হৈছে 'অনুৰাধাৰ দেশ'। অনুৰাধাৰ দেশৰ জন্ম হয় ১৯৮৯ চনত তথা এইখনেই হৈছে দেৱচৌধুৰী দেৱৰ ৰচিত প্রথমখন উপন্যাস। উপন্যাসখনে ১৯৯৩ চনত অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

উৰিষ্যাৰ বংগোপসাগৰৰ সমুদ্রগর্ভত তৈল অনুসন্ধান ক্ষেত্রৰ পটভূমিত ৰচিত এখন ভিন্নধর্মী অসমীয়া উপন্যাস অনুৰাধাৰ দেশ। ইয়াৰ মূল পটভূমি উৰিষ্যাৰ ৰাজধানী ভূৱনেশ্বৰ আৰু পাৰাদ্বীপ বন্দৰ। উপন্যাসখনৰ দুটা প্রধান চৰিত্র হৈছে অৰুণাভ চৌধুৰী আৰু অনুৰাধা সাহা। অৰুণাভে তৈল কোম্পানীত চাকৰি কৰে। এই কোম্পানীটোৱে তেওঁক উৰিষ্যাৰ বংগোপসাগৰত নতুনকৈ আৰম্ভ কৰা তৈল অনুসন্ধান প্রকল্প এটালৈ বদলি কৰে। তাতেই অৰুণাভৰ কলেজীয়া দিনৰ বান্ধৱী অনুৰাধাৰ সৈতে পুনৰ সাক্ষাৎ হয়। অনুৰাধা আছিল সাহসী, নির্ভেজাল, বিশাল অন্তৰৰ অধিকাৰী। এক কথাত ক'বলৈ গ'লে অনুৰাধা সাহা মমতাৰ প্রতিমূর্তি। অৰুণাভক হঠাতে এনেদৰে লগ পাই অনুৰাধা যেন আনন্দত আত্মহাৰা হৈ উঠিছিল। উৰিষ্যাৰ ভূৱনেশ্বৰ চহৰৰ গলিবোৰ, লিংগৰাজ মন্দিৰ ইত্যাদি দর্শন কৰাটো আছিল দুয়োৰে অৱসৰৰ বিনোদন। দেৱচৌধুৰী দেৱে সেই সময়ৰ ভূৱনেশ্বৰ চহৰ, পাৰাদ্বীপ বন্দৰৰ বিভিন্ন তথ্যসমৃদ্ধ কথাৰ বর্ণনা অতি সুন্দৰভাৱে দাঙি ধৰিছে। উপন্যাসখনত বিভিন্ন সময়ত বিভিন্ন চৰিত্রৰ সমাবেশ ঘটিছে। যিসকলে উপন্যাসখনৰ সার্থকতা বহন কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। উদাহৰণস্বৰূপে আমি ক'ব পাৰো অৰুণিমা বাইদেউ, অর্জুন মামা, মিষ্টাৰ মেহৰা চাহাব, নীৰেন দত্ত, ৰূপালী চলিহা, অতনু দা, মিছেছ ডালভি, ডেনিছ ছিলভিয়া ইত্যাদিৰ কথা। নীৰেন দত্ত আছিল অৰুণাভৰ সহকর্মী। তেখেতে বিয়া কৰাইছিল অৰুণাভৰ অতীতৰ সৈতে জড়িত ৰূপালীক। বিবাহৰ পাছতো নীৰেন দত্ত আৰু ৰূপালীৰ মাজত কোনো স্বামী-স্ত্রীৰ সম্পর্ক নাছিল যাৰ ফলত ৰূপালীয়ে মানসিক অশান্তিত ভুগিছিল আৰু বহুদিন নিজকে নিঃশেষ কৰি দিয়াৰ পৰিকল্পনা কৰিছিল। অৰুণাভ আৰু ৰূপালীৰ এই কাকতালীয় সংযোগৰ পাছতেই এটি বর্ষণমুখৰ নিশা অৰুণাভ আৰু ৰূপালীৰ মাজত সংঘটিত হোৱা নিবিড় সম্পর্কৰ ফলস্বৰূপে ৰূপালী অন্তঃসত্ত্বা হয়। ৰূপালীৰ সন্তানৰ পিতৃ তেখেতৰ বাদে যে আন কোনোবা সেই কথা ইতিমধ্যেই নীৰেন দত্তই ধৰিব পাৰিছে আৰু খঙত জ্বলি পকী উঠিছে। অন্যহাতে ৰূপালীয়ে সন্তানটোক পৃথিবীৰ পোহৰ দেখুৱাবলৈ প্রতিশ্রুতিবদ্ধ। শেষত এটি পুত্র সন্তান জন্ম দিয়াৰ পিছত ৰূপালী ইহসংসাৰৰ পৰা বিদায় লয়। সন্তানটোক অৱহেলাৰ দৃষ্টিৰে চালেও অৱশেষত নীৰেন দত্তই শিশুটিৰ মোহ এৰিব নোৱাৰি মুক্তমনে আকোৱালি লয় আৰু ডাঙৰ-দীঘল কৰাৰ সিদ্ধান্ত লয়।

একনিষ্ঠ হৈ কর্ম কৰি যোৱা নিসংগ, ৰহস্যময় এটি চৰিত্র হৈছে মিষ্টাৰ মেহেৰা চাহাব। সন্ধিয়া সময়ত তেওঁ প্রায়েই পানীয়ত ডুবি থাকে। কর্মৰ প্রতি থকা তেওঁৰ একাগ্রতাৰ ফলতেই নিজ পত্নীক সময় দিব নোৱাৰাত পত্নী এলিয়ে পুত্র ঋত্বিকক লৈ চিৰদিনৰ বাবে লণ্ডনলৈ গুচি যায়।

ডেনিছ ছিলভিয়া উপন্যাসখনৰ আন এটি চৰিত্র। তেওঁ জেৰিণা নামৰ এগৰাকী যুৱতীৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। বিয়াৰ পিছত কর্তব্যৰ তাগিদাত তেওঁ কর্মক্ষেত্রলৈ পুনৰ যাবলগীয়া হয়। ছমাহৰ অন্তত উভতি আহি দেখে জেৰিনাই প্রতিবেশী এজনৰ লগত সহবাস কৰিবলৈ লৈছে। এইবোৰ দেখি ডেনিছে বহুদিনলৈ কোনো ছোৱালীৰ

স'তে প্রেমৰ সম্পৰ্ক গঢ়ি তোলা নাছিল কিন্তু মিছেছ ডালভিক লগ পোৱাৰ পিছত মিছেছ ডালভি আৰু ডেনিছৰ মাজতে লগ পোৱাৰ মাজত এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠে।

অতনু দা, আৰু এটি বিশেষ চৰিত্ৰ যাক অনুৰাধাই জ্যেষ্ঠ ভাতৃৰ দৃষ্টিৰে চায়। অতনুৰ বহুকেইখন স্বৰচিত নাটকত অনুৰাধাই অভিনয় কৰিছিল। অলীৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ পিছত অতনু যথেষ্ট ভাগি পৰিছিল। তাৰ পিছত অতনুৱে অনুৰাধাৰ প্ৰেমত পৰে। এই কথা জানিব পাৰি অনুৰাধাই মনত আঘাত পায়। অতনুৱে নিজৰ ভুল বুজিব পাৰি অনুৰাধাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হয়।

ইফালে, ৰূপালীৰ স'তে হোৱা সম্পৰ্কৰ বাবে অৰুণাভে নিজকে দোষী বুলি ভাবি অনুৰাধাৰ পৰা আঁতৰি থাকিবলৈ লয়। অনুৰাধাই বহুদিন ধৰি বহুবাৰ অৰুণাভৰ সৈতে সংযোগ কৰিবলৈ চেষ্টা কৰিছিল যদিও অৰুণাভৰ কোনো শুং-সূত্ৰই পোৱা নাছিল। কিন্তু এদিন সন্ধিয়াপৰত অৰুণাভে অনুৰাধাক অন্তিমবাৰৰ বাবে দেখা কৰাৰ সিদ্ধান্ত লয় আৰু অনুৰাধাৰ ঘৰলৈ যায়। ৰূপালীৰ লগত ঘটা সম্পৰ্কৰ কথা, ৰূপালী আৰু তেওঁৰ সন্তানটোৰ কথা অনুৰাধাৰ আগতে বিৰৰি কয়। সকলোবোৰ সঁচা কথা কোৱাৰ বাবে অনুৰাধাই অৰুণাভক ক'লে - 'অৰুণাভ, অতীতত ঘটি যোৱা এটা ভুলে বা এটা দুৰ্ঘটনাৰ বাবে জানো ভবিষ্যতে সুখী হোৱাৰ সকলো পথ মানুহৰ বাবে শেষ হৈ যায়? আৰু অৰুণাভক সহৃদয়তাৰে আকোঁৱালি লয়। তাৰ পিছত অৰুণাভ আৰু অনুৰাধা দুয়ো একেলগে দিল্লী অভিমুখী বিমানত উঠাৰ বৰ্ণনাৰে উপন্যাস খনৰ পৰিসমাপ্তি ঘটে। বিমানৰ খিৰিকিৰ কাচেৰে দুয়োজনে চাই পঠিয়ালে তললৈ -- দৃষ্টিৰ পৰা লাহে লাহে আঁতৰি যাব ধৰিছে চিনাকি সেয়া ভূবনেশ্বৰ চহৰ; আকাশৰ ফালে মুখ কৰি ৰোৱা অজস্ৰ মন্দিৰৰ চূড়া, মসৃণ পথেৰে শাৰী-শাৰীকৈ অহা-যোৱা কৰা বাকচৰ নিচিনা গাড়ী, অদূৰত চহৰ উপকণ্ঠৰ লেণ্ডস্কেপ। ... দৃষ্টিত ধৰা দিছে ক্ৰমবৰ্দ্ধমান পৃথিবীৰ পৰিধিয়ে। খিৰিকিৰ কাঁচেৰে পাৰ হৈ অহা পুৱাৰ কোমল ৰ'দত উজলি উঠা অনুৰাধাৰ মুখলৈ চাই হঠাৎ অৰুণাভৰ অনুভৱ হ'ল -'অনুৰাধাৰ কোনো দেশ নাই; অনুৰাধা এই পৃথিৱীৰ নাৰী।'

সঁচাকৈ অনুৰাধাৰ কোনো দেশ নাই, মানুহৰ কাৰণে অনুৰাধা শ্ৰীময়ী নাৰী। অনুৰাধা সকলোৰে মাতৃ, অনুৰাধা গৰিয়সী জননী। দেৱচৌধুৰী দেৱৰ এনে মনোমোহা আৰু যাদুকৰী বৰ্ণনাই 'অনুৰাধাৰ দেশ'ৰ শোভাবৰ্ধন কৰিছে। ভূৱনেশ্বৰ চহৰৰ, পাৰাদ্বীপ বন্দৰৰ সুবিমল ৰূপে পাঠক-সমাজক উৰুৱাই লৈ যায় অনুৰাধাৰ দেশলৈ। উপন্যাসখনৰ কিছু বিশেষ তথা হৃদয়স্পৰ্শী শাৰী আপোনালোকলৈ বুলি আগবঢ়াঁলো .....

ক) কাগজৰ আখৰো কেতিয়াবা হৃদয়ৰ পৰিচয় হৈ পৰে।

খ) কেতিয়াবা নিজৰ পৰা পলায়নেই মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে।

গ) এই পৃথিৱীৰ প্ৰতিজন মানুহ কেৱল নিজৰ বিবেকৰ ওচৰত দায়বদ্ধ, আৰু অইন কাৰো ওচৰত নহয়।

ঘ) অপত্য স্নেহতকৈ গভীৰতম বোধ কিজানি মানুহৰ জীৱনত আৰু একো নাই।

ঙ) সেই দুখেই তীব্ৰতম যাৰ কোনো অংশীদাৰ নাই।

চ) প্ৰেম পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ ভাষা।

ছ) কিছুমান স্বপ্ন থাকে মানুহৰ, যিবোৰ হয়তো মৃত্যুলৈকে বুকুৰ গভীৰত গোট মাৰি বৰফৰ দৰে বৈ যায়।

জ) প্ৰতিটো শিশুৱেইতো দেৱদূত ঃ স্বৰ্গৰ ফুলনিৰ পৰা সিহঁত পৃথিৱীলৈ নামি আহে। ইত্যাদি ....

অনুৰাধাৰ দেশৰ পৰা বিদায় ল'বৰ সময় হ'ল। কিন্তু এতিয়াও যেন পাৰাদ্বীপ বন্দৰত বৈ গৈছো, লিংগৰাজ মন্দিৰৰ চৌহদত যেন ঘূৰি ফুৰিছোঁ, ভূৱনেশ্বৰ চহৰৰ ব্যস্ত গলিবোৰৰ মাজতে নিজকে যেন বিলীন কৰি দিছোঁ। ভিৰৰ মাজত বিচাৰি ফুৰিছোঁ অনুৰাধাৰ বাদামী চুলিৰ বেণীডাল। অৰুণাভ আৰু অনুৰাধাৰ হাঁহি ধেমালিবোৰৰ গুঞ্জন কাণত এতিয়াও লাগি ৰৈছে। ৰূপালীৰ সন্তানটোৰ কোমল কান্দোন যেন দূৰৈত ৰিণি-ৰিণি শুনিবলৈ পাইছোঁ। উপযুক্ত সংগীৰ সান্নিধ্য লাভ কৰিলে জীৱনটো মধুৰভাৱে জীয়াবলৈ বৰ বেছি একোৰে প্ৰয়োজন নহয়, লাগে মাথোঁ মৰম, বিশ্বাস, ভালপোৱা-- য'ত নাথাকে কোনো মলিনতা, কোনো প্ৰতাৰণা - ডেনিছ ছিলভিয়া আৰু মিছেছ ডালভিৰ প্ৰেমেও যেন ইয়াৰেই বাৰ্তা বহন কৰিছে। অতি মনোৰম কথনভংগী আৰু মননশীল বৰ্ণনাৰে পাঠকৰ অনুভূতিক জগাই তোলাৰ বাবে শ্ৰদ্ধেয় ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী দেৱক নতশিৰে প্ৰণিপাত জনাইছোঁ আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ অৰুণাভ অনুৰাধাৰ জগতখনৰ লগত আমাক চিনাকি কৰোৱাই দিয়াৰ বাবে। শেষত এটা কথা নভবা নহয়, সময় মিলিলে যদি কেতিয়াবা ভূৱনেশ্বৰ চহৰলৈ যোৱাৰ সৌভাগ্য হয়, তাত বিচাৰি চাম এবাৰ অৰুণাভৰ অনুৰাধাক। পিছে বিচাৰিহে পাওঁ নে নাপাওঁ নাজানো, কাৰণ .....

'অনুৰাধাৰ কোনো দেশ নাই, অনুৰাধা এই পৃথিৱীৰ নাৰী।'

■■

ভণ্ডামী ...

মানুহজনীয়ে মিটিং খনত গার্হস্থ্য হিংসাৰ ওপৰত সুন্দৰ বক্তৃতা আগবঢ়ালে। জাউৰীয়ে জাউৰীয়ে পৰা হাত চাপৰিত সভা থলী ৰজনজনাই গ'ল। হঠাৎ মহিলাগৰাকীৰ ফোনটো বাজি উঠিল। খৰধৰকৈ তেওঁ ঘৰমুৰা হ'ল। পুলিচ অফিচাৰ জনে আগবাঢ়ি আহি তেওঁক ক'লে আপুনি থানা লৈ যাব লাগিব। ইতিমধ্যে আপোনাৰ ল'ৰাক থানালৈ লৈ যোৱা হৈছে। আপোনাৰ বোৱাৰীয়ে আপোনালোকে কৰা শাৰীৰিক, মানসিক অত্যাচাৰৰ বাবে থানাত গোচৰ দিছে।

মিঠাতেল

মন্দিৰটোত পাৰ হৈ যোৱা পূজাথলীত পৰি ৰোৱা আধা জ্বলা চাকি বোৰত ৰৈ যোৱা তেল বোৰ সি বটল এটাত ল'ৰালৰিকৈ ভৰাব ধৰিলে। সদায় মাক জনীয়ে আলু কচু সিজাই ভাত খাবলৈ দিয়ে। আজি সি আলু ভজা ৰে ভাত খাব।

পৰীক্ষা...

তাই দেউতাকৰ হাত দুখন নিজৰ ডিঙি লৈ টানি নি চিঞৰি ধৰিলে..."মাৰি পেলা তই আমাক দেউতা। আজিও মোক পঢ়িবলৈ নিদিয়ে। কালি মোৰ অংকৰ পৰীক্ষা। টিউচনতো দিব নোৱাৰিলি আৰু সদায় টেঁটুলৈ এইসোপা গিলি কিয় ঘৰখন জ্বলাইছ দেউতা। কিমান আৰু মাৰ-পিট গালি গালাজ সহ্য কৰিম। মোৰ লাজ লাগে ও । মই জীৱনত কিবা এটা কৰিব বিচাৰো দেউতা।" কান্দি কান্দি তাই আন্ধাৰৰ মাজেৰে নদী খনৰ পিনে দৌৰিব ধৰিলে।

তুলিকা চৌধুৰী
প্ৰবক্তা, অৰ্থনীতি বিভাগ দিছপুৰ মহাবিদ্যালয

ধূপ

আজি ঘৰটো ধূপৰ গোন্ধৰে মলমলাই আছে। পুষ্প ধূপ, গোন্ধটো মোৰ প্ৰিয়, পিছে দেউতাৰ নহয়, এলার্জি আছে, সেয়েহে মায়ে নজ্বলায়। কিন্তু আজি বহু পেকেট জ্বলাইছে। দেউতাই আজিৰ পৰা আৰু গোন্ধ নাপায়।

জেনিফাৰ আহমেদ
ষষ্ঠ ষান্মাসিক, বাণিজ্য বিভাগ

English
SECTION



Article

" All you have to do is write one true Sentence.
Write the truest Sentence that you know."

- Ernest Hemingway

TAKING GOOD DECISIONS IN LIFE

Dr. Sunita Agarwalla
Associate Professor(Retired), Dept .of Education, Dispur College

We take several decisions in our lives . Sometimes we achieve a good result and sometimes our decision turns out to be a disaster impacting our lives ,as well as, that of people around us. There are some people we find, who seem to always take very good and right decisions in their lives, and we wonder, how can this person always take good and right decisions in life. It is such people,who succeed in life as , they are strategic thinkers. They think and ponder a lot before taking any decision in life ,be it small or big.

Usually while taking a decision,we decide suddenly,let someone else decide for us,do what someone elder tells us to do,think through choices and decide ,wait until someone else takes a decision for us ,or do not take decisions at all. Decision making is a skill which can help us to deal properly in choosing the best from the life situations we face. This skill makes us capable of weighing the pros and cons of the alternatives and make proper informed decisions in life. In the words of WHO, "Decision making helps us to deal constructively with decisions about our lives. A good decision would be one whose outcome would be positive or beneficial."

We take some decisions on a daily basis like what to wear ,what to eat etc. Suppose , someone decides to eat rice in the morning,comes to the kitchen and finds that there is no rice available. So , he or she decides to have a bread. This decision will not have any impact on his or her life. In the same way, if he or she wanted to wear a green dress but had to wear a blue one, it will have no impact on his or her life. Such decisions are very insignificant in our life.

Again , there are some decisions,like whether to go for a vacation, whether to take a leave, whether to attend a training or not etc. Such decisions also do not impact one's life to a great extent. It may be like , later we may regret a little, but then forget about it.

But , there are some major decisions we take in our life ,which cannot be reversed ,once taken. Such decisions are like what to study, which career to choose, whom to marry, where to buy a house etc. If we make a mistake in taking these decisions, it may affect our life to a great extent. Making a wrong decision in such cases, can make us unhappy for our entire life.

Decision making is a complex process. We are confused, lost, unsure, unclear, perplexed, disoriented and bewildered while taking a decision in life.

So ,then, how to take a good decision is a question before us. We can understand about the process by breaking the word DECIDE as-

D-Describe the situation you need to make a decision about.

E-Explore the options

C-Cross out the negative points

I-Investigate the positive options

D-Determine best course of action

E-Evaluate what happens as a result

While taking a decision,we must first try to look at the situation as a whole. Looking at the situation from only one point or angle will not help us in understanding the situation. Next , we must look at all the options available within our reach for solving it. From these options, we must remove those, that we think can have negative results. Now, we have in front of us only the positive one's. From these also, we must think and decide which will be the best. Later on , we can evaluate the result and use it while taking decisions in future. We may sometimes, make terrible mistake while taking a decision. It is okay. Everyone makes mistakes in life. But , what is important is that whether we have learnt a lesson from it or not. Our past experiences determine many of the decisions we make. Sometimes ,due to the past experiences, we are afraid to do things differently.

Another model of decision making given by experts is the 3C's Model. The three C's are –

Challenges –Problem

Choices –Options available

Consequences –Positive and negative consequences of each option

This model is also more or less the same as the above one.

P.O.W.E.R. Model for Decision Making

- P = Clearly state/identify the Problem/issue.
- O = Examine what our Options currently appear to be. Generate other choices, if possible. The more options we generate the better.
- W= Weigh each option. Look at the potential consequences (positive and negative) of each choice and how the options reflect our own personal values and beliefs. We can talk to a person we trust.
- E = Elect and Enact the best option. Pick the first and second best choices based on the potential outcomes.
- R = Review and Reflect on what happened because of our decision. Did we learn something for the next time you have to make a decision?

Good decision making depends on understanding the situation well, being aware of our choices and, above all visualizing the consequences of our choices.If we do not have enough information to make a decision, we have to take help from our elders (parents, teachers, relatives) and friends. The other sources of useful information can be newspapers, radio, TV, websites etc.

Good decision making depends on understanding the situation well, being aware of our choices and seeing the consequences of our choices. Learning to make decisions that keep us safe requires both critical and creative thinking A person's decisions and actions can have a far-reaching effect on other people and on future events. So while making a choice from the available options, one should carefully think what effect (positive or negative) will that option have on him/her, his/her family, friends, society etc. One should avoid choosing options which can cause negative effects on oneself and others.Critical and creative thinking skills can help a person in making a good decision.

NATIONAL EDUCATION POLICY, 2020 (NEP, 2020) AND ITS IMPLEMENTATION IN ASSAM

Dr Mamani Kalita
Associate Professor, Department of Philosophy, Dispur College

The Union Cabinet approved the National Education Policy (NEP) 2020 on July 29, 2020.

The main vision of NEP 2020 is that students will qualify with attributes wherein they possess the knowledge, concepts, and skills which would assist them with not only their employment opportunities but also imbibe them with constitutional, human, ethical, and moral values.

The NEP 2020 proposes to transform the education sector by taking into consideration the changing knowledge landscape, global employment scenario and ecosystem which are more aligned with the goals of 21st century. The emphasis is not merely limited to making children learn, but also incorporates the question of how to learn. The main motto of NEP2020 is '**Equitable and inclusive education.'** It is built upon the basis of five pillars: access, equality, quality, affordability and accountability. It is also built upon forms of ancient Indian tradition and value system including Jnana(knowledge), Prajna (wisdom) and Satya (truth).

The policy is expected to introduce changes from the school to higher education level in terms of structure, regulation and governance and thereby introduces changes which are holistic, flexible and multidisciplinary in nature.

The policy has given serious considerations to the situation of higher education in the country by initiating a progressive, flexible and multidisciplinary undergraduate programme. The higher education institutions (HEIs) would be given sufficient faculty and institutional autonomy to revamp curriculum, pedagogy assessment and student support.

Another innovation of the policy is broadening the scope of learning by including both online and open and distance education to be at par with the on-campus programmes. The introduction of 'Liberal Arts' by UG level by integrating streams and introducing humanities and other streams promoting soft skills in technical institutes like IITs are some of the attempts of achieving it. Credit-based courses aimed at developing humanistic, ethical, constitutional, and human values and scientific temper have also been included.

The NEP2020 has suggested three types of institutions-research intensive universities (placing equal emphasis on teaching and research), teaching-intensive universities (emphasis primarily on teaching, but still conducting research), and autonomous degree-granting colleges (focused primarily on undergraduate degrees.)

One of the structural changes the NEP2020 has proposed is replacing the three-year UG programme with a four-year one. The post-graduate students would have the flexibility of opting for either a one-year course or a complete two-year option. The structure of UG study program would include the following: a UG certificate after completing one year in the chosen field of study, A UG diploma after completing two years of study, a bachelor's degree after

completing three years of study: a four-year bachelor's degree after completing four years: a four year UG degree(honours with research) wherein students who secure 75 marks and above and wish to undertake research at the UG level, can choose a research stream in the fourth year; multiple entry, exit points; and an ABC(Academic bank of Credits)will be established to digitally store academic credit points which students can earn for various HEIs.

One of the most significant aspects is to redefine education in terms of learning outcomes. They are 'competencies students are required to acquire and the number of credits they are required to obtain.'

Another aspect of the policy is that it provides scope to the students to intern with local industry, business, artists, crafts etc. the policy hopes that this provision of engaging with their own institutions and collaborating with others will improve the students' hands-on training and experience, which would later on enhance their opportunities of employability.

The NEP2020 aims to not only introduce structural modifications in education sector, but also to factor in provisions to ensure social justice and equality, and bridge the existing gender and social gaps which have existed in education. To achieve it, Gender Inclusion Fund and Inclusion Fund Schemes have been proposed to assist girls, transgender students and those belonging to the socio-economically disadvantaged groups (SEDGs). One of the Sustainable Development Goals (SDG) which was adopted by India includes ensuring inclusive and equitable quality education and promoting life-long learning opportunities for all by 2030. It also offers scope for providing physical, psycho-social and emotional wellness support to the students.

The Government of Assam has implemented NEP2020 in the state since August'2023. Some key initiatives taken by Assam Government are as follows:

- School Education Reform: Assam has begun to shift to the 5+3+3+4 structure, replacing 10+2 framework.
- Mother Tongue Instruction: NEP2020 emphasises early education in the mother tongue or regional language. Assam has initiated efforts to promote Assamese and other regional languages in early schooling.
- Vocational Education: Pilot programs for skill-based learning and vocational education in schools and colleges.
- Multilingual Policy: given Assam's linguistic diversity NEP's multilingual emphasis fits well with state dynamics.

Moreover, Assam is working to convert some colleges into autonomous degree-granting institutions and form multidisciplinary education and research universities (MERUs). Assam has organised various capacity building programs for teachers at school and higher education levels to align with NEP's Pedagogical shifts.

START EARLY, PROSPER LATER: THE POWER OF INVESTING FROM A YOUNG AGE

Dr Ajoy Mitra
HOD, Dept. of Finance

Investing is a crucial aspect of securing one's financial future. While it may seem daunting, starting early can make a significant difference. In this article, we'll explore the benefits of investing from a young age and how it can set you up for long-term financial success.

Benefits of Early Investing:

1. Compound Interest: Investing early allows you to harness the power of compound interest, where your money grows exponentially over time.

2. Long-term Growth: Early investing provides a longer timeframe for your investments to grow, potentially leading to substantial returns.

3. Risk Tolerance: Starting early allows you to take calculated risks, which can lead to higher returns over the long term.

4. Financial Discipline: Investing regularly from a young age helps develop financial discipline and responsibility.

5. Wealth Creation: Early investing can lead to significant wealth creation, providing financial security and freedom.

6. Achieving Financial Goals: Investing early can help you achieve your financial goals, such as buying a house, retirement, or funding your children's education.

7. Reduced Financial Stress: Investing early can reduce financial stress and anxiety in the long run.

8. Increased Financial Independence: Early investing can lead to increased financial independence and freedom.

Awareness Level of Young Investors:

Despite the benefits, many young investors lack awareness about investing. Common misconceptions include:

1. Investing is only for the wealthy: Anyone can start investing with a small amount.

2. Investing is too complicated: With education and resources, investing can be straightforward.

3. Investing is too risky: Calculated risk-taking can lead to significant returns.

4. Lack of knowledge about investment products: Many young investors are unaware of various investment options.

5. Fear of market volatility: Understanding market fluctuations can help young investors make informed decisions.

Investment Education Initiatives by Regulatory Bodies:

Regulatory bodies like SEBI (Securities and Exchange Board of India) play a vital role in promoting investment education and awareness. Some initiatives include:

1. SEBI's Investor Education Programmes: SEBI conducts various programs to educate investors about investing, risk management, and financial literacy.

2. Online Resources: SEBI's website provides valuable resources, including investor guides, FAQs, and educational videos.

3. Collaborations: SEBI collaborates with educational institutions, NGOs, and industry associations to promote investment education.

4. Workshops and Seminars: SEBI organizes workshops and seminars to educate investors about various investment products and services.

5. Investor Awareness Campaigns: SEBI launches campaigns to raise awareness about investor rights and responsibilities.

Key Strategies for Young Investors:

1. Start Small: Begin with a manageable amount and gradually increase your investment.

2. Diversify: Spread your investments across various asset classes to minimize risk.

3. Consistency: Invest regularly to benefit from dollar-cost averaging.

4. Education: Continuously learn about investing and personal finance.

5. Avoid Emotional Decisions: Make informed, data-driven decisions, rather than emotional ones.

6. Monitor and Adjust: Regularly review your portfolio and adjust your strategy as needed.

7. Tax Planning: Consider tax implications when investing and plan accordingly.

8. Emergency Fund: Maintain an emergency fund to avoid liquidating investments during market downturns.

Investment Options for Young Investors:

1. Mutual Funds: A diversified portfolio of stocks, bonds, or other securities.

2. Index Funds: A low-cost way to track a specific market index.

3. Stocks: Invest in individual companies with growth potential.

4. Retirement Accounts: Utilize tax-advantaged accounts, such as 401(k) or IRA.

5. Robo-Advisors: Automated investment platforms offering diversified portfolios.

6. Exchange-Traded Funds (ETFs): A type of investment fund traded on stock exchanges.

7. Real Estate Investment Trusts (REITs): Invest in real estate without directly owning physical properties.

Tips for Getting Started:

1. Set Financial Goals: Define your objectives and create a plan.

2. Understand Your Risk Tolerance: Assess your comfort level with market volatility.

3. Automate Your Investments: Set up regular transfers to your investment accounts.

4. Seek Professional Advice: Consult with a financial advisor or investment expert.

5. Start Early: Don't delay – start investing today and take advantage of compound interest.

6. Be Patient: Investing is a long-term game; avoid making impulsive decisions based on short-term market fluctuations.

Financial Literacy and Education from Young Age:

Financial literacy is the cognitive understanding of financial components and skills such as budgeting, investing, borrowing, taxation, and personal financial management. The absence of such skills is referred to as being financially illiterate. Financial literacy is an everyday skill. Besides knowledge, you must have the risk appetite to execute a financial decision. More importantly, you must make an informed decision. The present form of content primarily targets an English-speaking, affluent, urban audience, but, there should be a regional translation that goes with every package of financial literacy content.

Financial literacy consists of several financial

components and skills that allow an individual to gain knowledge regarding the effective management of money and debt. Below are the fundamental components of financial literacy that should be learned.

1. Budgeting

In budgeting, there are four main uses for money that determine a budget: spending, investing, saving, and giving away.

Creating the right balance throughout the primary uses of money allows individuals to better allocate their income, resulting in financial security and prosperity.

In general, a budget should be composed in a way that pays off all existing debt while leaving money aside for saving and making beneficial investments.

2. Investing

To become financially literate, an individual must learn about key components in regards to investing. Some of the components that should be learned to ensure favorable investments are interest rates, price levels, diversification, risk mitigation, and indexes.

Learning about crucial investment components allows individuals to make smarter financial decisions that may result in an increased inflow of income.

3. Borrowing

In most cases, almost every individual is required to borrow money at one point in their life. To ensure borrowing is done effectively, an understanding of interest rates, compound interest, time value of money, payment periods, and loan structure is crucial.

If the criteria above are understood sufficiently, an individual's financial literacy will increase, which will provide practical borrowing guidelines and reduce long-term financial stress.

4. Taxation

Gaining knowledge about the different forms of taxation and how they impact an individual's net income is crucial for obtaining financial literacy. Whether it be employment, investment, rental, inheritance, or unexpected, each source of income is taxed differently.

Awareness of the different income tax rates permits economic stability and increases financial performance through income management.

5. Personal Financial Management

The most important criteria, personal financial management, includes an entire mix of all of the components listed above.

Financial security is ensured by balancing the mix of financial components above to solidify and increase investments and savings while reducing borrowing and debt.

Achieving an in-depth knowledge of the financial components discussed above guarantees an increase in an individual's financial literacy.

Financial literacy is not merely answering a few questions about interest rates, rates of return, or inflation. It can be estimated based on financial knowledge, financial behaviour, and financial attitude. Financial education needs a massive overhaul. There is a need for an integrated approach towards financial literacy from stakeholders. Presently, the government, Reserve Bank of India, Securities and Exchange Board of India, Insurance Regulatory and Development Authority, and industry bodies all conduct their financial literacy programmes. They target their product categories and propagate information. Public events are held to raise financial awareness across the country every day.

Impact of Social Media on Financial Literacy:

Social media has a huge impact in spreading financial literacy in India. It was one of the biggest influencers of rise in investment during the pandemic. Many stock market training academies, YouTube channels and websites were founded during this period. The top 15 Indian YouTube channel focusing

on equity markets have a subscriber base of more than 13 million. An increase in internet penetration and popularity of these mediums, triggered a rise in popularity of investment across India. Many people from different age groups began investing in equity markets and mutual funds. The retail investors' share in cash market turnover increase from 39% in 2019 to 55% in 2023-24.

Government initiative towards financial literacy

Strengthening financial inclusion in India has been an important agenda of the government and the various regulatory bodies such as: RBI, SEBI, IRDAI, PFRDA. Efforts have also been taken to spread awareness and increase financial literacy among young population. Listed below are few such initiatives taken by respective regulatory authority:

Reserve Bank of India (RBI)

RBI being the money market and the banking regulator has launched basic financial education as well as sector focused financial education. These include, financial literacy guides, diaries and posters covering the tenets of financial wellbeing such as savings, concepts of interest, time value, inflation etc. To aid businesses, ATM's, payment systems, Ponzi schemes, financial awareness messages etc. are some of the other contents covered.

Securities and Exchange Board of India (SEBI)

SEBI also focuses on enhancing basic financial education and sector wise financial education. Being the Indian capital and securities market regulator, it also arranges events such as the World Investor Week and mass media campaigns. It also has a dedicated investor website.

Insurance Regulatory and Development Authority of India (IRDAI)

Like the other regulators, IRDAI also works on content development by creating brochures, handbooks etc. It has also created mandatory board approved policy for insurers and arranges various seminars and quiz programs.

Pension Fund Regulatory and Development Authority (PFRDA)

PFRDA has dedicated website called 'Pension Sanchay' launched in 2018. This website aims at increasing financial literacy from retirement perspective.

In addition to the above, the government of India has also implemented several schemes in order to increase financial inclusion such as, Pradhan Mantri Jan Dhan Yojana, Jivan Jyoti Beema, Atal Pension Yojana etc. These schemes are introduced for the ease of banking services, awareness, and general insurance awareness. In addition to this, the government arranges several financial literacy programs like financial education for children, retirement planning, commodity future markets and insurance for school students to educate and spread awareness among the young population.

Conclusion:

